UG S1 03
(IDC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

গণমাধ্যম অধ্যয়ন

ভূপেন হাজৰিকা গণসংযোগ সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

* **অধ্যাপক কে.এচ. অৰুল চেলভান**, নির্দেশক, স্কুল অব্ জার্ণেলিজম্ এণ্ড নিউ মিডিয়া ষ্টাডিজ, ইগনৌ, নতুন দিল্লী
* **অধ্যাপক খবা কবি**, ডীন, ফেকাল্টী অব্ ইনফ'ৰমেশ্যন টেকন'ল'জী, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্রদেশ
* **ড° এচ.এম. আলফৰিদ হুছেইন**, সহযোগী অধ্যাপক, গণ সংযোগ বিভাগ, অসম বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ **ড° তৃষা দুৱৰা বৰুৱা** আৰু **ড° জুৰি হাজৰিকা**, সহকাৰী অধ্যাপক ভূপেন হাজৰিকা গণসংযোগ সত্র, কৃকাসৰামুবি

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২, ৩	অধ্যাপক অভিজিৎ বৰা, তেজপুৰ বিশ্ববিদ্যালয়	* বিৰাজ দাস, অৱসৰপ্রাপ্ত ভাৰতীয় তথ্য সেৱা বিষয়া, গুৱাহাটী (অধ্যায় ১) * পার্থ প্রতিম বৰা, গ্রাফিক ডিজাইনাৰ (অধ্যায় ২ আৰু ৬)
৪	ড° অঞ্জুমন বৰা, সহকাৰী অধ্যাপিকা, তেজপুৰ বিশ্ববিদ্যালয়	* বিনোদ বৰা, অৱসৰপ্রাপ্ত ভাৰতীয় তথ্য সেৱা বিষয়া, গুৱাহাটী আৰু গীতাঞ্জলি মেধি, কৃকাসৰামুবি (অধ্যায় ৩)
৫	তপন দত্ত, আকাশবাণী গুৱাহাটী	* মণিকংকনা বর্মন, সহকাৰী অধ্যাপক, পৰিৱেশ্য কলা, ডি.এচ.আৰ. শিক্ষক প্রশিক্ষণ তথা গৱেষণা প্রতিষ্ঠান, চামতা, নলবাৰী (অধ্যায় ৪ আৰু ৫)
৬, ৯, ১০	অধ্যাপক অংকুৰণ দত্ত, নির্দেশক/প্রথম সচিব, স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্র (পূর্বৰ ভাৰতীয় সাংস্কৃতিক কেন্দ্র) ভাৰতীয় উচ্চায়ুক্তৰ কার্যালয়, কলম্বো, শ্রীলংকা	* বর্ষাপ্রিয়া দত্ত, গৱেষক শিক্ষার্থী, মানৱিকী আৰু সমাজ বিজ্ঞান বিভাগ (ভাষাতত্ত্ব শাখা), আইআইআইটি.,গুৱাহাটী (অধ্যায় ৭) * ৰুমী চৌধুৰী, গৱেষক, গুৱাহাটী (অধ্যায় ৮) * গীতাঞ্জলি মেধি, কৃকাসৰামুবি (অধ্যায় ৯ আৰু ১০)
৭	ড° জুৰি হাজৰিকা, কৃকাসৰামুবি ড° মাছুং ৰাংলিউ কামেই, পোষ্ট ডক্ট'ৰেল গৱেষক, জিয়'ংকচ্' পিং বিশ্ববিদ্যালয়, চুইডেন আৰু প্রবক্তা, কথাছবি, টেলিভিছন আৰু নব্য মাধ্যম প্রযোজনা বিভাগ, এচ. ভি. কে. এমৰ ঊষা প্রৱীণ গান্ধী কলেজ অৱ আর্টচ, ময়েন্স এণ্ড কমার্চ, মুম্বাই আৰু তপন দত্ত, আকাশবাণী গুৱাহাটী	
৮	ড° নীহাৰিকা বুঢ়াগোহাঁই, সহকাৰী অধ্যাপিকা, চিকিম বিশ্ববিদ্যালয়	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ **অধ্যাপক কে. ভি. নগেৰাজ,** প্রাক্তন অধ্যাপক, গণ সংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ **মনস্বিনী মহন্ত,** সহকাৰী অধ্যাপক আৰু গীতাঞ্জলি মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ **ড° তৃষা দুৱৰা বৰুৱা**, সহকাৰী অধ্যাপিকা, কৃকাসৰামুবি

জুলাই, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেছম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **গণ মাধ্যম** ৭-২৩

গণ সংযোগৰ মাধ্যম, বিভিন্ন গণ মাধ্যমৰ বৈশিষ্ট্য, দৰ্শক, সম্প্ৰসাৰণ আৰু সুচলতা, গণ মাধ্যমৰ ভূমিকা, ৰাজহুৱা মত সৃষ্টি, কাৰ্যসূচী নিৰূপকৰ ভূমিকা।

অধ্যায় ২ ঃ **গণ মাধ্যমৰ বিকাশ** ২৬-৪১

ভাৰতত প্ৰাৰম্ভিক সময়ছোৱাৰ সংযোগ ব্যৱস্থাসমূহ, ভাৰতত গণ মাধ্যমৰ ভূমিকা, স্বাধীনতা সংগ্ৰাম আৰু গণ মাধ্যমৰ ভূমিকা, স্বাধীনতা লাভৰ পূৰ্বৰ সময়ছোৱাৰ গণ মাধ্যম, স্বাধীনতা লাভৰ পাছত গণ মাধ্যমৰ বিকাশ-ছপা মাধ্যম, টেলিভিছন, ৰেডিঅ', কথাছবি, বিজ্ঞাপন, জনসংযোগ।

অধ্যায় ৩ ঃ **পৰম্পৰাগত লোক মাধ্যম** ৪২-৫৭

পৰম্পৰাগত লোক মাধ্যম, পৰম্পৰাগত লোক মাধ্যমৰ সুবিধাসমূহ, লোক মাধ্যমে প্ৰতিফলিত কৰা সামাজিক পৰিৱৰ্তনবোৰ, উন্নয়নমূলক গণ মাধ্যম হিচাপে পৰম্পৰাগত লোক মাধ্যম।

অধ্যায় ৪ ঃ **ছপা মাধ্যম** ৫৮-৭১

ছমা মাধ্যম- এক পৰিচয়, ছপা মাধ্যমৰ প্ৰকাৰ, ছপা মাধ্যমৰ প্ৰাসংগিকতা আৰু গুৰুত্ব-সমস্যা আৰু সম্ভাৱনা, বাতৰি-কাকতৰ ইতিহাস- বিশ্ব প্ৰেক্ষাপট, ভাৰতীয় প্ৰেক্ষাপট, বাতৰি-কাকতৰ ভাগ আৰু গাঁথনিক শৈলীসমূহ।

অধ্যায় ৫ ঃ **শ্ৰাব্য মাধ্যম - ৰেডিঅ'** ৭২-৯৮

শ্ৰাব্য মাধ্যমৰ অৰ্থ, শ্ৰাব্য মাধ্যম বনাম ছপা মাধ্যম বনাম দৃশ্য-শ্ৰাব্য মাধ্যম, ৰেডিঅ'ৰ বিষয়সূচী, কাৰ্যসূচীবোৰৰ শ্ৰেণী বিভাজন, বিভিন্ন প্ৰকাৰৰ ৰেডিঅ' অনুষ্ঠান, ৰেডিঅ'ত অসমীয়া ভাষাৰ অনুষ্ঠান, ৰেডিঅ' অনুষ্ঠান প্ৰযোজনাৰ প্ৰাথমিক জ্ঞান।

অধ্যায় ৬ ঃ **দৃশ্যগ্ৰাহ্য মাধ্যম ঃ ফটোগ্ৰাফী** ৯৯-১১৯

ফটোগ্ৰাফীৰ ধাৰণা, ফটোগ্ৰাফী - মৌলিক চিন্তা, ফটোগ্ৰাফীৰ আৰম্ভণি, স্থিৰ ফটোগ্ৰাফী, ফটোগ্ৰাফীৰ কাৰিকৰী ধাৰণা, কেমেৰাৰ প্ৰকাৰ, এটা স্থিৰ ফটো তোলা কেমেৰাৰ অংশসমূহ, মুভী কেমেৰা, শ্বট্ আৰু কেমেৰা সঞ্চালন-শ্বট্ কি, কেমেৰা কেনেদৰে সঞ্চালন কৰা হয়।

অধ্যায় ৭ ঃ **আলোকচিত্র সাংবাদিকতা** ১২০-১৩৪

আলোকচিত্র সাংবাদিকতাৰ ধাৰণা, আলোকচিত্র সাংবাদিকতাৰ প্রাথমিক দিশবোৰ, আলোকচিত্র ফিচাৰ নে আলোকচিত্র সম্বলিত ৰচনা, এগৰাকী আলোকচিত্র সাংবাদিকৰ থাকিবলগীয়া গুণসমূহ, ফটোগ্রাফীৰ নৈতিক আদর্শসমূহ, ফটোৰ পৰিচয়সূচক শীর্ষক লিখা আৰু সম্পাদনা কৰাৰ কৌশল।

অধ্যায় ৮ঃ **দৃশ্য-শ্রাব্য মাধ্যম ঃ চলচিত্র** ১৩৫-১৫৬

গণ মাধ্যম হিচাপে চলচিত্রৰ বৈশিষ্ট্য, দর্শক দর্শকৰ মনত চলচিত্রৰ প্রভাৱ, উদ্যোগ হিচাপে চলচিত্র, কলাত্মক আৰু ব্যৱসায়িক চলচিত্র, চলচিত্র প্রশংসাৰ ধাৰণা, ভাৰতত চলচিত্র-আঞ্চলিক চলচিত্র, অসমীয়া চলচিত্র, ভাৰতৰ কেইগৰাকীমান লেখত ল'বলগীয়া চলচিত্র নির্মাতা, চলচিত্রক প্রামাণ্য প্রদানকাৰী কেন্দ্রীয় বোর্ড, তথ্যচিত্রৰ ধাৰণা।

অধ্যায় ৯ ঃ **দৃশ্য-শ্রাব্য মাধ্যম ঃ টেলিভিছন** ১৫৭-১৬৬

টেলিভিছনৰ পৰিচয়, ভাৰতত টেলিভিছনৰ চমু ইতিহাস, দূৰদর্শন।

অধ্যায় ১০ ঃ **নব্য মাধ্যমৰ পৰিচয়** ১৬৭-১৮১

নব্য মাধ্যমৰ ধাৰণা - সংজ্ঞা, পৰম্পৰাগত আৰু নব্য মাধ্যমৰ মাজৰ প্রভেদ, নব্য মাধ্যমৰ বৈশিষ্ট্য, নব্য মাধ্যমৰ সাধাৰণ বাহকবোৰ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ গণ মাধ্যমৰ অধ্যয়ন

'গণ মাধ্যমৰ অধ্যয়ন' সাংবাদিকতা আৰু গণ সংযোগ বিষয়ৰ স্নাতক প্ৰথম ষাণ্মাসিকত অন্তৰ্ভুক্ত কৰা এটা আন্তঃবিষয়ক পাঠ্যবিষয়। এই পাঠ্যবিষয়ত আমি গণ সংযোগ আৰু সাংবাদিকতাৰ আহিলাবোৰৰ মৌলিক ধাৰণাসমূহ আলোচনা কৰিম। গণ সংযোগ সফলতাৰে পৰিচালনা কৰিবলৈ গণ মাধ্যমৰ সৈতে জড়িত ধাৰণাবোৰ স্পষ্টকৈ বুজাটো প্ৰয়োজনীয়। এই পাঠ্যবিষয়ৰ অধ্যয়ন সম্পূৰ্ণ কৰাৰ পাছত আপুনি গণ মাধ্যমৰ বিভিন্ন প্ৰকাৰবোৰৰ কাৰ্যপ্ৰণালী আৰু সুকীয়া বৈশিষ্ট্যসমূহ সম্পৰ্কে অৱগত হ'ব। দুটা খণ্ডত ভাগ কৰা এই পাঠ্যবিষয়টোত মুঠ পোন্ধৰটা অধ্যায় আছে।

পাঠ্যবিষয়ত মুঠ দহটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। অধ্যায় কেইটাৰ সংক্ষিপ্ত পৰিচয় তলত দিয়া হ'ল—

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টিৰ শিৰোনাম হৈছে 'গণ মাধ্যম'। ইয়াত সংযোগৰ মৌলিক ধাৰণাটো বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিত আলোচনা কৰা আন বিষয়বোৰ হ'ল গণ মাধ্যমৰ বিভিন্ন দিশ আৰু এইবোৰৰ মানৱ জীৱনত গুৰুত্ব। এই দিশবোৰে কেনেকৈ জনসাধাৰণ আৰু গণ সংযোগ স্থাপনকাৰীৰ মাজৰ যোগসূত্ৰ হিচাপে কাম কৰে সেয়াও অধ্যায়টিত আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ৰ শিৰোনাম, 'গণ মাধ্যমৰ বিকাশ'। ইয়াত ভাৰতত গণ মাধ্যমৰ বিকাশ সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। অধ্যায়টি পঢ়ি গণ মাধ্যমৰ আৰম্ভণি সময়ছোৱাৰ পৰা বৰ্তমানলৈকে কেনেকৈ অসংখ্য অন্তৰায়ৰ সন্মুখীন হৈয়ো ভাৰতত ইয়াৰ বিকাশ ঘটিছে তাৰ আভাস পাব। অধ্যায়টিত আলোচনা কৰা আন বিষয় দুটামান হ'ল গণ মাধ্যমৰ বিকাশ ঘটাত সহায়কৰ ভূমিকা পালন কৰা বিভিন্ন দিশ আৰু গণ মাধ্যমৰ শেহতীয়া ধাৰাসমূহ।

'পৰম্পৰাগত লোক মাধ্যম' হৈছে তৃতীয় অধ্যায়ৰ শিৰোনাম। বিগত সময়ছোৱাত বিকশিত হোৱা কোনো এটা গণ মাধ্যমেই পৰম্পৰাগত লোক মাধ্যমৰ দৰে জনগণৰ, বিশেষকৈ গ্ৰাম্যাঞ্চলৰ জনগণৰ ইমান কাষ চাপিব পৰা নাই। এই অধ্যায়টিত লোক মাধ্যমৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ৰ শিৰোনাম হৈছে 'ছপা মাধ্যম'। ছপা মাধ্যম হ'ল গণ মাধ্যমৰ প্ৰাৰম্ভিক ৰূপ। বিশ্বত ইয়াৰ উত্থানৰ ইতিহাস অতি আকৰ্ষণীয়। অধ্যায়টিত বিভিন্ন প্ৰকাৰৰ ছপা মাধ্যমৰ বিষয়ে, ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে আৰু বাতৰি-কাকত উদ্যোগৰ সমস্যা তথা সম্ভাৱনাৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিত আলোচনা কৰা আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল বিশ্ব আৰু ভাৰতৰ বাতৰি-কাকতৰ ইতিহাস। বাতৰি-কাকতৰ বিভিন্ন ভাগ তথা গাঁথনিক শৈলী হ'ল অধ্যায়টিত স্থান পোৱা আন এক তাৎপৰ্যপূৰ্ণ বিষয়।

'শ্ৰাব্য মাধ্যম-ৰেডিঅ', পঞ্চম অধ্যায়ৰ শিৰোনাম। ইয়াত এটা শ্ৰব্য মাধ্যম হিচাপে ৰেডিঅ'ৰ পৰিচয়, সংজ্ঞা, বৈশিষ্ট্য আৰু গণ মাধ্যমৰূপে ইয়াৰ গুৰুত্ব বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিত ৰেডিঅ' অনুষ্ঠান সম্পৰ্কীয় বিভিন্ন কথাও আলোচনা কৰা হৈছে। ৰেডিঅ' এটা সাৰ্বজনীন গণ মাধ্যম। ইয়াৰ জৰিয়তে একে সময়তে বিপুল সংখ্যক মানুহৰ সৈতে বাৰ্তা প্ৰেৰণৰ সহায়ত সংযোগ স্থাপন কৰা হয়। এনেদৰে বাৰ্তা প্ৰেৰণৰ দ্বাৰা সংযোগ স্থাপন কৰা কাৰ্যটোক 'সম্প্ৰচাৰ' বোলা হয়।

'দৃশ্যগ্ৰাহ্য মাধ্যম-ফটোগ্ৰাফী' হৈছে ষষ্ঠ অধ্যায়টিৰ শিৰোনাম। অধ্যায়টি খৰচি মাৰি অধ্যয়ন কৰি উঠাৰ পাছত আপুনি ফটোগ্ৰাফীৰ ধাৰণাটো স্পষ্টকৈ বুজি পাব। অধ্যায়টিত বিভিন্ন প্ৰকাৰৰ কেমেৰা আৰু স্থিৰচিত্ৰ তথা মুভী চলচিত্ৰৰ মাজৰ পাৰ্থক্যবোৰৰ

বিষয়েও আলোচনা কৰা হৈছে। অধ্যায়টিত আলোচনাৰ বাবে লোৱা আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ফটোগ্ৰাফীত কম্পোজিশ্যন আৰু এক্সপ'জাৰ। ইয়াত বিষয় দুটাৰ সৈতে জড়িত বিভিন্ন দিশ সামৰি লোৱা হৈছে।

সপ্তম অধ্যায়ত 'ফটো সাংবাদিকতা'ৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত ফটো সাংবাদিকতা অথবা আলোকচিত্ৰ সাংবাদিকতাৰ ধাৰণাটো বহলাই আলোচনা কৰা হৈছে। ফটো সাংবাদিকৰ গুণ আৰু গণ মাধ্যমত এই ক্ষেত্ৰখনৰ ভূমিকা হ'ল অধ্যায়টিত আলোচনাৰ বাবে লোৱা আন দুটা গুৰুত্বপূৰ্ণ বিষয়।

পাঠ্যক্ৰমৰ অষ্টম অধ্যায়টো হৈছে, 'দৃশ্য-শ্ৰাব্য মাধ্যমঃ বোলছবি'। ইয়াত মূলতঃ চিনেমা বা বোলছবিৰ বৈশিষ্ট্য আৰু দৰ্শকৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হৈছে। লগতে গণসংযোগৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে চিনেমাই কেনেদৰে কাম কৰে সেই বিষয়েও কোৱা হৈছে। অধ্যায়টোত চলচ্চিত্ৰ সমালোচনাৰ ধাৰণা আৰু ভাৰতত চিনেমাৰ উৎপত্তি তথা বিকাশৰ বিষয়ে সম্যক ধাৰণা দিবলৈ চেষ্টা কৰিছে। ইয়াৰ লগতে অধ্যায়টোত ভাৰতৰ কিছুমান গুৰুত্বপূৰ্ণ চলচ্চিত্ৰ নিৰ্মাতা আৰু ভাৰতীয় চলচ্চিত্ৰ উদ্যোগৰ প্ৰতি তেওঁলোকৰ অৱদানৰ বিষয়েও আলোচনা কৰা হৈছে।

পাঠ্যক্ৰমৰ নৱম অধ্যায়ত এটা অতি গুৰুত্বপূৰ্ণ বিষয় 'দৃশ্য-শ্ৰাব্য মাধ্যমঃ টেলিভিছন'ৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টোত ৰাজহুৱা সম্প্ৰচাৰ সেৱা দূৰদৰ্শনৰ ওপৰত বিশেষ গুৰুত্ব দি ভাৰতৰ টেলিভিছনৰ ইতিহাসৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

পাঠ্যক্ৰমৰ শেষৰ ইউনিটটো হৈছে 'নব্য মাধ্যমৰ পৰিচয়'। ইয়াত নব্য মাধ্যমৰ ধাৰণাটোৰ লগতে গতানুগতিক মাধ্যম আৰু নব্য মাধ্যমৰ পাৰ্থক্য, নব্য মাধ্যমৰ বৈশিষ্ট্য আৰু নব্য মাধ্যমৰ সাধাৰণ বাহকসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে। ইয়াত ফটো সাংবাদিকতাৰ ধাৰণাটো বহলাই আলোচনা কৰা হৈছে। ফটো সাংবাদিকৰ গুণ আৰু গণ মাধ্যমত এই ক্ষেত্ৰখনৰ ভূমিকা হ'ল অধ্যায়টিত আলোচনাৰ বাবে লোৱা আন দুটা গুৰুত্বপূৰ্ণ বিষয়।

এই পাঠ্যবিষয়টো পঢ়ি যাওঁতে কিছুমান পৃষ্ঠাত আপুনি কেইটামান পার্শ্ববাকচ দেখিব। বাকচবোৰ পাঠৰ সোঁফালে নাইবা বাওঁফালে দিয়া আছে। বাকচবোৰত পাঠত উল্লেখ থকা কিছুমান বিশেষ শব্দ আৰু ধাৰণাৰ ব্যাখ্যা দিয়া আছে। ইয়াৰ উপৰি প্ৰতিটো অধ্যায়তে 'অনুশীলন' আৰু 'অগ্ৰগতি নিৰীক্ষণ' শিতান দুটাৰ অধীনত কিছুমান দীঘল আৰু চমু প্ৰশ্ন দিয়া হৈছে। অনুশীলনে আপোনাৰ চিন্তাশক্তি বৃদ্ধি কৰিব। কাৰণ এই শিতানত থকা প্ৰশ্নবোৰ পোনপটীয়াকৈ পাঠৰ পৰা তুলি দিয়া হোৱা নাই। চমু প্ৰশ্নবোৰৰ উত্তৰ 'অগ্ৰগতিৰ খতিয়ান' শিতানত পাব। অধ্যায়ৰ সামৰণিত 'আৰ্হি প্ৰশ্ন' শিতানত পাঠৰ সৈতে সম্পৰ্ক থকা প্ৰশ্ন কেইটামান দিয়া হৈছে। প্ৰশ্নকেইটাই আপোনাক পৰীক্ষাত আহিব পৰা সম্ভাব্য বিষয়বোৰৰ অধ্যয়নত মনোযোগ দিয়াত সহায় কৰিব যাতে আপুনি আত্মবিশ্বাস সহকাৰে পৰীক্ষাৰ বাবে প্ৰস্তুত হ'ব পাৰে।

অধ্যায়-১ ঃ গণমাধ্যম

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ গণ সংযোগৰ মাধ্যম
১.৪ বিভিন্ন গণমাধ্যমৰ বৈশিষ্ট্য
১.৫ শ্রোতা-দর্শক, বিস্তাৰ আৰু প্ৰৱেশ
১.৬ মাধ্যমৰ ভূমিকা
৫.৬.১ জনমত গঠন
৫.৬.২ কার্যক্রমণিকা নির্ধাৰণৰ ভূমিকা
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- বিভিন্ন গণ মাধ্যমৰ নামসমূহ জানিব,
- বিভিন্ন গণ মাধ্যমৰ বৈশিষ্ট্যসমূহৰ বর্ণনা কৰিব পাৰিব,
- 'শ্রোতা-দর্শক' (audience), 'বিস্তাৰ' আৰু 'প্রভাৱ' এই পৰিভাষিক শব্দকেইটা ব্যাখ্যা কৰিব পাৰিব,
- সমাজত গণ মাধ্যমৰ ভূমিকাৰ চিত্রায়ণ/ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

গণ সংযোগ যে জনসাধাৰণ বা জনতাৰ সৈতে সংযোগৰ প্রক্রিয়া আৰু এই কার্য সম্পাদনৰ বাবে যে বিভিন্ন মাধ্যম নাইবা আহিলাৰ প্রয়োজন হয়, এতিয়ামানে আপুনি সেইটো নিশ্চয় বুজি পাইছে। সর্বসাধাৰণ লোকৰ মাজলৈ গণ সংযোগৰ বার্তাসমূহ বহন কৰি নিয়া এই মাধ্যমসমূহকেই গণমাধ্যম বুলি জনা যায়।

গণ সংযোগৰ লক্ষ্যত উপনীত হোৱাৰ কাৰণে গণমাধ্যমসমূহ হ'ল অতি প্ৰয়োজনীয় উপাদান। সেইবাবে এই অধ্যায়টোত আমি সৰ্বসাধাৰণ লোক আৰু গণ সংযোগকাৰীৰ মাজৰ সেঁতুৰূপে মানুহৰ জীৱন-ধাৰাত গণমাধ্যমৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সেইবোৰৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিম।

গণ সংযোগ কাৰ্যত সফলতা লাভ কৰিবলৈ হ'লে গণমাধ্যমসমূহৰ সম্পৰ্কে এটা সুন্দৰ আৰু সুস্পষ্ট ধাৰণা থকাটো আৱশ্যকীয়। এই অধ্যায়টি সম্পূৰ্ণকৈ অধ্যয়নৰ পিছত আপুনি বিভিন্ন গণমাধ্যমৰ কাম-কাজৰ লগতে সেইবোৰৰ বৈশিষ্ট্য সম্পৰ্কে এটা স্পষ্ট ধাৰণা আয়ত্ব কৰিবলৈ সক্ষম হ'ব। ই আমাক প্ৰয়োজন সাপেক্ষে মাধ্যমৰ জৰিয়তে কোনো প্ৰচাৰ অভিযানৰ পৰিকল্পনা কৰাত সহায় কৰিব।

১.৩ গণ সংযোগৰ মাধ্যমসমূহ

গণ সংযোগ বাৰ্তাসমূহৰ বাহকৰূপে কাম কৰা গণমাধ্যমসমূহ কাৰ্যতঃ জনসাধাৰণক বিশ্বৰ যিকোনো বিষয় সম্পৰ্কে অৱগত কৰাৰ অতি শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈছে। বিভিন্ন গণমাধ্যমৰ ভিন ভিন চাৰিত্ৰিক বৈশিষ্ট্য, সুবিধা,অসুবিধা আদি আছে। সৱহভাগ সময়তে, কোনো এটা বিষয় নাইবা সামগ্ৰীৰ বিষয়ে প্ৰচাৰ অভিযান চলাব বিচাৰিলে, কেইটামান মাত্ৰ নিৰ্বাচিত মাধ্যমৰ ওপৰতেই নিৰ্ভৰ নকৰি, প্ৰচলিত সকলোবোৰ মাধ্যমৰ সংমিশ্ৰণেৰে অভিযান চলোৱাটোৱেই বুদ্ধিমানৰ কাম হয়। কাৰণ, প্ৰতিটো গণমাধ্যমত কাৰিকৰী আৰু অন্যান্য কেতবোৰ বৈশিষ্ট্যজনিত নিজস্ব দিশ আছে, যিবোৰে, সেই মাধ্যমটোৱে কেনেধৰণৰ শ্ৰোতা-দৰ্শক-পাঠকক আকৰ্ষণ কৰিব পাৰিব সেইটো নিৰ্ণয় কৰে।

গণমাধ্যমসমূহক তলত দিয়া দৰে কেবাটাও শ্ৰেণীত বিভক্ত কৰিব পাৰি।

ছপামাধ্যম— সংবাদ-পত্ৰ, পত্ৰিকা, আলোচনী, কিতাপ।

বৈদ্যুতিন মাধ্যম, দৃশ্য-শ্ৰাব্য মাধ্যম— টেলিভিশ্যন, ৰেডিঅ', কথাছবি।

নব্য মাধ্যম— ইণ্টাৰনেট, ৰেডিঅ', ব্লগচ্।

ওপৰত দিয়া বৰ্ণনাৰ পৰা এইটো স্পষ্ট হয় যে মুদ্ৰিত শব্দৰ আটাইবোৰ গণমাধ্যমেই ছপামাধ্যমৰ ভিতৰত পৰে। আনহাতে টেলিভিশ্যন, ৰেডিঅ' চলচ্চিত্ৰ আদি বৈদ্যুতিন মাধ্যম বা শ্ৰাব্য-দৃশ্য শ্ৰেণীৰ মাধ্যমৰ অন্তৰ্ভুক্ত।

সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বতে জনসাধাৰণৰ মাজত ইণ্টাৰনেটৰ জনপ্ৰিয়তা দিনে দিনে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াক নব্য মাধ্যমৰ শ্ৰেণীত ধৰা হৈছে। এই শ্ৰেণীৰ মাধ্যমৰ ভিতৰত ব্লগচ্ (Blogs) অতি লেখত ল'বলগীয়া মাধ্যমৰূপে পৰিগণিত হৈছে। সাৰ্বজনিক প্ৰয়োগৰ ক্ষেত্ৰত, প্ৰকাশৰ মাধ্যম ৰূপে ব্লগচ্ খুবেই গ্ৰহণযোগ্য হৈ পৰিছে।

অৱশ্যে ইণ্টাৰনেট আৰু ব্লগচ্সমূহক গণ সংযোগৰ মাধ্যম হিচাপে স্বীকৃতি দিয়াৰ

বিষয়টো এতিয়াও গণ সংযোগৰ বিশেষজ্ঞ মহলত এটা বিতর্কিত বিষয় হৈ আছে আৰু এইক্ষেত্রত আজিকোপটি কোনো ঐক্যমতত উপনীত হ'ব পৰা হোৱা নাই।

এইটো সঁচা যে 'ই' মেইল ঠিকনা বা ব্লগচ্ৰ যোগে যেতিয়া কোনো এটা বার্তা ইণ্টাৰনেটত 'আপলোড' কৰা হয়, তেতিয়া বিশ্বৰ যিকোনো ঠাইতে অসংখ্যলোকৰ বাবে ই সহজলভ্য হৈ পৰে। কিন্তু, একে সময়তে প্রতিজন ইচ্ছুক ব্যক্তিয়ে বার্তা বা তথ্যটো লাভ কৰিব পৰাৰ গণ সংযোগৰ যি বিশেষ বৈশিষ্ট্য ইণ্টাৰনেটত তাৰ অভাৰ দেখা যায়। ইয়াৰ কাৰণ হ'ল বার্তাটোত লক্ষ্য কৰা অনুযায়ী সকলোবোৰ মানুহে একেটা সময়তে ইণ্টাৰনেটত প্রৱেশ নকৰিবও পাৰে।

আমি আটায়ে জানো যে কোনো এটা বিষয় পঢ়াতকৈ তাক কানেৰে শুনিলে বা চকুৰে দেখিলে ই আমাৰ মনৰ ওপৰত অধিক প্রভাৱ বিস্তাৰ কৰে। সেইবাবে আমি ক'ব পাৰো যে বিশ্বাসযোগ্যতা তথা প্রভাৱ, ঊর্ধ্বমুখী ক্রমত ছপামাধ্যমৰ পৰা ৰেডিঅ' আৰু টেলিভিশ্যনলৈ বৃদ্ধি হয়। আন কথাত পঢ়া, শ্রৱণ আৰু দর্শন (একেলগে) এই ক্রমত আমাৰ ওপৰত কোনো এটা বিষয়ৰ প্রভাৱৰ মাত্রা কম-বেছি হয়। এনে হোৱাৰ কাৰণ এয়ে যে যেতিয়া মৌখিক শব্দ আৰু দৃশ্য সংযোজিত কৰা হয়, তেতিয়া মানুহৰ মনৰ ওপৰত তাৰ প্রভাৱ আৰু ফল ছপামাধ্যমতকৈ অধিক হয়।

ব্লগ ঃ ব্লগ (ওৱেব-লগ্ শব্দটোৰ হ্রস্বৰূপ) হ'ল একোটা ওৱেব-ছাইট। সচৰাচৰতে কোনো এজন ব্যক্তিয়ে টিপ্পনী, ঘটনাপ্রবাহৰ বর্ণনা, গ্রাফিকচ্ বা দৃশ্য সামগ্রী আদিৰ দৰে বিভিন্ন বিষয়বস্তু অন্তর্ভুক্ত কৰি ইয়াক চলাই থাকে। বহুতো ব্লগত কোনো এটা বিশেষ বিষয়ৰ সম্পর্কত টিপ্পনী বা-বাতৰি আদিৰ পৰিৱেশন কৰা হয়। আনবোৰ হ'ল অধিক পাৰিমাণে ব্যক্তিগত ডাৱেৰী বা দৈনিকী। প্রতিনিধিত্বমুলক কোনো এটা ব্লগত পাঠ আৰু ছবিক একেলগে সন্নিৱিষ্ট কৰা হয় আৰু ইয়াক আন আন ব্লগ, ওৱেব-পেজ আৰু ইয়াৰ বিষয়বস্তুৰ সৈতে সম্পর্ক থকা অন্য মাধ্যমৰ সৈতে সংযোজিত কৰা হয়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গণ সংযোগৰ মাধ্যম কি?

প্রশ্ন নং ২ ঃ গণ মাধ্যমক বিভক্ত কৰা শ্রেণীসমূহ কি কি?

১.৪ বিভিন্ন গণমাধ্যমৰ বৈশিষ্ট্য

আগৰ খণ্ডত আপুনি বিভিন্ন গণমাধ্যমৰ বিষয়ে জানিব পাৰিছে। আমি এতিয়া এই গণমাধ্যমসমূহৰ বৈশিষ্ট্যসমূহৰ ওপৰত এবাৰ চকু ফুৰাই চাওঁচোন।

ছপামাধ্যম

১। সহজে বহনযোগ্য মাধ্যম হোৱা হেতুকে মানুহে আজৰি সময়ত পঢ়াৰ বাবে ইয়াক লগত লৈ যাব পাৰে।

২। এই মাধ্যমত বহুবিধ বা বাতৰি পৰিৱেশনৰ ঠাই পোৱা যায়।

৩। "কেৱল পাঠ্য মাধ্যম" হিচাপে ইয়াত কাম কৰা বৃত্তিধাৰী সংযোগকাৰীয়ে লিখিত ভাষাৰ আবেদনৰ যোগে সৰ্বসাধাৰণ লোকৰ ওপৰত বাঞ্ছিত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব লাগিব।

৪। কোনো এজন লোকে নিজে গৈ ইয়াক মানুহৰ ঘৰে ঘৰে কায়িকভাৱে বিতৰণ কৰিব লাগে। ইয়াৰ বাবে সময়ৰ প্ৰয়োজন হয়।

৫। বাতৰিকাকত পঢ়িবলৈ কোনো এজন লোক শিক্ষিত হ'ব লাগিব।

৬। ভৌগোলিক বিচ্ছিন্নতাৰ বাবে কোনো কোনো ঠাইত ইয়াক বিতৰণ কৰাটো অসুবিধাজনক হোৱাৰ অৱকাশ থাকে।

৭। ই প্ৰাচীনতম মাধ্যম আৰু টেলিভিশ্যন তথা ৰেডিঅ'ৰ জনপ্ৰিয়তা বৃদ্ধি হোৱা সত্বেও ছপা মাধ্যমে জনসাধাৰণৰ মাজত বিশেষ স্থান দখল কৰি আছে।

৮। ইয়াত সম সাময়িক ঘটনাৱলীৰ সুগভীৰ বিশ্লেষণ আৰু কোনো ঘটনা, বিষয় বস্তু আদিৰ বিশদ বিৱৰণ আগবঢ়াব পাৰি।

৯। এই মাধ্যমত বা-বাতৰিৰ পৰিবেশনত চালাকি কৰাৰ অৱকাশ থাকে।

ৰেডিঅ'

১। তথ্য প্ৰচাৰৰ পুৰণি আৰু বহুলভাৱে ব্যৱহৃত এই সংযোগ যতনটো নমনীয়, বহুমুখী আৰু সহজ লভ্য মাধ্যম।

২। বৈদ্যুতিন মাধ্যম হোৱা হেতুকে ইয়াৰ যোগে প্ৰচাৰিত বাৰ্তাসমূহ শ্ৰোতালৈ হাতে হাতে লৈ যোৱাৰ প্ৰয়োজন নহয়। কোনো এজন ব্যক্তিৰ ৰেডিঅ' গ্ৰাহক যন্ত্ৰ থাকিলে, তেওঁ যিকোনো অনাতাঁৰ কেন্দ্ৰৰ সম্প্ৰচাৰে ঢুকি পোৱাএলেকাৰ যিকোনো ঠাইতে ইয়াৰ কাৰ্যসূচী লাভ কৰিব পাৰে আৰু শুনিব পাৰে।

৩। ৰেডিঅ'ৰ কাৰ্যসূচী শুনাৰ বাবে কোনো এজন লোক শিক্ষিত নহ'লেও হয়।

৪। শ্ৰাব্যমাধ্যম হোৱা হেতুকে ইয়াত জড়িত বৃত্তিধাৰী সংযোগকাৰীয়ে কেৱল নিজৰ স্বৰৰ নিয়ন্ত্ৰনৰ দ্বাৰা শ্ৰোতাসকলৰ মনত প্ৰভাৱ পেলাব পাৰে।

৫। ই এটি বহনযোগ্য মাধ্যম হোৱা বাবে কোনো এজন লোকে ইয়াক যি কোনো ঠাইলৈ লৈ যাব পাৰে আৰু মন গ'লেই ইয়াৰ কাৰ্যসূচী শুনিব পাৰে।

৬। ই এটা কম ব্যয়ৰ মাধ্যম আৰু শিক্ষিত বা অশিক্ষিত যিকোনো লোকে ইয়াৰ কাৰ্যসূচী উপভোগ কৰিব পাৰে। সেইবাবে ৰেডিঅ'ই প্ৰকৃতাৰ্থত "জন মাধ্যম" হোৱাৰ সন্মান অৰ্জন কৰিছে।

৭। নির্ধাৰিত বা পূর্বনির্ধাৰিত সময়মতেহে কোনো এজন লোকে ইয়াৰ কার্যসূচী শুনিব পাৰে।

৮। ইয়াক "দৃষ্টিহীন মাধ্যম" বুলিও কোৱা হয়, কাৰণ এই মাধ্যমত সংযোগকাৰীজন শ্রোতা-সকলৰ বাবে অদৃশ্য হৈ থাকে।

৯। ভালেমান সংযোগ বিশেষজ্ঞ আৰু সংযোগৰ বৃত্তিধাৰীয়ে ইয়াক প্রধানতঃ এটা গ্রাম্য মাধ্যম বুলি দৃঢ়ভাৱে বিশ্বাস কৰে।

১০। ছপামাধ্যমৰ তুলনাত ইয়াত তথ্যৰ পৰিবেশনত চালাকি কৰাৰ সুবিধা নাথাকে।

টেলিভিশ্যন

১। চাক্ষুস প্রভাৱৰ বাবে টেলিভিশ্যনত প্রচাৰিত বার্তাসমূহ জনসাধাৰণে অধিক সময়ৰ বাবে মনত ৰাখে।

২। শ্রাব্য-দৃশ্য মাধ্যম হোৱা হেতুকে সকলো গণমাধ্যমৰ ভিতৰত জনসাধাৰণৰ ওপৰত ইয়াৰ প্রভাৱ সর্বাধিক।

৩। টেলিভিশ্যন যন্ত্রটো গধুৰ হোৱা বাবে ইয়াক লগত লৈ ফুৰিব নোৱাৰি।

৪। পূর্ব-নির্ধাৰিত সময় সূচী মতেহে ইয়াৰ কার্যসূচী উপভোগ কৰিব পাৰি।

৫। ইয়াৰ কার্যসূচী দৃশ্যমান হোৱা বাবে ইয়াত তথ্য পৰিৱেশনত তেনেই ন্যূনতম পৰিমাণতহে চালাকি কৰাৰ সুযোগ থাকে।

৬। ৰেডিঅ'ৰ দৰে ইয়াতো বার্তাসমূহ হাতেৰে বিতৰণৰ প্রয়োজন নহয় আৰু এইটো এই মাধ্যমৰ এটা ডাঙৰ সুবিধা।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গণমাধ্যম হিচাপে ৰেডিঅ' আৰু সংবাদপত্রৰ সুবিধা আৰু অসুবিধাসমূহৰ তুলনা কৰক।

১.৫ শ্রোতাদর্শক (অ'ডিয়েন্স), বিস্তাৰ আৰু প্রবেশ

মাধ্যমৰ কথা কওঁতে আমি এৰাই যাব নোৱৰা শব্দটো হ'ল— শ্রোতামণ্ডলী বা দর্শক, ইংৰাজীত যিটোক কোৱা হয়— 'অ'ডিয়েন্স" (audience)। অ'ডিয়েন্স শব্দটোৱে ইয়াত কোনো

এখন সংবাদ-পত্রৰ পাঠকৰ সংখ্যা, ৰেডিঅ' কার্যসূচী শ্রৱণ কৰা লোকৰ সংখ্যা আৰু শ্রাব্য-দৃশ্য কার্যসূচীৰ দর্শকৰ সংখ্যাৰ সমষ্টিক সূচায়।

এতিয়া ভালেমান কাৰণত কোনো এটা বিশেষ গণমাধ্যমৰ এই অ'ডিয়েন্স বা শ্রোতা-পাঠক-দর্শকৰ আকাৰ আৰু প্রকাৰ ব্যাপক ৰূপত ভিন ভিন হ'ব পাৰে। যেনে— দূৰদর্শন (ডিডি) আৰু আকাশবাণী (পূর্বে এ-আই-আৰ) এই দুটা মাধ্যম প্রতিষ্ঠানৰ সমগ্র দেশখনৰ লগতে চুবুৰীয়া দেশৰো কোনো কোনো অংশক সম্প্রচাৰৰ মাজত সামৰি ল'ব পৰা ব্যাপক স্থলীয় নেটৱার্ক আছে। সেই বাবে দেশৰ সমগ্র জনসংখ্যাকে এই প্রতিষ্ঠান দুটাৰ "অ'ডিয়েন্স" বা শ্রোতা-দর্শক হিচাপে গণ্য কৰিব পাৰি। একেদৰে কোনো এখন সংবাদ-পত্র বা আলোচনী কোনো এখন ৰাজ্য বা দেশৰ সৰহভাগ ঠাইতে উপলব্ধ হ'লে সেই ৰাজ্য বা দেশৰ সমূহ জনসংখ্যাকেই ইয়াৰ 'অ'ডিয়েন্স' বা পাঠক বুলি ধৰা হয়।

সামগ্রিকভাৱে থকা এনে 'অ'ডিয়েন্স'ৰ বিপৰীতে, বিশেষ গণ সংযোগৰ বাহক নাইবা মাধ্যমত প্রচাৰিত বা প্রকাশিত কোনো একোটা বিশেষ কার্যসূচী,ঘটনা, সমস্যা আদিৰ নিজস্ব 'অ'ডিয়েন্স' বা শ্রোতা-দর্শক-পাঠক থাকে। যেনে— টেলিভিশ্যন, ৰেডিঅ' বা সংবাদ-পত্রৰ বিভিন্ন স্তম্ভ, ধাৰাবাহিক, বাতৰি বুলেটিন, কথিকা কার্যসূচী আদিৰ নিজস্ব অনুৰাগী থাকে। সেইসকলক এইবোৰৰ নিজস্ব 'অডিয়েন্স' বুলি ক'ব পাৰি।

বহু সময়ত আপুনি সুনির্দিষ্ট শ্রোতাসমষ্টি, ইংৰাজীত "টার্গেট অ'ডিয়েন্স" বোলা শব্দটো শুনিবলৈ পাব। ইয়াৰ অর্থ কোনো এটা কোম্পানীয়ে কোনো এটা উৎপাদিত সামগ্রী বিক্রী কৰাৰ বাবে নির্দিষ্টভাৱে লক্ষ্য কৰা অ'ডিয়েন্স বা গ্রাহক সমষ্টিৰ এটা অংশৰ বাহিৰে অন্য একো নহয়। কোনো এটা সামগ্রী বিক্রী কৰাৰ বাবে কোনো কোম্পানীয়ে যদি সঠিকভাৱে ইয়াৰ অ'ডিয়েন্স অর্থাৎ গ্রাহকসকলক চিনাক্ত আৰু যথার্থভাৱে নির্ধাৰণ কৰিব পাৰে, তেতিয়া হ'লে কোম্পানীয়ে এই 'অ'ডিয়েন্স'ক লক্ষ্য কৰি ইয়াৰ বিজ্ঞাপনৰ সকলো প্রচেষ্টা চলাব পাৰে।

তদুপৰি, একেটা গ্রুপৰ কোম্পানীসমূহে উৎপাদন কৰা ভিন ভিন সামগ্রীৰ ভিন ভিন নির্ধাৰিত গ্রাহক বা অ'ডিয়েন্স থাকে। কাৰণ, এই সামগ্রীসমূহ একেটা কোম্পানী বা একেটা গ্রুপৰ কোম্পানীয়ে উৎপাদন কৰে যদিও, সেই সামগ্রীসমূহ ইটোৰ পৰা সিটো সম্পূর্ণৰূপে বেলেগ বেলেগ।

আন কথাত, অ'ডিয়েন্স হ'ল এই সামগ্রীসমূহৰ গ্রাহক-সমষ্টি। ব্যৱসায়-বাণিজ্যৰ জগতত "গ্রাহক ভগৱানস্বৰূপ" হোৱা বাবে কোম্পানীসমূহে নিজকে যিমান সম্ভৱ সিমান জনপ্রিয় কৰি তোলাৰ বাবে আপ্রাণ চেষ্টা কৰে। কাৰণ অধিক জনপ্রিয়তা বা প্রচলনে বিজ্ঞাপনৰ বার্তা অধিকসংখ্যক লোকে লাভ কৰাটো সম্ভৱ কৰি তোলে আৰু ফলস্বৰূপে সেই সামগ্রীটোৰ চাহিদা বৃদ্ধি হোৱাৰ আশা কৰিব পৰা যায়।

'গ্রাহক' হিচাপে শ্রোতাদর্শক

যোৱাকেইটা দশকত গণ মাধ্যমৰ শ্রোতা-দর্শক-পাঠক মণ্ডলীক 'গ্রাহক' হিচাপে গণ্য কৰাৰ নতুন ধাৰণাটোৱে গা কৰি উঠিছে। এই ধাৰণা অনুসৰি টেলিভিশ্যন, ৰেডিঅ', সংবাদ-পত্রৰ দৰে গণমাধ্যমৰ আহিলাসমূহত প্রচাৰিত বা প্রকাশিত বিষয়বস্তুক মার্কাযুক্ত সামগ্রী আৰু সেইবোৰৰ শ্রোতা-দর্শক-পাঠক মণ্ডলীক গ্রাহকৰূপে বিবেচনা কৰা হয়। সেইবাবে অধিকসংখ্যক শ্রোতা-দর্শকক আকর্ষিত কৰাৰ বাবে হোৱা তীব্র প্রতিযোগিতাৰ পৰিপ্রেক্ষিতত এই বিষয় সামগ্রীসমূহ সজাই-পৰাই পৰিৱেশন কৰাৰ দিশটো অধিক গুৰুত্বপূর্ণ হৈ পৰিছে।

বর্তমান যুগত গণমাধ্যম প্রতিষ্ঠানসমূহ সর্বাধিক লাভ অর্জনৰ মনোবৃত্তিৰে পৰিচালিত হোৱা বাবে, সেইবোৰ অত্যধিক মাত্রাত বজাৰ অনুকুল কার্যসূচীৰ দ্বাৰা নিয়ন্ত্রিত হোৱা যেন অনুভৱ হয় আৰু সেইবোৰে শ্রোতা-দর্শক-পাঠকক মাধ্যমত প্রকাশিত বা প্রচাৰিত বিষয় সামগ্রীৰ "গ্রাহক" হিচাপে গণ্য কৰে। সেইবাবে গ্রাহকৰ মনোযোগ আকর্ষণ কৰিবলৈ বিভিন্ন উৎপাদিত সামগ্রী নাইবা সেৱাৰ ক্ষেত্রত হোৱা প্রতিযোগিতাৰ দৰে মাধ্যমত প্রকাশিত, প্রচাৰিত বিষয়বস্তুৰ ক্ষেত্রতো একধৰণৰ প্রতিযোগিতা হোৱা দেখা যায়।

বিজ্ঞাপনদাতাসকলে প্রায়েই জনমুখী বিজ্ঞাপন আৰু কোনো বিশেষ শ্রেণীক লক্ষ্য কৰি দিয়া বিজ্ঞাপনৰ যিকোনো এটা বাচি লয়। সর্বসাধাৰণৰ ব্যৱহৃত সা- সামগ্রীৰ এখন স্থানীয় দোকান নাইবা ডিপার্টমেণ্টেল ষ্ট'ৰৰ বিজ্ঞাপন সেই অঞ্চলটোৰ গ্রাহকসকলক সামগ্রিকভাৱে লক্ষ্য কৰি দিয়া হয় আৰু সেইবাবে এনে বিজ্ঞাপনক জন বিজ্ঞাপন বুলি কোৱা হয়। আনহাতে কোনো এখন বিলাসী মটৰগাড়ী নাইবা অত্যাধুনিক ডিজাইনৰ গহনাৰ বিজ্ঞাপন সম্ভাব্য গ্রাহকসকলে সচৰাচৰ অহা-যোৱা কৰা ঠাইবোৰ চিনাক্ত কৰি বিশেষ গ্রাহকসকলক লক্ষ্য কৰিহে দিয়া হয়।

বর্তমানে গণমাধ্যম আৰু সেইবোৰ 'অ'ডিয়েন্স' একেটা মুদ্রাৰে দুটা অবিচ্ছেদ্য পিঠি হৈ পৰিছে। 'অ'ডিয়েন্স' নাথাকিলে মাধ্যমৰ অস্তিত্বই বিপদাপন্ন হৈ পৰে। বিপৰীতক্রমে অৱশ্যে তেনে নহয় অর্থাৎ মাধ্যম নাথাকিলে অ'ডিয়েন্স বিপদাপন্ন হোৱাৰ ভয় নাথাকে। আদর্শমূলকভাৱে গণ মাধ্যম আৰু ইয়াৰ 'অ'ডিয়েন্স'ৰ মাজৰ সম্পর্ক অতি বন্ধু ভাৱাপন্ন আৰু গঠনমূলক হোৱাটো বাঞ্ছনীয়। যাতে মাধ্যমে শিক্ষাৰ লগতে মনোৰঞ্জন দানৰ, অর্থাৎ Edutainment কার্য যথোপযুক্তভাৱে সম্পন্ন কৰিব পাৰে। সেই উদ্দেশ্য আগত ৰাখি মাধ্যমসমূহে সেইবোৰৰ শ্রোতা-দর্শক-পাঠকৰ মাজত এটা সুস্থ, প্রগতিবাদী আৰু চিন্তাশীলতাৰ মনোভাৱ জগাই তোলাৰ বাবে আপ্রাণ চেষ্টা কৰিব লাগিব।

গণমাধ্যমসমূহ হ'ল একোটা অনানুষ্ঠানিক মুক্ত বিশ্ববিদ্যালয়ৰ দৰে। মুনাফা অর্জনৰ লক্ষ্যৰ উপৰিও, সেইবোৰে মনোৰঞ্জন, কার্যসূচীৰ নির্ধাৰণ আৰু সংকটকালত শুদ্ধ পথ প্রদর্শনৰ যোগে জন-সাধাৰণক শিক্ষাদানৰ দায়িত্বগ্রহণ কৰা উচিত।

বিস্তাৰ আৰু প্ৰৱেশ

বিস্তাৰ আৰু প্ৰৱেশ এই শব্দ দুটা গণ সংযোগ প্ৰক্ৰিয়াৰ অতি গুৰুত্বপূৰ্ণ অংশ আৰু ইয়াৰ মূল্যাংকন স্পষ্টভাৱে কৰিব পাৰিলে, যিকোনো এজন লোকৰ কাৰণে এই প্ৰক্ৰিয়াটো ভালদৰে বোধগম্য হোৱাত সহায় হয়।

সংযোগৰ পৰিভাষাত "বিস্তাৰ" শব্দটোৱে কোনো এটা বিশেষ মাধ্যম কোনো এখন ঠাইত জনসাধাৰণৰ বাবে উপলব্ধ হোৱা বা নোহোৱাৰ কথা সূচায়। উদাহৰণস্বৰূপে মই যদি উজনি অসমৰ ডিব্ৰুগড় জিলাৰ নামৰূপ চহৰত বাস কৰোঁ। এই প্ৰসংগত 'বিস্তাৰে' সেই ঠাইখনত বিভিন্ন কেবল (Cable), উপগ্ৰহ টেলিভিশ্যন, ৰেডিঅ' চেনেল বা সংবাদ-পত্ৰ আৰু পত্ৰিকা আদি শুনিবলৈ বা পঢ়িবলৈ পাওঁ নে নাপাওঁ সেইটো সূচাব। সেইবোৰ যদি তাত উপলব্ধ হয়, তেতিয়া হ'লে সেই ঠাইখনত সেই মাধ্যমসমূহৰ বিস্তাৰ থকাটো বুজাব আৰু মোৰ হাতত যদি সেইবোৰ লাভ কৰাৰ সমল বা উপায় থাকে, তেতিয়া হ'লে মই কোনোপ্ৰকাৰৰ বাধাৰ সন্মুখীন নোহোৱাকৈ সেইবোৰ চাবলৈ, শুনিবলৈ নাইবা পঢ়িবলৈ সমৰ্থ হোৱা উচিত। আকৌ, আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰৰ সংকেত (বাৰ্তা ,কাৰ্যসূচী) গুৱাহাটীত শুনিবলৈ পোৱা নাযায়। ইয়াৰ অৰ্থ এয়ে যে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ গুৱাহাটীত বিস্তাৰ নাই।

আনহাতে, প্ৰৱেশৰ অৰ্থ হ'ল কোনো এখন ঠাইত টেলিভিশ্যন চেনেল, সংবাদ-পত্ৰ আদিৰ দৰে গণমাধ্যম উপলব্ধ হ'লেও, সেই মাধ্যমসমূহৰ সেৱা গ্ৰহণ কৰাৰ বাবে কোনো এজন ব্যক্তিৰ হাতত তাৰ বাবে প্ৰয়োজনীস সমল বা উপায় আছে নে নাই। উদাহৰণস্বৰূপে, মোৰ যদি টেলিভিশ্যন বা ৰেডিঅ' গ্ৰাহকযন্ত্ৰ নাথাকে নাইবা সংবাদপত্ৰ বা আলোচনী এখন কিনাৰ সামৰ্থ্য নাথাকে, তাৰ অৰ্থ হ'ল এয়ে যে এই মাধ্যমসমূহৰ বিস্তাৰ থকা স্বত্বেও ব্যক্তিগতভাৱে সেইবোৰত মোৰ প্ৰবেশ নাই।

গণমাধ্যমত প্ৰচাৰিত বা প্ৰকাশিত সামগ্ৰী/কাৰ্যসূচীত প্ৰবেশ কৰিবলৈ অসমৰ্থ হোৱাৰ ভালেমান কাৰণ থাকিব পাৰে। সেইবোৰৰ ভিতৰত কেতবোৰ হ'ল আৰ্থিক সমস্যা আৰু কোনো এখন ঠাইৰ সৰহভাগ এলেকাতে কোনো এটা বিশেষ টেলিভিশ্যন চেনেলৰ কাৰ্যসূচী বা সংবাদপত্ৰ এখন উপলব্ধ হ'লেও, সেই ঠাইৰে কোনো এটা বিশেষ এলেকা নাইবা স্থলবিন্দুত সেইবোৰ উপলব্ধ নোহোৱাৰ বা বিস্তাৰ নথকাৰ কাৰিকৰী অসুবিধা।

অৱশ্যে, সাধাৰণভাৱে 'বিস্তাৰ' থকা এলেকাৰ ভিতৰৰে কোনো এটা বিশেষ অঞ্চলত কাৰিকৰী অপৰ্যপ্ততা হেতু কোনো এটা গণমাধ্যমৰ বিস্তাৰ নথকাৰ উদাহৰণো নথকা নহয়। এই কথাটো ব্যাখ্যা কৰাৰ বাবে আমি ম'বাইল টেলিফোনৰ উদাহৰণটো ল'ব পাৰোঁ। যেনে— আমি আগতে জানো যে গুৱাহাটীত কেবাটাও কোম্পানীয়ে আগবঢ়োৱা ম'বাইল টেলিফোন সেৱাৰ 'বিস্তাৰ' আছে। কিন্তু কোনো কোনো সময়ত মহানগৰীৰ কিছুমান বিশেষ এলেকাত এই সেৱাৰ সংকেত লাভ কৰাত আৰু ইয়াৰ নেটৱৰ্কত প্ৰৱেশ কৰাত বহুতো অসুবিধা পোৱা যায়। সাধাৰণতে কাৰিকৰী অসুবিধাবশতঃ এনে হয়।এই সম্পৰ্কত আন এটা উল্লেখনীয় দিশ হ'ল এয়ে যে কিছুমান

গণমাধ্যমত আমাৰ প্ৰৱেশৰ পৰ্যাপ্ত সুবিধা থাকিলেও, আমাৰ ব্যক্তিগত পছন্দ-অপছন্দ, অভিৰুচি আৰু ব্যক্তিত্বৰ বাবে আমি সেই আটাইবোৰ মাধ্যমত প্ৰৱেশ কৰিব নিবিচাৰিবও পাৰোঁ আৰু আমাৰ বাবে উপলব্ধ হোৱা কেৱল কোনো এটা বা কেইটামান মাধ্যমকহে বাচি ল'ব পাৰোঁ। ইয়াৰ কাৰণ হ'ল আমাৰ যিবোৰ বস্তু ভাল লাগে নাইবা যিবোৰ বিষয়ৰ সৈতে আমি পৰিচিত সেইবোৰহে আমি গ্ৰহণ কৰিবলৈ বিচাৰোঁ, বাকীবোৰক নহয়। এই অধ্যায়ৰ প্ৰথমাংশতে আমি এই বিষয়টোৰ সম্পৰ্কত বিশদভাৱে আলোচনা কৰিছোঁ।

এডুটেইনমেণ্ট ঃ (Edutainment) অৰ্থাৎ শিক্ষা-বিনোদন। এই শব্দটো (Entertainment) অৰ্থাৎ বিনোদন বা মনোৰঞ্জন আৰু Education অৰ্থাৎ শিক্ষা এই শব্দ দুটাক সংযোজিত কৰি গঠন কৰা হৈছে; (এডুকেশ্যন শব্দটোৰ edu আৰু এণ্টাৰটেইনমেণ্ট শব্দটোৰ tainment অংশটো) ই চিত্ত-বিনোদনৰ লগতে শিক্ষাদানৰ বাবে প্ৰস্তুত কৰা 'মনোৰঞ্জন' কাৰ্যসূচীক সুচায়।

অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শ্ৰোতা-দৰ্শকমণ্ডলী বা অ'ডিয়েন্স বুলিলে আপুনি কি বুজে?

প্ৰশ্ন নং ৫ ঃ শব্দকেইটা ব্যাখ্যা কৰক ঃ

(ক) বিস্তাৰ (Reach) (খ) প্ৰৱেশ (Access)

১.৬ গণমাধ্যমৰ ভূমিকা

১.৬.১ জনমত গঠন

সমাজৰ যিকোনো পৰ্যায়ৰ লোককে আমি বিচৰা এটা বিষয়ে সচেতন কৰাৰ কাৰণে গণমাধ্যম যে শক্তিশালী আহিলা সেই কথাটো এতিয়া মানে আপুনি নিশ্চয় উপলব্ধি কৰিব পাৰিছে। আন কোনো মাধ্যমে এইদৰে একে সময়তে বা ইমান কম সময়ৰ ভিতৰতে অগণন লোকক ঢুকি পাব পাৰিবনে? এই প্ৰশ্নৰ নিশ্চিত উত্তৰ হ'ব— নোৱাৰে।

তদুপৰি মাধ্যমসমূহে আমাৰ মনোভাৱ, ব্যক্তিত্ব আৰু সামগ্ৰিকভাৱে আমাৰ জীৱনধাৰাক গঢ় দি আমাৰ মনৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। সেইবাবে যেতিয়াই কোনো এটা বিশেষ প্ৰশ্নক লৈ জনমত গঠনৰ প্ৰয়োজনীয়তা আহি পৰে, তেতিয়াই গণমাধ্যমসমূহ এনে কৰাৰ আটাইতকৈ অধিক ফলপ্ৰসূ আৰু লেখত ল'বলগীয়া আহিলা হৈ পৰে।

উদাহৰণস্বৰূপে, টেলিভিশ্যনত "ইণ্ডিয়ান আইদল" (Indian Idol)ৰ দৰে নতুন ধাৰাৰ ৰাষ্ট্রীয়. পর্যায়ৰ প্রতিভা সন্ধানী কার্যসূচীটো আনেও অনুসৰণ কৰিবলৈ লোৱাত এনে কার্যসূচীয়ে জনসাধাৰণৰ মাজত এক প্রায় উন্মাদনাৰ সৃষ্টি কৰে। প্রতিযোগিতাত অংশগ্রহণকাৰীসকলক ভোট দিয়াৰ ক্ষেত্রত আনকি আঞ্চলিক বা ৰাজ্যিক গণ্ডীৰ আবেগিক মনোভাৱ জগাই তোলাও দেখা গৈছিল। সেই সময়ত এই কার্যসূচীয়ে কিমান প্রচাৰ লাভ কৰিছিল আৰু কেনে জনমতৰ সৃষ্টি কৰিছিল আৰু সেইবোৰে কোন জিকিব বা কোন হাৰিব সেইটো কিদৰে নির্দ্ধাৰণ কৰিছিল সেই বিষয়ে আপোনালোক আটায়ে নিশ্চয় জানে। সেই একেদৰে, সামুদ্রিক পৰিবহণৰ সুবিধার্থে ৰামেশ্বৰমত ৰামসেঁতুৰ প্রস্তাৱিত খনন প্রকল্পটো ব্যাপক গণ প্রতিবাদৰ হেঁচাত পৰিত্যাগ কৰিবলগীয়া হয়। এই গণ প্রতিবাদৰ ঢৌ মূলতঃ মাধ্যমসমূহেই জগাই তুলিছিল।

জনসাধাৰণৰ অভিমত আৰু প্রতিক্রিয়া যে তেওঁলোকৰ স্বতঃস্ফূর্ত প্রকাশহে আৰু ই যে মাধ্যম সৃষ্ট নহয় তেনে এখন ছবি দাঙি ধৰাৰ বাবে এই কাম সতর্কতাৰে কৰা হয়। কিন্তু বাস্তৱার্থত এনে প্রশ্নসমূহ তুলি ধৰাত আৰু জনসাধাৰণে এইক্ষেত্রত ল'বলগীয়া কার্যব্যৱস্থাৰ বিষয়ে পৰামর্শ আগবঢ়োৱাৰ বাবে মাধ্যমসমূহেই দায়ী।

কোনো এটা গুৰুত্বপূর্ণ আলোচ্য বা বিতর্কিত প্রশ্নত জনসাধাৰণে কি স্থিতি গ্রহণ কৰিব লাগে বা কোনটো পক্ষত থকা উচিত সেইটোৰ পৰামর্শ দিয়াটো মাধ্যমৰ কাম নহয় যদিও কোন পক্ষত থাকিব বা নাথাকিব তেনে এক নির্দেশৰ যোগে এইসমূহে পৰোক্ষভাৱে জনসাধাৰণক সেই সম্পর্কে যথেষ্ট ইংগিত দিয়ে।

আমি আন এটা উদাহৰণলৈ আহোচোন। অবৈধ প্রব্রজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নির্ধাৰিত) আইন, চমুকৈ— আই-এম-ডি-টি আইনখনৰ বৈধতাক আদালতত প্রত্যাহ্বান জনোৱাৰ পিছত উচ্চতম ন্যায়ালয়ে ইয়াক অবৈধ ঘোষণা কৰাৰ কথা আপুনি নিশ্চয় জানে।

এতিয়া কথা হ'ল— এই আইনখনৰ বৈধতাৰ সম্পর্কত মতবিৰোধ থকাটো তেনেই স্বাভাৱিক। কোনোৱে ইয়াৰ সমর্থন কৰে আৰু আন কোনোৱে ইয়াৰ বিৰোধিতা কৰিব পাৰে। এনেক্ষেত্রত পাঠক/জনসাধাৰণৰ সমুখত দুয়োটা বিৰোধী মতামত দাঙি ধৰি, আইনখন বাতিল কৰাটো উচিত নে অনুচিত সেই বিষয়ে সিদ্ধান্ত লোৱাৰ দায়িত্ব জন-সাধাৰণৰ ওপৰত এৰি দিয়াটোৱেই মাধ্যমৰ ভূমিকা হোৱা উচিত।

অধিক গুৰুত্বপূর্ণ কথাটো হ'ল এয়ে যে কোনো সংকটৰ সময়ত জনসাধাৰণে যিহেতুকে মাধ্যমে নেতৃত্ব দিয়াটো আশা কৰে, সেইবাবে কোনো এটা প্রশ্নক সমর্থন কৰাটো উচিত হ'ব নে নাই, সেই বিষয়ে মাধ্যমে নিজৰ মত ব্যক্ত কৰাটো ইয়াৰ কর্তব্যৰ ভিতৰত পৰে। অৱশ্যে, এনে সমর্থন বা বিৰোধিতা মাধ্যমৰ 'মতামত'ৰ শিতানহে প্রকাশ কৰাটো আদর্শনীয় হ'ব আৰু এনে মতামত বাতৰিৰ সৈতে সংমিশ্রিত নকৰাটোহে সাংবাদিকতাৰ নীতি।

আনহাতে, সমাজৰ এটা অবিচ্ছেদ্য অংগ হিচাপে জাতি আৰু সমাজৰ প্ৰতি মাধ্যমৰ নিশ্চয় এটা দায়িত্ব আছে আৰু কোনো একোটা সংকটজনক পৰিস্থিতিত জনসাধাৰণে পৰ্যাপ্ত শিক্ষা বা জ্ঞানৰ অভাৱত কেনে স্থিতি গ্ৰহণ কৰিব সেই বিষয়ে নজনাৰ বাবে, মাধ্যমসমূহে এনেক্ষেত্ৰত জনসাধাৰণক মতামত প্ৰকাশৰ যোগে নেতৃত্ব দিব লাগিব।

স্বাধীনতা সংগ্ৰামৰ সময়ত মাধ্যমে, বিশেষকৈ সংবাদ-পত্ৰসমূহে জনসাধাৰণক বিভিন্ন বা-বাতৰিৰ বিষয়ে অবগত কৰি সামাজ্যবাদী শাসনৰ কুফলৰ বিষয়ে তেওঁলোকৰ মাজত সচেতনতা সৃষ্টি কৰি আগৰণুৱাৰ ভূমিকা গ্ৰহণ কৰিছিল আৰু ব্ৰিটিছ শাসনৰ হাড়ে-হিমজুৰে বিৰোধিতা কৰিবলৈ জনসাধাৰণক উদগনি দিছিল।

১.৬.২ কাৰ্যক্ৰমণিকা নিৰ্দ্ধাৰণৰ ভূমিকা।

আমি আগতে উল্লেখ কৰি আহিছোঁ যে আমাৰ দেশত সাক্ষৰতাৰ হাৰ তেনে কোনো চকুত লগাবিধৰ নহয় আৰু আনকি সাক্ষৰ লোকসকলৰো সৰহসংখ্যকে আমাৰ সমাজে সমুখীন হোৱা কোনো এটা প্ৰশ্ন গুৰুত্বপূৰ্ণ হওকেই বা নহওক, সেইবোৰৰ প্ৰতি উদাসীন হৈ থাকে নাইবা সেইবোৰক লৈ খুব বেছি উদ্বেগ নলয়।

কিন্তু প্ৰতিটো দিনতেই আমি আমাৰ সমাজৰ ডাঙৰ ক্ষতি কৰিব পৰা বিধৰ শ শ গুৰুত্বপূৰ্ণ সমস্যা নাইবা প্ৰশ্নৰ সমুখীন হওঁ। এই প্ৰশ্নসমূহে আমি বাস কৰা সমাজখনত অশান্তিৰ সৃষ্টি কৰিলে আমাৰ ওপৰতো নিশ্চয়কৈ ইয়াৰ প্ৰভাৱ পৰে। এতিয়া প্ৰশ্ন হ'ল, আমাৰ মনোযোগ আকৰ্ষণৰ যোগ্য ইমানবোৰ সমস্যা আৰু ঘটনাৰ ভিতৰত কোনটোক অগ্ৰাধিকাৰ দিয়া উচিত হ'ব আৰু কোনটোৰ প্ৰতি আমাৰ মনোযোগৰ প্ৰয়োজন নাই। ঠিক এইখিনিতেই তাৎপৰ্যপূৰ্ণ প্ৰশ্নসমূহৰ সম্পৰ্কত কাৰ্যপন্থা গ্ৰহণৰ বাবে জনসাধাৰণৰ আগত দাঙি ধৰিবলৈ এটি কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰি গণমাধ্যমে এটা মহৎ ভূমিকা পালন কৰিব পাৰে। উদাহৰণ-স্বৰূপে, কিছুদিন আগতে চনী টিভিত চলি থকা "ইণ্ডিয়ান আইদল" কাৰ্যসূচীটোৱে যেতিয়া চৰম পৰ্যায় পাইছিল, সেই সময়তেই অসমত হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ এখন প্ৰশ্নকাকত পৰীক্ষাৰ আগতেই ফাদিল হোৱাৰ গুৰুত্বপূৰ্ণ ঘটনা এটা ঘটে। এই ঘটনাক লৈ সেই সময়ত প্ৰতিবাদৰ ঢৌ নুঠা নহয়। কিন্তু, ইণ্ডিয়ান আইদল প্ৰতিযোগিতাক লৈ গণমাধ্যমসমূহ অত্যধিক ব্যস্ত থকা হেতুকে চনী টিভিৰ প্ৰতিযোগিতাতকৈ অধিক গুৰুত্বপূৰ্ণ হোৱা স্বত্ত্বেও অসমৰ ঘটনাটোৱে উপযুক্ত মনোযোগ লাভ কৰিব নোৱাৰিলে। অথচ, এই ঘটনাটোৰ সৈতে অসমৰ লাখ লাখ ভৱিষ্যত নাগৰিকৰ জীৱনৰ প্ৰশ্ন জড়িত আছিল। মাধ্যমসমূহে বাতৰি আৰু তথ্যৰ পৰিৱেশনত কোনোপ্ৰকাৰৰ বৈষম্য কৰাটো উচিত নহয়, কিন্তু সমৰ্থন কৰকে বা নকৰক, কোনো এটা বিশেষ প্ৰশ্নৰ সন্দৰ্ভত জনসাধাৰণে যাতে নিজৰ স্থিতি গ্ৰহণ কৰিব পাৰে, তাৰ বাবে তেওঁলোকক যথোচিতভাৱে সচেতন

কৰি তুলিবলৈ, সেই প্ৰশ্নটো মাধ্যমে পৰ্যাপ্তৰূপে উদঙাই দেখুৱাটো প্ৰয়োজনীয়।

স্বাভাৱিকতে, যিকোনো সংকটাৱস্থাত জনসাধাৰণে নেতৃত্ব আৰু মতামতৰ বাবে মাধ্যম সমূহৰ মুখলৈকে চায়। ইয়াৰ কাৰণ হ'ল এয়ে যে বেছিভাগ সময়তে মাধ্যমসমূহৰ থকাৰ দৰে জনসাধাৰণৰ তথ্যৰ উৎসত প্ৰৱেশ কৰাৰ সুবিধাখিনি নাথাকে। গতিকে, সেই প্ৰশ্ন বা সমস্যাসমূহৰ ক্ষেত্ৰত এটা ভাৰসাম্য আৰু নিৰপেক্ষ অভিমত প্ৰকাশ কৰাৰ বাবে মাধ্যম-সমূহৰ অধিক সুবিধা থাকে আৰু জনমত গঠনৰ উদ্দেশ্য সেই অভিমত জনসাধাৰণৰ সমুখত দাঙি ধৰিব পাৰে।

সেইবাবে প্ৰশ্নকাকত ফাদিলৰ প্ৰশ্নটোতকৈ ভাৰত আৰু আন কোনো এখন দেশৰ মাজত খেলা ক্ৰিকেট খেলখনে অধিক প্ৰাধান্য লাভ কৰিব নে নাই অথবা সমাজৰ তৃণমুল পৰ্যায়ত প্ৰশংসনীয় সেৱা আগবঢ়োৱা শ শ আত্মসহায়ক গোটৰ কামতকৈ, পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় অধিক বা-বাতৰি পৰিৱেশন কৰা হ'ব নে নাই, সেইটো মাধ্যমসমূহে নিজে বিচাৰ-বিবেচনা কৰি কোনটো বিষয়ক অগ্ৰাধিকাৰ দিয়া হ'ব সেই সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। যিকোনো সমাজতে মাধ্যমৰ এনে কাৰ্যই ইয়াৰ পৰিপক্কতাৰ প্ৰতিফলন কৰে।

অগ্ৰগতিৰ নিৰীক্ষণ



প্ৰশ্ন নং ৬ ঃ গণমাধ্যমৰ প্ৰধান দুটা ভূমিকা কি কি?

_____

_____

_____

প্ৰশ্ন নং ৭ ঃ গণমাধ্যমে কিদৰে জনসাধাৰণৰ বাবে কাৰ্যক্ৰমনিকা প্ৰস্তুত কৰিব পাৰে?

_____

_____

_____



অনুশীলনী - ১.১

১। একেৰাহে ৩০ দিন ধৰি প্ৰতিদিনে নিয়মীয়াভাৱে এখন ইংৰাজী আৰু আন এখন মাতৃভাষাৰ বাতৰিকাকত পঢ়ক। তাৰ পাছত বাতৰিকাকত দুখনত প্ৰকাশিত মুখ্য বাতৰি আৰু আন প্ৰবন্ধাদি আগতে বৰ্ণনা কৰা গণ সংযোগৰ বিভিন্ন কাৰ্যৰ শ্ৰেণীৱদ্ধ কৰক। কোনটো কাৰ্যৰ বিষয়ে আটাইতকৈ অধিক সংখ্যক বা-বাতৰি পৰিবেশন কৰা হৈছে সেইটো বিশ্লেষণ কৰক।

২। দুটা টেলিভিশ্যন নাইবা ৰেডিঅ' চেনেলৰ মাজত সেই একেটা অনুশীলনেই কৰক। এই উদ্দেশ্যে দুৰদৰ্শন আৰু আন এটা কেব্‌ল (Cable)চেনেল বাচি ল'ব পাৰে।

৩। এতিয়া দুয়োটা অনুশীলনীৰ ফলাফলৰ ভিত্তিত বৈদ্যুতিন মাধ্যম আৰু ছপা মাধ্যমে সম্পাদন কৰা কাৰ্যৰ তুলনামূলক বিশ্লেষণ কৰক।



১.৭ আমি কি শিকিলোঁ

১। যিবোৰ মাধ্যমে জনসাধাৰণৰ মাজলৈ গণ সংযোগৰ বাৰ্তাসমূহৰ সংবাহক হিচাপে কাম কৰে সেইবোৰক গণমাধ্যম বুলি কোৱা হয়।

২। গণমাধ্যমক কেবাটাও শ্ৰেণীত বিভক্ত কৰিব পাৰি। সংবাদ-পত্ৰ, ছপামাধ্যম, আলোচনী, পত্ৰিকা, কিতাপ।

বৈদ্যুতিন মাধ্যম— শ্ৰাব্য-দৃশ্য মাধ্যম-টেলিভিশ্যন, ৰেডিঅ', চলচ্চিত্ৰ

আধুনিক মাধ্যম— ইণ্টাৰনেট, ইণ্টাৰনেট, ৰেডিঅ', ব্লগচ্।

৩। প্ৰতিটো মাধ্যমৰে নিজস্ব অতুলনীয় দিশ আছে আৰু এই দিশসমূহে ই কেনেকুৱা ধৰণৰ শ্ৰোতা-দৰ্শক নাইবা পাঠক আকৰ্ষণ কৰিব সেইটো নিৰ্ধাৰণ কৰে।

৪। শ্ৰোতা-দৰ্শক-পাঠকমণ্ডলী বা অ'ডিয়েন্স হ'ল গণমাধ্যমৰ কাৰ্যসূচী নাইবা বা-বাতৰিৰ গ্ৰাহকসকল।

৫। কোনো এটা বিশেষ মাধ্যম প্রতিষ্ঠান নাইবা বিশেষ সামগ্রী, কার্যসূচীৰ অধিক অ'ডিয়েন্স থকাটোৱে মাধ্যমটোৰ, কার্যসূচীটোৰ অধিক জনপ্রিয়তা থকা বুজায় আৰু শেহান্তৰত ইয়াৰ অর্থ হ'ল বিজ্ঞাপনদাতাৰ পৰা অধিক ৰাজহৰ সংগ্রহ।

৬। গণমাধ্যমক নিয়ন্ত্রণৰ ছাবি-কাঠি শ্রোতা-দর্শক নাইবা পাঠকৰ হাতত থাকে। কোনো এটা কার্যসূচী পছন্দ নহ'লে তেওঁলোকে গ্রাহক যন্ত্রৰ চুইচটো বন্ধ কৰি দিব পাৰে নাইবা কোনো এখন সংবাদ-পত্র বা বাতৰি নপঢ়াৰ সিদ্ধান্ত ল'ব পাৰে। সেইবাবে প্রতিটো গণমাধ্যম প্রতিষ্ঠানে সকলো সম্ভৱপৰ উপায়েৰে সর্বাধিক সংখ্যক লোকক আকর্ষণ কৰিবলৈ আপ্রাণ চেষ্টা কৰে।

৭। গণ সংযোগৰ পৰিভাষাত 'বিস্তাৰ' শব্দটোৱে কোনো এটা বিশেষ মাধ্যম কোনো এখন ঠাইত উপলব্ধ হোৱা বা নোহোৱাক বুজায়।

৮। প্ররেশৰ অর্থ হ'ল— কোনো এখন ঠাইত টিভি চেনেল, সংবাদ-পত্র আদি উপলব্ধ হ'লে গণমাধ্যমৰ বাহকে আগবঢ়োৱা সেৱা গ্রহণ কৰাৰ বাবে কোনো এজন লোকৰ প্রয়োজনীয় আহিলা, সমল থকা বা নথকা।

৯। সমাজৰ যিকোনো গুৰুত্বপূর্ণ প্রশ্ন বা সমস্যাৰ সন্দর্ভত জনমত গঠন কৰাৰ কাৰণে গণ-মাধ্যমসমূহ অতি শক্তিশালী আৰু কার্যকৰী অস্ত্রস্বৰূপ।

১০। সমাজত বাস কৰা লোকসকলে, বিশেষকৈ কোনো একোটা সংকটকালত উত্থাপন আৰু আলোচনা কৰিবলৈ বিচৰা প্রশ্নসমূহৰ কার্যক্রমণিকা প্রস্তুত কৰাটো গণমাধ্যমসমূহৰ এটা অন্যতম কর্তব্য।

১.৮ অগ্রগতিৰ খতিয়ান

১। গণ সংযোগৰ মাধ্যম বা গণমাধ্যমসমূহ হ'ল— গণ সংযোগৰ বার্তাসমূহ কঢ়িয়াই নিয়াৰ আহিলা বা বাহক; কাৰণ এইবোৰে মুল সংযোগকাৰীৰ পৰা বার্তাসমূহ জনসাধাৰণৰ মাজলৈ বহন কৰি নিয়ে। গণ সংযোগ হ'ল অগণন লোকৰ সৈতে সংযোগ স্থাপনৰ প্রক্রিয়া, আনহাতে গণমাধ্যমে এই বার্তাসমূহৰ সঞ্চালনৰ আহিলা বা যন্ত্রক বুজায়।

২। গণমাধ্যমক বিভক্ত কৰিব পৰা শ্রেণীকেইটা হ'ল— ছপামাধ্যম, বৈদ্যুতিন মাধ্যম আৰু আধুনিক বা নতুন মাধ্যম।

৩।

ৰেডিঅ'	সংবাদ-পত্ৰ
১। সুবাহ্য বা লৈ ফুৰাব পৰা মাধ্যম হোৱা হেতুকে ই সুবিধাজনক।	১। সুবাহ্য বা লৈ ফুৰাব পৰা মাধ্যম হিচাপে ইও সুবিধাজনক।
২। পূৰ্বনির্ধাৰিত সময় অনুসৰিহে ইয়াৰ কার্য-সূচী শুনিব লাগিব নহ'লে শ্রোতাই কার্যসূচী শুনিবলৈ নাপায়।	২। যিকোনো ঠাইতে, যিকোনো সময়তে ইয়াক পঢ়িব পৰা যায় আৰু পঢ়া কামটো পিছলৈকো থ'ব পাৰি, বা-বাতৰি এৰি যোৱাৰ চিন্তা নাথাকে।
৩। বার্ত সমূহ বায়ুমণ্ডলৰ মাজেৰে সঞ্চাৰিত কৰা হয় বাবে ৰেডিঅ' ছেটৰ গৰাকী যিকোনো লোকৰ পক্ষে ই অতি সুবিধাজনক হয় আৰু সমগ্ৰ বিশ্বতে একে সময়তে ইয়াৰ কার্যসূচী শ্রৱণ কৰিব পাৰি।	৩। ইয়াক হাতে হাতে বিতৰণ কৰিব-লগীয়া হয় বাবে এই কামৰ বাবে অধিক সময়ৰ প্রয়োজন হয়।
৪। কোনো জৰুৰী অৱস্থাত ই নিৰন্তৰ-ভাৱে প্রতিঘণ্টা বা আধাঘণ্টাৰ মূৰে মূৰে শেহতীয়া বা-বাতৰি আদি পৰিৱেশন কৰিব পাৰে।	৪। সময়ৰ প্রয়োজনীয়তাৰ সমস্যা থাকে, কাৰণ এখন সংবাদ-পত্ৰৰ দুটা সংস্কৰণৰ মাজত ২৪ ঘণ্টা নাইবা কমেও ১২ ঘণ্টাৰ ব্যৱধান থাকে।
৫। ৰেডিঅ'ৰ এটা স্বাভাৱিক সুবিধা থাকে, কাৰণ লিখিত শব্দতকৈ কথিত শব্দৰ সুফল আৰু প্রভাৱ ভালেখিনি বেছি হয়।	৫। কথিত শব্দৰ তুলনাত লিখিত শব্দৰ প্রকাশ ক্ষমতা সীমিত হয়।

৪। **'অ'ডিয়েন্স'** (andience) ঃ বা শ্রোতাদর্শকমণ্ডলী বোলোতে, সংবাদ- পত্ৰৰ পঢ়ুৱৈ, ৰেডিঅ' কার্যসূচীৰ শ্রোতা, শ্রাব্য-দৃশ্য কার্যসূচীৰ দর্শকৰ মুঠ সংখ্যাক লৈ গঠিত শ্রেণী বা সমষ্টিক বুজায়।

৫। **(ক) বিস্তাৰ** (Reach) ঃ কোনো এটা এলেকাত কোনো এটা গণমাধ্যম উপলভ্য হোৱাটোৱেই হ'ল 'বিস্তাৰ'ৰ অর্থ। গতিকে, আমি যেতিয়া এই শব্দটোৰ উচ্চাৰণ কৰোঁ তেতিয়া সেই মাধ্যমটো সেইটো এলেকাত উপলব্ধ হোৱা-নোহোৱাটো বুজাওঁ। উদাহৰণস্বৰূপে, আমি যদি কওঁ যে XYZ কেব্‌ল (Cable) টেলিভিশ্যনৰ গুৱাহাটীত 'বিস্তাৰ' আছে, তেতিয়া ই এইটোকে বুজায় যে গুৱাহাটীত এই চেনেলটোৰ ছিগনেল বা কার্যসূচী লাভ কৰিব পাৰি আৰু কোনো লোকে ইচ্ছা কৰিলে টেলিভিশ্যন বা

ৰেডিঅ' (ৰেডিঅ' চেনেলৰ ক্ষেত্ৰত) ছেটযোগে এই ছিগনেল ধৰিব পাৰে অর্থাৎ ইয়াৰ কার্যসূচী শুনিব বা চাব পাৰে।

(খ) প্ৰৱেশ (Access) ঃ প্ৰৱেশৰ অর্থ হ'ল জনসাধাৰণ বা পাঠক, শ্ৰোতা-দর্শকৰ টেলিভিশ্যন, ৰেডিঅ' ছেট থাকিলে, বাতৰিকাকত লোৱাৰ ক্ষমতাৰ দৰে নিজৰ সমল থাকিলে সেইবোৰৰ কার্যসূচী নিজ ঘৰতে চাব বা শুনিব পৰা বা বাতৰিকাকত পঢ়িব পৰাৰ সুবিধা।

৬। গণমাধ্যমৰ দুটা প্ৰধান ভূমিকা হ'ল জনমত গঠন কৰা আৰু কার্যক্ৰমণিকা নির্ধাৰণ কৰা।

৭। গভীৰভাৱে চিন্তা কৰিলে আপুনি দেখিবলৈ পাব যে সময়ৰ যিকোনো এটা ক্ষণত মানুহে জ্ঞাতে বা অজ্ঞাতে গণমাধ্যমৰ পৰা সাধাৰণতে বহুতো কথা শিকে বা আহৰণ কৰে। তদুপৰি এইটোও সর্বজনবিদিত যে মাধ্যমসমূহে আমাৰ ওপৰত ব্যাপক মাত্ৰাত প্ৰভাৱ বিস্তাৰ কৰে। সেইবাবে মাধ্যমে কোনো এটা প্ৰশ্ন বা সমস্যাক তুলি ধৰি জন-সাধাৰণে তাৰ বিষয়ে আলোচনা কৰাৰ বাবে কার্যক্ৰমণিকাৰ নির্ধাৰণ কৰে। আপোনাৰ বোধহয় মনত আছে যে কিছুবছৰৰ আগতে এটা ৰাষ্ট্ৰীয় পর্যায়ৰ সংগীত পৰি�ৰেশন প্ৰতিযোগিতাত মাধ্যমসমূহে উত্তৰ-পূর্বাঞ্চলৰ কেইজনমান গায়কক আলোক বিন্দুলৈ অনাৰ সিদ্ধান্ত লয়। সেই একে সময়তে অসমত হোৱা মেট্ৰিকুলেশ্যন পৰীক্ষাৰ প্ৰশ্নকাকত এখন আগতীয়াকৈ ফাদিল হয়। কিন্তু মাধ্যমসমূহত প্ৰতিযোগিতাত অৱতীর্ণ গায়ককেইজনে যিমান মনোযোগ লাভ কৰিবলৈ সক্ষম হৈছিল, প্ৰশ্নকাকত ফাদিলৰ ঘটনাটোৱে তেনেধৰণৰ মনোযোগ আকর্ষণ কৰিব নোৱাৰিলে। আন কথাত, ই এইটোকে বুজায় যে মাধ্যমসমূহে প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়টোতকৈ, সংগীত প্ৰতিযোগিতাৰ বিষয়েহে অধিক চিন্তা-চর্চা বা আলোচনাদি কৰাটো বিচাৰিছিল। এনে স্থলত আমি দেখিবলৈ পাওঁ যে কোনটো কথাক লৈ আমি চিন্তা-চর্চা কৰিম আৰু কোনটো কথাক লৈ আমি মূৰ ঘমোৱাৰ প্ৰয়োজন নাই সৰহভাগ সময়তে মাধ্যমসমূহেই সেইটো নির্ধাৰণ কৰে। বহু সময়ত আকৌ মাধ্যমৰ দ্বাৰা নির্ধাৰিত কার্যক্ৰমণিকাৰ আমাৰ নিজৰ সিদ্ধান্তৰ সৈতে কোনোপ্ৰকাৰৰ মিল নাথাকিলেও, আমি সেইটোকেই অনুসৰণ কৰিবলগীয়া হয়, কাৰণ সৰহসংখ্যক লোকে সেইটোকে বিচাৰে।

সেইবাবে আমি এইটো ক'ব পাৰো যে মাধ্যমসমূহে কেতিয়াবা জানি -বুজি কোনো কোনো প্ৰশ্ন বা ঘটনাক সমর্থন যোগাই আন কেতবোৰ প্ৰশ্ন বা ঘটনাৰ বিনিময়ত কার্যসূচীৰ নির্ধাৰণ কৰে। অৱশ্যে এনে হোৱাটো ব্যক্তিগত মাধ্যম প্ৰতিষ্ঠান আৰু সেইবোৰত কর্তৃত্বশীল পদবীত কাম কৰা সম্পাদকীয় পর্যায়ৰ লোকৰ নিজস্ব স্বার্থ, নীতি আৰু অভিপ্ৰায়কে ধৰি ভালেমান কাৰণৰ ওপৰত নির্ভৰ কৰে।



১.৯ অধিক জানিবলৈ

- তত্ত্ব আৰু প্ৰয়োগেৰে গণ সংযোগ— ড° পার্থ চট্টোপাধ্যায় (অনুবাদ— অংকুৰণ দত্ত, বীণা লাইব্ৰেৰী, গুৱাহাটী)
- Handbook of Journalism and Mass Communication– V. B. Agarwal and V. S. Gupta, Concept Publishing Company, New Delhi.
- Mass Communication in India– K. J. Kumar, Jaico Books, Mumbai.
- Understanding Human Communication– Ronald B. Adler & George Rodman, Harcourt Brace College Publishers.
- Mass Communication in India– J. V. Vilanilam, Sage Publications, New Delhi.
- Mass Communication, Theory and Practice– Uma Narula, Harchand Publication, New Delhi.



১.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

১। গণমাধ্যম বুলিলে আপুনি কি বুজে? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি? গণ সংযোগৰ সৈতে ইয়াৰ প্ৰভেদ কি?

২। গণমাধ্যমৰ বিভিন্ন শ্ৰেণীসমূহ কি কি? দেশৰ গ্ৰাম্য আৰু পিছপৰা অঞ্চলৰ সৈতে সংযোগৰ বাবে সেইবোৰৰ ভিতৰত কোনটো মাধ্যম আটাইতকৈ উপযোগী আৰু কিয়?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

১। শ্ৰোতামণ্ডলী বা 'অ'ডিয়েন্স'ক আপুনি কেনেকৈ ব্যাখ্যা কৰিব? গণ সংযোগৰ ক্ষেত্ৰত ই কিয় গুৰুত্বপূৰ্ণ?

২। গণমাধ্যমৰ বিভিন্ন বাহকৰ সুবিধা আৰু অসুবিধাৰ তুলনা কৰক। ইয়াৰে কোনটো মাধ্যম আপুনি অধিক পছন্দ কৰে আৰু কিয়?

****

অধ্যায় ২ ঃ গণ মাধ্যমৰ বিকাশ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ভাৰতত প্ৰাৰম্ভিক যোগাযোগ প্ৰণালী

২.৪ ভাৰতত সংবাদ মাধ্যমৰ ভূমিকা

২.৪.১ স্বাধীনতা সংগ্ৰাম আৰু সংবাদ মাধ্যমৰ ভূমিকা

২.৪.২ গণ মাধ্যমৰ প্ৰাক-স্বাধীনতাৰ যুগ

২.৫ স্বাধীনতাৰ পিছৰ যুগত গণ মাধ্যমৰ বিকাশ

২.৫.১ সংবাদ মাধ্যম

২.৫.২ দূৰদৰ্শন

২.৫.৩ অনাতাঁৰ

২.৫.৪ চলচ্চিত্ৰ

২.৫.৫ বিজ্ঞাপন

২.৫.৬ জন সংযোগ

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্ৰগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- গণ মাধ্যমৰ বিকাশৰ ৰূপৰেখাৰ বিষয়ে শিকিব।
- সংবাদ মাধ্যমৰ, দূৰদৰ্শন, অনাতাঁৰ, বিজ্ঞাপন, জনসম্পৰ্কৰ ভূমিকাৰ বিষয়ে শিকিব।
- ভাৰতৰ প্ৰাৰম্ভিক গণ মাধ্যম ব্যৱস্থাৰ বিষয়ে ব্যাখ্যাসহ শিকিব।

২.২ পৰিচয়

এই পাঠ্যক্ৰমৰ প্ৰথম অধ্যায়ত গণ মাধ্যমৰ আৰু গণ যোগাযোগে মানুহৰ জীৱনত পেলোৱা প্ৰভাৱ আৰু ইয়াৰ গুৰুত্ব আদি বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হৈছে। আমি সকলোৱে জ্ঞাত যে সমগ্ৰ পৃথিৱী জুৰি সংবাদ মাধ্যম ক্ষেত্ৰখনত এক বৃহৎ উত্থান ঘটিছে।

আমাৰ দেশ - ভাৰতেও সংবাদ খণ্ডৰ এই অভূতপূৰ্ব বিকাশৰ পৰা লাভান্বিত হৈছে। দেশৰ জনগণ সংবাদ মাধ্যমৰ বিস্তৃত্ব বিকল্পসমূহ গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। গতিকে আজি আমি কাৰ্যক্ষম হৈ থকা শ শ বা হাজাৰ হাজাৰ বিজ্ঞাপন বা জনসম্পৰ্ক সংস্থাৰ মাজৰ পৰা এখন বাতৰি কাকত, এখন আলোচনী, দূৰদৰ্শন বা অনাতাঁৰৰ এটা কেন্দ্ৰ, এখন চলচ্চিত্ৰ, এখন কিতাপ আদি বাছনি কৰিব পাৰোঁ।

এই অধ্যায়ত আমি আপোনালোকক ভাৰতৰ গণ মাধ্যমৰ এই ক্ৰমবৰ্ধমান জগতখনৰ সৈতে পৰিচয় কৰাব বিচাৰিছোঁ, যাতে প্ৰাৰম্ভিক পৰ্যায়ত আহি পৰা বহুতো বাধাৰ মাজতো ভাৰতৰ গণ মাধ্যমবোৰ কেনেদৰে বিকশিত হৈছে তাৰ এক সঠিক ধাৰণা আপোনালোকে লাভ কৰিব পাৰে। বিকাশৰ বিভিন্ন দিশৰ লগতে শেহতীয়া ধাৰাসমূহৰ সৈতেও আপুনি ইয়াত পৰিচিত হ'ব। ই আপোনাক এই ক্ষেত্ৰখনত বৃত্তি বাছনি কৰাত সহায় কৰিব, ফলত আপুনি নিজেই বিচাৰ কৰিব পাৰিব যে ইয়াৰ ভিতৰত ক'ত উন্নত ভৱিষ্যতৰ সম্ভাৱনা আছে।

এই অধ্যায়টো সম্পূৰ্ণ কৰাৰ পিছত আপুনি আমাৰ দেশৰ গণ মাধ্যম খণ্ডৰ ধাৰাৰ লগতে উন্নয়নৰ বিভিন্ন দিশৰ বিষয়ে এক বিস্তৃত ধাৰণা লাভ কৰিব।

২.৩ ভাৰতৰ প্ৰাৰম্ভিক যোগাযোগ ব্যৱস্থা

ভাৰতত যোগাযোগ ব্যৱস্থাৰ এক শক্তিশালী পৰম্পৰা যোগাযোগৰ কোনো অনুষ্ঠানিক পদ্ধতি নথকা সময়ৰ পৰাই অব্যাহত হৈ আহিছে। পৰম্পৰাগত বিশ্বাস আৰু প্ৰথাবোৰ মৌখিকভাৱে প্ৰজন্মৰ পাছত প্ৰজন্মলৈ প্ৰচলিত হৈছিল। আমাৰ নিজস্ব বেদ, পুৰাণ, উপনিষদ, লোককাহিনী, মহাকাব্যিক কাহিনী আৰু ভজনৰ ৰূপত, পূৰ্বৰ চিন্তাবোৰৰ সমৃদ্ধ ভঁৰালটোৰ সাক্ষ্য থিয় হৈ আছে। ভ্ৰমণকাৰী সন্ন্যাসী আৰু ভিক্ষু (পৰিব্ৰাজক)ৰ অস্তিত্বক ইতিহাসে উন্মোচিত কৰে, যিসকলে একপ্ৰকাৰৰ সংগীতৰ সৈতে একোটা ধাৰণা, কাহিনীৰ লগতে মহাকাব্য, কিতাপ আৰু শাস্ত্ৰৰ ওপৰত ধৰ্মীয় বক্তৃতা দিবলৈ এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল। তীৰ্থযাত্ৰা বা তীৰ্থস্থানসমূহে সদায়ে সকলো সাংস্কৃতিক আৰু ধৰ্মীয় কাৰ্যকলাপৰ কেন্দ্ৰ হিচাপে কাম কৰিছিল, য'ত মানুহে তেওঁলোকৰ ধৰ্মীয় আৰু সাংস্কৃতিক ধাৰণা আৰু জ্ঞান সমৃদ্ধ কৰিবলৈ গৈছিল। ধৰ্মীয় ধাৰণা আৰু চিন্তাধাৰা প্ৰদানৰ উদ্দেশ্যে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ অস্তিস্বৰ ইতিহাসো ভাৰতৰ আছে। নালন্দা, তক্ষশিলা, বিক্ৰমশিলাৰ দৰে কিছু জ্ঞান কেন্দ্ৰৰ নাম উল্লেখ কৰিব পাৰি য'ত শিক্ষা প্ৰদান কৰা হৈছিল, যদিও শিক্ষাৰ বিষয়বস্তু মূলতঃ আধ্যাত্মিক, ধৰ্মীয় আৰু সাংস্কৃতিক বক্তৃতাৰে গঠিত আছিল।

পৰৱৰ্তী সময়ছোৱাত খ্ৰীষ্টান মিছনেৰীসকলে ভাৰতীয় ভাষা আৰু সাহিত্য বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা গৈছিল। ভাৰতত খ্ৰীষ্টান ধৰ্ম বিস্তাৰৰ দিশত তেওঁলোকৰ প্ৰচেষ্টাই বহুতো আঞ্চলিক ভাষাৰ বিকাশৰ ক্ষেত্ৰত আশীৰ্বাদ হিচাপে কাম কৰিছিল। ভাৰতত ব্যাপক গণ যোগাযোগৰ পৰিবেশ অনাৰ বাবে খ্ৰীষ্টান মিছনেৰীসকলকো কৃতিত্ব প্ৰদান কৰা হয়।

মিছনেৰীসকলেই প্ৰথমে ষোড়শ শতিকাৰ ভিতৰত ভাৰতৰ বিভিন্ন স্থানত ছপাশাল স্থাপন কৰিছিল। ইয়াৰ ফলত, উপমহাদেশখন সংযোগ ব্যৱস্থাৰ ৰূপ সলনি হৈ যোগাযোগ ব্যৱস্থা সুচল হৈ পৰিছিল। মানুহৰ কামবোৰ যন্ত্ৰৰ দ্বাৰা কৰিবলৈ লোৱা হৈছিল আৰু কিতাপ, পত্ৰিকা আৰু অন্যান্য প্ৰচাৰমূলক সামগ্ৰীৰ জৰিয়তে এটা সময়তে বহুলোকৰ ওচৰলৈ কায চাপিব পৰা হৈছিল। লাহে লাহে আন ঠাইতো ছপাশাল স্থাপন কৰা হয় আৰু দেশত ব্যাপক গণসংযোগৰ প্ৰসাৰ পৰিলক্ষিত কৰা হয়।

অৱশ্যে, প্ৰকৃত গণসংযোগ প্ৰক্ৰিয়া বহু পিছত, দেশত ব্ৰিটিছ শাসনৰ সময়তহে আৰম্ভ হৈছিল। ১৭৮০ চনৰ ২৯ জানুৱাৰীত জেমছ অগাষ্টাছ হিকীয়ে আৰম্ভ কৰা প্ৰথমখন বাতৰি কাকত আছিল বেংগল গেজেট বা কলিকতা জেনেৰেল এডভাইজাৰ।

অৱশ্যে, ইয়াৰ আগতে, আন এজন ইংৰাজ উইলিয়াম বল্টছে ১৭৭৬ চনত এখন বাতৰি কাকত উলিয়াবলৈ চেষ্টা কৰিছিল যদিও সফল নহ'ল। উল্লেখ কৰিব পাৰি যে হিকীৰ প্ৰচেষ্টাৰ পিছত ইংৰাজী আৰু ভাৰতীয় ভাষাত আন বহুতো বাতৰি কাকত ক্ৰমান্বয়ে ব্ৰিটিছ শাসনকালত প্ৰকাশ পাইছিল।

কিতাপ, বাতৰি কাকত আৰু আন কিছু প্ৰকাৰৰ ছপা সামগ্ৰী প্ৰাক-স্বাধীন ভাৰতত উপলব্ধ একমাত্ৰ গণসংযোগৰ মাধ্যম আছিল। স্বাধীনতাৰ পাছৰ সময়ছোৱাত ভাৰতত ৰেডিঅ'ৰ (অনাতাঁৰ) ৰূপত প্ৰথম ইলেক্ট্ৰনিক মিডিয়াৰ (বৈদ্যুতিক সংবাদ মাধ্যম) আগমন হৈছিল আৰু তাৰ বহু পিছতহে টেলিভিছন (দূৰদৰ্শন)ৰ প্ৰবেশ ঘটিছিল। অৱশ্যে, গণসংযোগ ব্যৱস্থাৰ অংশ হিচাপে, জনসাধাৰণক আকৰ্ষিত কৰিব পৰাকৈ চিনেমা (চলচ্চিত্ৰ) ঊনবিশং শতিকাৰ শেষ দশকৰ পৰা ভাৰতত উপলব্ধ হৈছিল।

আৰু এনেদৰেই ভাৰতীয় যোগাযোগ ব্যৱস্থা বিভিন্ন সময়ত বিকশিত হৈ, অৱশেষত বৰ্তমানৰ পৰিস্থিতিত উপনীত হৈছে, য'ত গণ যোগাযোগ ব্যৱস্থাই আন সকলো ধৰণৰ সংযোগ ব্যৱস্থাক অতিক্ৰম কৰিবলৈ সক্ষম হৈছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ১৭৭৬ চনত কোনে বাতৰি কাকত উলিয়াবলৈ চেষ্টা কৰিছিল?

_____

_____

প্ৰশ্ন নং ২ ঃ জেমছ অগাষ্টাছ হিকীয়ে কেতিয়া বেংগল গেজেট প্ৰকাশ কৰিছিল?

_____

_____



অনুশীলনী - ২.১

তীর্থস্থানবোৰে অনাদিকালৰ পৰা সকলো সাংস্কৃতিক আৰু ধর্মীয় কার্যকলাপৰ কেন্দ্ৰ হিচাপে কাম কৰিছিল, য'ত মানুহে তেওঁলোকৰ ধর্মীয় আৰু সাংস্কৃতিক ধাৰণা আৰু জ্ঞান সমৃদ্ধ কৰিবলৈ গৈছিল। আপুনি এই কথাত বিশ্বাস কৰে নেকি? আপোনাৰ ঠাইৰ এজন তীর্থযাত্ৰা শ্ৰুতিকর্তাৰ ওচৰলৈ যাওঁক আৰু মন্তব্যশাৰীৰ ন্যায্যতা প্ৰদান কৰিবলৈ চেষ্টা কৰক।

২.৪ ভাৰতত সংবাদ মাধ্যমৰ ভূমিকা

২.৪.১ স্বাধীনতা সংগ্ৰাম আৰু সংবাদ মাধ্যমৰ ভূমিকা

ভাৰত কেইবা দশক ধৰি ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ অধীনত আছিল। স্বাধীনতা সংগ্ৰামৰ উদ্দেশ্য আছিল ব্ৰিটিছ শক্তিক দলিয়াই পেলাই স্বতন্ত্ৰ আৰু স্ব-শাসন সুৰক্ষিত কৰা। স্বাধীনতা সংগ্ৰামে অৱশেষত ১৯৪৭ চনত সফলতা লাভ কৰিছিল আৰু ভাৰতে প্ৰায় ২০০ বছৰ ধৰি চলি থকা আধিপত্যবাদী বিদেশী শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল। এই সময়ছোৱাতে ভাৰতীয় সংবাদ মাধ্যমৰ জন্ম হৈছিল। অত্যাচাৰী বিদশী শাসনৰ মাজেৰে ইয়াৰ যাত্ৰা মসৃণ নাছিল।

প্ৰথম বাতৰি কাকতখন ১৭৮০ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন কর্মচাৰী জেমছ অগাষ্টা হিকীয়ে প্ৰকাশ কৰি উলিয়াইছিল। ইয়াক বেংগল গেজেট বা কলিকতা জেনেৰেল এডভার্টাইজাৰ বুলি কোৱা হৈছিল। এই কাকতখনে বেছিভাগেই কোম্পানীৰ বিষয়াসকলৰ ব্যক্তিগত জীৱন আৰু কাম-কাজৰ লগতে অন্যায়ৰ ওপৰত আলোকপাত কৰিছিল। অৱশ্যে, কাকতখনে চৰকাৰৰ বিৰূপভাজন হৈ বেছি দিন টিকি নাথাকিল।

কিন্তু কাকতখন বন্ধ হোৱাৰ লগে লগে ভাৰতত আন বহুতো বাতৰি কাকতৰ আবির্ভাৱ ঘটিল, যেনে মাদ্ৰাজত মাদ্ৰাজ গেজেট, বেংগল জার্নেল, বেংগল হৰকাৰু, সমাচাৰ দর্পন, ডিগ দর্শন আৰু ফ্ৰেণ্ড অৱ ইণ্ডিয়া আদি বংগত, বাংলা ভাষাত ৰাজা ৰাম মোহন ৰায়ৰ সম্বাদ কৌমুদি আৰু পার্চী ভাষাত মিৰাট-উল-আখবাৰ আদিৰ নাম ল'ব পাৰি।

গংগাধৰ ভট্টাচার্যই আৰম্ভ কৰা ভাৰতীয় মালিকানাধীন প্ৰথমখন কাকত 'বেংগল গেজেটে'ও দৃশ্যপটত স্থান লাভ কৰিছিল। অৱশ্যে এইটোও উল্লেখযোগ্য যে এই সময়ছোৱাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সংবাদ মাধ্যমৰ ওপৰত কেইবাটাও চেঞ্চৰশ্বিপ

নিয়ম প্রয়োগ কৰিছিল। তথাপিও এই নিয়মবোৰ ভাৰতীয় সংবাদ মাধ্যমে কঠোৰভাৱে পালন কৰা নাছিল। এক প্রকাৰে ভাৰতৰ সংবাদ মাধ্যমসমূহে এক অনুকূল পৰিৱেশ লাভ কৰিছিল। এই সময়ছোৱাত বাংলা, মাৰাঠী উড়িয়া, অসমীয়া, গুজৰাটী ভাষাৰ কেইবাখনো বাতৰি কাকত প্রকাশিত হৈছিল। ১৮৭৮ চনত, জাতীয়তাবাদী আন্দোলন শক্তিশালী হোৱাৰ সময়ত গভর্ণৰ জেনেৰলে লর্ড লিটনে ভার্নেকুলাৰ প্রেছ আইন জাৰি কৰে। এই আইনখনে চৰকাৰক ভাৰতীয় ভাষাৰ বাতৰি কাকত আৰু আলোচনীসমূহৰ প্রকাশনসমূহ দেশদ্রোহী বুলি দোহাই দি বন্ধ কৰিবলৈ অনুমতি প্রদান কৰাৰ লগতে ব্রিটিছ সাম্রাজ্যক সমর্থন নকৰা ছপাশাল আৰু প্রকাশকসকলৰ ওপৰতো নিষেধাজ্ঞা আৰোপ কৰাৰ অনুমতি প্রদান কৰিছিল। লর্ড ৰিপন গভর্ণৰ জেনেৰেল হোৱাৰ পিছত ১৮৮০ চনত এই আইনখন বাতিল কৰা হয়।

মহাত্মা গান্ধীৰ দৃশ্যপটলৈ আগমন আৰু তাৰ পিছত স্বাধীনতা সংগ্রামৰ ওপৰত তেওঁৰ নিয়ন্ত্রণ দেশ আৰু সংবাদ মাধ্যমৰ বাবেও এক উল্লেখযোগ্য পৰিঘটনা আছিল। গান্ধীয়ে আনকেইজনমান সংগ্রামী নেতাৰ সৈতে তেওঁলোকে নেতৃত্ব দি অহা স্বাধীনতা আন্দোলনৰ গতি ত্বৰান্বিত কৰিবলৈ সংবাদ মাধ্যমৰ ব্যৱহাৰ কৰিছিল। দৰাচলতে সংবাদ মাধ্যম আছিল সমগ্র দেশৰ জনসাধাৰণৰ ওচৰলৈ যোৱাৰ এক উপায়। অন্যথা সমগ্র জনসাধাৰণক এক উমৈহতীয়া মঞ্চলৈ আনি অত্যাচাৰী ব্রিটিছ শাসনৰ বিৰুদ্ধে যুঁজিবলৈ বাধ্য কৰাটো নেতাসকলৰ বাবে এক কঠিন কাম হ'লহেঁতেন। স্বাধীনতা আন্দোলনৰ আগশাৰীৰ অধিকাংশ নেতাই যেনে বাল গংগাধৰ তিলক, এনি বেছান্ত, ৰাজা ৰাম মোহন ৰায়, লালা লাজপত ৰায়, মৌলানা আবুল কালাম আজাদ আৰু সর্বোপৰি মহাত্মা গান্ধীয়ে তেওঁলোকৰ মতামত প্রচাৰ, জনসমর্থন সৃষ্টি আৰু আন্দোলনত জনগণৰ অংশগ্রহণ নিশ্চিত কৰিবলৈ তেওঁলোকৰ নিজৰ বাতৰি কাকত উলিয়াইছিল। তেওঁলোকৰ কাকতৰ সম্পাদকীয় স্তম্ভৰ জৰিয়তে তেওঁলোকৰ সাহসী লিখনিবোৰে লাখ লাখ লোকক অনুপ্রাণিত কৰিছিল। ই স্বাধীনতা আন্দোলনৰ গতি ইমানেই ত্বৰান্বিত কৰিছিল যে ব্রিটিছ চৰকাৰে সংবাদ মাধ্যমক নিয়ন্ত্রণ কৰিবলৈ কঠোৰ আইন বলবৎ কৰিছিল। অফিচিয়েল চিক্রেটছ এক্ট ১৯২৩, বুকছ এণ্ড পাব্লিকেচন অফ নিউজ পেপাৰ এক্ট, ইত্যাদি সংবাদ মাধ্যমৰ মুখ বন্ধ কৰাৰ এনে কিছুমান আইন আছিল।

কিন্তু ব্রিটিছ চৰকাৰ এনে নির্মম আইনে ভাৰতীয় সংবাদ মাধ্যমৰ বিকাশ ৰোধ কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে, শাসকৰ দ্বাৰা এই শৃংখলাবদ্ধ আইন ৰূপায়ণে স্থানীয় সংবাদ মাধ্যমক কঁপাই তুলিছিল আৰু তেওঁলোকে ব্রিটিছৰ বিৰুদ্ধে তেওঁলোকৰ ধর্মযুদ্ধ দৃঢ়তাৰে অব্যাহত ৰাখিছিল। আজিও বিদ্যমান বহুতো বাতৰি কাকতৰ জন্ম এই সময়ছোৱাত হৈছিল, দ্য টাইমছ অৱ ইণ্ডিয়া, দ্য পাইয়নিয়াৰ, দ্য হিন্দু, দ্য ষ্টেটছমেন, আনন্দ বজাৰ পত্রিকা, দ্য ট্রিবিউন আৰু দ্য ইণ্ডিয়ান এক্সপ্রেছ আদি কিছুমান উল্লেখযোগ্য উদাহৰণ।

আন্দোলনৰ নেতাসকলৰ ত্যাগ, সংবাদ মাধ্যমৰ দ্বাৰা নিৰন্তৰ যুদ্ধ আৰু জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণে অৱশেষত দেশৰ বাবে স্বাধীনতা আনিছিল আৰু দেশৰ ভূমিত ব্ৰিটিছৰ শাসনৰ ওৰ পেলাইছিল।

২.৪.২ গণ মাধ্যমৰ প্ৰাক স্বাধীনতা যুগ

প্ৰাক স্বাধীনতা যুগত গণ মাধ্যমে সেই সময়ৰ বাতৰি কাকতক বুজায়, কিয়নো দূৰদৰ্শন (টেলিভিছন) আৰু অনাতাঁৰ (ৰেডিঅ')ৰ দৰে গণ মাধ্যমৰ আন ৰূপবোৰ পিছত আহিছিল। বাতৰি কাকতৰ উপৰিও চলচ্চিত্ৰ আছিল বিশেষভাৱে পৰ্দাৰ প্ৰদৰ্শনীৰে ভাৰতীয় জনসাধাৰণক মনোৰঞ্জন দিয়াৰ বাবে নিৰ্মিত আন এক গণ মাধ্যম। চলচ্চিত্ৰবোৰ সেই সময়ৰ বহুতো গুৰুত্বপূৰ্ণ বিষয়বস্তুৰ বাহক আছিল। স্বাধীনতা আন্দোলনো সেইবোৰৰ ভিতৰত এটা আছিল। সেয়েহে ৰাইজক মনোৰঞ্জন দিয়াৰ উপৰিও, ব্যক্তিগত আৰু সামাজিক উভয় স্তৰত জীৱনৰ বিভিন্ন সমস্যাৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত তেওঁলোকক শিক্ষিত আৰু অনুপ্ৰাণিত কৰিবলৈ চলচ্চিত্ৰ ব্যৱহাৰ কৰা হৈছিল।

সেই সময়ত সংবাদ মাধ্যমত ইংৰাজী আৰু ভাৰতীয় ভাষা দুয়ো ধৰণৰ বাতৰি কাকত আছিল। পূৰ্বে উল্লেখ কৰা অনুসৰি স্বাধীনতা সংগ্ৰামৰ প্ৰাৰম্ভিক পৰ্যায়ত সংবাদ মাধ্যম তুলনামূলকভাৱে মুক্ত আছিল যদিও ব্ৰিটিছ চৰকাৰে সংবাদ মাধ্যমৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিবলৈ কিছুমান আইন বলবৎ কৰিছিল। এই আইনসমূহে, দৰাচলতে, শাসনাধিষ্ঠ অভিজাত শ্ৰেণীক সংবাদ মাধ্যমৰ কণ্ঠস্বৰৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰখাত সহায় কৰিছিল আৰু সংবাদ মাধ্যমবোৰে সঁচাকৈয়ে চৰকাৰী বিষয়াসকলৰ কিছু ত্ৰুটি উন্মোচন কৰাৰ বাহিৰে আগবাঢ়ি যাবলৈ সাহস কৰা নাছিল।

অৱশ্যে, স্বাধীনতা আন্দোলনে গতি লাভ কৰাৰ লগে লগে ভাৰতীয় সংবাদ মাধ্যমো ব্ৰিটিছ চৰকাৰৰ সমালোচনাত অদম্য হৈ পৰিল। ইয়াৰ ফলত চৰকাৰে সংবাদ মাধ্যমৰ বিৰুদ্ধে অধিক শক্তিশালী আইন বলবৎ কৰে। আইনৰ এই আধিক্য ভাৰতীয় সংবাদ মাধ্যমৰ বৃদ্ধি আৰু বিকাশৰ এক ডাঙৰ হেঙাৰ হিচাপে প্ৰমাণিত হয়, যাৰ ফলত বহুতো বাতৰি কাকত বন্ধ হৈ পৰে। অৱশ্যে সংবাদ মাধ্যমক প্ৰতিৰোধ কৰিব পৰা নগ'ল আৰু ই স্বাধীনতা সংগ্ৰামৰ এক মহাৰথী হিচাপে ভূমিকা অব্যাহত ৰাখে। এনেদৰে প্ৰাক-স্বাধীন কালত ভাৰতীয় সংবাদ মাধ্যমে কেৱল নেতাসকলেই নহয়, এটা স্বতন্ত্ৰ সংবাদ ব্যৱস্থাৰ ভেঁটিও উপহাৰ দিয়ে।

উল্লেখযোগ্য যে ভাৰতে স্বাধীনতা লাভ কৰালৈকে ইয়াৰ শিশুকালৰ পৰাই ভাৰতীয় সংবাদ মাধ্যমসমূহে কিছুমান উমৈহতীয়া বৈশিষ্ট্য প্ৰদৰ্শন কৰিছিল। কেইখনমান বাতৰি কাকতক বাদ দি বাকী সকলোৱে দেশখনক বিদেশী শাসনৰ পৰা মুক্ত কৰাৰ উমৈহতীয়া

অভিযানৰ সৈতে যুঁজিছিল। সেই সময়ৰ বেছিভাগ বাতৰি কাকতে ব্রিটিছ শাসনক দলিয়াই পেলোৱাৰ উদ্যমেৰে পৰিপূর্ণ আছিল। সমগ্র জনসাধাৰণক সংগঠিত কৰি স্বাধীনতা আন্দোলনৰ প্রতি তেওঁলোকৰ সমর্থন নিশ্চিত কৰাৰ বাবে একেখন মঞ্চলৈ আকর্ষণ কৰাৰ এক ফলপ্রসূ আহিলা আছিল সংবাদ মাধ্যম। সেই সময়ত সংবাদ মাধ্যম লেখত ল'বলগীয়া শক্তিৰে শক্তিশালী আছিল আৰু সেয়েহে অধিষ্ঠিত চৰকাৰে ইয়াক সকলো প্রকাৰে মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভাৰতত প্রকাশিত প্রথম বাতৰি কাকত কোনখন আছিল?

_____

_____

প্রশ্ন নং ৪ ঃ ভাৰতৰ প্রথম ভাৰতীয় মালিকানাধীন বাতৰি কাকতখনৰ নাম কি আছিল?

_____

_____

প্রশ্ন নং ৫ ঃ পাচী ভাষাত ৰাজা ৰাম মোহন ৰায়ে প্রকাশ কৰা প্রথম বাতৰি কাকতখনৰ নাম কি আছিল?

_____

_____



অনুশীলনী - ২.২

ভাৰতৰ স্বাধীনতাৰ পূর্বে প্রকাশিত বাতৰি কাকত আৰু আলোচনীসমূহৰ এখন তালিকা প্রস্তুত কৰিবলৈ চেষ্টা কৰক।

২.৫ স্বাধীনতাৰ পিছৰ যুগত গণমাধ্যমৰ বিকাশ

বিশ্বৰ সর্ববৃহৎ গণতন্ত্র, ভাৰতৰ গণমাধ্যমে - এক অভূতপূর্ব বিকাশ প্রদর্শন কৰিছে যাক বিপ্লৱতকৈ কম নহয় বুলি ক'ব পাৰি। এই ক্ষেত্রখনৰ প্রতিটো দিশতে অগ্রগতি লাভ কৰাৰ

লগে লগে দেশৰ সংবাদ মাধ্যমৰ দৃশ্যপটেও পূৰ্ণাংগ বিকাশ সাধন কৰিছে। মহাদেশীয় অনুপাত আৰু ১৪০ কোটি জনসংখ্যা থকা এখন দেশত, চীনৰ পিছতে যাৰ অৱস্থান - আজি ৬২,০০০ৰো অধিক বাতৰি কাকত আৰু আলোচনী, প্ৰায় তিনি শতাধিক চব্বিশ ঘণ্টীয়া টিভি চেনেল আৰু ৰেডিঅ' ষ্টেচন আছে আৰু ইয়াৰে প্ৰায় ৬০ টাই একান্তভাৱে বাতৰিৰ বাবেই সেৱা আগবঢ়াই আহিছে। ছপা মাধ্যমৰ এই সংখ্যাই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় (এম আই বি)ৰ অধীনস্থ ভাৰত চৰকাৰৰ এটা সংস্থা, যি বাতৰি কাকত আৰু আলোচনী পঞ্জীয়নৰ বাবে দায়বদ্ধ, ভাৰতীয় বাতৰি কাকতৰ পঞ্জীয়ক (আৰ এন আই)ৰ ওচৰত যথাযথভাৱে পঞ্জীয়নভুক্ত মাধ্যমসমূহহে সাঙুৰি লৈছে। পঞ্জীয়নভুক্ত নোহোৱাবোৰ সংখ্যা ধৰিলে সেয়া যথেষ্ট বৃহৎ হ'ব। আহক আমি ভাৰতৰ কিছুমান গুৰুত্বপূৰ্ণ গণ মাধ্যম যেনে প্ৰেছ, ৰেডিঅ', টেলিভিছন, বিজ্ঞাপন আৰু জন সম্পৰ্ক আদিৰ বিকাশৰ বিষয়ে আলোচনা কৰোঁ।

২.৫.১ প্ৰেছ

যদিও আজি আমাৰ হাতত ৬২,০০০তকৈও অধিক বাতৰি কাকত আৰু আলোচনী আছে, কিন্তু আমাৰ স্বাধীনতাৰ প্ৰাৰম্ভিক দিনবোৰত পৰিস্থিতি একেবাৰেই পৃথক আছিল। ১৯৫৬ চনত, মাত্ৰ ৬,৫০০ বাতৰি কাকত আৰু পত্ৰিকা বা আলোচনী আছিল, গোটেইবোৰ মিলি যাৰ প্ৰচলনৰ সংখ্যা আছিল ৯ নিযুত প্ৰতিলিপি, আকাশবাণী (এ.আই.আৰ) এক সম্প্ৰসাৰিত নেটৱৰ্ক আছিল। টিভিৰ আৰ্ৱিভাৱ তেতিয়ালৈকে হোৱাই নাছিল। ১৯৯০ৰ দশকত পত্ৰিকা আৰু বাতৰি কাকতৰ সংখ্যা ৩০,০০০তকৈও অধিকলৈ বৃদ্ধি হয় আৰু প্ৰায় ১২৭ নিযুত প্ৰতিলিপি প্ৰচলিত হয়। ২০০০ চনৰ ভিতৰত এই সংখ্যাটো ১৪ কোটি প্ৰতিলিপিলৈ বৃদ্ধি হৈ বিশ্বত আমাক শীৰ্ষৰ পৰা দ্বিতীয় স্থানত অধিস্থিত কৰিলে আৰু তালিকাখনৰ শীৰ্ষত থাকি চীন আগবাঢ়ি থাকিল।

মন কৰিবলগীয়া যে ভাৰতীয় ছপা মাধ্যমে বৈদ্যুতিন মাধ্যমৰ সৈতে অতি কঠোৰ প্ৰতিযোগিতা কৰিবলগীয়া হোৱা সত্বেও নিজৰ বজাৰৰ অংশীদাৰিত্ব ক্ৰমান্বয়ে সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ বিশ্বৰ মানুহে ছপা মাধ্যমৰ ভৱিষ্যত সম্পৰ্কে গুৰুতৰ সন্দেহ প্ৰকাশ কৰিছিল যদিও এতিয়া সেয়া ভুল প্ৰমাণিত হৈছে।

পৰিমাণগতভাৱে দেশৰ ছপা মাধ্যমৰ প্ৰচলনে মাত্ৰ এবছৰৰ ভিতৰতে (২০০১-০২ৰ পৰা ২০০৩-০৩) মাত্ৰ ১১৫ নিযুত প্ৰতিলিপিৰ পৰা ১৪২ নিযুত প্ৰতিলিপিলৈ বৃদ্ধি পাইছিল। কম সময়ৰ ভিতৰত উন্নতিৰ হাৰ ২৪ শতাংশলৈ বৃদ্ধি হোৱাটো যথেষ্ট গুৰুত্বপূৰ্ণ। এই সত্যটো ৱৰ্ল্ড এ'ছচিয়েচন অফ নিউজ পেপাৰছ (ডাব্লিউএএন), এক বিশ্বব্যাপী ছপা মাধ্যম সংস্থাৰ দ্বাৰা প্ৰতিপন্ন কৰা হৈছে। ডাব্লিউ এ এনে এইটোও কয় যে যোৱা ডেৰ দশকত ভাৰতীয় ছপা মাধ্যমৰ প্ৰচলন প্ৰায় ২৩ শতাংশ বৃদ্ধিৰে পঞ্জীভুক্ত হৈছে। একেটা পৰিঘটনাই ১০ শতাংশ উৎসাহজনক বৃদ্ধিৰে পাঠকৰ অনুৰূপ সম্প্ৰসাৰণৰ দিশতো অৰিহণা যোগাইছে।

ইয়াৰ উপৰিও, ডাব্লিউএএনৰ সূত্রই এই কথাও জনাইছে যে ভাৰত আৰু চীন বিশ্বৰ একমাত্ৰ দুখন দেশ য'ত বাতৰি কাকতৰ প্ৰচলন নিতৌ বৃদ্ধি পাইছে।

২.৫.২ টেলিভিছন (দূৰদৰ্শন)

এইটো যথেষ্ট আচৰিত যেন লাগিব পাৰে যে আজি মনোৰঞ্জনৰ বাবে এক মুখ্য সঁজুলি হিচাপে বিবেচিত দূৰদৰ্শন, ১৯৫০ৰ দশকৰ শেষৰ ফালে আমাৰ দেশত এক শৈক্ষিক মাধ্যম হিচাপে আৰম্ভ হৈছিল। ইয়াক আকাশবাণীৰ অংশ হিচাপে ১৯৭৮ চনলৈকে কাৰ্যসূচীৰ অতি সীমিত অংশৰ সৈতে চলাই থকা হৈছিল।

ৰঙীণ সম্প্ৰচাৰ ১৯৮২ চনত ভাৰতত আৰম্ভ হৈছিল আৰু ইয়াক দূৰদৰ্শনৰ (ডিডি) বাবে এক গুৰুত্বপূৰ্ণ মুহূৰ্ত হিচাপে গণ্য কৰা হয়। আজি দেশৰ বহুতো ব্যক্তিগত কেবল আৰু ছেটেলাইট (উপগ্ৰহীয়) টিভি চেনেলৰ সৈতে এক প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ দূৰদৰ্শনে দেশৰ প্ৰতিটো কোণৰ কোটি কোটি লোকক সেৱা আগবঢ়োৱাৰ বাবে কেইবাটাও চেনেলে মুকলি কৰিছে।

আকাশবাণীৰ দৰে, চহৰাঞ্চলৰ উপৰিও দেশৰ দূৰৱৰ্তী গ্ৰাম্য আৰু অৰ্ধ গ্ৰাম্য অঞ্চলত দূৰদৰ্শনৰ যথেষ্ট ভাল উপস্থিতি আৰু প্ৰৱেশ আছে। ইয়াৰ ফলত দূৰদৰ্শনে বিজ্ঞাপনৰ পৰা অতি উচ্চ ৰাজহ আহৰণৰ ক্ষমতা লাভ কৰে। বেছিভাগ কোম্পানীয়ে এই কাৰণতে ব্যক্তিগত চেনেলৰ তুলনাত দূৰদৰ্শনক পছন্দ কৰে। ১৯৮০ৰ দশকত দূৰদৰ্শনে দেশৰ দূৰৱৰ্তী ঠাইসমূহতো ইয়াৰ উপস্থিতি অনুভৱ কৰিব পৰাকৈ এক বৃহৎ সম্প্ৰসাৰণৰ বাবে আগবাঢ়িছিল। আজি বেছিভাগ অৰ্ধ নগৰ আৰু নগৰ অঞ্চলত দূৰদৰ্শন কেন্দ্ৰৰ লগতে কাৰ্যসূচীবোৰ সঠিক অৰ্থত জনসাধাৰণলৈ কঢ়িয়াই নিয়াৰ বাবে ট্ৰেন্সমিচন আৰু বিলে কেন্দ্ৰ আছে। মন কৰিবলগীয়া যে ১৯৭৫ চনত এটা শৈক্ষিক মাধ্যম হিচাপে দূৰদৰ্শনৰ কাৰ্যকৰিতা পৰীক্ষা কৰিবলৈ বৃহৎ পৰসিৰত দুটা আকৰ্ষণীয় পৰীক্ষা কৰা হৈছিল।

ইয়াৰে, এটা আছিল বিখ্যাত 'ছেটেলাইট ইনষ্ট্ৰাকচনেল টেলিভিছন এক্সপেৰিমেণ্ট' (SITE/ চাইট) আৰু আনটো আছিল খেড়া পৰীক্ষা। এই কাৰ্যসূচীয়ে দিল্লী, ৰাজস্থান, উৰিষ্যাকে ধৰি দেশৰ ছয়খন ৰাজ্যৰ ২৪০০ খন গাঁও বাছনি কৰিছিল। য'ত বহুতো টিভি ছেট স্থাপন কৰা হৈছিল। সেইবোৰৰ বেছিভাগেই সেই গাঁওবোৰৰ ৰাজহুৱা স্থান আছিল, য'ত প্ৰতিদিনে বহুলোক গোট খাইছিল। সমাজৰ দুৰ্বল শ্ৰেণীৰ মহিলা আৰু লোকসকলক সেই টিভি ছেটবোৰ চাবলৈ বিশেষভাৱে উৎসাহিত কৰা হৈছিল আৰু বিশেষভাৱে প্ৰস্তুত কৰা শিক্ষামূলক অনুষ্ঠান প্ৰস্তুত কৰি সম্প্ৰচাৰ কৰা হৈছিল। তেওঁলোকে এই টাৰ্গেট অডিয়েন্স (নিৰ্ধাৰিত দৰ্শক)সকলক লক্ষ্য কৰি লৈছিল যাতে তেওঁলোকে সেই কাৰ্যসূচীবোৰৰ পৰা কিছু লাভান্বিত হয়। এই কাৰ্যসূচীবোৰৰ বিষয়বস্তুৰ ভিতৰত আছিল উন্নত জীৰিকা,

ধঁপাত সেৱনৰ দৰে বেয়া অভ্যাসৰ বিষয়ে সজাগতা, কন্যা সন্তানৰ কম বয়সৰ বিবাহৰ বিৰোধ, ভ্ৰূণ হত্যা আৰু বহুতো।

এই অনুষ্ঠানটোৱে নিজৰ লক্ষ্যত উপনীত হোৱাত যথেষ্ট সফল হৈছিল আৰু এতিয়াও এই পৰীক্ষাক জনসজাগতা তথা শিক্ষাৰ বাবে টিভিক এক সঁজুলি হিচাপে ব্যৱহাৰ কৰাৰ এক মুখ্য উদাহৰণ হিচাপে গণ্য কৰা হয়।

আনহাতে খেড়া পৰীক্ষাটো কিছু পৰিমাণে কমিউনিটি টিভি বা কমিউনিটি ৰেডিঅ' ষ্টেচন প্ৰণালীৰ সৈতে একেই আছিল, যিটো আজিকালি অত্যন্ত জনপ্ৰিয় হৈ পৰিছে। এই কাৰ্যসূচীৰ অধীনত, ১৯৭৫ চনত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ সহায়ত গুজৰাটৰ তদানীন্তন পিছপৰা জিলা খেড়াত এটা কম ক্ষমতাসম্পন্ন টিভি ষ্টেচন স্থাপন কৰা হৈছিল।

কেন্দ্ৰটোৰ লক্ষ্য ক্ষেত্ৰখন সৰু আছিল আৰু প্ৰস্তুত তথা সম্প্ৰচাৰ কৰা সকলো কাৰ্যসূচীয়ে স্থানীয় জনসাধাৰণকলৈ, কিছুমান বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আৰু প্ৰতিটো কাৰ্যসূচী অঞ্চলটোৰ পৰা নিৰ্বাচিত জ্যেষ্ঠ আৰু বিদ্বান ব্যক্তিসকলে পূৰ্ব-দৰ্শন কৰিছিল যাতে যিকোনো শ্ৰেণীৰ লোকৰ বাবে বৈষম্যমূলক হ'ব পৰা যিকোনো বস্তু চিনাক্ত কৰাৰ লগতে কাৰ্যসূচীবোৰত ব্যক্তি, কোনো সংগঠন বা প্ৰতিষ্ঠানৰ বিষয়ে অপমানজনক নহয় বুলি নিশ্চিত কৰিব পাৰে। এই ধৰণে কিবা ধৰা পেলালে ইয়াক সম্প্ৰচাৰ কৰাৰ আগতেই তৎক্ষণাত শুধৰাই দিয়া হৈছিল।

আৰম্ভণিতে এবছৰীয়া সময়সীমাৰ সৈতে এই পৰীক্ষামূলক প্ৰকল্পটো মানুহৰ মাজত ইমান সফল আৰু জনপ্ৰিয় হৈছিল যে ইয়াক সমাপ্ত কৰাৰ সময়ত, ৰাইজে ইয়াক অব্যাহত ৰখাৰ দাবী জনাইছিল।

এই দুটা প্ৰকল্প মানুহৰ সজাগতাৰ বাবে টিভিক কেনেদৰে ব্যৱহাৰ কৰিব পাৰি তাৰ উদাহৰণ, য'ত নেকি আজি আমি এই মাধ্যমটোক মূলতঃ মনোৰঞ্জনৰ মাধ্যম হিচাপেহে গণ্য কৰোঁ।

পুনৰ বৰ্তমানৰ পৰিস্থিতিলৈ ঘূৰি আহিবলৈ হ'লে, আজি দূৰদৰ্শনৰ মূলতঃ তিনিটা গুৰুত্বপূৰ্ণ চেনেল আছে - ডিডি নেচনেল, ডিডি ইণ্ডিয়া আৰু ডিডি নিউজ। যদিও প্ৰথমটো এটা পুৰণি চেনেল, নিউজ আৰু ইণ্ডিয়া চেনেলকেইটা আপেক্ষিকভাৱে নতুন চেনেল। ডিডি নিউজ আৰু ইণ্ডিয়াৰ প্ৰচাৰ ফলপ্ৰসূভাৱে কৰা হৈছে আৰু কিছু পৰিমাণে পেছাদাৰীভাৱে পৰিচালিত ব্যক্তিগত কেবল টিভি নিউজ চেনেলবোৰৰ সৈতে এই দুয়োটা তুলনীয়। ডিডিয়ে জনসাধাৰণৰ লাভালাভৰ বাবে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত ইয়াৰ চেনেলসমূহৰ জৰিয়তে কেইবাটাও ৰাজহুৱা-সেৱা-মুখী কাৰ্যসূচী সম্প্ৰচাৰ কৰে।

২.৫.৩ ৰেডিঅ'

ৰেডিঅ' আমাৰ সকলোৰে বাবে এটা অতি পৰিচিত মাধ্যম। কেইবছৰমান আগলৈকে, আমাৰ দেশৰ ৰেডিঅ' মানে কেৱল অল্ ইণ্ডিয়া ৰেডিঅ' (এ আই আৰ)ৰ কথাই কোৱা হৈছিল।

ভাৰতত ৰেডিঅ' ১৯২০ৰ দশকত কেইটামান ব্যক্তিগত কম দূৰত্বৰ সংবহন কেন্দ্ৰৰ জৰিয়তে আৰম্ভ কৰা হৈছিল, আৰু ১৯২৭ চনত চৰকাৰে ভাৰতীয় সম্প্ৰচাৰ নিগম আৰম্ভ কৰে। পিছলৈ ইয়াৰ নাম আকাশবাণী আৰু অল্ ইণ্ডিয়া ৰেডিঅ' নামেৰে নামাকৰণ কৰা হয় আৰু এই নামেৰে ই অতি জনপ্ৰিয় হৈ পৰে। ২০২৩ চনৰ পৰা অল ইণ্ডিয়া ৰেডিঅ' নামটি সম্পূৰ্ণ পৰিহাৰ কৰি আকাশবাণী নামটো ব্যৱহাৰৰ সিদ্ধান্ত লোৱা হয়।

১৯৪৭ চনত যেতিয়া আমি বিদেশী শাসনৰ পৰা মুক্ত হৈছিলোঁ, সমগ্ৰ দেশতে মাত্ৰ ছটাহে ৰেডিঅ' ষ্টেচন আছিল। আজি আমাৰ দেশত ২০০তকৈও অধিক পূৰ্ণাংগ ষ্টেচন আছে আৰু সংবহন আৰু ৰিলে কেন্দ্ৰৰ নেটৱৰ্কৰ দ্বাৰা সমৰ্থিত হৈ ইয়াৰ বাৰ্তাবোৰ গাঁও আৰু চহৰৰ দূৰৱৰ্তী অঞ্চললৈ সম্প্ৰচাৰ কৰা হৈছে।

আকাশবাণীয়ে ইয়াৰ আৰম্ভণিৰ পৰাই এটা অত্যন্ত প্ৰসংশনীয় কাম কৰি আহিছে কিয়নো ই বিদেশী ভাষাকে ধৰি ১৪৬টা ভাষা আৰু উপভাষাত অনুষ্ঠান সম্প্ৰচাৰ কৰে।

প্ৰায় ১৯৮০ৰ দশকৰ আৰম্ভণিলৈকে, যেতিয়া ডিডি বা টেলিভিছ্ন নেটৱৰ্ক ইমান বিস্তৃত নাছিল, আকাশবাণীয়েই তথ্য প্ৰচাৰৰ বাবে এক গুৰুত্বপূৰ্ণ মাধ্যম আছিল। বাতৰিৰ লগতে অন্যান্য কাৰ্যসূচীও ইয়াৰ অন্তৰ্ভুক্ত আছিল। আকাশবাণী সমগ্ৰ বিশ্বতে জনকল্যাণমুখী গণমাধ্যম প্ৰণালীৰ ধাৰণাটোৰ অন্যতম সফল উদাহৰণ।

পূৰ্বে ই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ (এম আই বি) দ্বাৰা পৰিচালিত এটা সংগঠন আছিল যদিও আজিকালি ই প্ৰচাৰ ভাৰতী বোৰ্ডৰ দ্বাৰ পৰিচালিত হয়।

চৰকাৰে ব্যক্তিগত পক্ষবোৰক ৰেডিঅ' চেনেল স্থাপন কৰিবলৈ অনুমতি দিয়াৰ পৰিপ্ৰেক্ষিতত ১৯৯০ৰ দশকৰ আৰম্ভণিতে ব্যক্তিগত এফএম চেনেলবোৰ চলাবলৈ অনুমতি দিয়া হৈছিল। ব্যক্তিগত এফএম ৰেডিঅ' কেন্দ্ৰসমূহক অনুমতি দিয়াৰ প্ৰথম পৰ্যায়টো খুব সফল হোৱা নাছিল যদিও মাত্ৰ কেইবছৰমান আগতে আৰম্ভ কৰা এই উদ্যোগৰ তৃতীয় পৰ্যায়ত, প্ৰায় ৩৩০টা ৰেডিঅ' কেন্দ্ৰ মুকলি কৰা হয়। এই পদক্ষেপে ব্যক্তিগত উদ্যোগ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, বেচৰকাৰী সংগঠন আদিক জনমুখী সম্প্ৰচাৰৰ বাবে ৰেডিঅ' ষ্টেচন পৰিচালনা কৰিবলৈ অনুমতি দিয়ে। অৱশ্যে গুৰুত্বপূৰ্ণ কথাটো হ'ল, আজিলৈকে, চৰকাৰে ব্যক্তিগত এফএম ষ্টেচনসমূহক বাতৰি আৰু সাম্প্ৰতিক পৰিস্থিতি সম্প্ৰচাৰৰ অনুমতি প্ৰদান কৰা নাই।

ৰেডিঅ' হৈছে জনসাধাৰণৰ প্ৰকৃত মাধ্যম কিয়নো ই সুলভ আৰু মানুহৰ বাবে সহজে

উপলব্ধ। এই মাধ্যমটোৰ ভৱিষ্যত অতি সম্ভাৱনাপূর্ণ। আমি এই মাধ্যমটো মূলতঃ এক গ্রাম্য মাধ্যম হিচাপে অৱহেলা কৰিব নালাগে।

উল্লেখযোগ্য যে ১৯৯৫ চনত ভাৰতৰ উচ্চতম ন্যায়ালয়ে দিয়া এক গুৰুত্বপূর্ণ ৰায়দানত ৰাজহুৱা সম্পত্তিৰ বায়ুতৰংগৰ (এয়াৰৱেভ) ব্যৱহাৰ সর্বাধিক সংখ্যক ৰাজহুৱা মংগলৰ অনুকূলে ব্যৱহাৰৰ বাবে নিয়ন্ত্রণ কৰিব লাগে বুলি ঘোষণা কৰিছিল। ইয়াৰ উপৰিও, সম্প্রচাৰ হৈছে যোগাযোগৰ এক মাধ্যম আৰু ই জনসাধাৰণৰ ওপৰত সুদূৰপ্রসাৰী প্রভাৱ পেলায় আৰু সেয়েহে চৰকাৰ, বেচৰকাৰী সংগঠন, ব্যক্তি বা অন্যান্যকে ধৰি কোনো পক্ষই ইয়াৰ ওপৰত একচেটিয়া অধিকাৰ দাবী কৰিব নোৱাৰে।

ৰেডিঅ'ৰ মুখ্য প্রকল্প আৰু পদক্ষেপবোৰৰ ভিতৰত কৃষি উন্নয়নৰ বাবে গ্রাম্য ৰেডিঅ' মঞ্চ (১৯৬৭), প্রাপ্তবয়স্ক সাক্ষৰতাৰ প্রচাৰ, মহিলা পঞ্চায়ত সদস্যা প্রশিক্ষণ দিয়াৰ বাবে মাধ্যম হিচাপে ১৯৯৫ চনৰ গ্রামছেট পৰীক্ষাৰ ব্যৱহাৰ (গাঁও পর্যায়ৰ স্থানীয় সংস্থা) অন্যতম। এই পৰীক্ষাবোৰে ছফ্‌টৱেৰ, হার্ডৱেৰ আৰু সাংগঠনিক ব্যৱস্থাপনাৰ ওপৰত মূল্যৱান শিকনি দিছে। শৈক্ষিক উদ্দেশ্যৰ বাবে ৰেডিঅ' ব্যৱহাৰ কৰাৰ ক্ষেত্রত এক অগ্রণী হৈছে ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয় (ইগন') যি দূৰ শিক্ষাৰ পদ্ধতিৰ জৰিয়তে দেশ বিদেশৰ দূৰ-দূৰৱর্তী কোণত বসবাস কৰা জনসাধাৰণৰ মাজত অনুষ্ঠানিকতা শিক্ষা বিস্তাৰৰ বাবে সমর্পিত হৈ কাম কৰিছে।

২০০১ চনৰ ডিচেম্বৰ মাহত এটা পাইলট প্রকল্প হিচাপে কেইখনমান নির্বাচিত স্থানত এফএম ৰেডিঅ' ষ্টেচনৰ এটা শৃংখলা স্থাপন কৰা আৰম্ভ কৰিছিল, যিটো ক্রমান্বয়ে সমগ্র দেশতে সম্প্রচাৰিত হৈ আছে। এশটা এনে কেন্দ্র, যাৰ ক্ষমতাৰ ব্যাসার্ধ প্রতিটোৰে প্রায় ৬০-৭০ কিলোমিটাৰ শৈক্ষিক উদ্দেশ্যক লক্ষ্য কৰি উন্নত সম্প্রচাৰ সেৱাৰ বাবে সেয়া পর্যাপ্ত। আকাশবাণীৰ ট্রেন্সমিটাৰৰ বিদ্যমান নেটৱর্ক ব্যৱহাৰ কৰি ৰিলে প্রণালীৰ দ্বাৰা সংকেতবোৰ দীঘলীয়া দূৰত্বলৈ স্থানান্তৰ কৰিব পাৰি।

২.৫.৪ চলচ্চিত্র

আপোনালোকক ভাৰতীয় চলচ্চিত্র জগতৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্রয়োজন প্রায় নাই। আমাৰ দেশখনে বছৰি গড়ে ৮০০ খন চলচ্চিত্র নির্মাণ কৰে - বিশ্বৰ মানদণ্ডতো সর্বোচ্চ চলচ্চিত্রৰ নির্মাণৰ লেখত ই সবাৰো ওপৰত। যদিও মুম্বাই দেশৰ সর্বাধিক চলচ্চিত্র নির্মাণ কেন্দ্র, তথাপিও আমাৰ আন এটা সজীৱ আঞ্চলিক চলচ্চিত্র উদ্যোগ মূলতঃ দক্ষিণ ভাৰতৰ ৰাজ্যসমূহত আৰু কম বেছি পৰিমাণে আন ৰাজ্যসমূহতো আছে। স্বাধীনতাৰ পিছৰে পৰা আমি বিভিন্ন ধৰণৰ চলচ্চিত্রৰ নির্মাণ দেখিবলৈ পাইছোঁ। মুখ্যতঃ সামাজিক নাটক, শৈল্পিক চলচ্চিত্র আৰু আমাৰ জীৱনৰ প্রায় প্রতিটো সম্ভাব্য বিষয়বস্তুৰ ওপৰত চলচ্চিত্র, যেনে - ক্রীড়া, কল্পবিজ্ঞান, হিংসা আণ্ডাৰৱর্ল্ড (অন্ধকাৰ

জগত) শিশুৰ বিষয়, মহিলাৰ বিষয় আৰু অন্যান্য বিষয়ত চলচ্চিত্ৰ নিৰ্মাণ হৈছে।

মন কৰিবলগীয়া যে আমাৰ চলচ্চিত্ৰসমূহে বিদেশতো, নিজৰ উপস্থিতি প্ৰতীয়মান কৰিছে। সেই ঠাইবোৰত ভাৰতীয় মূলৰ লোক আছে নে নাই সেয়া নিৰ্বিশেষে। ইয়াৰ কাৰণ হৈছে পূৰ্বৰ ইউএছএছআৰ, আফ্ৰিকা মহাদেশ আৰু উপসাগৰীয় ৰাষ্ট্ৰৰ সমাজে ১৯৬০ দশকৰ পৰাই আমাৰ চলচ্চিত্ৰসমূহৰ বাবে ভাল দৰ্শকৰ আধাৰ প্ৰদান কৰিছে। এতিয়া এই ধাৰাটোৱে নিজৰ কাৰ্যক্ষমতা সামান্য সলনি কৰিছে। আজিকালি কিছুমান প্ৰতিষ্ঠিত আৰু নিপুণ চলচ্চিত্ৰ নিৰ্মাতাই দ্বৈত দৰ্শকৰ ভিত্তিত চলচ্চিত্ৰ নিৰ্মাণ বা পৰিচালনা কৰে। ভাৰতীয় মূলৰ লোকসকলে যিহেতু বিদেশী ভূমিত দীৰ্ঘদিন ধৰি বসতি স্থাপন কৰি আহিছে সেয়েহে, আমি আজি আমাৰ চলচ্চিত্ৰ উদ্যোগৰ বাবে এক বিশ্বব্যাপী স্বীকৃত গ্ৰাহক লাভ কৰিবলৈ সক্ষম হৈছোঁ আৰু এই ধাৰা বিগত বছৰবোৰত মসৃণভাৱে অবিৰত চলি আহিছে।

২.৫.৫ বিজ্ঞাপন

ভাৰতৰ বিজ্ঞাপন উদ্যোগৰ পটভূমি যথেষ্ট প্ৰগতিশীল। বিশ্বৰ বেছিভাগ সন্মানীয় আৰু বৃহৎ বিজ্ঞাপন সংস্থাৰ ইয়াত উপস্থিতি আছে। শেহতীয়া পৰিসংখ্যা অনুসৰি, উদ্যোগটোৰ মূল্য বছৰি ১০,০০০ কোটি টকাতকৈও অধিক।

মন কৰিবলগীয়া যে ছপা মাধ্যম আৰু টিভি নিউজ চেনেল দুয়োটাই, দেশৰ গুৰুত্বপূৰ্ণ সংবাদ মাধ্যমৰ সত্বা হোৱাৰ বাবে, বিজ্ঞাপনৰ ক্ষেত্ৰত বৃহৎ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। বাতৰি চেনেলবোৰে বিগত বিত্তীয় বৰ্ষত ১৫ শতাংশ বৃদ্ধিৰ আকৰ্ষণীয় হাৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে ছপা মাধ্যমে মুঠ ৫,৫০০ কোটি টকা বিজ্ঞাপন ৰাজহৰ ওপৰত ১৪ শতাংশ লাভ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

২.৫.৬ জনসংযোগ

ভাৰতীয় সমাজে আজি কিছুদিন আগলৈকে জনসংযোগৰ পৰিসৰ আৰু লাভালাভৰ লগতে গুৰুত্ব সঠিকভাৱে বুজি পোৱা নাছিল। অৱশ্যে, বিগত প্ৰায় দুটা দশকত, উদ্যোগটোৰ উপযুক্ত গুৰুত্ব সকলোৱে উপলব্ধি কৰিছে আৰু প্ৰতিষ্ঠান, সংস্থাসমূহৰ ভাবমূৰ্তিৰ বাবে এই ব্যৱস্থাটো ব্যৱহাৰ কৰাৰ বাবে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। আজি অধিকাংশ চৰকাৰী বিভাগ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, ব্যক্তিগত উদ্যোগ, নিম্নৰ পৰা উচ্চ স্তৰৰ শিক্ষানুষ্ঠানবোৰে জনসংযোগ সেৱাসমূহ, নিজৰ উপস্থিতি অনুভৱ কৰোৱাৰ বাবে ব্যৱহাৰ কৰি আছে কিয়নো ই ৰাইজৰ বাবে তথা নিৰ্দিষ্ট গ্ৰাহকৰ বাবে সংস্থাটো অধিক দৃশ্যমান কৰি তুলিছে।

এইটো মুখ্যতঃ দুটা উপায়েৰে কৰা হয়। এই সংস্থা আৰু প্ৰতিষ্ঠানসমূহৰ বহুতেই নিজাকৈ পূৰ্ণাংগ জনসংযোগ বিভাগ এটা থাকে। আনহাতে আন বহুতে চুক্তিবদ্ধ ভিত্তিত বাহিৰৰ সেৱা প্ৰদানকাৰীৰ পৰা এই কামটো সম্পন্ন কৰে।

এই ব্যৱস্থাটো যিকোনো সংস্থাৰ প্ৰতিচ্ছবি ব্যৱস্থাপনা আৰু উন্নতিৰ বাবে পেছাদাৰী সেৱা প্ৰদানৰ বাবে; লগতে পেছাদাৰী আৰু অৰ্থপূৰ্ণ চাকৰিৰ উৎস হিচাপেও এক অতি সম্ভাব্য আহিলা হৈ পৰিছে।

জনসংযোগ হৈছে আজি আমাৰ দেশত এক প্ৰতিষ্ঠিত ব্যৱসায়িক কাৰ্যকলাপ। বছৰ বছৰ ধৰি যথেষ্ট সংখ্যক লাভজনক বিদেশী, বহুজাতিক কোম্পানীৰে সৈতে বহুতো জনসংযোগ পৰামৰ্শদাতা সংস্থাই কাম কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলতো এনে ধৰণৰ কেইবাটাও পৰামৰ্শদাতা সেৱাই কাম আৰম্ভ কৰিছে।

জনসংযোগৰ এই ক্ষেত্ৰখনৰ বৰ্ধিত সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি, আজিকালি, প্ৰতিষ্ঠিত বিজ্ঞাপন সংস্থাবোৰৰ বেছিভাগে তেওঁলোকৰ গ্ৰাহকসকলৰ বাবে মূল্য সংযোজন সেৱা হিচাপে জনসংযোগ পৰামৰ্শ সেৱাও আৰম্ভ কৰিছে। অনাগত দিনত ভাৰতৰ এই উদ্যোগটো অতি উচ্চ স্তৰত প্ৰতিষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ভাৰতীয় ছপা মাধ্যমৰ স্থিতি কি?

প্ৰশ্ন নং ৭ ঃ আমাৰ চলচ্চিত্ৰ উদ্যোগৰ বিষয়ে কেইশাৰীমান লিখক।

প্ৰশ্ন নং ৮ ঃ দেশত বিজ্ঞাপন ক্ষেত্ৰখনৰ পৰিস্থিতি কেনেকুৱা?



অনুশীলনী - ২.৩

ক) বাতৰি কাকত প্ৰতিষ্ঠান এটা দৰ্শন কৰি দেশৰ বিভিন্ন স্থানৰ পৰা প্ৰকাশিত বাতৰি কাকতৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ চেষ্টা কৰক আৰু সম্পাদকসকলৰ নাম আৰু প্ৰকাশনৰ স্থান টোকা কৰক।

খ) আপোনাৰ জিলা পুথিভঁৰাললৈ গৈ কেইবছৰমান আগতে প্ৰকাশিত বাতৰি কাকত এখন উলিয়াই সেই নিৰ্দিষ্ট বাতৰি কাকতখনৰ শেহতীয়া সংখ্যাৰ সৈতে বাতৰি কাকতৰ সাম্প্ৰতিক সংখ্যাটো তুলনা কৰিবলৈ চেষ্টা কৰক। আপুনি দেখা পাৰ্থক্যবোৰৰ ওপৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰক।



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অতীতৰ ভাৰতবৰ্ষত ভ্ৰমণকাৰী সন্ন্যাসী, ভ্ৰমণকাৰী তীৰ্থযাত্ৰীৰ ৰূপত এক অনন্য যোগাযোগ ব্যৱস্থা আছিল। ধৰ্মীয় আলোচনাৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰিবলৈ তেওঁলোকে ইঠাইৰ পৰা সিঠাইলৈ ঘূৰি ফুৰিছিল। অৱশ্যে দেশত ছপাশাল স্থাপন হোৱাৰ পাছত, যোগাযোগ সহজ হৈ পৰিছিল কিয়নো কিতাপ, পত্ৰিকা আৰু অন্যান্য প্ৰকাৰৰ মুদ্ৰিত সামগ্ৰী সহজে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিব পাৰি। আৰু সময়ৰ লগে লগে বাতৰি কাকতবোৰো গণসংযোগৰ এক শক্তিশালী মাধ্যম হিচাপে চৰ্চালৈ আহিছিল। আমি দেখিছোঁ যে ভাৰতীয় সংবাদ মাধ্যম উদ্যোগে স্বাধীনতাৰ পিছৰ ছয় দশকত ব্যৱসায়ৰ পৰিমাণ আৰু বিশ্বব্যাপী উপস্থিতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সফলতা অৰ্জন কৰিছে। আজি আমাৰ এটা সমৃদ্ধিশালী গণমাধ্যম উদ্যোগ আছে যিয়ে সাংবাদিকতা, বিজ্ঞাপনৰ পৰা আৰম্ভ কৰি জনসংযোগ, চলচ্চিত্ৰ আদিকে ধৰি প্ৰতিটো ক্ষেত্ৰকে সামৰি লৈছে।

এই মাধ্যমসমূহত কাম কৰাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ প্ৰশিক্ষিত আৰু অভিজ্ঞ জনশক্তি বা মানৱ সম্পদৰ অভাৱ এইক্ষেত্ৰত, আমি সন্মুখীন হৈ থকা এটা গুৰুত্বপূৰ্ণ সমস্যা। বিশ্ববিদ্যালয় আৰু অন্যান্য সংগঠনৰ গণমাধ্যমৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে অনাগত দিনবোৰত এই দিশত বহুত কৰিবলগীয়া আছে।

আমাৰ গণমাধ্যম উদ্যোগটো আজি পেছাদাৰী মানদণ্ড, সমল, প্ৰচাৰ আৰু প্ৰবেশাধিকাৰৰ দৰে সকলো ক্ষেত্ৰত উন্নত ৰাষ্ট্ৰসমূহৰ সমতুল ব্যৱস্থাৰ সমকক্ষ বুলি আমি নিৰ্দ্বিধাই ক'ব পাৰোঁ। এই ধাৰাটোক আৰু অধিক আগবঢ়াব লাগিব কিয়নো ই আমাক গোলকীয় মঞ্চত নিজকে প্ৰতিষ্ঠা কৰাত যথেষ্ঠ সহায় কৰিব আৰু লগতে অনাগত দিনবোৰত আমাৰ শিক্ষাৰ্থীসকলৰ বাবে পেছাদাৰী আৰু অৰ্থপূৰ্ণ নিযুক্তিৰ বাবে পৰ্যাপ্ত সুযোগ প্ৰদান কৰিব।



২.৭ অধিক জানিবলৈ

1. **India 2008 :** *An annual publication of the Ministry of Information & Broadcasting, Government of India,*
2. **Survey of Indian Industry :** *An annual publication by the Hindu Group of newspapers,*
3. **Handbook of Advertising Association of India**
4. Compilations of the Press Council of India from time to time and the Articles collection of articles related to this organization of the occasion of National Press Freedom Day which falls on November 16,



২.৮ অগ্রগতিৰ খতিয়ানৰ উত্তৰসমূহ ঃ

অগ্রগতিৰ খতিয়ান - ক

১. ১৭৮০ চনৰ ২৯ জানুৱাৰীত জেমছ অগাষ্টাছ হিকীয়ে বেংগল গেজেট প্রকাশ কৰে।

২. এজন ইংৰাজ, উইলিয়াম বল্টছে ১৭৭৬ চনত এখন বাতৰি কাকত উলিয়াবলৈ চেষ্টা কৰিছিল।

অগ্রগতিৰ খতিয়ান - খ

১. ভাৰতৰ প্রথমখন বাতৰি কাকত আছিল জেমছ অগাষ্টাছ হিকীৰ কলিকতা জেনেৰেল এডভার্টাইজাৰ বা বেংগল গেজেট।

২. ভাৰতৰ প্রথমখন ভাৰতীয় মালিকানাধীন কাকত আছিল গংগাধৰ ভট্টাচার্যৰ বেংগল গেজেট।

৩. ৰাজা ৰাম মোহন ৰায়ে প্রকাশ কৰা প্রথমখন পার্চী ভাষাৰ বাতৰি কাকত আছিল মিৰাট-উল-আখবাৰ।

অগ্রগতিৰ খতিয়ান - গ

১. আমাৰ দেশখন আজি এক সমৃদ্ধিশালী ছপা মাধ্যম উদ্যোগৰ অধিকাৰী যিয়ে মুঠ প্রকাশনৰ সংখ্যা, প্রচলন, উপলব্ধতা আৰু প্রৰেশাধিকাৰৰ ক্ষেত্রত বিশ্বৰ পাঁচটা শীর্ষ স্থানৰ অন্তর্ভুক্ত হৈছে। আমাৰ ওচৰত ইংৰাজীত আৰু প্রায় ১০০টা ভাৰতীয় ভাষাত ৬২,০০০ বাতৰি কাকত আৰু আলোচনী আছে। এইক্ষেত্রত উল্লেখযোগ্য যে এই প্রচলনৰ পৰিসংখ্যা আৰু প্রচলন সংখ্যাৰ ৪০% তকৈও অধিক হিন্দী বাতৰি কাকত আৰু আলোচনী। আৰু বাকীবোৰ মালায়ালম, গুজৰাটী, বাংলা আৰু তামিলকে ধৰি মুখ্য ভাৰতীয় ভাষাবোৰৰ মাজত বিভক্ত।

গোলকীয় পর্যায়তো এই প্রচলনৰ পৰিসংখ্যা চীনৰ পিছতে। ইয়াৰ উপৰিও, বিগত বছৰবোৰত প্রতিখন বাতৰি কাকতৰ বাবে প্রতিটো প্রতিলিপি পাঠকৰ সংখ্যাও উচ্চ স্তৰলৈ বৃদ্ধি পাইছে। বিভিন্ন কাৰণবশতঃ যেনে সাক্ষৰতাৰ হাৰ বৃদ্ধি, উপলব্ধতা আৰু সমগ্র বিশ্বত কি ঘটি আছে জানিবলৈ মানুহৰ উৎসুকতাৰ ফলত এনে হৈছে। এই ধাৰাটো পৰৱর্তী দশকত এক আকর্ষণীয় হাৰত বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

২. আমাৰ চলচ্চিত্র উদ্যোগটো সমগ্র বিশ্বতে অনন্য। ইয়াৰ কাৰণ সম্ভৱতঃ বিশ্বৰ কোনো ঠাইতে বছৰি গড়ে ৮০০ খন চলচ্চিত্রৰ নির্মাণ কৰা নহয় অৱশ্যে ইয়াৰ সকলোবোৰ সফলো নহয়। এইটো এটা উদ্যোগ য'ত কোটি কোটি টকাৰ বিনিয়োগেৰে লাখ লাখ লোক প্রতক্ষ্য আৰু পৰোক্ষভাৱে জড়িত হৈ আছে।

মুম্বাই আমাৰ চলচ্চিত্র উদ্যোগৰ কেন্দ্রবিন্দু যদিও যথেষ্ট সংখ্যক আঞ্চলিক ভাষা যেনে তামিল, তেলেগু, বাংলা, পঞ্জাৰী, মণিপুৰী আৰু অন্যান্য ভাষাৰ দৰে কেইটামান আঞ্চলিক ভাষাতো উদ্যোগটোৰ প্রসাৰ হৈছে। এইটো নিশ্চিতভাৱে এক শুভলক্ষণ।

ইয়াৰ লগতে, আজি আমি বিশ্বব্যাপী দর্শকসকললৈ চিনেমা মুকলি কৰিছোঁ। ভাৰতীয় মূলৰ লোকসকলে জীৱিকাৰ বাবে বিদেশী ৰাষ্ট্রসমূহত বসতি স্থাপন কৰিছে আৰু আমাৰ চলচ্চিত্রসমূহ এইলোকসকলে সেই ঠাইবোৰত ভালদৰে গ্রহণ কৰিছে। আনহাতে বছৰি প্রযোজিত বেছিভাগ চলচ্চিত্রই লাভ অর্জনৰ কাৰণে নির্মিত বাণিজ্যিক বৈশিষ্ট্যৰ চলচ্চিত্র হ'লেও প্রতি বছৰে যথেষ্ট সংখ্যক গুৰুত্বপূর্ণ আৰু শৈল্পিকভাৱে প্রশংসিত চলচ্চিত্রও সমান্তৰালভাৱে ভাৱে নির্মাণ কৰা হৈছে। এইবোৰত সমাজৰ বাবে নির্দিষ্ট বার্তা থাকে। এয়া এক সুস্থ লক্ষণ। চৰকাৰে (কেন্দ্র আৰু ৰাজ্যিক পর্যায়ত) ইয়াক এক উদ্যোগ হিচাপে ঘোষণা কৰা, চিত্রগৃহৰ (চিনেমা হলৰ) টিকটত সংগ্রহ কৰা কিছুমান কৰ ঘূৰাই দিয়াৰ দৰে পদক্ষেপেৰে এই উদ্যোগটোক যিমান পাৰি সিমান উৎসাহিত কৰিছে। আমি আগন্তুক দিনত এইক্ষেত্রত এখন উন্নত ছবিৰ আশা কৰিব পাৰোঁ।

৩. শেহতীয়া এক পৰিসংখ্যা অনুসৰি ভাৰতীয় বিজ্ঞাপনৰ পৰিস্থিতি যথেষ্ট উৎসাহজনক কিয়নো ইয়াৰ মূল্য বছৰত গড়ে ১০,০০০ কোটি টকাতকৈ অধিক। আজি বহুকেইটা প্রধান বহুজাতিক বিজ্ঞাপন কোম্পানীৰ আমাৰ দেশত আধাৰ আছে। এইসমূহে দেশৰ বিভিন্ন খণ্ডৰ উন্নয়নৰ লাভালাভ লাভ কৰিছে, বিশেষকৈ অর্থনৈতিক সংস্কাৰৰ দৰে লাভ এইক্ষেত্রত উল্লেখ্য। আজি আমাৰ ওচৰত জনসম্পর্ক সেৱা, সংবাদ মাধ্যম ক্রয়, স্থান ক্রয় বা স্থান বিক্রী কৰা বিজ্ঞাপন সংস্থাও আছে, যিয়ে বিজ্ঞাপনদাতাসকলক তেওঁলোকৰ ধনৰ বিনিময়ত মানসম্পন্ন সেৱা আগবঢ়াই আহিছে।

যদিও দূৰদর্শনৰ কার্যসূচীৰ মানদণ্ডত ব্যক্তিগত কেবল টিভি চেনেলসমূহৰ প্রত্যাহ্বানৰ মোকাবিলা কৰাৰ সুযোগ আছে, তথাপিও দেশৰ দূৰৱর্তী অঞ্চলসমূহকে ধৰি বিশাল প্রচাৰৰ বাবে দূৰদর্শন দেশৰ বিজ্ঞাপন প্রচাৰৰ এটা প্রধান অংশ।

কিছু বছৰ আগলৈকে ৰেডিঅ'ত বিজ্ঞাপনৰ ক্ষেত্ৰত কিছু স্থবিৰতা দেখা গৈছিল যদিও এই মাধ্যমটোৱে এতিয়া ইয়াৰ বিজ্ঞাপনৰ ৰাজহ উপাৰ্জনত যথেষ্ট বিকাশ প্ৰদৰ্শন কৰিছে।

দেশৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ দ্বাৰা আজিকালি এক নতুন ধৰণৰ বা বিজ্ঞাপনো প্ৰচলিত হৈ আছে । বিভিন্ন দক্ষতাৰ দ্বাৰা বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰত বিজ্ঞাপন অন্তৰ্ভুক্ত কৰা হয়। ই দেশৰ সংবাদ মাধ্যম ব্যৱসায়ৰ বাবে বিজ্ঞাপনৰ ৰাজহ অধিক বৃদ্ধিৰ বাবে বিপুল পৰসিৰ মুকলি কৰিছে।

২.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

১. ভাৰতত চলচ্চিত্ৰ উদ্যোগৰ স্থিতি কি?

২. শেহতীয়া বছৰবোৰত আমাৰ উদ্যোগৰ বাবে জনসংযোগে কিয় বহু বেছি গুৰুত্ব লাভ কৰিছে?

৩. ভাৰতত ছপা মাধ্যম সাংবাদিকতাই কেনেদৰে কাম কৰি আছে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

১. উত্তৰ-পূৰ্ব ভাৰতত সংবাদ মাধ্যমৰ পৰিস্থিতিৰ বিকাশৰ ওপৰত এটি চমু টোকা লিখক।

২. ভাৰতত গণ মাধ্যমৰ পৰিস্থিতিৰ বিকাশৰ সামগ্ৰিক ধাৰণা দিয়ক।

****

অধ্যায় ৩ ঃ পৰম্পৰাগত লোক মাধ্যম

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পৰম্পৰাগত লোক মাধ্যম

৩.৪ পৰম্পৰাগত লোক মাধ্যমৰ সুবিধাসমূহ

৩.৪.১ লোক মাধ্যমে সামাজিক পৰিৱৰ্তন প্রতিফলিত কৰে

৩.৫ উন্নয়নমূলক মাধ্যম হিচাপে পৰম্পৰাগত লোক মাধ্যম

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- পৰম্পৰাগত লোক মাধ্যমৰ বিষয়ে যথাযথ ব্যাখ্যা আগবঢ়াবলৈ সক্ষম হ'ব।
- পৰম্পৰাগত লোক মাধ্যমৰ বৈশিষ্ট্য সম্পর্কে বিস্তৃতভাৱে বর্ণনা কৰিব পাৰিব।
- পৰম্পৰাগত লোক মাধ্যমে যোগাযোগত কি ভূমিকা পালন কৰে সেই বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব।

৩.২ পৰিচয়

'পৰম্পৰাগত লোক মাধ্যম' শীর্ষক পাঠ্যক্রমৰ এইটো হৈছে প্রথম অধ্যায়। পৰম্পৰাগত লোক মাধ্যমৰ পৰিচয় নামটোৱেই সূচায় যে ই এক পৰিচয়সূচক অধ্যায় যিটোৱে পৰম্পৰাগত লোক মাধ্যমৰ প্রাথমিকতাৰ ওপৰত অৱলোকন কৰিছে। এই অধ্যায়ত আমি পৰম্পৰাগত লোক মাধ্যমৰ অর্থ নিৰূপণ কৰিম, ইয়াৰ চৰিত্র আৰু বৈশিষ্ট্যসমূহ কি আৰু লোক মাধ্যমৰ জৰিয়তে কেনেকৈ সংযোগ স্থাপন কৰিব পাৰি তাৰ বিষয়ে আলোচনা কৰিম। আমি পৰম্পৰাগত লোক মাধ্যমে কিদৰে গণ মাধ্যম হিচাপে ক্রিয়া কৰে তাৰ প্রতিও লক্ষ্য ৰাখিম।

৩.৩ পৰম্পৰাগত লোকমাধ্যম

পৰম্পৰাগত লোকমাধ্যম ধাৰণাটি সাধাৰণ মানুহৰ পৰিৱেশন বুজাবলৈ ব্যৱহাৰ কৰা হয়। এই ধাৰণাটিয়ে পৰিৱেশ্য কলা বুজায়, যাক সাধাৰণ মানুহৰ সাংস্কৃতিক প্ৰতীক হিচাপে গণ্য কৰিব পাৰি।

পৰম্পৰাগত লোকমাধ্যম কেৱল নৃত্য আৰু সংগীততেই সীমাবদ্ধ নহয়, বৰঞ্চ ই কলা আৰু হস্তশিল্পকো সামৰি লয়। পৰিৱেশ্য কলাই আৰু দৃশ্যণীয় কলাই সংগীত, গীত, নাটক, বিভিন্ন কৌশল, পুতলা নাচ, কবিতা, বক্তব্য, শব্দ, ভংগীমা, আড্ডা, কৌতুক, ফকৰা যোজনা, ছবি, নিৰ্দিষ্ট ছপা সাহিত্য, ভাস্কৰ্য্য, হস্তশিল্প, সাজ-সজ্জা, বস্তুৰ ওপৰত কৰা ৰং আৰু ধাৰণা আৰু Head Gearৰ ব্যৱহাৰ আদি সকলোকে সামৰি লয়।

মূলতঃ সাধাৰণ লোকসকলে আত্মপ্ৰকাশ কৰাৰ প্ৰয়োজনীয় আৰু তেওঁলোকে বৰ্তি থকা সমাজখনত অনুগামীসকলৰ সৈতে কিবা এটি সৌন্দৰ্যময় সৃষ্টি আদান-প্ৰদান কৰাৰ প্ৰবৃত্তিৰ বাবেই পৰম্পৰাগত লোকমাধ্যমৰ জন্ম হৈছিল। ইয়েই সৃষ্টিশীল একোটা ডিজাইনৰ সতে সংলগ্ন উদগতিমূলক চেতনাৰ সঞ্চাৰ কৰিলে। এই পৰিৱেশ্য কলাসমূহে জীৱনৰ সতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিল আৰু লাহে লাহে সময়ৰ সোতত পৰিৱৰ্তনো হৈ থাকিল। কিন্তু একেধাৰে হৈ থকা পৰিৱৰ্তন সত্ত্বেও, এইসমূহ সমাজত সদায়ে প্ৰাসংগিক হৈ আহিছে।

'পৰম্পৰাগত লোকমাধ্যম' শীৰ্ষক শব্দটি লৈ আমি দেখো, আমি বুজো ই সাতামপুৰুষীয়া মূল্যবোধসমূহ নতুন প্ৰজন্মক অৰ্পণ কৰা এটি প্ৰক্ৰিয়া। লগতে ই বিশ্বজগতৰ ব্যাখ্যা আগবঢ়োৱা মাধ্যম। ই কেৱল সম্প্ৰদায়সমূহৰ আচৰণগত ধৰণৰ নতুন কিছুমান অপৰিৱৰ্তিত প্ৰতীক তথা উদ্দেশ্যৰ বাবেই নহয়। তাৰ পৰিৱৰ্তে জনসাধাৰণৰ জীৱনী শক্তিক পুনঃ গোটকৰণ আৰু পুনঃ জাগৰণৰ এক প্ৰতীকমূল সমূহীয়া প্ৰচেষ্টা। সেয়ে, পৰম্পৰাগত লোকমাধ্যম বহু পৰিমাণে সাংস্কৃতিক সঁহাৰি আৰু অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে।

ভাৰতবৰ্ষত লোক পৰিৱেশন এক সন্মিলিত কলা। ই সংগীত, নৃত্য, ভাওনা, কাব্য, মহাকাব্যিক বচনসমূহ, ধৰ্মীয় আৰু কৃষিভিত্তিক উৎসৱসমূহৰ এক সংমিশ্ৰণ। ইয়াত বিভিন্ন উপলক্ষসমূহ ৰীতি-নীতি, বিশ্বাস আৰু সামাজিক ব্যৱস্থাৰ প্ৰথাসমূহ সন্নিৱিষ্ট হৈ থাকে।

লোকমাধ্যমৰ এগৰাকী প্ৰখ্যাত পণ্ডিত বলৱন্ত গার্গীৰ মতে, "লোকমাধ্যমে এমুঠি লোকৰ মাজৰ সকলো বৈপৰীত্য আৰু বাৰেৰহনীয়া কাম-কাজৰ সৈতে, তেওঁলোকৰ এক প্ৰাকৃতিক বাসস্থানক প্ৰতিনিধিত্ব কৰে"। ই তেওঁলোকৰ কথন ভংগী, সংগীত, নৃত্য, সাজ-পোছাক আৰু জ্ঞানৰ এক ৰেঙণি আগবঢ়ায়। ইয়াত পৌৰাণিক বীৰসকলৰ কাহিনীৰ এক চহকী ভঁৰাল, মধ্যযুগীয় ৰোমান্স, বীৰত্বৰ সাধুসমূহ, সামাজিক প্ৰথা, বিশ্বাস আৰু কিম্বদন্তি নিহিত থাকে। ভাৰতবৰ্ষৰ বহুৰঙী বৈচিত্ৰ্যতা আৰু একতাক উপলব্ধি কৰিবলৈ হ'লে, প্ৰাকৃতিক সাজ-সজ্জাত পৰিৱেশিত লোকনাট্যসমূহ দৰ্শন কৰাটো অতি জৰুৰী।

গ্রাম্য ভাৰতৰ বিভিন্ন লোককলা, থিয়েটাৰ, সংগীত, নৃত্য, কলা আৰু শিল্পৰ এক আপুৰুগীয়া সংৰক্ষণ থলী। লোককলাই আমাৰ আত্মপ্রকাশৰ সহজাত প্রবৃত্তিক পৰিতৃপ্তি প্রদান কৰে। পৰম্পৰাগত কলাৰ ৰূপসমূহে আমাৰ পূৰ্বপুৰুষসকলৰ পৰম্পৰা আৰু সংস্কৃতিক সংৰক্ষণ আৰু উদগণি দি সেইসমূহ জীৱন্ত কৰি তোলে। প্রত্যেক অঞ্চলৰে স্বকীয় লোককলা থাকে যিখিন সেই অঞ্চলত অতি জনপ্রিয় আৰু প্রাসংগিক। অসমো তাৰ পৰা পৃথক নহয়। বিহু, লোকগীত, বৰগীত, বনগীত, সত্রীয়া ভাওনা, নিচুকনি গীত, আইনাম, ওজাপালি, বৈৰাগী ইত্যাদি অসমৰ লোককলাৰ ভিন্ ভিন্ ৰূপ। আকৌ, একোটা কলাৰে বহুতো প্রকাৰৰ ভাগ থাকে। উদাহৰণ স্বৰূপে, ভাওনা, এক শাস্ত্রীয় কলা যাক কিছুমান কঠিন নিয়মাৱলীৰ মাজেৰে নামঘৰত পৰিৱেশন কৰা হয়। আনহাতেদি, নামনি অসমৰ কিছুমান ঠাইত প্রচলিত ঢুলীয়া ভাওনা আৰু খুলীয়া ভাওনা শাস্ত্রীয় ভাওনাৰ কঠিন নিয়মাৱলীৰ পৰা মুক্ত আৰু সেইসমূহ অতি শিথিল। একেদৰেই, বিহুক অসমীয়া, মিছিং বড়ো, কার্বিসকলে কিছু ভিন্ ভিন্ ধৰণেৰে পৰিৱেশন কৰে। কলাৰ প্রাচীন ৰূপ এই পৰম্পৰাগত লোক মাধ্যমসমূহ মানুহৰ অতি মৰমৰ। পৰম্পৰাগত লোক মাধ্যমৰ আকর্ষণ সার্বজনীন। মানুহে এনে মাধ্যমে বহন কৰা বার্তা পোনপটীয়াকৈ আৰু ব্যক্তিগত স্তৰত বুজি পায়। পৰম্পৰাগত লোক মাধ্যমবোৰে কৰা পৰিৱেশন স ম্প্রদায়বোৰৰ শৈক্ষিক,সামাজিক আৰু আর্থিক স্থিতি নির্বিশেষে সকলোৰে মাজত সমানে জনপ্রিয়। বহুতো গৱেষকে উন্নয়নমূলক সংযোগত এই মাধ্যমবোৰৰ গুৰুত্ব প্রতিপন্ন কৰিছে। পৰম্পৰাগতভাৱে লোক মাধ্যমসমূহৰ প্রধান কাম হ'ল মনোৰঞ্জন প্রদান কৰা, সামাজিক সংযোগৰ লগতে কোনো কথাত মানুহক পতিয়ন নিয়াব পৰা সংযোগ স্থাপন কৰা। বর্তমান উন্নয়নমূলক সংযোগৰ বার্তা প্রচাৰ কৰাৰ কামত লোক মাধ্যমসমূহক জড়িত কৰোৱাৰ প্রয়াস চলাই থকা হৈছে। বিগত দশক কেইটামানত উন্নয়নৰ বার্তা প্রচাৰ কৰাত পৰম্পৰাগত লোক মাধ্যমবোৰক ক্রমবর্দ্ধিত হাৰত এক গুৰুত্বপূর্ণ আহিলা হিচাপে গ্রহণ কৰাৰ যথেষ্ট উদাহৰণ পোৱা যায়। ইয়াক পোনপটীয়া পৰিৱেশন হিচাপেও ব্যৱহাৰ কৰা হৈছে আৰু বৈদ্যুতিক গণ মাধ্যমবোৰৰ সৈতে সংযোজিত কৰি এক সংহত ৰূপতো প্রয়োগ কৰা হৈছে।

তলত পৰম্পৰাগত লোক মাধ্যমবোৰৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰা হ'ল-

১) এই মাধ্যমবোৰে সময়ে কঢ়িয়াই অনা পৰিৱর্তন প্রতিৰোধ কৰি নিজ অস্তিত্ব বর্তাই ৰাখিছে।
২) অস্তিত্ব বর্তাই ৰাখিবলৈ মাধ্যমবোৰে সময়ৰ সৈতে খাপ খোৱা নিজৰ বাবে অনুকূল পৰিৱর্তন কিছুমানক আঁকোৱালি লৈছে।
৩) যিকোনো ব্যক্তি এনে পৰিৱেশনত কেৱল দর্শকেই নহয়, অংশগ্রহণকাৰীও হ'ব পাৰে।
৪) লোক মাধ্যমবোৰ হ'ল স্বতঃস্ফূর্ত পৰিৱেশনৰ মঞ্চ।
৫) এইবোৰ নমনীয় প্রকৃতিৰ।
৬) এই মাধ্যমবোৰ কমখৰছী আৰু সেইবাবে ইয়াৰ পুনঃপৰিৱেশনৰ সম্ভাৱনা অধিক।
৭) লোক মাধ্যমবোৰে তাৎক্ষণিকভাৱে দর্শকৰ সঁহাৰি তথা বর্দ্ধিত মনোযোগ লাভ কৰে।

৮) উমৈহতীয়া আৰু পৰিচিত ভাষাত পৰিৱেশন কৰা হয় বাবে অনুষ্ঠানবোৰ দৰ্শকে সহজে বুজি পায়।

৯) এনে পৰিৱেশনবোৰ পোনপটীয়া আৰু ব্যক্তিগত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'পৰম্পৰাগত লোকমাধ্যম'ৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ ঃ পৰম্পৰাগত লোকমাধ্যম কেৱল নৃত্য আৰু সংগীততেই সীমাবদ্ধ নহয়, বৰঞ্চ ই ..... সামৰি লয়।

.....

.....

প্রশ্ন নং ৩ ঃ অসমৰ কেইটামান বিখ্যাত লোককলাৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ অসমৰ কেইটামান পৰম্পৰাগত লোক মাধ্যমৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৫ ঃ পৰম্পৰাগত লোক মাধ্যমৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....

৩.৪ পৰম্পৰাগত লোকমাধ্যমৰ সুবিধাসমূহ

পৰম্পৰাগত লোকমাধ্যমসমূহ সমাজ এখনৰ নীতি-নিয়ম, সংস্কৃতিৰ লগত জড়িত। ই সংস্কৃতিক পৰম্পৰাৰ এক অবিচ্ছেদ্য অংগ। লোকমাধ্যমৰ বহুতো সুবিধা আছে। তলত ইয়াৰ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

ক) **উৎকৃষ্ট মাধ্যম ঃ** আমি জানো যে প্রতিটো সম্প্রদায় আৰু জনগোষ্ঠীৰ নিজস্ব লোক পৰম্পৰা আছে, যি তেওঁলোকৰ আবেগ অনুভূতিৰ সৈতে জড়িত। ই তেওঁলোকৰ তেজৰ ধমনীত প্রবাহিত হৈ থাকে। সেয়েহে ইয়াক পৰিবেশনৰ

সময়ত বেছিভাগ মানুহেই নিজে অংশগ্রহণ কৰা যেন অনুভৱ কৰে যাৰ ফলত ই অধিক উপভোগ্য হৈ পৰে। সেয়ে ই জনসাধাৰণৰ মাজত অন্য মাধ্যমতকৈ অধিক প্রভাৱ বিস্তাৰ কৰে।

খ) **জনসাধাৰণৰ লগত ওতঃপ্রোতভাৱে জড়িত ঃ** আপুনি হয়তো দেখা পাইছে পৰম্পৰাগত লোকমাধ্যমসমূহ ৰাইজৰ ভিৰৰ মাজত প্রদর্শন কৰা হয়। অসমত বাস কৰা আমি সকলোৱে জানো বিহুক কিদৰে জনসাধাৰণৰ মাজত প্রদর্শন কৰা হয়। সেয়ে ই জনসাধাৰণৰ মাজত অন্য মাধ্যমতকৈ অধিক প্রভাৱ বিস্তাৰ কৰে।

গ) **ব্যক্তিগত মাধ্যম ঃ**গণ সংযোগৰ বৈশিষ্ট্যবোৰ পঢ়াৰ সময়ত আমি গণ সংযোগক নৈর্ব্যক্তিক মাধ্যম হিচাপে পাওঁ। কিয়নো যোগাযোগকাৰীসকলে জনসাধাৰণৰ লগত এক যান্ত্রিক মাধ্যমৰ জৰিয়তে যোগাযোগ ৰাখে। সেয়েহে আমি কেৱল পৰম্পৰাগত লোক মাধ্যমসমূহত ব্যক্তিগত আন্তৰিকতা দেখিবলৈ পাওঁ। দূৰদর্শন, ৰেডিঅ', বাতৰিকাকত আৰু আলোচনীৰ ক্ষেত্রত এই সত্যতা প্রতিভাত হয়। এই ব্যক্তিগত চমৎকাৰিত্বই জনসাধাৰণক সচেতন কৰিব পাৰে, যি গণ মাধ্যমত দেখা নাযায়।

ঘ) **পুনৰ প্রদর্শনৰ সুবিধা ঃ** পৰম্পৰাগত লোকমাধ্যমত জনসাধাৰণে ভাল পোৱা কলাবিধ পুনৰ প্রদর্শনৰ যথেষ্ট সুবিধা আছে। আৰু ইয়াত দর্শকসকলেও প্রদর্শনকাৰী গোটটোৰ সৈতে অংশগ্রহণ কৰিব পাৰে। এই ধৰণৰ সুবিধা আন গণমাধ্যমসমূহত নাই। ইয়াক কেৱল এবাৰহে সম্প্রচাৰ কৰা হয়। এনেদৰেও ক'ব পাৰি যে পৰম্পৰাগত লোকমাধ্যমত জনসাধাৰণে যদি অনুষ্ঠানটো ভাল পাইছে তেনেহ'লে পুনৰ প্রদর্শন কৰিব পাৰি। কিন্তু আন গণমাধ্যমসমূহৰ বাবে ই সম্ভৱ নহয় কিয়নো তেওঁলোকে একে সময়তে এক বৃহৎ সংখ্যক জনসাধাৰণৰ বাবে অনুষ্ঠান সম্প্রচাৰ কৰে।

ঙ) **আঞ্চলিক/স্থানীয় ভিন্নতাৰ গুৰুত্ব ঃ** আমি দেখিবলৈ পাওঁ যে ভাৰতবর্ষত প্রচলিত লোক মাধ্যম আৰু পৰম্পৰাগত মাধ্যমৰ পৰিবেশনত সামান্য পৰিমাণৰ আঞ্চলিক বা স্থানীয় ভিন্নতা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে শিৱসাগৰত প্রদর্শিত বিহু আৰু ডিব্রুগড়, যোৰহাটৰ বিহুৰ মাজত পার্থক্য আছে। ঠিক সেইদৰে আন লোক মাধ্যমৰ ক্ষেত্রতো একে কথা। কিন্তু গণমাধ্যমৰ জৰিয়তে জনসাধাৰণে একে ধৰণৰ প্রদর্শনহে চাব বা শুনিব পাৰে যাৰ বাবে তেওঁলোকে এই আঞ্চলিক বা স্থানীয় ভিন্নতা দেখিবলৈ নাপায়।

চ) **পৰম্পৰাগত লোকমাধ্যমত দৈহিক ভাষা আৰু আংগিক ভাষা প্রয়োগৰ সুবিধা আছে ঃ** যোগাযোগৰ ক্ষেত্রত আংগিক ভাষা প্রয়োগৰ বিষয়ে আপুনি জানে। লোকমাধ্যমত দৈহিক ভাষা আৰু আংগিক ভাষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন

কৰে বার্তা বিনিময়ৰ ক্ষেত্রত। সেয়েহে, স্বৰ পৰিৱর্তন মুখৰ ভংগিমা দৈহিক সঞ্চালন আদিৰ ব্যৱহাৰৰ যথেষ্ট পৰিসৰ আছে আৰু ই লোকমাধ্যমক আন গণমাধ্যমৰ তুলনাত যথেষ্ট ফলপ্রসূ কৰি তোলে। নিশ্চিতভাৱে আপুনি ক'ব পাৰিব যে টিভি, চিনেমা, ডকুমেণ্টেৰী আদিত এই বিষয়সমূহ ফুটি উঠে। কিন্তু ই কেতিয়াও পোনপটীয়াকৈ সতেজভাৱে কৰা প্রদর্শনৰ দৰে হ'ব নোৱাৰে। ইয়াৰ উপৰি আপুনি অনুভৱ কৰিব যে ছপা মাধ্যম বার্তা এটা প্রেৰণৰ ক্ষেত্রত যথেষ্ট পুৰণি মাধ্যম। ভাৱবোধক চিন যদিও ব্যৱহাৰ কৰা হয় তথাপি ই টিভিত বা ৰেডিঅ'ত প্রকাশ কৰাৰ দৰে আৱেগ-অনুভূতিবোৰ ফুটাই তুলিব নোৱাৰে।

ছ) **স্থানীয় ভাষা, সাজ সজ্জাৰ প্রয়োগ ঃ** প্রত্যেকটো পৰম্পৰাগত লোকমাধ্যম কোনো স্থানীয় লোকাচাৰ, সম্প্রদায়, সংস্কৃতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। সেয়েহে ভাষা, সাজ-সজ্জা আদি স্থানীয় সংস্কৃতিৰ লগত জড়িত। নহলে ই একে ধৰণৰ ফল জনসাধাৰণৰ বাবে বহন কৰিব নোৱাৰিব।

জ) **লোক মাধ্যমসমূহ পৰিৱেশকেন্দ্রিক ঃ** অধিকাংশ লোক আৰু পৰম্পৰাগত মাধ্যমেই পৰিৱেশনকেন্দ্রিক। অর্থাৎ, এনে বেছিভাগ মাধ্যমেই সংগীত আৰু নৃত্যৰ সুসমন্বয়েৰে প্রস্তুত কৰা হয়। এই বৈশিষ্ট্যটোৰ বাবে এনে মাধ্যমবোৰে লক্ষ্য দর্শকগোটক ফলপ্রসূভাৱে প্রভাৱিত কৰিব পাৰে।

পৰম্পৰাগত লোক মাধ্যমৰ প্রধান সীমাৱদ্ধতাটো হ'ল এবাৰতে ই অতি সীমিত সংখ্যক লোকৰহে কায চাপিব পাৰে। ইয়াৰ অর্থ হ'ল পৰম্পৰাগত লোক মাধ্যম এটাই এবাৰত মাত্র কেইশ মান অথবা কেইহাজাৰমান লোকৰহে মনোৰঞ্জন কৰিব পাৰে। লাখ লাখ লোকৰ কায চপাৰ বাবে এনে মাধ্যমৰ উপযোগিতা অথবা সামর্থ পর্যাপ্ত নহয়। সেই ফালৰ পৰা ই কেৱল এটা উৎকৃষ্ট স্থানীয়কৃত মাধ্যম। কোনো এক অঞ্চলৰ সৈতে জড়িত বিভিন্ন দিশ, সমস্যা আৰু আন কথা স্থানীয় ভাষা অথবা সংস্কৃতিৰ সহায়েৰে পৰিৱেশন কৰিবলৈ এই মাধ্যমবোৰ ব্যৱহাৰ কৰিব পাৰি।



জানি থোৱা ভাল

লোক মাধ্যম আৰু বৈদ্যুতিক মাধ্যমৰ মাজত থকা পার্থক্যসমূহ

উপাদান	লোক মাধ্যম	বৈদ্যুতিক মাধ্যম
বিনিয়োগ (বিত্ত)	সামান্য	অতি উচ্চ পৰিমাণ
বিদ্যুৎ শক্তি	প্রয়োজন নাই	প্রয়োজনীয়

গ্রাহক যন্ত্র	প্রয়োজন নাই	প্রয়োজনীয়
তদাৰক	প্রয়োজন নাই	প্রয়োজনীয়
কাৰিকৰী সমস্যা	নাহ	প্রায়েই থাকে
ব্যাখ্যাকাৰক	আৱশ্যকীয় নহয়	আৱশ্যক
পৰিচিত গুণ	দর্শকৰ বাবে পৰিচিত	দর্শকৰ বাবে পৰিচিত
ব্যক্তিগত যোগাযোগ	সদায় থাকে	একেবাৰে নাথাকে
ভাষাৰ সমস্যা	নাথাকে	সম্ভাৱনা থাকে
ভাৰসাযোগ্যতা	অতি উচ্চ	নিম্ন
দর্শকৰ অংশগ্রহণ	অতি উচ্চ	কেতিয়াবাহে সম্ভৱ
নমনীয়তা	অতি উচ্চ	অতি উচ্চ
প্রাপ্তবয়স্ক শিক্ষা	অধিক ফলপ্রসূ	ফলপ্রসূতা কম
পুনঃপৰিৱেশনসাধ্যতা	সহজ	জটিল
প্রতিক্রিয়া	থিতাতে পাব পাৰি	থিতাতে পোৱা নাযায়
প্রসাৰ	বহল	সীমাৱদ্ধ
দর্শকৰ মনোযোগ	বিষয়বস্তুত থাকে	অগতানুগতিকতাৰে নিয়ন্ত্রণাধীন কৰি ৰাখিব পাৰে
বুদ্ধিমত্তা	অতি উচ্চ	তুলনা কৰিব নোৱাৰি
বোধগম্যতা	সার্বজনীন	বিচ্ছিন্ন
গ্রহণযোগ্যতা	সার্বজনীন	সার্বজনীন
সামগ্রিক ফলপ্রসূতা	অতি উচ্চ	তুলনা কৰিব নোৱাৰি
অনুষ্ঠানৰ আৰ্হি প্রস্তুতকৰণ	সহজ	অত্যন্ত জটিল

উৎস ঃ Folk Arts as Mass Communication Media-CS Sreekumar



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রচলিত সংযোগ মাধ্যমৰ তুলনাত পৰম্পৰাগত লোক মাধ্যমত থকা যিকোনো পাঁচটা প্রধান সুবিধা উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ পৰম্পৰাগত লোক মাধ্যমৰ প্ৰধান সীমাৱদ্ধতাটো কি?

.....

.....

৩. ৫ লোক মাধ্যমে সামাজিক পৰিৱৰ্তন প্ৰতিফলিত কৰে

আমি আগতেই উল্লেখ কৰিছো যে লোক আৰু পৰম্পৰাগত মাধ্যমবোৰৰ গতিশীলতা হ'ল ইয়াৰ এক প্ৰধান সুবিধা তথা বৈশিষ্ট্য। ইয়াৰ অৰ্থ হ'ল সময়ে সময়ে নতুন উপাদান গ্ৰহণ কৰি ই সলনি হৈ গৈ থাকে। এইবাবেই বিভিন্ন যুগত ইয়াৰ বিষয়বস্তু বেলেগ বেলেগ হোৱা দেখা যায়। বেছিভাগ লোক আৰু পৰম্পৰাগত মাধ্যমে সমাজত ঘটা প্ৰধান ঘটনা আৰু কৰ্ম-কাণ্ডবোৰৰ প্ৰতি সঁহাৰি প্ৰদৰ্শন কৰি ইয়াৰ গতিশীল প্ৰকৃতিটো প্ৰতিফলিত কৰে। উদাহৰণ হিচাপে আমাৰ বিহুগীতবোৰলৈ মন কৰাক। দেখিব এই গীতবোৰত বিভিন্ন সময়ৰ নানা জনপ্ৰিয় আৰু প্ৰধান বিষয়ৰ উল্লেখ আছে। বহুতো বিহুগীতত বৃটিছৰ ঔপনিৱেশিক শাসনৰ পৰা মুক্ত হ'বলৈ চলা স্বাধীনতা সংগ্ৰামৰ কাহিনী লুকাই আছে। আন কিছুমানত ১৯৮০ৰ দশকত চলা বিদেশী খেদা আন্দোলনৰ কাহিনী, বানপানীৰ কথা আৰু আন বহুতো আৰ্থ-সামাজিক সমস্যাৰ কাহিনী বৰ্ণনা কৰা হৈছে।

আপোনালোক আটায়ে অসমৰ লোক সংস্কৃতিৰ এক অভিন্ন উপাদান 'ওজাপালি'ৰ কথা জানে। লোক সংস্কৃতিৰ ভিতৰুৱা এইবিধ পৰিৱেশ্য কলা নৃত্য আৰু ধৰ্মশাস্ত্ৰৰ কাহিনী গীতৰ সহায়ত বৰ্ণনা কৰাৰ এক সমতাপূৰ্ণ পদ্ধতি। ইয়াৰ প্ৰধান লক্ষ্য হ'ল বিভিন্ন কথাৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলা। এতিয়া সক্ৰিয় হৈ থকা ওজাপালি অনুষ্ঠানটোৱে সংশ্লিষ্ট এলেকাবোৰত দেখা দিয়া বিভিন্ন সামাজিক সমস্যাৰ বিষয়ে দৰ্শকক সচেতন কৰি তোলাৰ কৰ্তব্য পালন কৰি আছে। নামনি অসমত কোনো কোনো ঠাইত এতিয়াও চলি থকা এটা লোক পৰম্পৰা হ'ল 'মহ'হো উৎসৱ' অথবা মহ খেদা উৎসৱ। এই উৎসৱৰ বাবে গাঁৱৰ লোকে, বিশেষকৈ সৰু ল'ৰা আৰু চেঙেলীয়াহঁতে একোটা দল গঠন কৰে আৰু গাঁৱৰ প্ৰতিঘৰৰ চোতালত মহ'হো গীত গায়। এই গীতৰ জৰিয়তে মহ খেদাৰ উপযোগিতা আৰু প্ৰয়োজনীয়তা সম্পৰ্কে গাওঁবাসীক সজাগ কৰি, এই উৎসৱে গাঁৱৰ পৰিয়ালবোৰৰ মাজত আহ-যাহৰ পৰম্পৰা বৰ্তাই ৰাখিছে। উৎসৱ-পাৰ্বনত গাঁৱৰ বয়োজ্যেষ্ঠসকলে সৰুসকলক আশীৰ্বাদ দিয়াৰ মাধ্যমেৰে পৰিয়ালবোৰৰ মাজত থকা সুসম্পৰ্ক আৰু সংযোগ বৰ্তি থাকে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে আমাৰ সমাজত থকা অধিকাংশ লোক আৰু পৰম্পৰাগত সংস্কৃতিকে উন্নয়নমূলক সংযোগৰ বাৰ্তা বহনকাৰী মাধ্যমলৈ সলনি কৰিব পৰা যায়। এইবোৰৰ জৰিয়তে দেশৰ সকলো ঠাইতে তৃণমূল পৰ্যায়ত এনে বাৰ্তা প্ৰচাৰিত কৰিব

পাৰি। গাঁৱৰ অনগ্ৰসৰ আৰু অশিক্ষিত বাসিন্দাৰ জীৱন উন্নত কৰাৰ লক্ষ্যেৰে আগবঢ়া সংযোগৰ এই বিশেষ ক্ষেত্ৰখনত উচ্চস্তৰৰ সফলতা নিশ্চিত কৰিবলৈ লোক আৰু পৰম্পৰাগত মাধ্যমবোৰক ফলপ্ৰসূভাৱে প্ৰয়োগ কৰা উচিত।

৩.৬ উন্নয়নমূলক সংযোগ হিচাপে পৰম্পৰাগত মাধ্যম

১৯৭২ চনত পোন প্ৰথমবাৰৰ বাবে উন্নয়নশীল দেশবোৰৰ উন্নয়নমূলক কাম-কাজত পৰম্পৰাগত লোক মাধ্যমবোৰৰ ভুমিকাই তাৎপৰ্যপূৰ্ণ আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিছিল। সেই বছৰত 'ইণ্টাৰনেশ্যনেল প্লেনড্ পেৰেণ্টহুড ফেডাৰেশ্যন' আৰু ইউনেস্ক'ই যুটীয়াভাৱে লণ্ডনত পতা এলানি আলোচনাত পৰিয়াল পৰিকল্পনা সংযোগ কাৰ্যসূচীত লোক তথা গণ মাধ্যমসমূহৰ সংহত ব্যৱহাৰৰ বিষয়ে চৰ্চা কৰিছিল।

অৱশ্যে ভাৰতত উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰৰ অসংখ্য উদাহৰণ আছে। এই ব্যৱহাৰ বাতৰি-কাকত, ৰেডিঅ' অথবা টেলিভিছনৰ দৰে প্ৰচলিত মাধ্যমবোৰৰ দৰে অবিৰত আৰু নিয়মীয়া নহয় যদিও একেবাৰে তাকৰীয়াও নহয়।

ভাৰতত স্বাধীনতা সংগ্ৰাম চলাৰ সময়ৰে পৰা পৰম্পৰাগত মাধ্যমবোৰৰ ব্যৱহাৰ প্ৰচলিত হৈ আছে। উত্তৰ প্ৰদেশৰ জনপ্ৰিয় লোকগাথা 'আহ্লা', মহাৰাষ্ট্ৰৰ 'লাৱ্ণী', কৰ্ণাটকৰ 'গী-গী', তামিলনাড়ুৰ 'ৰিল্লুপাত্তু' আৰু বংগৰ 'কবিগান'বোৰে সেই সময়ত বৃটিছৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জনগণৰ মনত সজাগতাৰ উন্মেষ ঘটোৱাৰ কাম কৰিছিল। মহাত্মা গান্ধীয়ে আৰম্ভ কৰা বহুকেইটা সামাজিক আৰু ৰাজনৈতিক অভিযান আগবঢ়াই নিয়াৰ কামত পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰ কৰা হৈছিল। তামিল কবি সুব্ৰমন্য ভাৰতীয়ে মানুহৰ মনত দেশপ্ৰেম জগাই তুলিবলৈ লোক সংগীতৰ সহায় লৈছিল। লোকগীতৰ সুৰ আৰু তালে চৰ্খা অথবা যঁতৰৰ মাহাত্ম্য তথা গৰিমা প্ৰতিষ্ঠা কৰিছিল আৰু মানুহক বিদেশী বস্তু বৰ্জন কৰিবলৈ উদ্বুদ্ধ কৰিছিল।

স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে দেশৰ গ্ৰামাঞ্চলত বিভিন্ন উন্নয়নমূলক কাম চলোৱাৰ সময়ত পৰম্পৰাগত পৰিৱেশন শৈলীবোৰৰ সহায় লৈছিল। ১৯৪০ৰ দশকত 'ইণ্ডিয়ান পীপল্ থিয়েটাৰ এছ'চিয়েশ্যন'-এ সামাজিক সজাগতা গঢ়িবলৈ আৰু মানুহক ৰাজনীতি বিষয়ক শিক্ষা দিবলৈ বংগৰ 'যাত্ৰা', গুজৰাটৰ 'ভৱাই', মহাৰাষ্ট্ৰৰ 'তমাশ্বা' আৰু অন্ধ্ৰপ্ৰদেশৰ 'বুৰাকথা' আদিৰ দৰে জনপ্ৰিয় আঞ্চলিক নাট্যশৈলীবোৰ ব্যৱহাৰ কৰিছিল।

১৯৭৭ চনত কেৰালাৰ স্বৈচ্ছিক বেচৰকাৰী সংগঠন 'কেৰালা শাস্ত্ৰ সাহিত্য পৰিষদ'-এ 'বিজ্ঞান জাথা' নামৰ এটা বিজ্ঞানভিত্তিক শোভাযাত্ৰাৰ আয়োজন কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল উন্নয়ন প্ৰক্ৰিয়াত সাধাৰণ লোকক জড়িত কৰোৱাৰ প্ৰয়োজনীয়তাৰ বাৰ্তা প্ৰচাৰিত কৰা। ১৯৮০ চন মানৰ পৰা এই জাথাবোৰত শৈক্ষিক, স্বাস্থ্য বিষয়ক, পৰিৱেশ সংক্ৰান্তীয় আৰু সামাজিক অসমতা আদি নানা বিষয়ৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ বিভিন্ন লোক কলাৰ সহায়

লোৱাৰ প্ৰথা আৰম্ভ হৈছিল। এনে শোভাযাত্ৰাবোৰত গীত, বাটৰ নাট আৰু আন বিভিন্ন ধৰণৰ লোক কলা শৈলী প্ৰয়োগ কৰা হৈছিল। পাছলৈ এই জাথাবোৰ 'কলা জাথা' নামেৰে জনপ্ৰিয় হৈছিল। জাথাবোৰৰ জনপ্ৰিয়তাই সেইবোৰক কেৰালা ৰাজ্যৰ সীমামূৰীয়া আন ৰাজ্যবোৰলৈকো সম্প্ৰসাৰিত হোৱাত সহায় কৰিছিল। আন বহুতো স্থানীয় সংগঠন তথা ব্যক্তিয়ে কেৰালা শাস্ত্ৰ সাহিত্য পৰিষদৰ দ্বাৰা অনুপ্ৰাণিত হৈ লোক মাধ্যমৰ যোগেদি বিভিন্ন বাৰ্তা প্ৰচাৰৰ প্ৰয়াস আৰম্ভ কৰিছিল।

'বিকাশ লোক মঞ্চ'ৰ প্ৰখ্যাত মঞ্চশিল্পী ৰবি বাৰ্মাই বস্তিবাসী ল'ৰা-ছোৱালীৰ সহায়ত লোকনৃত্য আৰু গ্ৰাম্যগীতৰ সংমিশ্ৰণ ঘটাই প্ৰস্তুত কৰা সৃজনাত্মক অনুষ্ঠানৰ মাধ্যমেৰে সামাজিক বাস্তৱৰ ব্যাখ্যা আগবঢ়াই আহিছে। সুৰাসক্তি, প্ৰদূষণ, ধৰ্ম, জাত-পাতৰ অসমতা, সাম্প্ৰদয়িকতা আদি হ'ল বাৰ্মাই পৰিৱেশন কৰা বিষয়। তেওঁৰ দলে পৰিৱেশন কৰা এখন বহুচৰ্চিত বাটৰ নাট হ'ল ভূপাল গেছ দূৰ্ঘটনাক লৈ ৰচিত 'হমে জৱাব চাহিয়ে' (১৯৮৫ চন)। বাটৰ নাটখনত ভাগ লোৱ শিল্পীসকলৰ অধিকাংশই আছিল শিশু। নাটখনে দৰ্শকক ভাবিবলৈ বাধ্য কৰিছিল যে এই দুৰ্ঘটনাটো এটা পাহৰিব পৰা বিষয় নহয়, ইয়াৰ কুপ্ৰভাৱে আজিও বহুতৰে জীৱন আচ্ছন্ন কৰি ৰাখিছে।

লোকগীতে গুৰুত্বপূৰ্ণ ভুমিকা লোৱা আন দুটা ভাৰতীয় আন্দোলন হ'ল 'চিপ্‌কো' আৰু 'আপেইকো' আন্দোলন। ইয়াত অংশগ্ৰহণ কৰা আঞ্চলিক লোকশিল্পীসকলে লোকগীতৰ সুৰত সজাগতা সৃষ্টিকাৰী গীত সজাইছিলআৰু বাটে বাটে এই গীতবোৰ গাই ফুৰিছিল। গাঁৱৰ ল'ৰা-ছোৱালীয়ে সহজে গীতবোৰ আয়ত্ব কৰিছিল আৰু প্ৰায়েই গাবলৈ লৈছিল। অৰ্থাৎ, গীতবোৰে সংযোগ স্থাপনৰ কাম কৰিছিল। একেদৰে, দক্ষিণ ভাৰতত আৰম্ভ হোৱা 'চেভ দ্য ৰেষ্টাৰ্ণ ঘাট' অভিযান (১৯৮৫ চন)ৰ সময়ত পৰিৱেশ কৰ্মীসকলে দক্ষিণ ভাৰতীয় লোক কলা শৈলীবোৰ ব্যৱহাৰ কৰিছিল। 'সেৱা সংঘ'ই নেতৃত্ব দিয়া এই অভিযানলৈ অন্য সংগঠন-গোট আদিয়েও সমৰ্থন আগবঢ়াইছিল।

ৰাজস্থান এডাল্ট এডুকেশ্যন এছ'চিয়েশ্যনে দেৱকিষ্ণপুৰা নামৰ গাওঁখনত এটা সম্পৰীক্ষা চলাইছিল। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক ৰবি চতুৰ্বেদীয়ে এই সম্পৰীক্ষাৰ গুৰি ধৰিছিল। মহাকাব্যবোৰৰ কাহিনীৰ আলমত ৰচিত নাট মঞ্চস্থ কৰি জনতাৰ মাজত উন্নয়নৰ বাৰ্তা প্ৰচাৰ কৰাৰ প্ৰয়াস চলোৱা এই সম্পৰীক্ষাত অস্পৃশ্যতা, স্বাস্থ্যৰ বিপদ মাতি অনা বিষয় আৰু গাওঁ-সম্প্ৰদায়বোৰৰ মাজত চলা আভ্যন্তৰীণ কলহ আদিৰ দৰে বিষয়ক স্থান দিয়া হৈছিল। চতুৰ্বেদীয়ে মূলতঃ ৰামায়ণত থকা নাটকীয় কাহিনী কিছুমান বাছি লৈ সেইবোৰক গাওঁত চলি থকা নানা সমস্যাৰ পটভূমিত নতুনকৈ সজাই লৈ সাম্প্ৰতিক ৰূপ দিছিল। গাঁৱৰে ডেকা-গাভৰুৰ সহায়ত পৰিৱেশন কৰা এই নাটবোৰ অত্যন্ত জনপ্ৰিয় হৈছিল।

চতুৰ্বেদীয়ে জয়পুৰ জিলাৰ বানবিধ্বস্ত গৰুড়ৰাসী গাঁৱতো আন এক সম্পৰীক্ষা চলাইছিল। তাত তেওঁ গাওঁবাসীৰ পুনৰসংস্থাপনত মানসিক স্বাস্থ্যৰ সমতা ৰক্ষাকাৰী কাৰ্যকলাপৰ অংশ

হিচাপে এখন নাট কৰ্মশালাৰ আয়োজন কৰিছিল। ইয়াত বানপানী হোৱাৰ বিজ্ঞানসন্মত কাৰণ কিছুমানো ব্যাখ্যা কৰা হৈছিল। নাটত লোকগীতৰ সুৰত গোৱা গীত আৰু বৰ্ণনা প্ৰয়োগ কৰা হৈছিল। কৰ্মশালাখনে দৰ্শকৰ পৰা অভূতপূৰ্ব সঁহাৰি লাভ কৰিছিল।

বৰ্তমান ভাৰতত পৰিৱৰ্তনকামী বাৰ্তা প্ৰচাৰত পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰকাৰী অসংখ্য দল-সংস্থা আছে। সজাগতা বৃদ্ধিৰ বাবে তেওঁলোকে জনপ্ৰিয় লোকগীত, নৃত্য আৰু মঞ্চনাটৰ শৈলী ব্যৱহাৰ কৰে। ইয়াৰ দ্বাৰা এয়াই প্ৰতিপন্ন হয় যে তৃণমূল পৰ্যায়ত জনসাধাৰণক জড়িত কৰোৱাব নোৱাৰিলে পৰিৱৰ্তন সাধন কৰা সম্ভৱ নহ'ব। এ কামৰ বাবে সবাতোকৈ উত্তম মাধ্যম হ'ল লোক মাধ্যম। আজিকালি আনকি ৰাজনৈতিক দলবোৰেও প্ৰচাৰ অভিযানত লোক মাধ্যম ব্যৱহাৰ কৰে।

গ্ৰাম্য ভাৰতৰ উন্নয়ন বহু পৰিমাণে সংযোগ ব্যৱস্থানিৰ্ভৰ। এই কামত লোক মাধ্যমতকৈ আন একোৱেই সৰ্বাধিক সুফল প্ৰদান কৰিব নোৱাৰে। ভাৰতীয় সমাজ ভিন্ন জাতি-শ্ৰেণী-জনগোষ্ঠীৰ মিলনভূমি। গ্ৰামাঞ্চলত নিৰক্ষতাৰ হাৰ সৰ্বাধিক আৰু প্ৰায় ৮০ শতাংশ নাগৰিক বাস কৰা গ্ৰাম্য ভাৰতত গণমাধ্যমৰ প্ৰসাৰ এতিয়াও পৰ্যাপ্ত নহয়। অধিকাংশ লোকৰ বাবে গণ মাধ্যমবোৰ এতিয়াও চৌখিন, নৈৰ্ব্যক্তিক আৰু অবিশ্বাস্য প্ৰকৃতিৰ হৈয়েই আছে।

পৰম্পৰাগত মাধ্যমবোৰ আনহাতে মানুহৰ অতি মৰমৰ আৰু চিনাকী। এইবোৰ ব্যক্তিগত স্তৰত মানুহৰ বেছি ঘনিষ্ঠ । বিভিন্ন অঞ্চলৰ বাবে বিভিন্ন প্ৰকাৰৰ লোক মাধ্যম ব্যৱহাৰ কৰিব পৰা যায়। প্ৰতিখন গাঁৱৰে নিজা নিজা প্ৰাসংগিক সংগীত, নৃত্য অথবা নাট্যশৈলী আছে। দেশৰ পৰিৱৰ্তন আৰু উন্নয়নৰ কামত এই মাধ্যমবোৰ ব্যৱহাৰ কৰিব পাৰি। পৰম্পৰাগত মাধ্যমবোৰে স্থানীয়ভাৱে জনপ্ৰিয় কলাসুলভ পদ্ধতিৰে প্ৰয়োজনীয় বাৰ্তাবোৰ মনোগ্ৰাহীকৈ আৰু প্ৰত্যয়জনকভাৱে উপস্থাপন কৰিব পাৰে। এই কামটো আন কোনো সংযোগ মাধ্যমে কৰিব নোৱাৰে। সেয়েহে গাঁৱলীয়া জনগণৰ মাজত উন্নয়নৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ দেশৰ সৰ্বত্ৰ বিয়পি থকা লোককলাৰ বিভিন্ন ৰূপক অধিক পৰিকল্পিতভাৱে ব্যৱহাৰ কৰিবই লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ উন্নয়নশীল দেশবোৰত উন্নয়নমূলক কাম-কাজ আগবঢ়াই নিয়াত লোক মাধ্যমৰ ভূমিকাক কেতিয়া পোন প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক স্বীকৃতি দিয়া হৈছিল?

.....

.....

প্ৰশ্ন নং ৭ ঃ ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ কামত প্ৰয়োগ কৰা কেইটামান পৰম্পৰাগত লোক মাধ্যমৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৮ ঃ কোনগৰাকী প্ৰখ্যাত তামিল কবিয়ে জনতাৰ মনত দেশপ্ৰেম জাগ্ৰত কৰিবলৈ লোকগীত ব্যৱহাৰ কৰিছিল?

.....

.....

প্ৰশ্ন নং ৯ ঃ ইণ্ডিয়ান পীপল্ থিয়েটাৰ এছ'চিয়েষ্যনে সামাজিক সজাগতা আৰু ৰাজনীতি বিষয়ক শিক্ষা দিবলৈ কোনবোৰ জনপ্ৰিয় মঞ্চনাট শৈলী ব্যৱহাৰ কৰিছিল?

.....

.....

প্ৰশ্ন নং ১০ ঃ 'হমে জৱাব চাহিয়ে' নামৰ বাটৰ নাটখনৰ কাহিনীটোৰ আধাৰ কি আছিল?

.....

.....

প্ৰশ্ন নং ১১ ঃ লোক মাধ্যম ব্যৱহাৰ কৰা দুটামান ভাৰতীয় পৰিৱেশ আন্দোলনৰ নাম লিখক।

.....

.....

চিন্তা-চৰ্চা কৰক — ৩.১

আপুনি সহজে ঢুকি পোৱা যিকোনো এটা বৈদ্যুতিক সমযোগ মাধ্যম মনোযোগেৰে চাওক। এই মাধ্যমটোৱে কেনেদৰে লোক আৰু পৰম্পৰাগত মাধ্যমবোৰক পৃষ্ঠপোষকতা কৰে অথবা অনুপ্ৰণিত কৰে সেয়া বিচাৰি উলিওৱাৰ চেষ্টা কৰক। কেনে পৰিস্থিতিত এই মাধ্যমবোৰৰ প্ৰয়োগ ঘটিছে আৰু ইয়াৰ ফলাফল কি সেয়া বুজাৰো প্ৰয়াস কৰক।



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'পৰম্পৰাগত লোক পৰম্পৰা'ৰ ধাৰণাই সাধাৰণ লোকৰ পৰিৱেশনক বুজায়।
- পৰম্পৰাগত লোক পৰম্পৰা মাথোন নৃত্য আৰু সংগীততেই সীমাবদ্ধ নহয়, ই কলা আৰু শিল্প কৰ্মকো সাঙুৰি লয়।
- ভাৰতবৰ্ষত লোক পৰিৱেশন এক সন্মিলিত কলা। ই সংগীত, নৃত্য, ভাওনা, কাব্য, মহাকাব্যিক ৰচনাসমূহ, ধৰ্মীয় আৰু কৃষিভিত্তিক উৎসৱসমূহৰ এক সংমিশ্ৰণ। ইয়াত বিভিন্ন উপলক্ষমূলক অনুষ্ঠানসমূহ, ৰীতি-নীতি, বিশ্বাস আৰু সামাজিক ব্যৱস্থাৰ প্ৰথাসমূহৰ সন্নিৱিষ্ট হৈ থাকে।
- গ্ৰাম্য ভাৰত, বিভিন্ন লোক কলা, থিয়েটাৰ, সংগীত, নৃত্য কলা আৰু শিল্পৰ এক আপুৰুগীয়া সংৰক্ষণ থলী। লোক কলাই আমাৰ আত্মপ্ৰকাশৰ সহজাত প্ৰবৃত্তিক পৰিতৃপ্তি প্ৰদান কৰে।
- বিহু, লোকগীত, বৰগীত, বনগীত, সত্ৰীয়া ভাওনা, নিচুকনী গীত, আইনাম, ওজাপালি, বৈৰাগী ইত্যাদি অসমৰ লোক কলাৰ ভিন্ ভিন্ ৰূপ। পুতলা নাট আৰু বাটৰ নাটো অসমৰ অতি জনপ্ৰিয় লোক কলা।
- তলত পৰম্পৰাগত লোক মাধ্যমবোৰৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰা হ'ল-

১) এই মাধ্যমবোৰে সময়ে কঢ়িয়াই অনা পৰিৱৰ্তন প্ৰতিৰোধ কৰি নিজ অস্তিত্ব বৰ্তাই ৰাখিছে।

২) অস্তিত্ব বৰ্তাই ৰাখিবলৈ মাধ্যমবোৰে সময়ৰ সৈতে খাপ খোৱা নিজৰ বাবে অনুকূল পৰিৱৰ্তন কিছুমানক আঁকোৱালি লৈছে।

৩) যিকোনো ব্যক্তি এনে পৰিৱেশনত কেৱল দৰ্শকেই নহয়, অংশগ্ৰহণকাৰীও হ'ব পাৰে।

৪) লোক মাধ্যমবোৰ হ'ল স্বতঃস্ফূৰ্ত পৰিৱেশনৰ মঞ্চ।

৫) এইবোৰ নমনীয় প্ৰকৃতিৰ।

৬) এই মাধ্যমবোৰ কমখৰছী আৰু সেইবাবে ইয়াৰ পুনঃপৰিৱেশনৰ সম্ভাৱনা অধিখ।

৭) লোক মাধ্যমবোৰে তাৎক্ষণিকভাৱে দৰ্শকৰ সঁহাৰি তথা বৰ্দ্ধিত মনোযোগ লাভ কৰে।

৮) উমৈহতীয়া আৰু পৰিচিত ভাষাত পৰিৱেশন কৰা হয় বাবে অনুষ্ঠানবোৰ দৰ্শকে সহজে বুজি পায়।

৯) এনে পৰিৱেশনবোৰ পোনপটীয়া আৰু ব্যক্তিগত।

- অন্যান্য প্ৰচলিত মাধ্যমতকৈ লোকমাধ্যমৰ বহুতো সুবিধা আছে। আটাইতকৈ জৰুৰী কথা হ'ল লোকমাধ্যমৰ এক সম্পূৰ্ণ সুকীয়া আকৰ্ষণ আছে যিটো অন্য মাধ্যমৰ ক্ষেত্ৰত দেখা পোৱা নাযায়। পৰিচিত, ব্যক্তিগত বিনিময়, সাধাৰণ ভাষা একোটা, বুদ্ধিমত্তা,

বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতাই লোকমাধ্যমক গ্ৰামাঞ্চলৰ লোকৰ মাজত বিশ্বজনীনভাৱে গ্ৰহণযোগ্য কৰি তুলিছে।

ভাৰতত লোক-সংস্কৃতি প্ৰচুৰ আছে। এয়া প্ৰধানতঃ বৰ্তি আছে ভৌগোলিক বৈচিত্ৰ্যতা, গ্ৰাম্য অৱস্থিতি আৰু আধুনিক শিক্ষাৰ অভাৱৰ বাবে। পৰিয়াল, শ্ৰেণী, জনগোষ্ঠীয় গোত্ৰসমূহৰে বৰ্তি থকা ভাৰতীয় সমাজত বৰ্তমানলৈকে লোক-সংস্কৃতি আৰু পৰম্পৰাৰ গভীৰ সম্পৰ্ক আছে।

- ১৯৭২ চনত পোন প্ৰথমবাৰৰ বাবে উন্নয়নশীল দেশবোৰৰ উন্নয়নমূলক কাম-কাজত পৰম্পৰাগত লোক মাধ্যমবোৰৰ ভুমিকাই তাৎপৰ্যপূৰ্ণ আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিছিল। সেই বছৰত 'ইণ্টাৰনেশ্যনেল প্লেনড্ পেৰেণ্টহুড ফেডাৰেশ্যন' আৰু ইউনেস্ক'ই যুটীয়াভাৱে লণ্ডনত পতা এলানি আলোচনাত পৰিয়াল পৰিকল্পনা সংযোগ কাৰ্যসূচীত লোক তথা গণ মাধ্যমসমূহৰ সংহত ব্যৱহাৰৰ বিষয়ে চৰ্চা কৰিছিল।
- ভাৰতত উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰৰ অসংখ্য উদাহৰণ আছে। এই ব্যৱহাৰ বাতৰি-কাকত, ৰেডিঅ' অথবা টেলিভিছনৰ দৰে প্ৰচলিত মাধ্যমবোৰৰ দৰে অবিৰত আৰু নিয়মীয়া নহয় যদিও একেবাৰে তাকৰীয়াও নহয়।
- পৰম্পৰাগত মাধ্যমবোৰে স্থানীয়ভাৱে জনপ্ৰিয় কলাসুলভ পদ্ধতিৰে প্ৰয়োজনীয় বাৰ্তাবোৰ মনোগ্ৰাহীকৈ আৰু প্ৰত্যয়জনকভাৱে উপস্থাপন কৰিব পাৰে। এই কামটো আন কোনো সংযোগ মাধ্যমে কৰিব নোৱাৰে। সেয়েহে গাঁৱলীয়া জনগণৰ মাজত উন্নয়নৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ দেশৰ সৰ্বত্ৰ বিয়পি থকা লোককলাৰ বিভিন্ন ৰূপক অধিক পৰিকল্পিতভাৱে ব্যৱহাৰ কৰিবই লাগিব।



৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Mukhopadhyay, Durgadas (1994), *Folk Arts & Social Communication*, Publications Division, Government of India.
2) Parmar, Shyam (1975), *Traditional Folk Media in India*, Gekha Books.

৩.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত লোকমাধ্যম বুলি 'সাধাৰণ লোকৰ পৰিৱেশন'ক সূচায়। এই ধাৰণাটিয়ে পৰিৱেশ্য কলাক সূচায়, যাক মানুহ সাংস্কৃতিক প্ৰতীক হিচাপে ব্যাখ্যা কৰিব পাৰি।

২নং প্ৰশ্নৰ উত্তৰ ঃ কলা আৰু শিল্প

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ কিছুমান জনপ্ৰিয় পৰম্পৰাগত লোকমাধ্যম হ'ল— ওজাপালি, ভ্ৰাম্যমান থিয়েটাৰ, ভাওনা, সত্ৰীয়া নৃত্য, লোকগীত, বৰগীত, বিহু, পুতলা নাচ ইত্যাদি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নৰ বাবে লোকমাধ্যম ধাৰণাই বাস্তৱ আকাৰ ল'লে ১৯৭০ চনত।

৫নং প্ৰশ্নৰ উত্তৰ ঃ লোকমাধ্যমসমূহ এতিয়াও প্ৰকাশ্য পৰিৱৰ্তনশীল, শক্তিশালী আৰু গ্ৰহণীয়। এই মাধ্যম সমূহত বিভিন্ন ধৰণৰ নতুন ধাৰণা, নতুন আৰ্হি আৰু কৌশল নিহিত থাকে, যিবোৰ সমাজৰ সেৱাৰ বাবে অৰ্থপূৰ্ণ আৰু কাৰ্যকৰী হ'ব পাৰে আৰু এইসমূহে পুৰণি কৌশল, ৰীতিসমূহ পৰিত্যাগ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭২ চনত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত স্বাধীনতা সংগ্ৰাম চলাৰ সময়ৰে পৰা পৰম্পৰাগত মাধ্যমবোৰৰ ব্যৱহাৰ প্ৰচলিত হৈ আছে। উত্তৰ প্ৰদেশৰ জনপ্ৰিয় লোকগাথা 'আহ্‌লা', মহাৰাষ্ট্ৰৰ 'লাৱ্‌ণী', কৰ্ণাটকৰ 'গী-গী', তামিলনাড়ুৰ 'ৰিল্লুপাত্তু' আৰু বংগৰ 'কবিগান'বোৰে সেই সময়ত বৃটিছৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জনগণৰ মনত সজাগতাৰ উন্মেষ ঘটোৱাৰ কাম কৰিছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সুব্ৰমন্য ভাৰতীয়ে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪০ৰ দশকত 'ইণ্ডিয়ান পীপল্‌ থিয়েটাৰ এছ'চিয়েশ্যন'-এ সামাজিক সজাগতা গঢ়িবলৈ আৰু মানুহক ৰাজনীতি বিষয়ক শিক্ষা দিবলৈ বংগৰ 'যাত্ৰা', গুজৰাটৰ 'ভৱাই', মহাৰাষ্ট্ৰৰ 'তমাশ্বা' আৰু অন্ধ্ৰপ্ৰদেশৰ 'বুৰাকথা' আদিৰ দৰে জনপ্ৰিয় আঞ্চলিক নাট্যশৈলীবোৰ ব্যৱহাৰ কৰিছিল।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৪ চনৰ ভূপাল গেছ দুৰ্ঘটনা।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ চিপ্‌ক' আৰু আপেইকো আন্দোলন।



৩.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ লোক আৰু পৰম্পৰাৰ সংবাদ মাধ্যমে কেনেকৈ জনসাধাৰণৰ মাজলৈ উন্নয়ন-যোগাযোগ বাৰ্তাসমূহৰ প্ৰেৰণ কৰাৰ লগতে তথ্য প্ৰচাৰ কৰাত সহায় কৰিব পাৰে? উদাহৰণ দিয়ক

প্ৰশ্ন ২ ঃ "আধুনিক গণমাধ্যমৰ বিকাশেই লোক আৰু পৰম্পৰাগত সংবাদ মাধ্যমৰ গাফিলতিৰ মূল কাৰণ।" এই বক্তব্যৰ সৈতে আপুনি সহমত নে? আপোনাৰ উত্তৰ ব্যাখ্যা আগবঢ়াওক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন ১ ঃ অসমৰ গ্রাম্য অঞ্চলৰ জনসাধাৰণক নিজৰ সন্তানক পালছ পলিঅ'ৰ মাত্রা নিয়মিতভাৱে দিয়াৰ প্রয়োজনীয়তাৰ বিষয়ে অৱগত কৰাৰ কেৱল লোক আৰু পৰম্পৰাগত মাধ্যম ব্যৱহাৰ কৰি পৰিকল্পনা প্রস্তুত কৰা।

প্রশ্ন ২ ঃ আধুনিক গণমাধ্যমৰ তুলনাত আমাৰ লোক আৰু পৰম্পৰাগত সংবাদ মাধ্যমৰ জনপ্রিয়তা কম হোৱাৰ আঁৰৰ প্রধান কাৰণ কি বুলি আপুনি ভাবে? এইসমূহ পুনৰুজ্জীৱিত কৰাৰ কোনো পৰামর্শ আগবঢ়াব পাৰিবনে?

****

অধ্যায় ৪ ঃ ছপা মাধ্যম

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ছপা মাধ্যম— এক পৰিচয়
৪.৩.১ ছপা মাধ্যমৰ প্ৰকাৰ
৪.৩.২ ছপা মাধ্যমৰ প্ৰাসংগিকতা আৰু গুৰুত্ব - সমস্যা আৰু সম্ভাৱনা
৪.৪ বাতৰি কাকতৰ ইতিহাস
৪.৪.১ পৃথিৱীৰ পটভূমিত
৪.৪.২ ভাৰতীয় পটভূমিত
৪.৫ বাতৰি কাকতৰ শ্ৰেণী বিভাজন আৰু বিন্যাস
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্ৰগতিৰ খতিয়ান
৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি শিকিব পাৰিব-

- ছপা মাধ্যমৰ প্ৰকাৰসমূহৰ বৰ্ণনা কৰা
- ছপা মাধ্যমৰ প্ৰাসংগিকতা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰা
- বাতৰি কাকতৰ ইতিহাসৰ আভাস লাভ কৰা
- বাতৰি কাকতৰ শ্ৰেণী বিভাজন তথা বিন্যাস সম্পৰ্কে ব্যাখ্যা কৰা।

৪.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি এনে এক সংবাদ মাধ্যমৰ বিষয়ে আলোচনা কৰিলো যিয়ে বিগত কেইবছৰমানৰ পৰা জনসাধাৰণৰ কাষ চপাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। বিশেষকৈ গ্ৰামাঞ্চলৰ জনসাধাৰণৰ ওচৰ চপাত এই মাধ্যমে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। পূৰ্বৰ 'পৰম্পৰাগত গণসংবাদ মাধ্যম' শীৰ্ষক অধ্যায়ত আমি পৰম্পৰাগত গণসংবাদ মাধ্যমৰ বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰিলোঁ।

এই অধ্যায়ত আমি ছপা মাধ্যম সম্পর্কে আলোচনা কৰিম। ছপা মাধ্যম হৈছে বিশ্বৰ এক প্ৰাচীন গণমাধ্যম যাৰ এক আকৰ্ষণীয় ইতিহাস আছে। এই অধ্যায়টোত ছপা মাধ্যমৰ প্ৰকাৰ ভেদ, ইয়াৰ প্ৰাসংগিকতা লগতে বাতৰি কাকতৰ সমস্যা আৰু সম্ভাৱনাৰ বিষয়ে বিতংকৈ আলোচনা কৰা হ'ব। তাৰোপৰি বিশ্ব আৰু ভাৰতৰ প্ৰেক্ষাপটত বাতৰি কাকতৰ ইতিহাস সম্পৰ্কেও আলোচনা কৰা হ'ব। বাতৰি কাকতৰ শ্ৰেণী বিভাজন আৰু বিন্যাসৰ বিষয়েও এই অধ্যায়ত আলোচনা কৰা হ'ব।

৪.৩ ছপা মাধ্যম— এক পৰিচয়

'ছপা' শব্দটোৰ পৰা অনুমান কৰিব পৰা যায় যে এই শব্দবন্ধই এনে এক মাধ্যমক বুজায় যিটো ছপা বা মুদ্ৰণ কৰা হয়। ইয়াৰ দ্বাৰা ছপাশালৰ সৈতে জড়িত উদ্যোগটোক বুজোৱা হয় য'ত বাতৰি কাকত আৰু আলোচনীৰ জৰিয়তে বাতৰি বিতৰণ কৰা হয়। বাতৰি কাকত, আলোচনী, জার্নেল, কিতাপ, প্ৰচাৰ পত্ৰিকা, পমফ্লেট, ব্ৰ'চাৰ, পোষ্টাৰ এই সকলোবোৰ ছপা মাধ্যমৰ অন্তৰ্গত। ইয়াত ছপা মাধ্যম সম্পৰ্কীয় কেইটামান গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে আলোচনা কৰা হ'ব।

৪.৩.১ ছপা মাধ্যমৰ প্ৰকাৰ

১) **বাতৰি কাকত ঃ** বাতৰি কাকত হৈছে আটাইতকৈ ব্যাপক ভাৱে প্ৰচলিত ছপা মাধ্যম। ই বাতৰি, তথ্য আৰু বিজ্ঞাপন থকা প্ৰকাশন। ৰাজনৈতিক ঘটনাৱলী, অপৰাধ, ব্যৱসায়, শিল্পকলা, মনোৰঞ্জন, সমাজ, ক্ৰীড়া জগত ইত্যাদিৰ বিভিন্ন বাতৰি প্ৰকাশ কৰাটো ইয়াৰ অন্যতম বৈশিষ্ট। এখন বাতৰি কাকত সমাজৰ দাপোণ স্বৰূপ। ইয়াক পাঠক আৰু সমাজৰ প্ৰহৰী বুলি ক'ব পাৰি। যিয়ে প্ৰতিটো হৈ যোৱা ঘটনাৰ ইতিহাস লিপিবদ্ধ কৰে। ই তথ্য আৰু শিক্ষণৰ জীৱন্ত উৎস।

২) **আলোচনী ঃ** আলোচনী হ'ল সাময়িকভাৱে প্ৰকাশ কৰা এক প্ৰকাশন, য'ত কাহিনী, বিভিন্ন বিষয়ৰ ছবি আৰু প্ৰবন্ধ আদি সন্নিবিষ্ট হৈ থাকে। আলোচনী বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে- ক্ৰীড়া বিষয়ক আলোচনী, বিজ্ঞান বিষয়ক আলোচনী, চলচিত্ৰ বিষয়ক আলোচনী, বাতৰি প্ৰকাশক আলোচনী, জীৱনশৈলী বিষয়ক আলোচনী, শিশু আলোচনী, কিশোৰ-কিশোৰীসকলৰ বাবে আলোচনী যিবোৰে গল্প আৰু প্ৰবন্ধ কঢ়িয়াই লৈ ফুৰে। । সাধাৰণ ৰুচিবোধৰ কিছু আলোচনীও আছে যিবোৰত বিভিন্ন বিষয় সম্পৰ্কীয় তথ্য প্ৰকাশিত হয়। আলোচনীবোৰত বহুতো বাতৰিৰ সমাহাৰ দেখা যায়। পাঠকে নিজৰ প্ৰয়োজন অনুসৰি সাপ্তাহিক, পখেকীয়া আৰু বিভিন্ন সময়ত প্ৰকাশিত আলোচনী ক্ৰয় কৰিব পাৰে ।

৩) **জার্ণেল ঃ** কেৱল মাত্র বিশেষ বিষয় সংক্রান্তীয়, সাময়িক ভাৱে প্রকাশিত আলোচনী হৈছে জার্ণেল। উদাহৱণস্বৰূপে- বিজ্ঞান, জলবায়ু পৰিৱর্তন, যোগাযোগ, সংবাদ মাধ্যম অধ্যয়ন, সমাজবিজ্ঞান আৰু আন বহুতো বিষয় ইয়াত সন্নিৱিষ্ট হৈ থাকে। ইয়াৰ লক্ষ্য সাধাৱণ শ্রেণীৰ গ্রাহক নহয় বৰঞ্চ এক নির্দিষ্ট শ্রেণীৰ গ্রাহকহে ইয়াৰ লক্ষ্য।

৪) **কিতাপ ঃ** কিতাপ কি সেয়া আমাৰ সকলোৰে জ্ঞাত ,কিন্তু সঁচা অর্থত ইয়াক সংজ্ঞায়িত কৰাটো অতি কঠিন। ই হৈছে লিখিত ৰচনাৰ এক প্রকাশিত সংকলন। আমি ইয়াক একেলগে সুসংগঠিত বহু পৃষ্ঠাৰ সমাহাৰত গঠিত বস্তু বুলি ক'ব পাৰোঁ। এখন কিতাপ যিকোনো ব্যক্তিয়ে, যিকোনো বিষয়ৰ ওপৰত, যিকোনো সময়তে লিখিব পাৰে। কিতাপ বিজ্ঞান, গণিত বা ইতিহাস ইত্যাদি বিভিন্ন শৈক্ষিক বিষয় সংক্রান্তীয়, গল্প, উপন্যাস, কবিতা পুথি, থ্রিলাৰ বা ৰন্ধন বিষয়ক পুথি ইত্যাদি হ'ব পাৰে। কিতাপ হৈছে জ্ঞান আৰু মনোৰঞ্জন ভঁৰাল।

৫) **প্রচাৰ পত্রিকা বা লিফলেট, প্যাম্পেপ্লট ঃ** প্যাম্পেপ্লট এনেধৰণৰ পুস্তিকা, যি পকাবন্ধা নহয় আৰু ইয়াৰ কোনো কঠিন আৱৰণ নাথাকে। ই অতি সৰু কিতাপ আকৃতিৰ উভয় পিঠিতে ছপা কৰি আধা, তৃতীয়াংশ, বা ইঞ্চিত ভাঁজ কৰা এখন বা কেইখিলামান পৃষ্ঠাৰ সমষ্টি। আকৌ যদি ইয়াক চাৰি ভাঁজ কৰা হয় তেতিয়াহ'লে ইয়াক প্রচাৰ পত্রিকা বা লিফলেট বোলা হয়।

৬) **কেটেলগ/ব্র'চাৰ ঃ** কেটেলগ হৈছে সৰু সৰু কিতাপ বা পুস্তিকা য'ত কোনো সামগ্রী সম্পর্কীয় তথ্যৰ উল্লেখ থাকে। ব্র'চাৰবোৰ আচলতে পমফ্লেটেই মাত্র ইয়াক পুস্তিকাৰ আকাৰত বান্ধি থোৱা থাকে। ইয়াত কোনো তথ্য বা সেৱা বা পৰিঘটনাৰ সাধাৱণ বর্ণনা থকাৰ বিপৰীতে বিতং বর্ণনা থাকে।

৭) **সংবাদ পত্রিকা বা নিউজ লেটাৰ ঃ** ই সাধাৱণতে কোনো এক নির্দিষ্ট শ্রেণীৰ গ্রাহকৰ ৰুচিৰ ওপৰত ভিত্তি কৰি, কোনো এটা বিষয় সংক্রান্তীয়, নিয়মিতভাৱে বিতৰণ আৰু প্রকাশন কৰা এক প্রকাৰৰ পত্রিকা ইয়াৰ জৰিয়তে কোনো সমাজ, সংগঠন, প্রতিষ্ঠান তথা ব্যৱসায়িক প্রতিষ্ঠান ইত্যাদিয়ে তেওঁলোকৰ আগ্রহী সদস্য, কর্মচাৰী, গ্রাহক আদিক তথ্যৰ যোগান ধৰে।

সাধাৱণতে ই এক প্রকাৰৰ চমু প্রকাশন য'ত বাতৰি আৰু সাম্প্রতিক পৰিঘটনাসমূহ সন্নিবিষ্ট কৰা হয়। সাধাৱণতে নির্দিষ্ট গোটক লক্ষ্য কৰিহে ইয়াৰ প্রকাশ আৰু বিতৰণ কৰা হয়।

৪.৩.২ ছপা মাধ্যমৰ প্ৰাসংগিকতা আৰু গুৰুত্ব - সমস্যা আৰু সম্ভাৱনা

সংবাদ মাধ্যমৰ জগতখনত ছপা মাধ্যমৰ ব্যৱসায় অতি বৃহৎ। কিন্তু বৰ্তমান সময়ত ছপা মাধ্যমে টেলিভিছনৰ দৰে জনপ্ৰিয় গণ মাধ্যম তথা ইণ্টাৰনেটৰ পৃথিৱীখনৰ সৈতে কঠোৰ প্ৰতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হৈছে। জনসাধাৰণৰ দ্ৰুত জীৱন শৈলীক প্ৰভাৱিত কৰা ব্ৰেকিং নিউজৰ সময়ত ছপা মাধ্যম বিৱৰ্তনৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়ত উপনীত হৈছে। যদিও বৰ্তমান যান্ত্ৰিকতাৰ পৃথিৱীত মানুহে ইলেক্ট্ৰনিক মাধ্যম পছন্দ কৰে, কাৰণ ব্যস্ততাৰ বাবে মানুহৰ হাতত পঢ়িবলৈ সময় বহুত কম থাকে। তথাপিও বৰ্তমান সময়তো ছপা মাধ্যমৰ গুৰুত্ব আৰু প্ৰাসংগিকতা নুই কৰিব নোৱাৰি।

আমি সাধাৰণতে শুই উঠিয়েই সংবাদৰ সমল হিচাপে প্ৰথমে বাতৰি কাকতখনেই হাতত লওঁ। ছপা মাধ্যমৰ তাৎপৰ্যৰ অন্যতম কাৰণ হৈছে ই বিশদ তথ্য কঢ়িয়াব পাৰে, যিবোৰ সময় আৰু তাৰিখ অনুসৰি সংৰক্ষণ কৰিব পাৰি। বাতৰি কাকতখন সহজলভ্য আৰু কঢ়িয়াই লৈ ফুৰিব পৰা বাবে ই অতি ব্যৱহাৰোপযোগী। কোনো ধৰণৰ আহিলাৰ ব্যৱহাৰ নোহোৱাকৈ বাতৰি কাকতখনে অতি সহজে তথ্য আৰু তথ্যৰ বিশ্লেষণক দাঙি ধৰিব পাৰে যিটো অন্য সংবাদ মাধ্যমৰ বাবে সম্ভৱ নহয়।

বিজ্ঞাপনদাতাৰ বাবে ছপা মাধ্যম অতি সুবিধাজনক। ই টেলিভিছনৰ দৰে ইলেক্ট্ৰনিক মাধ্যমতকৈ বহুত সস্তা। লগতে বাতৰি কাকতে বৃহৎ সংখ্যক সাধাৰণ জনতা আৰু কম সংখ্যক নিৰ্দিষ্ট গোটক লক্ষ্য হিচাপে ল'ব পাৰে। বাতৰি কাকত হৈছে বৃহৎ সংখ্যক জনতাৰ ওচৰলৈ বাৰ্তা প্ৰেৰণ কৰা সৰ্বোত্তম সংবাদ মাধ্যম। ইয়াৰ উপৰি ভিন্ন ৰুচিবোধ তথা বিশেষ আগ্ৰহৰ প্ৰতি আগ্ৰহী গোটসমূহৰ বাবে আলোচনী আৰু জাৰ্ণেল ব্যৱহাৰ কৰিব পাৰি। নতুবা প্ৰচাৰ পত্ৰিকা, ব্ৰ'চাৰ, ফ্লাইয়াৰ ইত্যাদিও ব্যৱহাৰ কৰিবও পাৰি।

গতিকে, অন্যান্য সংবাদ মাধ্যমৰ সৈতে প্ৰতিযোগিতা হোৱাৰ পিছতো এইবোৰ কাৰণৰ ভিত্তিত ছপা মাধ্যমে নিজৰ স্থান অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে। ছপা মাধ্যমে বৰ্তমান সময়ত কৌশলগত ভাৱে বিকশিত হ'লে যুগানুৰূপ ভাৱে নিজৰ স্থিতি অক্ষুণ্ণ ৰাখিবলে সক্ষম হ'ব। নিজৰ বিষয়বস্তু আৰু শৈলী সলনি কৰি নিজকে সময়ৰ সৈতে খাপ খুৱাই আগবাঢ়িলে ই অন্যান্য মাধ্যমৰ পৰিপূৰক হিচাপে নিজৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ছপা মাধ্যমৰ প্রকাৰসমূহ কি ?

.....

.....

.....

প্রশ্ন নং ২ ঃ লিফলেট আৰু প্যাম্পেল্লটৰ মাজত কি পার্থক্য আছে ?

.....

.....

.....

প্রশ্ন নং ৩ ঃ জার্ণেল কি ?

.....

.....

.....

৪.৪ বাতৰি কাকতৰ ইতিহাস

৪.৪.১ পৃথিৱীৰ পটভূমিত

প্রায় পাঁচ শতিকা আগত ইউৰোপৰ নৱজাগৰণৰ সময়ৰ পৰা বাতৰি কাকতৰ ইতিহাস সম্পর্কে উল্লেখ আছে। য'ত ইউৰোপৰ ব্যৱসায়ী সকলৰ মাজত ব্যক্তিগতভাৱে হাতেৰে লিখা সম্বাদ পত্রৰ মাধ্যমেৰে বাতৰি প্রচাৰ কৰা হৈছিল। এই বাতৰি কাকতবোৰ বিভিন্ন ধৰণৰ তথ্য প্রেৰণৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছিল। যুদ্ধ, অর্থনৈতিক অৱস্থা, সামাজিক ৰীতি-নীতি আনকি মানৱীয় ৰুচিবোধ ইত্যাদি প্রেৰণ কৰাই আছিল ইয়াৰ বৈশিষ্ট্য।

ইয়াৰ পৰৱর্তী সময়ত ১৪০০ চনৰ শেষৰ ফালে জার্মানীত বাতৰি প্রধান পমফ্লেট আৰু ব্রডছাইড প্রকাশ পায়। ইয়াক ছপা বাতৰি কাকতৰ প্রথম পর্যায় বুলি ক'ব পাৰি। ইয়াৰ বিষয়বস্তুবোৰ প্রায়ে অত্যন্ত সংবেদনশীল আছিল।

ইংলেণ্ডৰ কাকতৰ পূর্বসূৰী আছিল ক'ৰেৰ্টো, যিবোৰ আছিল সৰু সৰু বাতৰি যুক্ত কিছুমান পমফ্লেট। এইবোৰ নিয়মিত ভাৱে প্রকাশ হোৱা নাছিল। কোনো গুৰুত্বপূর্ণ অনুষ্ঠান সংঘটিত হ'লেহে এইবোৰ প্রকাশ পাইছিল। এনেধৰণৰ প্রথমখন সফল ভাৱে প্রকাশিত বাতৰি যুক্ত পমফ্লেট হ'ল ১৬২২ চনৰ; 'দ্য উইকলি নিউজ'। ১৬৪০ আৰু ৫০১ দশকতো

এনে বহু কাকতৰ প্ৰচলন আছিল। ১৬৬৬ চনত প্ৰকাশিত 'দ্য লণ্ডন গেজেট' কাকতখন আছিল ইংৰাজী ভাষাৰ প্ৰথমখন বাতৰি কাকত। এই শতিকাৰ শেষৰ ফালে আৰু বহুত বাতৰি কাকতে ভূমুকি মাৰে।

আমেৰিকাৰ বষ্টনৰ পৰা ১৬৯০ চনত প্ৰকাশ পোৱা প্ৰথমখন কাকত আছিল 'পাব্লিক অকিউৰেন্ছেচ'। উক্ত কাকতখন তাৎক্ষণিক ভাবে কৰ্তৃপক্ষই দমন কৰাত ই পাহৰণিৰ গৰ্ভত হেৰাই থাকিল। ১৭০৪ চনত বষ্টনৰ পোষ্ট মাষ্টৰ জন কেম্পবেলে আৰম্ভ কৰা কাকত 'বষ্টন নিউজ লেটাৰ'খন আমেৰিকাৰ প্ৰথম সফল বাতৰি কাকত হিচাপে প্ৰমাণিত হয়। অৱশ্যে ইয়াৰ প্ৰচলন অতি সীমিত আছিল।

১৭২০ চনত আৰু দুখন বাতৰি কাকতৰ আৰম্ভণি হয়। এখন ফিলাডেলফিয়াৰ পৰা আৰু আনখন নিউয়ৰ্কৰ পৰা। ১৭৭৫ চনৰ আমেৰিকান বিপ্লৱৰ আৰম্ভণিৰ সময়লৈ প্ৰায় দুডজনমান বাতৰি কাকত প্ৰকাশিত হৈছিল। এই কাকতবোৰ আমেৰিকাত থকা ব্ৰিটিছ উপনিৱেশসমূহৰ পৰা জাৰি কৰা হৈছিল। এই ঔপনিৱেশিক কাকতবোৰত বিপ্লৱীসকলে লিখা প্ৰৱন্ধবোৰে আমেৰিকাত জনমত সৃষ্টিৰ বাবে প্ৰেৰণা যোগায়। ইয়াৰ ফলতে আমেৰিকাই ব্ৰিটিছৰ পৰা সম্পূৰ্ণ ৰাজনৈতিক স্বাধীনতা লাভ কৰিবলৈ সক্ষম হয়।

১৭৮৩ চনত আমেৰিকাত যুদ্ধ শেষ হোৱাৰ সময়লৈ সৰ্বমুঠ ৪৩ খন বাতৰি কাকতৰ প্ৰচলন হৈছিল। ১৮১৪ চনলৈ এই সংখ্যা ৩৪৬লৈ বৃদ্ধি পায় আৰু ১৮৩০ চনত ছপা তথা কাগজ নিৰ্মাণ প্ৰযুক্তিৰ উন্নতিৰ ফলত বাতৰি কাকতৰ প্ৰকাশৰ হাৰ পূৰ্বতকৈ বহুগুণে বৃদ্ধি পায়। পূৰ্বতে বাতৰি কাকতৰ প্ৰকাশ অতি ব্যয়বহুল আছিল আৰু তাৰ ফলত ই সাধাৰণ মানুহৰ বাবে সহজলভ্য নাছিল। লাহে লাহে ই সুলভ হৈ পৰিল, কাৰণ ইয়াৰ প্ৰতিটো কপিত মাত্ৰ এক চেণ্টত বিক্ৰী কৰিব পৰা হ'ল। ইয়াৰ পৰাই বাতৰি কাকতৰ বৃদ্ধি অবিৰত ভাৱে চলি থাকিল আৰু ১৮৮০ চনৰ লোকপিয়লত প্ৰাপ্ত তথ্য মতে বিস্ময়কৰভাৱে ইয়াৰ সংখ্যা ১১,৩১৪ খনলৈ বৃদ্ধি হয়। ১৮৯০ ৰ দশকত প্ৰাচীন কাকতসমূহ আধুনিক ৰূপলৈ বিকশিত হোৱা দেখা গৈছিল। এই সময়ৰ বাতৰি কাকতৰ বৈশিষ্ট্যসমূহ হৈছে ব'ল্ড, বেনাৰ হেডলাইন, চিত্ৰকল্পৰ ব্যৱহাৰ, মনোৰঞ্জন পৃষ্ঠা, ক্ৰীড়া অনুষ্ঠানৰ বাতৰিৰে আবৃত্ত বেটুপাত ইত্যাদি। আনকি এই সময়ছোৱাতে ''হালধীয়া সাংবাদিকতা''ৰো উত্থান ঘটিছিল। এই শতিকাৰ শেষভাগলৈ কাকত উদ্যোগটো এটা বিশাল উদ্যোগলৈ বৃদ্ধি পায়। ব্যক্তিগত বাতৰি কাকতবোৰো ডাঙৰ আৰু শক্তিশালী হৈ ই এক শিকলিলৈ ৰূপান্তৰিত হ'বলৈ ধৰে আৰু প্ৰায় ১০ বছৰমানৰ ভিতৰতে আজি আমি দেখাৰ দৰে সম্পূৰ্ণ আধুনিক কাকতখনৰ উন্মেষ ঘটে।

৪.৪.২ ভাৰতীয় পটভূমিত

ভাৰতৰ বাতৰি কাকতৰ সূচনাৰ আভাস ঔপনিৰেশিক শাসনৰ অধীনত থকা সময়ৰ পৰা পোৱা যায়। ইয়াৰ আৰম্ভণি হৈছিল ১৭৮০ চনত প্ৰকাশিত 'বেংগল গেজেট' বা 'কলকাটা জেনেৰেল এডভাৰটাইজাৰ'ৰ পৰা। ইয়াৰ প্ৰকাশক আছিল জেমছ অগাষ্টাছ হিকি। ইয়াক 'হিকি'ছ গেজেট' বুলিও জনা গৈছিল। কলিকতাক ভাৰতৰ বাতৰি কাকতৰ জন্মস্থান বুলি ক'ব পাৰি। সেই বছৰতে 'ইণ্ডিয়া গেজেট' নামেৰে অন্য এখন বাতৰি কাকত প্ৰকাশিত হৈছিল। এই কাকত খনক এখন সম্পূৰ্ণ বাতৰি কাকত হিচাপে মান্যতা দিব পাৰি। ৪ পৃষ্ঠাৰ এই বাতৰি কাকতখন ১৬ ইঞ্চি দীঘল, তিনিটা অংশ যুক্ত আৰু ইয়াক ভালদৰে ছপা কৰা হৈছিল। 'হিকিৰ গেজেট' কাকতখন কিন্তু প্ৰকৃত বাতৰি কাকত নাছিল, বৰং ই ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকলৰ ব্যক্তিগত জীৱনৰ বাতৰিহে প্ৰকাশ কৰিছিল। সেয়ে ই অতি সোনকালেই কৰ্তৃপক্ষৰ ৰোষত পৰে আৰু ইয়াৰ জন্মৰ মাত্ৰ দুবছৰৰ ভিতৰতে ই বন্ধ হৈ যায়। এয়া মাত্ৰ আৰম্ভণিহে আছিল। ১৭৮৬ চনলৈ কলিকতা চহৰত চাৰিখনকৈ সাপ্তাহিক কাকত আৰু এখন মাহেকীয়া বাতৰি কাকত চলি থাকে।

দেশৰ বাকী অংশত সংবাদ মাধ্যমৰ উন্নয়ন যথেষ্ট লেহেমীয়া আছিল। কলিকতা চহৰৰ পাছত মাদ্ৰাজৰ পৰা দেশৰ পৰৱৰ্তী কাকত প্ৰকাশ হয়। ১৭৮৫ চনত মাদ্ৰাজ কুৰিয়ৰে চৰকাৰৰ অনুমোদন মৰ্মে এখন সাপ্তাহিক কাকত প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পিছত ১৭৯৩ চনত 'হুৰ্কাৰু' নামে অন্য এখন বাতৰি কাকতে আত্মপ্ৰকাশ কৰে যদিও এবছৰৰ পাছতে ইয়াৰ প্ৰকাশ বন্ধ হৈ পৰে। মাদ্ৰাজত 'ইণ্ডিয়ান হেৰাল্ড' নামৰ অন্য এখন কাকতো প্ৰকাশিত হৈছিল যদিও ই স্বত্বহীন আছিল আৰু চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ মানহানিৰ অভিযোগ অনা বাবে ইয়াৰ প্ৰকাশ বন্ধ হৈ পৰে।

বম্বেত ১৭৮৯ চনলৈ কোনো ধৰনৰ বাতৰি কাকত প্ৰকাশিত হোৱা নাছিল। বম্বেৰ প্ৰথম খন বাতৰি কাকত হৈছে 'বম্বে হেৰাল্ড'। ১৭৯১ চনত এই কাকতখনে অন্য এখন কাকতৰ সৈতে একত্ৰিত হৈ 'বম্বে গেজেট' নামেৰে পৰিচিত হয়। ১৭৮৯ চনত 'কুৰিয়ৰ' নামেৰে অন্য এখন কাকতো প্ৰকাশ পাইছিল। এইখন বাতৰি কাকতে ভাৰতীয় পাঠকৰ বাবে গুজৰাটী ভাষাৰ বিজ্ঞাপনো সন্নিৰিষ্ট কৰিছিল। একে বছৰতে প্ৰকাশিত হোৱা অন্য এখন উল্লেখযোগ্য গৱেষণা ধৰ্মী কাকত আছিল 'কলিকতা ক্ৰনিকল'। জেমছ ছিল্ক বাকিংহামে ইয়াৰ সম্পাদনা কৰিছিল। তেওঁক দেশৰ প্ৰথমজন প্ৰকৃত সাংবাদিক হিচাপে অভিহিত কৰা হয়। এই কাকত খন অতি দক্ষতাৰে কাৰ্যকৰী কৰা বাতৰি কাকত আছিল। কাকতখনে বাস্তৱিক বিষয়সমূহৰ ওপৰত আলোকপাত কৰিছিল।

সেই সময়ৰ সকলো বাতৰি কাকত ইংৰাজী ভাষাত আছিল। ইয়াৰ কাৰণ আছিল ব্ৰিটিছৰ পৃষ্ঠপোষকতা। আচলতে আমি ক'ব পাৰোঁ যে ভাৰতৰ সাংবাদিকতাত প্ৰথম

৪০ বছৰত ইংৰাজৰ আধিপত্যই আছিল। গংগাধৰ ভট্টাচার্যই ১৮১৬ চনত আৰম্ভ কৰা 'বেংগল গেজেট' নামৰ ইংৰাজী দৈনিক কাকতখন ভাৰতীয় মালিকানাধীন প্ৰথমখন কাকত আছিল। ভাৰতীয় ভাষাত প্ৰকাশিত প্ৰথমখন কাকত আছিল ১৮১৮ চনৰ বাংলা ভাষাত প্ৰকাশিত 'সমাচাৰ দৰ্পণ'। ১৮২২ চনৰ ১ জুলাইত দেশৰ প্ৰথমখন গুজৰাটী ভাষাৰ বাতৰি কাকত 'বোম্বাই সমাচাৰ' বোম্বেৰ পৰা প্ৰকাশ পাইছিল।

ৰাজা ৰাম মোহন ৰায়ৰ পদক্ষেপত ভাৰতীয় সাংবাদিকতাই প্ৰকৃত অৰ্থত যাত্ৰা আৰম্ভ কৰিলে। তেওঁক ভাৰতীয় সাংবাদিকতাৰ পিতৃ বুলি কোৱা হয়। ১৮২১ চনত তেওঁ 'সংবাদ কৌমুদি' আৰম্ভ কৰে আৰু ১৮২২ চনত 'মিৰাত-উল-আখবাৰ' আৰু লগতে এখন সাময়িক ভাবে প্ৰকাশিত ধৰ্মীয় আলোচনী, 'দা ব্ৰাহ্মণিকেল'। তেওঁ আন তিনিখন আলোচনীৰ সৈতেও জড়িত আছিল। সেইকেইখন হ'ল-'সংস্কাৰক', 'ইনক্বাইৰাৰ' আৰু 'জ্ঞান অন্বেষন'। এই সময়ত অন্য বেছিভাগ বাতৰি কাকত কিন্তু ব্ৰিটিছৰ মালিকানাধীন আছিল। সেইসময়ৰ অন্যান্য গুৰুত্বপূৰ্ণ প্ৰকাশনসমূহৰ ভিতৰত আছিল 'ফ্ৰেইণ্ড অফ ইণ্ডিয়া' আৰু 'সমাচাৰ দৰ্পন'।

আৰম্ভণিৰে পৰা ভাৰতীয় প্ৰেছ সমূহে চৰকাৰৰ পৰা হাৰাশাস্তি আৰু শত্ৰুতাৰ সন্মুখীন হৈয়ে বাচি আছিল। তথাপিও কিন্তু প্ৰেছসমূহৰ সামগ্ৰিক অগ্ৰগতি বন্ধ নহ'ল। ১৮৩১ চনৰ পৰা ১৮৩৩ চনৰ ভিতৰত বংগত ১৯ খন নতুন আলোচনী প্ৰকাশিত হৈছিল। ইয়াৰ উপৰিও ৩৩ খন ইংৰাজী বাতৰি কাকত প্ৰকাশ পাইছিল। এই ক্ষেত্ৰত অৰিহণা যোগোৱা অন্যতম কাৰণ আছিল ভাৰতীয়সকলৰ মাজত ইংৰাজী শিক্ষাৰ সম্প্ৰসাৰণ আৰু ভাৰতীয় ঘটনাৱলীৰ প্ৰতি থকা ব্ৰিটিছ সাংবাদিকসকলৰ আগ্ৰহ। লগতে অন্য এক গুৰুত্বপূৰ্ণ কাৰণ হৈছে কেইগৰাকীমান ব্যক্তিৰ পৃষ্ঠপোষকতা। যেনে- দ্বাৰকা নাথ ঠাকুৰ, যিয়ে বংগত সাংবাদিকতাৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ঠাকুৰে ইংৰাজীত 'বেংগল হেৰাল্ড' আৰু বাংলা ভাষাত 'বংগ দূত'ৰ আৰম্ভ কৰিছিল। লগতে তেওঁ কেইবাখনো বাতৰি কাকতক আৰ্থিক সাহায্য প্ৰদান কৰে। অন্য কেইগৰাকীমান তেনে ব্যক্তি আছিল হৰিশচন্দ্ৰ মুখাৰ্জী, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, কেশুব চন্দ্ৰ পাল আদি।

১৮৫৭ চনৰ বিদ্ৰোহলৈকে বংগ আৰু বম্বেৰ বাহিৰত ভাৰতীয় ভাষাত প্ৰেছৰ বৃদ্ধি অতি মন্থৰ আছিল। প্ৰথম হিন্দী কাকত 'সমাচাৰ সুধা বৰ্ষণ' ১৮৫৪ চনতহে আৰম্ভ হৈছিল। তাৰ পিছৰে পৰা অৱশ্যে মাৰাঠী, মালয়ালম, কানাড়া, তামিল,তেলেগু, উৰ্দু, অসমীয়া আৰু বাংলা আদি বিভিন্ন ভাৰতীয় ভাষাত বাতৰি কাকতৰ প্ৰচলন হ'বলৈ ধৰে। বিদ্ৰোহৰ ফলত পূৰ্বৰ দৃশ্যপট সলনি হ'বলৈ ধৰিলে। ই ইংৰাজৰ মালিকানাধীন আৰু ভাৰতীয় মালিকানাধীন প্ৰেছৰ মাজত এক বৃহৎ বিভাজনৰ সৃষ্টি কৰিবলৈ ধৰিলে। বছৰৰ পিছত বছৰ ধৰি এই ব্যৱধান বাঢ়ি আহি চূড়ান্ত পৰ্যায় পায় আৰু ফলস্বৰূপে

ভাৰতীয় জাতীয় কংগ্ৰেছৰ দ্বাৰা ১৯২০ চনৰ পৰা মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা ভাৰতীয় স্বাধীনতা আন্দোলনৰ সূচনা হয়। স্বাধীনতা সংগ্ৰামৰ সময়ত প্ৰেছৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছিল। জাতীয়তাবাদী ছপাশাল সমূহে সত্যাগ্ৰহৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। গান্ধীজীয়ে যমুনা দাস দ্বাৰকা দাসৰ পৰা 'ইয়ং ইণ্ডিয়া'ৰ দায়িত্ব লৈ 'নৱজীৱন' আৰু 'হৰিজন' নামৰ আন দুখন বাতৰি কাকত আৰম্ভ কৰে। ইয়াৰ জৰিয়তে গান্ধীজীয়ে জনতাৰ অনুভূতি বুজিবলৈ চেষ্টা কৰাই নহয় জনসাধাৰণৰ মাজত আৱেগ জগাই তুলিবলৈ আৰু নিৰ্ভয়ে দোষবোৰ উদঙাই দিবলৈ সমৰ্থ হয়।

জাতীয়তাবাদী সংবাদ মাধ্যমত যথেষ্ট অৰিহণা যোগোৱা আন বিপ্লৱীসকলৰ ভিতৰত অন্যতম আছিল বাল গংগাধৰ তিলক, বংকিম চন্দ্ৰ পাল, এনি বেচান্ত, মোতিলাল নেহৰু ইত্যাদি। লাহে লাহে ইংৰাজৰ মালিকানাধীন বাতৰি কাকতবোৰে নিজৰ খোপনি হেৰুৱাবলৈ ধৰে আৰু ১৯৩৩ চনত পৰা সকলো অগ্ৰাধিকাৰ ভাৰতীয়ৰ হাতলৈ আহে। 'দ্য ইংলীছমেন' কাকতখন 'ষ্টেটছমেন' কাকতখনৰ সৈতে একত্ৰিত হৈ পৰে। 'টাইমছ অৱ ইণ্ডিয়া' আৰু 'মাদ্ৰাজ মেইল' কাকত দুখনে ভাৰতীয় উপ-সম্পাদকসকলক তেওঁলোকৰ কৰ্মচাৰী হিচাপে নিয়োগ কৰিবলৈ আৰম্ভ কৰে। অতি সোনকালে 'ষ্টেটছমেন' কাকতখনতো এয়া পৰিলক্ষিত হয়।

১৯৪৭ চনত স্বাধীনতাৰ পিছত ভাৰতীয় সংবাদ মাধ্যমে এক সম্পূৰ্ণ নতুন পৰ্যায় লাভ কৰিবলৈ সক্ষম হয়। পূৰ্বতে সততে সন্মুখীন হোৱা ব্ৰিটিছৰ নিষেধাজ্ঞা আৰু অত্যাচাৰৰ পৰা মুক্তহৈ ই ঠন ধৰি উঠিবলৈ সক্ষম হয়। ১৯৫০ চনৰ ভিতৰত দেশত দৈনিক ২১৪ খন বাতৰি কাকত প্ৰকাশ পাইছিল। ইযাৰে ৪৪ খন কাকত আছিল ইংৰাজী ভাষাৰ দৈনিক কাকত আনহাতে বাকীবোৰ কাকত বিভিন্ন আঞ্চলিক ভাষাত প্ৰকাশিত হৈছিল। বৰ্তমান সময়ত দেশত ৬০ হাজাৰৰো অধিক বাতৰি কাকতৰ প্ৰচলন হৈ আছে ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ক'ৰেৰ্টো কি?

.....

.....

.....

প্রশ্ন নং ৫ ঃ ১৭০৪ চনত ..... পোষ্টমাষ্টৰ জন কেম্বেবেলে আৰম্ভ কৰে।

প্রশ্ন নং ৬ ঃ ১৮৯০ চনৰ আৰম্ভণিত বাতৰি কাকত বিকশিত হৈ আধুনিক বাতৰি কাকতৰ ৰূপ লোৱা দেখা গৈছিল। এই বিৱর্তনক চিহ্নিত কৰা বৈশিষ্ট্য সমূহ কি কি ?

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ কোন গৰাকী ব্যক্তি ভাৰতীয় সাংবাদিকতাৰ পিতৃ হিচাপে পৰিচিত ?

.....

প্রশ্ন নং ৮ ঃ ৰাজা ৰাম মোহন ৰায়ে আৰম্ভ কৰা কেইখনমান প্রকাশনৰ নাম লিখা।

.....

.....

.....

প্রশ্ন নং ৯ ঃ ..... দেশৰ প্রথম গৰাকী প্রকৃত সাংবাদিক বুলি ক'ব পাৰি ।

প্রশ্ন নং ১০ ঃ .....সম্পাদনা কৰিছিল জেমছ চিঙ্ক বাকিংহামে।

প্রশ্ন নং ১১ ঃ ..... যমুনা দাস দ্বাৰকা দাসৰ পৰা নিজৰ অধীনলৈ আনে।

প্রশ্ন নং ১২ ঃ নৱজীৱন আৰু হৰিজন আৰম্ভ হয়.....নেতৃত্বত।

৪.৫ বাতৰি কাকতৰ শ্রেণী বিভাজন আৰু বিন্যাস

বাতৰি কাকতসমূহক ইয়াৰ প্রকাশৰ সময়সীমা, আকাৰ, পৰিসৰ আদি অনুসৰি কেইবাটাও ভাগত ভগাব পাৰি। প্রকাশৰ সময়সীমা অনুসৰি বাতৰি কাকতক দৈনিক আৰু সাপ্তাহিক এই দুটা ভাগত ভাগ কৰিব পাৰি। দৈনিক বাতৰি কাকতসমূহ কিছুমান বিশেষ ৰাষ্ট্রীয় বন্ধৰ বাহিৰে দেওবাৰৰ পৰা শনিবাৰলৈকে প্রতিদিনে প্রকাশ পায়। সাধাৰণতে দেওবাৰ আৰু শনিবাৰৰ সংস্কৰণবোৰ ডাঙৰ হয়, ইয়াত বিশেষ বিষয়বস্তু সম্বন্ধীয় পৃষ্ঠা সংলগ্ন থাকে। কিছুমান দৈনিক বাতৰি কাকতে আকৌ প্রতিদিনে এটা বিশেষ খণ্ড কঢ়িয়াই লৈ ফুৰে। আনহাতে সাপ্তাহিক বাতৰি কাকতবোৰ সপ্তাহত এবাৰহে প্রকাশ কৰা হয়। সাধাৰণতে সাপ্তাহিক কাকতবোৰত পূর্বৰ সপ্তাহত ঘটা পৰিঘটনাসমূহৰ বিশ্লেষণ আৰু সাৰাংশৰ উল্লেখ থাকে।

আকাৰৰ ওপৰত ভিত্তি কৰি আমি বাতৰি কাকতক ব্ৰডশ্বীট বা টেবলয়ড এই দুই শ্ৰেণীভুক্ত কৰিব পাৰো। আমি প্ৰতিদিনে পঢ়া সাধাৰণ ডাঙৰ আকাৰৰ বাতৰি কাকতবোৰ ব্ৰডশ্বীট। আসাম ট্ৰিবিউন আৰু অসমীয়া প্ৰতিদিন ইত্যাদি ব্ৰডশ্বীট। আকৌ সাপ্তাহিক সাদিনৰ দৰে কিছুমান বাতৰি কাকতবোৰ আকাৰৰ সৰু, ইয়াৰ আকাৰ প্ৰায় ব্ৰডশ্বীটৰ আকাৰৰ আধা। ইয়াক টেবলয়ড বুলি কোৱা হয়। সাধাৰণতে ইয়াৰ আকাৰ ১১″×১৭″।

প্ৰচলনৰ ফালৰ পৰা বাতৰি কাকতক স্থানীয়/আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় এই তিনি প্ৰকাৰত ভাগ কৰিব পাৰি। যিবোৰ বাতৰি কাকত কেৱল এটা বিশেষ অঞ্চলৰ বাবেহে প্ৰকাশিত হয় তেনে বাতৰি কাকতক স্থানীয় বা আঞ্চলিক বাতৰি কাকত বুলি কোৱা হয়। আনহাতে যিবোৰ বাতৰি কাকত দেশজুৰি প্ৰচাৰিত হয় তেনে বাতৰি কাকতক ৰাষ্ট্ৰীয় বাতৰি কাকত বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে 'দ্য আসাম ট্ৰিবিউন' এখন আঞ্চলিক কাকত হোৱাৰ বিপৰীতে 'দ্য টাইমছ অৱ ইণ্ডিয়া' হৈছে এখন ৰাষ্ট্ৰীয় কাকত। আনহাতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰিত বাতৰি কাকতক আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকত বুলি কোৱা হয়।

লগতে বাতৰি কাকত একক সংস্কৰণ বা বহু সংস্কৰণৰ যুক্ত হ'ব পাৰে। যি বাতৰি কাকত কেৱল এখন ঠাইৰ পৰা প্ৰকাশ কৰা হয় তেনে বাতৰি কাকতক একক সংস্কৰণৰ বাতৰি কাকত বুলি কোৱা হয়। যদি কোনো বাতৰি কাকত এখনৰ বাহিৰেও অধিক ঠাইৰ পৰা প্ৰকাশ কৰা হয় তেনে কাকতক বহু সংস্কৰণৰ বাতৰি কাকত বুলি কোৱা হয়। বৰ্তমান সময়ত বেছিভাগ ডাঙৰ ডাঙৰ বাতৰি কাকত বহু সংস্কৰণ যুক্ত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ ঃ প্ৰকাশৰ সময়সীমা অনুসৰি বাতৰি কাকতক কেইটা ভাগত ভাগ কৰিব পাৰি ?

.....

.....

.....

প্ৰশ্ন নং ১৪ ঃ টেবলয়ড বাতৰি কাকত কি?

.....

.....

.....

প্ৰশ্ন নং ১৫ ঃ অসমৰ দুখন আঞ্চলিক বাতৰি কাকতৰ নাম লিখক ।

.....

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নামটোৱেই কোৱাৰ দৰে 'ছপা মাধ্যম' শব্দটোৱে এনে মাধ্যমক বুজায় যিবোৰ ছপা কৰা হয়। বাতৰি কাকত, আলোচনী, কিতাপ, প্ৰচাৰ পত্ৰিকা, পমফ্লেট, ব্ৰ'চাৰ, নিউজলেটাৰ, পোষ্টাৰ আদি সকলোবোৰ ছপা মাধ্যমৰ অন্তৰ্গত।
- সংবাদ মাধ্যমৰ জগতখনত ছপা মাধ্যমৰ ব্যৱসায় অতি বৃহৎ। কিন্তু বৰ্তমান সময়ত ছপা মাধ্যমে টেলিভিছনৰ দৰে জনপ্ৰিয় গণমাধ্যম তথা ইণ্টাৰনেটৰ পৃথিৱীখনৰ সৈতে কঠোৰ প্ৰতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হৈছে।
- প্ৰায় পাঁচ শতিকা আগত ইউৰোপৰ নৱজাগৰণৰ সময়ৰ পৰা বাতৰি কাকতৰ ইতিহাস সম্পৰ্কে উল্লেখ আছে। য'ত ইউৰোপৰ ব্যৱসায়ী সকলৰ মাজত ব্যক্তিগত ভাৱে হাতেৰে লিখা সম্বাদ পত্ৰৰ মাধ্যমেৰে বাতৰি প্ৰচাৰ কৰা হৈছিল।
- ১৬৬৬ চনত প্ৰকাশিত' দ্য লণ্ডন গেজেট' কাকতখন আছিল ইংৰাজী ভাষাৰ প্ৰথমখন বাতৰি কাকত। ১৭০৪ চনত বষ্টনৰ পোষ্ট মাষ্টৰ জন কেম্পবেলে আৰম্ভ কৰা কাকত 'বষ্টন নিউজ লেটাৰ' খন আমেৰিকাৰ প্ৰথম সফল বাতৰি কাকত হিচাপে প্ৰমাণিত হয়।
- ১৮৩০ চনত ছপা আৰু কাগজ নিৰ্মাণ প্ৰযুক্তিৰ উন্নতিৰ ফলত বাতৰি কাকতৰ প্ৰকাশৰ হাৰ পূৰ্বতকৈ বহুগুণে বৃদ্ধি পায়। পূৰ্বতে বাতৰি কাকতৰ প্ৰকাশ অতি ব্যয়বহুল আছিল আৰু তাৰ ফলত ই সাধাৰণ মানুহৰ বাবে সহজলভ্য নাছিল, লাহে লাহে ই সুলভ হৈ পৰিল কাৰণ ইয়াৰ প্ৰতিটো কপিত মাত্ৰ এক চেণ্টত বিক্ৰী কৰিব পৰা হ'ল।
- ভাৰতৰ বাতৰি কাকতৰ ইতিহাসৰ আৰম্ভণি হৈছিল ১৭৮০ চনত প্ৰকাশিত 'বেংগল গেজেট' বা 'কলকাটা জেনেৰেল এডভাৰটাইজাৰ'ৰ পৰা। ইয়াৰ প্ৰকাশক আছিল জেমছ অগাষ্টাছ হিকি । ইয়াক 'হিকি'ছ গেজেট' বুলিও জনা গৈছিল। কলিকতাক ভাৰতৰ বাতৰি কাকতৰ জন্মস্থান বুলি ক'ব পাৰি ।
- কলিকতাৰ পিছত দেশৰ বাকী অংশত সংবাদ মাধ্যমৰ উন্নয়ন যথেষ্ট লেহেমীয়া আছিল। কলিকতা চহৰৰ পাছত দেশৰ পৰৱৰ্তী কাকত প্ৰকাশ কৰা হয় মাদ্ৰাজৰ পৰা ।
- ভাৰতৰ সাংবাদিকতাত প্ৰথম ৪০ বছৰত ইংৰাজৰ আধিপত্য আছিল।
- ভাৰতীয় মালিকানাধীন প্ৰথমখন কাকত আছিল গংগাধৰ ভট্টাচাৰ্যই ১৮১৬ চনত আৰম্ভ কৰা 'বেংগল গেজেট' নামৰ ইংৰাজী দৈনিক কাকতখন।
- ভাৰতীয় ভাষাত প্ৰকাশিত প্ৰথমখন কাকত আছিল ১৮১৮ চনৰ বাংলা ভাষাত প্ৰকাশিত 'সমাচাৰ দৰ্পণ' কাকতখন ।
- ৰাজা ৰাম মোহন ৰায়ক ভাৰতীয় সাংবাদিকতাৰ পিতৃ বুলি কোৱা হয়।
- ১৮৫৭ চনৰ বিদ্ৰোহলৈকে বংগ আৰু ব'ম্বেৰ বাহিৰত ভাৰতীয় ভাষাত ছপাশালৰ বিকাশ অতি মন্থৰ আছিল।

- বিদ্রোহৰ ফলত পূর্বৰ দৃশ্যপট সলনি হ'বলৈ ধৰিলে । ই ইংৰাজৰ মালিকানাধীন আৰু ভাৰতীয় মালিকানাধীন ছপাশালৰ মাজত এক বৃহৎ বিভাজনৰ সৃষ্টি কৰিবলৈ ধৰিলে।
- স্বাধীনতা সংগ্রামৰ সময়ত ছপাশালৰ ভূমিকা অতি গুৰুত্বপূর্ণ আছিল। জাতীয়তাবাদী ছপাশাল সমূহে সত্যাগ্রহীৰ সৈতে সমানেই আন্দোলনত জড়িত হৈ পৰিছিল।
- ১৯৪৭ চনত স্বাধীনতাৰ পিছত ভাৰতীয় সংবাদ মাধ্যমে এক সম্পূর্ণ নতুন পর্যায় লাভ কৰিবলৈ সক্ষম হয়। পূর্বে সততে সন্মুখীন হোৱা ব্রিটিছৰ নিষেধাজ্ঞা আৰু অত্যাচাৰৰ পৰা মুক্ত হৈ ই ঠন ধৰি উঠিবলৈ সক্ষম হয়।
- বর্তমান সময়ত দেশত ৬০ হাজাৰৰো অধিক বাতৰি কাকতৰ প্রচলন হৈ আছে।



৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

১) News Writing - G. A. Hough, Kanishka Pub, New Delhi

২) Basic Journalism- R. Parthasarathy, Mcmillan India, New Delhi

৩) Essentials of Practical Journalism– V.B. Agarwal, Concept, New Delhi

৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ছপা মাধ্যমৰ প্রকাৰ সমূহৰ ভিতৰত বাতৰি কাকত, আলোচনী, জার্নেল, কিতাপ, প্রচাৰ পত্রিকা, পমফ্লেট, ব্র'চাৰ, নিউজলেটাৰ, পোষ্টাৰ আৰু অন্যান্য।

২ নং প্রশ্নৰ উত্তৰ ঃ প্যাম্পেট এনেধৰণৰ পুস্তিকা যি পকাবন্ধা নহয় আৰু ইয়াৰ কোনো কঠিন আৱৰণ নাথাকে। ই অতি সৰু কিতাপ আকৃতিৰ উভয় পিঠিতে ছপা কৰি আধা, তৃতীয়াংশ, বা ইঞ্চিত ভাঁজ কৰা এখন বা কেইখিলামান পৃষ্ঠাৰ সমষ্টি। আকৌ যদি ইয়াক চাৰি ভাঁজ কৰা হয় তেতিয়াহ'লে ইয়াক প্রচাৰ পত্রিকা বা লিফলেট বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ কেৱল মাত্র বিশেষ বিষয় সংক্রান্তীয় সাময়িক ভাৱে প্রকাশিত আলোচনী হৈছে জার্ণেল । উদাহৰণস্বৰূপে- বিজ্ঞান, জলবায়ু পৰিৱর্তন, যোগাযোগ, সংবাদ মাধ্যম অধ্যয়ন, সমাজবিজ্ঞান আৰু আন বহুতো বিষয় ইয়াত সন্নিবিষ্ট হৈ থাকে। ইয়াৰ লক্ষ্য সাধাৰণ শ্রেণীৰ গ্রাহক নহয় বৰঞ্চ এক নির্দিষ্ট শ্রেণীৰ গ্রাহকহে ইয়াৰ লক্ষ্য।

৪ নং প্রশ্নৰ উত্তৰ ঃ ইংলেণ্ডৰ কাকতৰ আদিম পূর্বসূৰী আছিল ক'ৰেৰ্টো , যিবোৰ আছিল সৰু সৰু বাতৰি যুক্ত কিছুমান পমফ্লেট। এইবোৰ নিয়মিতভাৱে প্রকাশ হোৱা নাছিল, বৰঞ্চ কোনো গুৰুত্বপূর্ণ অনুষ্ঠান সংঘটিত হ'লেহে প্রকাশ পাইছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'বষ্টন নিউজ লেটাৰ'

৬ নং প্রশ্নৰ উত্তৰ ঃ বৈশিষ্ট্যসমূহ হৈছে ব'ল্ড, বেনাৰ হেডলাইন, চিত্রকল্পৰ ব্যৱহাৰ ,মনোৰঞ্জন পৃষ্ঠা, ক্রীড়া অনুষ্ঠানৰ বাতৰিৰে আবৃত্ত বেটুপাত ইত্যাদি। আনকি এই সময়ছোৱাতে "হালধীয়া সাংবাদিকতা"ৰো উত্থান ঘটিছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাজা ৰামমোহন ৰায়।

৮ নং প্রশ্নৰ উত্তৰ ঃ 'সংবাদ কৌমোদী', 'মিৰাত-উল-আখবাৰ' আৰু লগতে এখন সাময়িক ভাবে প্রকাশিত ধর্মীয় আলোচনী 'দা ব্রাহ্মণিকেল'।

৯ নং প্রশ্নৰ উত্তৰ ঃ জেমছ ছিল্ক বাকিংহাম

১০ নং প্রশ্নৰ উত্তৰ ঃ 'কলিকতা ক্রনিকল'

১১ নং প্রশ্নৰ উত্তৰ ঃ 'ইয়ং ইণ্ডিয়া'

১২ নং প্রশ্নৰ উত্তৰ ঃ মহাত্মা গান্ধী

১৩ নং প্রশ্নৰ উত্তৰ ঃ প্রকাশৰ সময়সীমা অনুসৰি বাতৰি কাকতক দৈনিক আৰু সাপ্তাহিক এই দুটা ভাগত ভাগ কৰিব পাৰি।

১৪ নং প্রশ্নৰ উত্তৰ ঃ টেবলয়ড বাতৰি কাকতবোৰ আকাৰ এখন সাধৰণ ব্রডশ্বীটৰ আকাৰৰ আধা। সাধাৰণতে ইয়াৰ আকাৰ ১১"×১৭" ।

১৫ নং প্রশ্নৰ উত্তৰ ঃ দ্য আসাম ট্রিবিউন আৰু অসমীয়া প্রতিদিন।



৪.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ছপা মাধ্যম বুলিলে আপুনি কি বুজে ? বর্তমান সময়ত ইয়াৰ প্রাসংগিকতা ব্যাখ্যা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ভাৰতৰ সাংবাদিকতাৰ ইতিহাস সম্পর্কে বর্ণনা কৰক ।

প্রশ্ন ২ ঃ ভাৰতীয় সংবাদ মাধ্যমলৈ গান্ধীজীৰ অৱদানৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ শ্রাব্য মাধ্যম ঃ ৰেডিঅ'

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অডিঅ' মাধ্যম কি?

৫.৪ শ্রাব্য মাধ্যম, ছপা মাধ্যম, দৃশ্য-শ্রাব্য মাধ্যম

৫.৫ ৰেডিঅ'ৰ বিষয়বস্তু

- ৫.৫.১ কার্যসূচীৰ শ্রেণী বিভাজন
- ৫.৫.২ বিভিন্ন ৰেডিঅ' অনুষ্ঠান
- ৫.৫.৩ ৰেডিঅ'ত অসমীয়া অনুষ্ঠান

৫.৬ ৰেডিঅ' অনুষ্ঠান প্রস্তুতিকৰণৰ প্রাথমিক জ্ঞান

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণসংযোগৰ মাধ্যম হিচাপে ৰেডিঅ'ৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।
- শ্রাব্য মাধ্যম, ছপা মাধ্যম আৰু দৃশ্য-শ্রাব্য মাধ্যমৰ বিষয়ে জানিব।
- অনুষ্ঠান ঘোষনা (programme anchoring) কলাৰ বিশ্লেষণ কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়ৰ পূৰ্বে আমি ছপা মাধ্যমৰ বিষয়ে আলোচনা কৰিছোঁ। ছপা মাধ্যম হৈছে এক প্রাচীন গণ মাধ্যম, যাৰ এক আকর্ষণীয় ইতিহাস আছে। অধ্যায়টোত ছপা মাধ্যমৰ বিভিন্ন প্রকাৰ, ছপা মাধ্যমৰ প্রাসংগিকতা আৰু লগতে বাতৰি কাকত উদ্যোগৰ সমস্যা আৰু সম্ভাৱনাৰ বিষয়ে আলোচনা কৰা হৈছিল।

ৰেডিঅ' হৈছে যোগাযোগৰ সৈতে জড়িত এক সার্বজনীন মাধ্যম যাৰ সহায়ত একে সময়তে এটা বৃহৎ জনসংখ্যালৈ বার্তা পঠিয়াই যোগাযোগ কৰিব পাৰি। ৰেডিঅ'ৰ জৰিয়তে এটা বৃহৎ জনসমগ্রলৈ বার্তা প্রেৰণ কৰি যোগাযোগ কৰা কার্যক সম্প্রচাৰ বা ব্রদকাষ্টিং বোলা হয়।

উক্ত অধ্যায়টিৰ মাজেৰে আপোনালোকে শ্রাব্য মাধ্যম হিচাপে ৰেডিঅ'ৰ সংজ্ঞা আৰু পৰিচয়, ইয়াৰ বৈশিষ্ট্য, গণ মাধ্যম হিচাপে ইয়াৰ গুৰুত্ব আৰু ৰেডিঅ' অনুষ্ঠান সম্পর্কে জানিব পাৰিব।

৫.৩ অডিঅ' মাধ্যম কি ?

আমি আশা কৰোঁ যে এই অধ্যায়টো অধ্যয়ন কৰাৰ পাছত শ্রাব্য মাধ্যম আৰু ইয়াৰ কর্ম সম্বন্ধে আপোনালোকে এটা স্পষ্ট ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব। 'অডিঅ' শব্দৰ অর্থেৰে আহকচোন অধ্যায়টো আৰম্ভ কৰোঁ।

অডিঅ' কি ?

অডিঅ'ৰ অর্থ হ'ল 'ধ্বনি'ৰ বা 'শব্দৰ পুনঃসৃষ্টি'। ই মানুহে কাণেৰে শুনিব পৰা প্রায় ২০ হার্টজৰ পৰা ২০ কিলোহার্টজলৈকে কম্পনাংকৰ পৰিসৰক বুজায় । এই সংখ্যাবোৰ মুখস্থ কৰি থোৱাটো বেয়া নহ'ব। ২০হার্টজ হৈছে আমি শুনিব পৰা আটাইতকৈ কম উচ্চতাৰ শব্দ, আৰু ২ কিলো হার্টজ হৈছে আমি শুনিব পৰা সর্বোচ্চ উচ্চতাৰ শব্দ।

ৰেডিঅ' ঃ

ৰেডিঅ' হৈছে এনে এক গণসংযোগ মাধ্যম যাৰ জৰিয়তে এটা বার্তা একে সময়তে বৃহৎ সংখ্যক লোকলৈ প্রেৰণ কৰিব পৰা যায়।

১৮৯৬ চনত ইটালীৰ উদ্ভাৱক গুগ্লিয়েলমো মার্কোনিয়ে এটা যন্ত্র আৱিষ্কাৰ কৰিছিল, যাক পিছলৈ ৰেডিঅ' বুলি কোৱা হৈছিল। যাৰ সহায়ত তাঁৰ নোহোৱাকৈ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ শব্দৰ গতিশীলতা সম্ভৱ হৈছিল ।

আমি সকলোৱে জানো যে ৰেডিঅ' মূলতঃ ৰেডিঅ' ষ্টেচনৰ পৰা প্রেৰণ কৰা বার্তা আৰু অনুষ্ঠান শুনিবলৈ ব্যৱহাৰ কৰা এটা যন্ত্র। গতিকে আমি ক'ব পাৰো যে-- বিদ্যুৎ চুম্বকীয় কম্পনাংকযুক্ত তৰংগৰ পৰিৱর্তনৰ দ্বাৰা সংকেতৰ সংবহক হিচাপে ৰেডিঅ'ৰ ব্যৱহাৰ কৰা হয় (যাক আমি ৰেডিঅ' তৰংগ বুলি কওঁ)। বিদ্যুৎ চুম্বকীয় তৰংগই বায়ুৰ মাজেৰে পাৰ হোৱা দোলকীয় বিদ্যুৎ চুম্বক ক্ষেত্র আৰু মহাকাশৰ শূন্যতাৰ মাজেৰে যাত্রা কৰে।

ৰেডিঅ' তৰংগৰ কিছুমান উপাদান যেনে- প্রসাৰণ, কম্পনাংক ইত্যাদিৰ পদ্ধতিগত সালসলনিৰ জৰিয়তে তথ্যসমূহ কঢ়িয়াই নিয়া হয। যেতিয়া ৰেডিঅ' তৰংগ এটা বৈদ্যুতিক প্রৱাহৰ মাজেৰে পাৰ হৈ যায়, তেতিয়া দোলন ক্ষেত্রই এটা বিকল্প প্রবাহৰ সৃষ্টি কৰি ইয়াক ধৰা পেলাই, শব্দ বা অন্যান্য সংকেতলৈ ৰূপান্তৰিত কৰে আৰু ইয়াৰ মাধ্যমেৰেই ৰেডিঅ'ৰ ব্যৱহাৰ কৰি তথ্যসমূহ কঢ়িওৱা সম্ভৱ হয় ।

ৰেডিঅ' শব্দৰ অর্থ আৰু ব্যৱহাৰ (উৎপত্তি বিজ্ঞান)

মূলতঃ ৰেডিঅ'ক 'উন্নত টেলিগ্রাফী' বুলি কোৱা হৈছিল। বিদ্যুৎ চুম্বকীয় তৰংগৰ ৰূপত অদৃশ্য টেলিগ্রাফিক বার্তাসমূহ সাগৰৰ পৰা বায়ুৰ জৰিয়তে (তাঁৰৰ সংযোগ নোহোৱাকৈ)

ৰেডিঅ' তৰংগ তিনি প্রকাৰৰ- চুটি তৰংগ (SW), মধ্যম তৰংগ (MW) আৰু ফেকুৱেন্সি মডুলেটেড (এফ এম) তৰংগ।

প্রেৰণ কৰা হৈছিল । স্থলভাগতো একেই বার্তা লাভ কৰা হৈছিল ৰিচিভাৰৰ সহায়ত। 'ৰেডিঅ' শব্দটো (তাঁৰবিহীন ট্রেন্সমিছন) প্রথমে ৰিচিভিং চেটৰ নির্মাতাই ব্যৱহাৰ কৰিছিল। 'Radio' বিশেষ্যটো 'to radiate' ক্রিয়াৰ ওপৰত ভিত্তি কৰি উদ্ভাৱন কৰা হৈছে বুলি কোৱা হয়। সম্প্রচাৰ হৈছে অডিঅ' সংকেতৰ বিতৰণ যিয়ে বৃহৎ সংখ্যক দর্শকৰ মাজলৈ কার্যসূচী প্রেৰণ কৰে। দর্শক সকল সাধাৰণ জনতা অথবা অন্য বৃহৎ উপ-দর্শক, যেনে-শিশু বা কিশোৰ-কিশোৰী ইত্যাদি হ'ব পাৰে। 'সম্প্রচাৰ' শব্দটোৰ ইংৰাজী প্রতিৰূপে পোনপ্রথমে বহল পথাৰ এখনৰ ওপৰত সিঁচৰতি কৰি বীজ সিঁচাক বুজাইছিল। ইয়াক মধ্য পশ্চিম আমেৰিকাৰ আৰম্ভণিৰ ৰেডিঅ' অভিযন্তাসকলে ৰেডিঅ' সংকেতৰ অনুৰূপ প্রসাৰণৰ কথা উল্লেখ কৰিবলৈ গ্রহণ কৰিছিল। সম্প্রচাৰে গণমাধ্যমৰ এক অতি বৃহৎ অংশ গঠন কৰে। যেতিয়া দর্শকৰ এটা সংকীর্ণ অংশই কার্য্যসূচীসমূহ শুনিবৰ বাবে অন্যান্য উপায় যেনে- লাউডস্পীকাৰ আদিৰ ব্যৱহাৰ কৰে তেতিয়া তাক narrowcasting বা 'সংকীর্ণ প্রচাৰ' বুলি কোৱা হয়।

৫.৪ শ্রাব্য মাধ্যম, ছপা মাধ্যম, দৃশ্য-শ্রাব্য মাধ্যম

৫.৪.১ বৈশিষ্ট্য

আন সকলো গণমাধ্যমৰ দৰেই ৰেডিঅ'ৰো নিজস্ব বৈশিষ্ট্য আছে। ইয়াৰ নিজস্ব সবলতা আৰু দুর্বলতা আছে। 'ৰেডিঅ''ৰ ফলপ্রসূ ব্যৱহাৰৰ বাবে আমি উক্ত বৈশিষ্টসমূহ বুজাটো অতি গুৰুত্বপূর্ণ -

(ক) প্রথমতে ই এটা দৃষ্টিহীন মাধ্যম। ই শ্রোতাৰ মন আৰু কল্পনাশক্তিক উদ্দীপিত কৰে। এটা অনুষ্ঠান শুনি থাকোঁতে শ্রোতাসকলে তেওঁ শুনা কথাবোৰ কল্পনা কৰিবলৈ আৰম্ভ কৰে আৰু মনত কণ্ঠৰ গৰাকীৰ এক ছবিৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰে । ৰেডিঅ' লেখক আৰু মন্তব্যকাৰীয়ে শব্দবোৰ নিজে নির্বাচন কৰে যাতে শ্রোতাৰ মনত বিষয়টোৰ উপযুক্ত ছবি সৃষ্টি কৰিবলৈ সক্ষম হয় আৰু ইয়াৰ মাধ্যমেৰে অনুষ্ঠানটো দর্শকৰ মনত সফল আৰু স্মৰণীয় কৰি তুলিব পাৰে।

(খ) ৰেডিঅ'ই লাখ লাখ লোকৰ লগত কথা পাতে। ট্রেন্সমিটাৰৰ পৰিসৰৰ ভিতৰত ৰেডিঅ'ৰ সংকেতসমূহ একে সময়তে প্রতিখন ঘৰ, গাঁও, চহৰ আৰু দেশলৈ যাব পাৰে ।

(গ) ছপা মাধ্যমৰ স্থানৰ সীমাবদ্ধতা থাকে, ৰেডিঅ' কেৱল সময়ৰ ক্ষেত্রতহে সীমাবদ্ধ।

(ঘ) ৰেডিঅ'ৰ গতি তীব্র। ইয়াৰ এটা তাৎক্ষণিকতা আছে যিটো আন সংবাদ মাধ্যমৰ লগত নিমিলে। ৰেডিঅ'ই কেৱল দিনটোৰ বাতৰি জনসাধাৰণক পৰিবেশন কৰাই

নহয় কোনো এটা পৰিঘটনা ঘটি থকাৰ সময়তো তাৎক্ষণিকভাৱে বার্তা প্রেৰণ কৰে।

(ঙ) ৰেডিঅ' ইয়াৰ সহজবোধ্যতাৰ বাবে জনাজাত। ৰেডিঅ'ৰ মূল বৈশিষ্ট্যটো হ'ল অন্যান্য সংবাদ মাধ্যমৰ তুলনাত ই অতি সৰল, যাৰ ফলত ই বৃহৎ সংখ্যক জনসাধাৰণক সামৰি ল'ৱলৈ সক্ষম হয়।

(চ) ৰেডিঅ'ৰ কোনো চাৰিসীমা নাই। ই আঞ্চলিক আৰু জাতিগত ভাৱে পৃথক হোৱাসকলক একত্রিত কৰিব পাৰে । ই কোনো নির্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজত আৱদ্ধ নহয়। ই নিৰক্ষৰতাৰ বাধা নেওচি গতি কৰে।

(ছ) আন মাধ্যমৰ তুলনাত ৰেডিঅ' সুলভ মূল্যৰ। ইয়াক কিনাৰ বাবে প্রয়োজনীয় মূলধন তথা ইয়াক চলাই নিয়াৰ বাবে প্রয়োজনীয় খৰচ অন্য মাধ্যমতকৈ যথেষ্ট কম ।

(জ) ৰেডিঅ' চলি থকাৰ সময়ত শ্রোতাই কাম কৰি যাব পাৰে।

(ঝ) ৰেডিঅ'ই ব্যক্তিৰ লগত পোনপটীয়াকৈযোগাযোগ কৰে। ৰেডিঅ'ই বার্তাবোৰ ব্যক্তিগত স্তৰত শ্রোতাৰ ওচৰলৈ পোনপটীয়াকৈ লৈ আহে ।

(ঞ) ৰেডিঅ' অনুষ্ঠান ক্ষণস্থায়ী প্রকৃতিৰ।

(ট) ৰেডিঅ' কেৱল শব্দৰ ওপৰত নির্ভৰশীল।

(ঠ) ৰেডিঅ' হস্তক্ষেপৰ ফলত ক্ষতিগ্রস্ত হ'ব পাৰে ।

সবলতা

(১) ৰেডিঅ' টেলিভিছনৰ দৰে নহয়, ৰেডিঅ'ই কল্পনাশক্তিক উদ্দীপিত কৰি শ্রোতাৰ মনত ছবিৰ সৃষ্টি কৰে ।

(২) এক অর্থত ৰেডিঅ' সার্বজনীন। ই নিৰক্ষৰতাৰ ব্যৱধান আৰু বাধাবোৰক নেওচি শ্রোতাৰ ওচৰ চাপে।

(৩) ৰেডিঅ'ৰ এটা তাৎক্ষণিকতা আছে, যিটো আন সংবাদ মাধ্যমৰ তুলনাত অধিক।

(৪) আন মাধ্যমৰ তুলনাত ৰেডিঅ' নমনীয়। ৰেডিঅ'ৰ কোনো এটা নির্ধাৰিত অনুষ্ঠান তাৎক্ষণিক ভাৱে বাদ দিব পাৰি আৰু তাৰ ঠাইত অধিক সময়সাপেক্ষ বা অধিক জৰুৰী অনুষ্ঠান প্রচাৰ কৰিব পাৰি।

(৫) ৰেডিঅ' এটা ক্রয় কৰাৰ বাবে প্রয়োজনীয় মূলধন আৰু ইয়াক চলোৱাৰ খৰচ কম।

(৬) ৰেডিঅ'ৰ এটা প্রধান সুবিধা হ'ল অনুষ্ঠান শুনি থকাৰ সময়তো ই আমাক অন্য কাম কৰাৰ সুবিধা প্রদান কৰে।

(৭) ৰেডিঅ' ইয়াৰ সহজবোধ্যতাৰ বাবে জনাজাত। ৰেডিঅ'ৰ প্রধান এককটো হ'ল ই অন্য সংবাদ মাধ্যমৰ তুলনাত অতি সহজ যাৰ ফলত এক বৃহৎ সংখ্যক জনসাধাৰণৰ বাবে ইয়াৰ সুবিধা গ্রহণ কৰাৰ সম্ভাৱনাৰ সৃষ্টি হয়।

(৮) ৰেডিঅ'ৰ কোনো সীমাবদ্ধতা নাই। আনকি ই আঞ্চলিক তথা জাতিগত বৈষম্য দূৰ কৰি সৰ্বসাধাৰনক একত্রিত কৰিব পাৰে। ই নিৰক্ষৰতাৰ বাধাবোৰ আতঁৰাই সৰ্বসাধাৰনৰ ওচৰলৈ গতি কৰে।

দুৰ্বলতা

(ক) ৰেডিঅ' ক্ষণস্থায়ী প্রকৃতিৰ। এইটো ইয়াৰ এটা ডাঙৰ দুৰ্বলতা। যদি আমি প্রথমবাৰ বার্তাটো পোৱাত ব্যর্থ হওঁ তেন্তে আমি সেই বার্তা দুনাই পোৱাৰ সম্ভাৱনা অতি কম।

(খ) ৰেডিঅ'ৰ প্রসাৰণৰ মানদণ্ড বেয়া হ'লে ই শ্রোতাৰ আগ্রহ হেৰুৱাবলগীয়া হ'ব পাৰে।

(ঘ) ৰেডিঅ' কেৱল শব্দৰ ওপৰত নির্ভৰশীল। যিহেতু ইয়াত চিত্রধর্মীতাৰ অভাৱ সেয়েহে ই শ্রোতাৰ মনত কম প্রভাৱ পেলোৱাৰ সম্ভাৱনা থাকে।

৫.৪.২ গণ মাধ্যম হিচাপে ৰেডিঅ'

ৰেডিঅ' সম্প্রচাৰে একে সময়তে বৃহৎ সংখ্যক লোকলৈ বার্তা প্রেৰণ কৰে। এনেধৰনৰ যোগাযোগৰ মাধ্যমক গণসংযোগ মাধ্যম বুলি কোৱা হয়। ৰেডিঅ,' টেলিভিছন, চিনেমা আৰু বাতৰি কাকত গণসংযোগ মাধ্যম হিচাপে জনাজাত। আধুনিক সামাজিক প্রক্রিয়াৰ বাবে গণসংযোগ মাধ্যম অতি গুৰুত্বপূর্ণ; ই ৰাজহুৱা বিষয়সমূহ বহল প্রেক্ষাপটলৈ লৈ আনে ,আমাক মনোৰঞ্জন প্রদান কৰে, জীৱন আৰু আমাৰ চৌপাশৰ বস্তুবোৰৰ বিষয়ে আমাৰ জ্ঞান আৰু বুজাবুজি বঢ়ায়, আমালৈ তথ্য কঢ়িয়াই আনি ব্যক্তি আৰু ব্যক্তিসমষ্টিক উদ্দীপিত কৰাত সহায় কৰে। বিশেষকৈ উন্নয়নশীল দেশসমূহৰ সামাজিক পৰিৱর্তন ত্বৰান্বিত কৰাত এই মাধ্যমসমূহে উল্লেখযোগ্য ভূমিকা পালন কৰে। সাধাৰণতে উপলব্ধ হোৱা গণমাধ্যমৰ ভিতৰত ৰেডিঅ' আগশাৰীৰ গণ সংযোগ মাধ্যম।

৫.৪.৩ ৰেডিঅ'ৰ প্রভাৱ

সামগ্রিকভাৱে গণমাধ্যম হিচাপে ৰেডিঅ'ৰ প্রভাৱক দুই ধৰণে শ্রেণীভুক্ত কৰিব পাৰি (ক) ই ব্যক্তিৰ সেৱা কৰে আৰু (খ) ই সমাজৰ হৈ কাম কৰে

(ক) ব্যক্তিৰ বাবে ৰেডিঅ'

- ৰেডিঅ'ই মানসিক প্রশান্তি আৰু মনোৰঞ্জনৰ ব্যৱস্থা কৰি মানুহক সমস্যা আৰু উদ্বেগৰ পৰা দূৰত ৰখাত সহায় কৰে।
- ই ব্যক্তিক স্থানীয়, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বাতৰিৰ যোগান ধৰে লগতে আমাৰ চৌপাশৰ পৰিঘটনাৰ বিষয়ে আমাৰ মনত সৃষ্টি হোৱা কৌতূহল দূৰ কৰে।

- ই পৰামর্শ আৰু তথ্যৰ উৎস হিচাপে কাম কৰি সমস্যা সমাধানত সহায় কৰে।
- ই জ্ঞান আৰু সজাগতা বৃদ্ধিত অৰিহণা যোগায়।
- যিসকল ব্যক্তিয়ে নিজকে বিচ্ছিন্ন বা নিপীড়িত অনুভৱ কৰে তেওঁলোকক প্ৰেৰণা প্ৰদান কৰে।
- ই ব্যক্তিগত অভিজ্ঞতা আৰু সৃষ্টিশীলতাক বৃদ্ধি কৰে।
- ই সামাজিক আচৰণৰ পথ প্ৰদৰ্শন কৰে।
- ই অভিজ্ঞতাৰ ভাগ-বতৰাৰে ব্যক্তি পৰ্যায়ত যোগাযোগৰ পথ প্ৰশস্ত কৰে। যেনে- 'যোৱা নিশা অনুষ্ঠানটো শুনিলা নে?

(খ) সমাজৰ বাবে ৰেডিঅ'

- ই দৰ্শকক মূল সামাজিক সমস্যাৰ প্ৰতি সজাগ কৰি তোলাত অনুঘটক হিচাপে কাম কৰে।
- ই চাকৰি, সামগ্ৰী, সেৱাৰ ইত্যাদিৰ বিষয়ে তথ্য প্ৰদান কৰে।
- ই সমাজৰ প্ৰহৰী স্বৰূপ।
- ই কলাকাৰ সকলক কলাত্মক আৰু বৌদ্ধিক সংস্কৃতি পৰিৱেশনৰ সুযোগ প্ৰদান কৰাত অৰিহণা যোগায়।
- ই ধাৰণা, বৈচিত্ৰ্য আৰু পৰিৱৰ্তনৰ পথ প্ৰসাৰিত কৰে আৰু লগতে সামাজিক শৃংখলা বজাই ৰখাত সহায় কৰে।
- ই সমাজৰ এক দায়িত্বশীল ব্যক্তি হিচাপে উমৈহতীয়া সজাগতাৰ সৃষ্টি কৰি ব্যক্তি আৰু ব্যক্তিসমষ্টিক ইজনে সিজনৰ লগত কথা পাতিবলৈ সুযোগ প্ৰদান কৰে।
- ই জনমত সংগঠিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সম্প্ৰচাৰ আৰু সংকীৰ্ণ প্ৰচাৰৰ মাজত পাৰ্থক্য কি?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ৰেডিঅ'ৰ তিনিটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৩ ঃ ৰেডিঅ' শব্দটোৰ সংজ্ঞা দিয়ক। ৰেডিঅ' কোনে আৱিষ্কাৰ কৰিছিল? চমুকৈ আলোচনা কৰক। সংবাদ মাধ্যম হিচাপে ৰেডিঅ'ৰ ভূমিকা কেনেধৰণৰ?

.....

.....

.....

প্রশ্ন নং ৪ ঃ ব্যক্তি আৰু সমাজত ৰেডিঅ'ৰ প্রভাৱ কেনেধৰণৰ?

.....

.....

.....

৫.৫ শ্রাব্য মাধ্যম বনাম ছপা মাধ্যম বনাম দৃশ্য-শ্রাব্য মাধ্যম

ৰেডিঅ' আৰু টেলিভিছন ছপা মাধ্যমৰ দৰে নহয়, দুয়োটাই সমাজৰ নিৰক্ষৰ শ্রেণীলৈ বা যিসকল কেৱল সাক্ষৰ অর্থাৎ যিয়ে কেৱল নিজৰ নাম লিখিব জানে আৰু আর্থ-সামাজিক স্তৰৰ নিম্ন স্থানত থকাসকলৰ ওচৰলৈ যায়।

ৰেডিঅ' অনুষ্ঠান শুনিবলৈ বা টেলিভিছনৰ অনুষ্ঠান চাবলৈ সাক্ষৰ অথবা শিক্ষিত ব্যক্তি হোৱাৰ প্রয়োজন নাই।

ইয়াত ৰেডিঅ', টেলিভিছন আৰু ছপা মাধ্যমৰ মাজৰ কিছুমান মৌলিক পার্থক্যৰ উল্লেখ কৰা হ'ল ঃ

১। টেলিভিছন হ'ল আটাইতকৈ বোধগম্য মাধ্যম কাৰণ ইয়াত দৃশ্য, শব্দ আৰু গতি এই আটাইকেইটা উপাদানৰে উপস্থিতি আছে। টেলিভিছন অধিক দর্শনীয় আৰু অর্থপূর্ণ হোৱাৰ অন্যতম কাৰণ হ'ল ইয়াত দর্শকে লাভ কৰা দৃশ্যগত অভিজ্ঞতা, যাৰ বিষয়বস্তুৰ লগত শব্দ আৰু গতিধর্মীতা জড়িত থাকে। সেয়েহে ৰেডিঅ'ৰ দৰে অন্যান্য গণ মাধ্যমতকৈ টেলিভিছনৰ অধিক বিশ্বাসযোগ্যতা আছে কাৰণ ৰেডিঅ' আৰু বাতৰি কাকতৰ উপাদান কেৱল শব্দ, ৰেডিঅ'ৰ মাধ্যমেৰে যাক কেৱল শুনিব পাৰি আৰু ছপা মাধ্যমত কেৱল পঢ়িব পাৰি।

২। ৰেডিঅ' হৈছে ব্যক্তিগত আৰু কঢ়িয়াই লৈ ফুৰিব পৰা মাধ্যম। ইয়াৰ বহনযোগ্যতাৰ বাবে টেলিভিছনতকৈ ৰেডিঅ' অধিক সুবিধাজনকভাৱে ব্যৱহাৰ কৰিব পাৰি। যিহেতু বেছিভাগ ৰেডিঅ' বেটাৰীৰে পৰিচালিত, সেয়েহে ইয়াক কঢ়িয়াই লৈ ফুৰিব পাৰি আৰু ঘৰত, বাছত, পাকঘৰত, পথাৰত, নির্মাণ স্থান ইত্যাদি যিকোনো ঠাইত ইয়াক শুনিব পাৰি।

আনহাতে, টেলিভিছন চেটবোৰ ডাঙৰ। ইয়াক সহজে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিব নোৱাৰি। তদুপৰি টেলিভিছন বিদ্যুতৰ দ্বাৰা পৰিচালিত যাৰ বাবে ইয়াক এটা নির্দিষ্ট

স্থানত ৰাখিব লাগে। ছপা মাধ্যমৰ অন্তর্গত বাতৰি কাকতকো যিকোনো ঠাইলৈ লৈ যাব পাৰি।

৩। টেলিভিছনৰ তুলনাত ৰেডিঅ' বহুত কম খৰচী আৰু সমাজৰ দৰিদ্ৰ শ্ৰেণীয়ে ইয়াৰ খৰচ বহন কৰিব পাৰে। বৰ্তমান সময়ত এটা ৰেডিঅ' চেট কম মূল্যত কিনিব পাৰি আনহাতে অতি সস্তা টেলিভিছন চেটটোৰ মূল্যও কম নহয়। দুখীয়াই অতি সঘনাই বাতৰি কাকতৰ খৰচ বহন কৰিব নোৱাৰে আৰু পাৰিলেও বাতৰি কাকত দূৰৱৰ্তী আৰু ভিতৰুৱা এলেকাত সহজে উপলব্ধ নহয়।

৪। টেলিভিছন এটা ব্যয়বহুল মাধ্যম। টেলিভিছনৰ অনুষ্ঠান লগত জড়িত খৰচ ৰেডিঅ' অনুষ্ঠানতকৈ বহু বেছি কাৰণ টেলিভিছনৰ এটা অনুষ্ঠানৰ লগত জড়িত প্ৰযুক্তি লগতে ইয়াৰ উৎপাদন প্ৰক্ৰিয়া ব্যয়বহুল, বিশদ আৰু জটিল। টেলিভিছনৰ তুলনাত ৰেডিঅ' তুলনামূলকভাৱে কম খৰচী কাৰন অনুষ্ঠানৰ উৎপাদনৰ ক্ষেত্ৰত ইয়াত কম কৌশলৰ আৱশ্যক আৰু ৰেডিঅ' অনুষ্ঠান এটা প্ৰস্তুত কৰিবলৈ প্ৰয়োজনীয় প্ৰযুক্তি তথা ৰক্ষণাবেক্ষণৰ প্ৰয়োজন বহুত কম আৰু ই উন্নয়নশীল দেশসমূহৰ সামৰ্থ্যৰ ভিতৰত থাকে। বাতৰি কাকত প্ৰস্তুত আৰু ছপা কৰিবলৈও ব্যয়বহুল প্ৰযুক্তিৰ প্ৰয়োজন হয়।

৫। টেলিভিছনৰ এটা অনুষ্ঠানৰ নিৰ্মাণতকৈ এটা ৰেডিঅ' অনুষ্ঠানৰ নিৰ্মাণৰ বাবে কম সময়ৰ প্ৰয়োজন হয়। টেলিভিছনৰ এটা অনুষ্ঠানৰ বাবে কথনৰ পৰিপূৰক হিচাপে প্ৰাসংগিক ছবি শ্ব্যুটিং কৰাটো প্ৰয়োজনীয়। কিন্তু ৰেডিঅ' অনুষ্ঠানত কেৱল শব্দৰ সহায়ত শ্ৰোতাৰ মনৰ মাজত প্ৰতিচ্ছবিৰ সৃষ্টি হয় বাবে ৰেডিঅ' অনুষ্ঠান এটা প্ৰচাৰ হ'বলৈ সহজ হৈ পৰে। তিনিটা মাধ্যমৰ ভিতৰত ছপা মাধ্যমৰ বাবে সৰ্বাধিক উৎপাদন সময়ৰ প্ৰয়োজন হয়। এখন বাতৰি কাকত দিনটোত এবাৰহে প্ৰকাশ কৰা হয়, আনহাতে টেলিভিছন আৰু ৰেডিঅ' আদি বৈদ্যুতিক মাধ্যমত পোনপটীয়া সম্প্ৰচাৰ আদি বহুতো অনুষ্ঠান থাকে।

৬। টেলিভিছন হৈছে এক আকৰ্ষনীয় মাধ্যম। এই মাধ্যমৰ বিশেষত্ব হৈছে ইয়াৰ অনুষ্ঠানসমূহ অধিক মনোৰঞ্জনধৰ্মী। টেলিভিছনৰ অনুষ্ঠানসমূহ বেছিভাগেই ধনী অংশৰ সমাজখনক প্ৰভাৱান্বিত কৰে যিহেতু ভাৰতত টেলিভিছন আজিও নগৰীয়া পৰিঘটনা হৈয়ে আছে। আনহাতে ৰেডিঅ' ব্যৱহাৰৰ সস্তীয়া খৰচৰ বাবে ই দেশৰ দৰিদ্ৰ গ্ৰাম্য জনসাধাৰণৰ মাজত অধিক প্ৰচলিত ফলত ৰেডিঅ'ৰ বেছিভাগ অনুষ্ঠান কৃষি, পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা ইত্যাদি গ্ৰাম্য জনসাধাৰণৰ উদ্দেশ্যে প্ৰচাৰিত হয়। অৱশ্যে যোৱা কেইবছৰমানত এফ এম ৰেডিঅ'ই দেশৰ নগৰকেন্দ্ৰীক অঞ্চলসমূহত গভীৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। এফ এম ৰেডিঅ' অনুষ্ঠানসমূহ অধিক মনোৰঞ্জনধৰ্মী। পোনপ্ৰথমে ছপা মাধ্যমক জনসাধাৰণৰ বাবে তথ্য প্ৰেৰণৰ মাধ্যম হিচাপে গণ্য কৰা হৈছিল কিন্তু মাধ্যমটোৰ বাণিজ্যিকীকৰণে ইয়াক তথ্য আৰু মনোৰঞ্জন দুয়োটাৰে আহিলা কৰি তুলিছে।

৭। ৰেডিঅ' অনুষ্ঠানৰ কথোপকথন প্রকৃতিৰ বাবে ইয়াক অধিক অন্তৰংগ আৰু বন্ধুত্বপূর্ণ মাধ্যম বুলি গণ্য কৰা হয়। ই ব্যক্তিক সম্বোধন কৰে। টেলিভিছনে বৃহৎ জনসাধাৰণক সম্বোধন কৰে। বাতৰি কাকতৰ ভাষা আনুষ্ঠানিক আৰু বিস্তৃত।

৮। ৰেডিঅ' অনুষ্ঠানৰ এক নির্দিষ্ট বৈশিষ্ট্য থাকে। সাধাৰণতে ৰেডিঅ' অনুষ্ঠানৰ সম্প্রচাৰ স্থানীয় সম্প্রদায় বিশেষৰ বাবে হয়, ফলত ই বিশেষকৈ স্থানীয় বাতৰিসমূহ সামৰি লয় আৰু এইদৰে স্থানীয় দর্শকক আকর্ষিত কৰিবলৈ সক্ষম হয়। টেলিভিছন এনে এক বৃহৎ গণ মাধ্যম, যিয়ে সকলো শ্রেণীৰ জনসাধাৰণৰ বাবে কিবা এটা আগবঢ়ায়- পুৰুষসমাজৰ বাবে খেল, গৃহিণীসকলৰ বাবে বিভিন্ন ধাৰাৰাহিক আৰু শিশুৰ বাবে কার্টুন ইত্যাদি। ছপা মাধ্যমে ৰাষ্ট্রীয়, আঞ্চলিক বা স্থানীয় সকলো পর্যায়ৰে তথ্য সামৰি লয়। ই স্থানীয় পর্যায়ৰ পৰা সমগ্র দেশলৈ, এটা নির্দিষ্ট অঞ্চলৰ বা এটা সৰু সম্প্রদায়ৰ পৰা বৃহৎ জনগণলৈ তথ্যৰ যোগান ধৰিব পাৰে।

৯। ৰেডিঅ' শুনি থকাৰ সময়ত একে সময়তে ৰন্ধা-বঢ়া, চুলি কটা, গাড়ী চলোৱা ইত্যাদি আন কামো কৰি থাকিব পাৰি। টিভি বা বাতৰি কাকতৰ ক্ষেত্রত এয়া সম্ভৱ নহয়। টেলিভিছনৰ বাবে অধিক মনোযোগৰ প্রয়োজন। দর্শক এজনে টেলিভিছনত দেখুওৱা বার্তা ফলপ্রসূভাৱে গ্রহণ কৰিবলৈ নিজে টেলিভিছনৰ পর্দাৰ সন্মুখত উপস্থিত থাকিব লাগিব। বাতৰি কাকত পঢ়াৰ সময়তো পাঠকৰ সক্রিয় অংশগ্রহণ, মনোযোগ আৰু একাগ্রতাৰ প্রয়োজন ।

১০। টেলিভিছন আৰু ৰেডিঅ'ৰ দর্শক বা শ্রোতাৰ কার্যসূচীসমূহৰ ওপৰত কোনো নিয়ন্ত্রণ নাই। ইয়াৰ অনুষ্ঠানসমূহ নির্দিষ্ট সময়তহে সম্প্রচাৰ কৰা হয়। দর্শকে নিজৰ সুবিধা অনুযায়ী ইয়াক উপভোগ কৰিব নোৱাৰে। বাতৰি কাকত সহজে সংৰক্ষণ কৰি পাঠকে নিজ ইচ্ছা অনুসৰি পঢ়িব পাৰে।

ওপৰৰ আলোচনাৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে টেলিভিছন আৰু ৰেডিঅ'ৰ দৰে ইলেক্ট্রনিক মাধ্যম আৰু বাতৰি কাকতৰ দৰে ছপা মাধ্যমৰ কিছুমান আভ্যন্তৰীণ পার্থক্য আছে। বহু অসুবিধাৰ মাজতো প্রতিটো মাধ্যমৰ নিজস্ব ভূমিকা আৰু উদ্দেশ্য থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ টেলিভিছন উদ্যোগৰ উত্থানৰ লগে লগে ৰেডিঅ'ৰ জনপ্রিয়তা হ্রাস পাব নোৱাৰে। মন্তব্য আগবঢ়াওক।

.....

.....

.....

.....

৫.৬ ৰেডিঅ'ৰ বিষয়বস্তু

ৰেডিঅ'ৰ বিষয়বস্তু বুলিলে মূলত ঃ ৰেডিঅ' অনুষ্ঠান, ইয়াৰ প্রস্তুতিকৰণ আৰু ইয়াৰ সৈতে জড়িত আন আন আনুষংগিক কার্য্যকলাপসমূহ সূচায়। ইয়াত সামগ্রিকভাৱে ৰেডিঅ'ৰ প্রধান বিষয়বস্তুৰ বিষয়ে চমুকৈ আলোচনা কৰাৰ প্রয়াস কৰা হৈছে। বাতৰি, সংগীতধর্মী অনুষ্ঠান আৰু কথিকা এই তিনিটা অনুষ্ঠানক ৰেডিঅ'ৰ অনুষ্ঠানৰ প্রধান স্তম্ভ আখ্যা দিব পাৰি।

৫.৬.১ কার্যসূচীৰ শ্রেণীবিভাজন

ৰেডিঅ' অনুষ্ঠানকসমূহক সাধাৰণতে দুটা শ্রেণীত ভগাব পাৰি সেয়া হ'ল— (১) কথিকা আৰু (২) সংগীতানুষ্ঠান।

কথিকা অনুষ্ঠান ঃ ইয়াত সকলো সংগীতবিহীন অনুষ্ঠান যেনে— বক্তৃতা, আলোচনা, শৈক্ষিক সম্প্রচাৰ, বিশেষ দর্শকৰ বাবে অনুষ্ঠান (মহিলা, শিশু, গ্রাম্য শ্রোতা), নাটক, তথ্যচিত্র আৰু আলোচনাধর্মী অনুষ্ঠান, ধাৰাভাষ্য, বাতৰি আৰু ধর্মীয় সম্প্রচাৰ আদি অন্তর্ভুক্ত কৰিব পাৰি ।

সংগীতানুষ্ঠান ঃ ইয়াৰ ভিতৰত বিভিন্ন ধৰণৰ সংগীত যেনে— ধ্রুপদী সংগীত, লোকগীত, লঘু সংগীত, ভক্তিমূলক গীত, বোলছবিৰ গীত, পশ্চিমীয়া সংগীত আদি পৰে।

কার্যসূচীৰ গাঁথনি

ৰেডিঅ' অনুষ্ঠানসমূহ আড়ম্বৰপূর্ণভাৱে সম্প্রচাৰ কৰা নহয় যদিও ইয়াৰ কার্যসূচী পৰিকল্পিত। সাধাৰণতে এই পৰিকল্পনাত তিনিমাহৰ সময়সীমা সামৰি লোৱা হয়। ইয়াক সৰু সৰু দৈনিক কার্যসূচীত বিভক্ত কৰিব পাৰি। এই দৈনিক সূচীত অনুষ্ঠানসমূহৰ বিভিন্ন দিশৰ বর্ণনা থাকে। অর্থাৎ বিভিন্ন শ্রেণীৰ অনুষ্ঠানৰ বাবে নির্ধাৰণ কৰি দিয়া সময়সীমা, অনুষ্ঠান সম্প্রচাৰৰ সময় ইত্যাদিকে কার্যসূচীৰ গাঁথনি বুলি জনা যায়। কেন্দ্র এটাৰ কার্যসূচীৰ গাঁথনিয়ে কেন্দ্রটোৰ এখন ছবি দাঙি ধৰে। সংগীতানুষ্ঠানৰ বাবে কিমান সময় নির্ধাৰণ কৰা হয়, কেনেধৰণৰ সংগীত বজোৱা হয়, ই বাতৰি আৰু শিক্ষামূলক অনুষ্ঠানৰ সম্প্রচাৰৰ ক্ষেত্রত কিমান প্রাধান্য দিয়ে সেইবোৰেই হৈছে ৰেডিঅ' কেন্দ্র এটাৰ কার্যসূচীৰ গাথঁনিৰ মূল দিশ।

মনোৰঞ্জন হিচাপে সম্প্রচাৰ

সম্প্রচাৰে মনোৰঞ্জনৰো কাম কৰে। মনোৰঞ্জন মানেই অৱসৰ নহয়, ইয়াৰ অর্থ হৈছে আনন্দ, আগ্রহ আৰু প্রতিক্রিয়াৰ উন্মেষণ। যদিও পৰম্পৰাগতভাৱে সম্প্রচাৰৰ উদ্দেশ্য তথ্য, শিক্ষা আৰু মনোৰঞ্জনৰ প্রচাৰ, মনোৰঞ্জনৰ উপাদানসমূহ অনুষ্ঠান সম্প্রচাৰৰ এটা গণমুখী উপায় হিচাপেও গণ্য কৰিব পাৰি। মনোৰঞ্জন স্বভাৱজাতভাৱে

যোগাযোগমূলক, আৰু যদি সম্প্রচাৰে যোগাযোগ কার্য সম্পাদন নকৰে, তেন্তে ইয়াৰ উদ্দেশ্য সাধন কমকৈ হয়। অৱশ্যে মনোৰঞ্জনৰ মানদণ্ড বহু পৰিমাণে ভিন্ন হ'ব পাৰে। ই দর্শকৰ ৰুচি অনুযায়ী পৃথক হয়। ই সমসাময়িকভাৱে সাংস্কৃতিক দিগন্তৰ উন্মেষ কৰি মানুহৰ ৰুচিবোধ, দৃশ্য আৰু শ্রাব্য অভিজ্ঞতাক সমৃদ্ধ তথা উন্নিত কৰিবলৈও চেষ্টা কৰাৰ ক্ষেত্রত লক্ষ্য ৰাখিব লাগে।

আকাশবাণীৰ অনুষ্ঠান পৰিকল্পনা

ইয়াত বক্তৃতা, আলোচনা, সাক্ষাৎকাৰৰ আদিৰ ব্যৱস্থা নিয়মিতভাৱে কৰা হয় যাতে ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বিষয়সমূহৰ ওপৰত সকলো ধৰণৰ মতামতৰ ছাঁ পৰে।

ৰেডিঅ' নাটকসমূহ অনাতাঁৰ কেন্দ্রৰ এক গুৰুত্ব অনুষ্ঠান। ইয়াৰ সাধাৰণ কার্যসূচীৰ লগতে নির্দিষ্ট কার্যসূচীৰ গোটসমূহৰ ই এক গুৰুত্বপূর্ণ উপাদান। ৰেডিঅ'ৰ অন্যান্য অনুষ্ঠান, তথ্যচিত্র আদিৰ অন্য পৰিকল্পনা থাকে, য'ত এটা অনুষ্ঠানৰ শব্দ বিন্যাসৰ সমগ্র পৰিসৰ সামৰি লোৱা হয়, যেনে, কথিকা সংগীতানুষ্ঠান, নাটক, সাক্ষাৎকাৰ, কবিতা, ইত্যাদি।

প্রায় সকলো অনাতাঁৰ কেন্দ্রৰ পৰাই গ্রাম্য শ্রোতাৰ বাবে বিভিন্ন ভাষাত তথা স্থানীয় উপভাষাত শিক্ষামূলক, তথ্য সম্বন্ধীয় সহায়, কৃষি আৰু গ্রাম্য উন্নয়ন সম্পর্কীয় কার্যসূচী সম্প্রচাৰ কৰা হয়।

সকলো অনাতাঁৰ কেন্দ্রৰ পৰা মহিলাৰ বাবে বিশেষ অনুষ্ঠান সম্প্রচাৰ কৰা হয়। এই কার্যসূচীসমূহ বিশেষকৈ গৃহিণী আৰু কর্মৰত মহিলাসকলৰ বাবে সম্প্রচাৰিত হয় এইবিলাক অনুষ্ঠানে মনোৰঞ্জনৰ উপৰিও তথ্যমূলক আৰু শিক্ষামূলক বিষয়বস্তুও সম্প্রচাৰ কৰে। ইয়াৰ উপৰি সম্প্রচাৰিত হোৱা আন অনুষ্ঠানসমূহৰ ভিতৰত স্বাস্থ্য, পৰিয়াল কল্যাণ, ঘৰুৱা কাম-কাজ, পুষ্টি আৰু শ্রমিক তথা মহিলা সমস্যা ইত্যাদি বিষয়ক অনুষ্ঠান প্রধান।

শিশুৰ বাবে প্রচাৰিত কার্যসূচীত মূলত ১৪ বছৰ বয়সলৈকে শিশুক লক্ষ্য কৰি লোৱা হয়। অনাতাঁৰৰ শিক্ষামূলক কার্যসূচীসমূহে প্রাথমিক, মাধ্যমিক, স্নাতক আৰু বিশ্ববিদ্যালয় পর্যায়তলৈ এক বহল পৰিসৰক সামৰি লয়। ইয়াৰ উপৰিও ইয়াত শিক্ষকৰ বাবে বিকাশৰ কার্যসূচীও সম্প্রচাৰ কৰা হয়।

ক্রীড়া সম্পর্কীয় অনুষ্ঠানসমূহ শ্রোতা সকলৰ মাজত অতি জনপ্রিয়, ই অনাতাঁৰ কার্যসূচীৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। সকলো আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয়, আঞ্চলিক আৰু স্থানীয় পর্যায়ৰ গুৰুত্বপূর্ণ খেলৰ অনুষ্ঠানসমূহৰ প্রতিবেদন, খেল চলি থকা সময়তে প্রদান কৰা মন্তব্য ৰেডিঅ'ৰ জৰিয়তে সম্প্রচাৰ কৰা হয়।

যুৱবাণীয়ে ১৫-৩০ বয়স গোটৰ যুৱক-যুৱতীসকলৰ প্রয়োজন আৰু ৰুচি অনুসৰি অনুষ্ঠান সম্প্রচাৰ কৰে। এই অনুষ্ঠানবোৰ বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে- আলোচনা, সাক্ষাৎকাৰ,

সংগীতানুষ্ঠানে আকাশবাণী অনুষ্ঠানৰ মুঠ শতাংশৰ প্রায় ৫০ শতাংশ স্থান অধিকাৰ কৰে।

নাটক আৰু সংগীতানুষ্ঠান ইত্যাদি। ইয়াৰ বৈশিষ্ট্য এয়াই যে ইয়াক যুৱ প্রজন্মৰ দ্বাৰা আৰু যুৱপ্রজন্মৰ বাবে প্রস্তুত তথা উপস্থাপন কৰা হয়।

কিছু সংখ্যক আকাশবাণী কেন্দ্রই জ্যেষ্ঠ নাগৰিকসকলৰ বাবে (বয়সস্থ লোক) প্রতি সপ্তাহত ৩০ মিনিটৰ বাবে অনুষ্ঠান সম্প্রচাৰ কৰে। একেদৰে, প্রায় ৩০ মিনিটৰ বাবে ঔদ্যোগিক শ্রমিকসকলৰ বাবে আঞ্চলিক ভাষাতো অনুষ্ঠান সম্প্রচাৰ কৰা হয়।

আলোচনাধর্মী অনুষ্ঠান যেনে— ফোন-ইন অনুষ্ঠান, ৰেডিঅ' সেতু, ভইচ মেইল কার্যসূচীৰ বাহিৰেও শেহতীয়া উদ্ভাৱন 'জনসাধৰণৰ মঞ্চ' অনুষ্ঠানৰ সম্প্রচাৰ। ফোন-ইন-প্রগ্রেমত শ্রোতাসকলে অনুষ্ঠান সম্প্রচাৰ হৈ থকা সময়ত ফোন কৰে। সম্প্রচাৰৰ সময়ত কেন্দ্রৰ এটা নির্দিষ্ট টেলিফোন নম্বৰত শ্রোতাই প্রশ্ন সুধিব পাৰে আৰু সম্প্রচাৰ কেন্দ্রৰ বিশেষজ্ঞসকলে ততালিকে শ্রোতাৰ প্রশ্নৰ উত্তৰ দিয়ে। সমগ্র যোগাযোগ অনুষ্ঠান চলি থকা সময়ত একেলগেই হয়।

ভইচ মেইল হৈছে আন এক সেৱাৰ সুবিধা, য'ত মানুহে টেলিফোন কৰি তেওঁলোকৰ অনুৰোধ, অভিযোগ, পৰামর্শ আৰু প্রশংসা ইত্যাদি বাণীবদ্ধ কৰিব পাৰে। এই বার্তাবোৰ পিছত উদ্ধাৰ কৰা হয় আৰু এটা বিশেষ ভইচ মেইল অনুষ্ঠানত তেওঁলোকৰ প্রশ্নৰ উপযুক্ত উত্তৰ আকৌ সম্প্রচাৰ কৰা হয়।

'ৰেডিঅ' ব্রীজ' বিশেষ উপলক্ষত অনুষ্ঠিত হোৱা অনুষ্ঠান, ই পোনপটীয়া ভাৰে সম্প্রচাৰিত হয়। উপগ্রহৰ জৰিয়তে অনাতাঁৰ কেন্দ্রসমূহ সংযুক্ত কৰি দেশৰ বিভিন্ন প্রান্তৰ শ্রোতাকে ধৰি অংশগ্রহণকাৰীসকলক মাজত এক পোনপটীয়া কথা-বতৰাৰ কার্যসূচী উপস্থাপন কৰা হয়। বর্তমান ২০টা অনাতাঁৰ কেন্দ্রত এই সুবিধা আছে।

উপগ্রহৰ সুবিধা ব্যৱহাৰ কৰি আকাশবাণীয়ে কেবল বিতৰণৰ বাবে ২০টা অনাতাঁৰ কেন্দ্রৰ ব্যৱস্থা কৰিছে। ইয়াক ফলপ্রসূ কৰিবলৈ ১৯৯৪ চনৰ ৰ এপ্রিলৰ পৰা এই ব্যৱস্থা কার্যকৰী হয়। গ্রাহকসকলে তেওঁলোকৰ ঘৰুৱা এফ এমত ৰিচিভাৰৰ জৰিয়তে স্কাই ৰেডিঅ'ৰ কেন্দ্রসমূহ লাভ কৰিব পাৰে।

৫.৬.২ বিভিন্ন ৰেডিঅ' অনুষ্ঠান

বাতৰি অনুষ্ঠান

বাতৰি ঃ ই কোনো এক সাম্প্রতিক পৰিঘটনা সংক্রন্তীয় নতুন তথ্যৰ পৰিবেশন এয়া। শেহতীয়াকৈ ঘটা হ'ব লাগিব আৰু শ্রোতাৰ জ্ঞাত হ'ব নালাগিব।

ই দুই প্রকাৰৰ-

- হার্ড নিউজ ঃ ই হৈছে সংঘটিত হোৱা গুৰুত্বপূর্ণ পৰিঘটনাৰ প্রতিবেদন।
- চফ্‌ট নিউজ ঃ ই অধিক তথ্যমূলক প্রকৃতিৰ বাতৰি ই কঠিন খবৰ দৰে গুৰুত্বপূর্ণ নহয় ।

আকাশবাণীত খবৰ

আকাশবাণীৰ বাতৰি বিভাগে (এন এছ ডি) ভাৰত আৰু বিদেশৰ শ্রোতাৰ বাবে বাতৰি তথা মন্তব্য সম্প্রচাৰ কৰে। ৰেডিঅ'ৰ বাতৰিয়ে দেশৰ বিভিন্ন অঞ্চলত সংঘটিত হোৱা উন্নয়নৰ শেহতীয়া তথ্যৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ ক্ষেত্রত সদায় আগস্থান লৈ আহিছে। আকাশবাণীয়ে বর্তমান সময়ত দৈনিক ৯২টা ভাষা/উপভাষাত ৬০৭টা গৃহ, আঞ্চলিক আৰু বাহ্যিক সেৱাসমূহৰ বিষয়ে মুঠ ৬০ ঘণ্টাৰ বুলেটিন সম্প্রচাৰিত কৰে।

ইয়াৰে দিল্লীৰ পৰা গৃহ সেৱাত দৈনিক ইংৰাজী, হিন্দী আৰু অন্যান্য ভাৰতীয় ভাষাত ১২৯টা বুলেটিন সম্প্রচাৰিত কৰা হয়। ৪৬টা আঞ্চলিক বাতৰি ইউনিটে (আৰ এন ইউ) ৯২ টা ভাষাত ৪৭৮টা দৈনিক বাতৰিৰ বুলেটিন সম্প্রচাৰ কৰে। ইয়াৰ ভিতৰত ২২টা এয়াৰ ষ্টেচনৰ পৰা এফ এম 'গোল্ড' চেনেলে একচেটিয়াভাৱে সংযুক্ত কৰা বাতৰি বুলেটিনো অন্যতম।

দৈনিক বাতৰি বুলেটিনৰ উপৰিও বাতৰি সেৱা বিভাগে দিল্লী আৰু আন কিছুমান আঞ্চলিক শাখাৰ পৰা প্রতিদিনে সমসাময়িক বিষয়ৰ ওপৰত কেইবাটাও বাতৰিভিত্তিক অনুষ্ঠান সংযুক্ত কৰে।

প্রথম অসমীয়া বাতৰি বুলেটিন আকাশবাণী দিল্লীৰ পৰা সম্প্রচাৰিত হৈছিল, ১ এপ্রিল, ১৯৪৮ত। আঞ্চলিক বাতৰি শাখা গুৱাহাটী প্রতিষ্ঠা হোৱাৰ পিছত ১৫ মে, ১৯৫৭ তাৰিখে এই কেন্দ্রৰ পৰা অসমীয়াত প্রথম বাতৰি সম্প্রচাৰ হৈছিল। বর্তমান আকাশবাণী গুৱাহাটীয়ে দৈনিক পাঁচখন বুলেটিন অসমীয়াত তথা এখনকৈ বড়ো, কার্বি আৰু নেপালী ভাষাত সম্প্রচাৰ কৰে।

(তথ্য-প্রচাৰ ভাৰতীৰ ৰেবচাইট, জুলাই, ২০২৩)

নিউজ ৰিল

নিউজ ৰিল বিস্তৃতভাৱে হার্ড নিউজ উপস্থাপন কৰাৰ এক শৈলী। বিভিন্ন বাতৰি সঁজুলিৰ সহায়ত ইয়াৰ সম্প্রচাৰ কৰা হয়। যেনে, প্রত্যক্ষদর্শীৰ বিৱৰণী, বাতৰিত প্রকাশ পোৱা কোনো আগশাৰীৰ গণ্যমান্য ব্যক্তিৰ ভাষণৰ উদ্ধৃতি, বাতৰি, বক্তৃতা, ধাৰাবাহিক ইত্যাদিৰ উৎসৰ সৈতে জড়িত এটা শব্দৰ প্রভাৱ ইত্যাদি। ১৫ মিনিট বা তাতকৈ অধিক সময়ৰ দৈনিক নিউজৰিল বাতৰি সম্প্রচাৰৰ এটা জনপ্রিয় ৰূপ।

সাধাৰণ কার্যসূচীৰ বিন্যাস

আন সকলো সংবাদ মাধ্যমৰ দৰেই শ্রোতাৰ দৃষ্টি আকর্ষণ কৰিবলৈ ৰেডিঅ'য়ো বিভিন্ন আকর্ষণীয় বিন্যাসৰ উদ্ভাৱন কৰিছে যিবোৰৰ দ্বাৰা শ্রোতাসকলৰ সর্বোত্তম সন্তুষ্টিৰ বাবে সৃষ্টিশীল সম্প্রচাৰকসকলে বিষয়বস্তু প্রদান কৰে।

ঘোষণা/ তথ্য

এইটো শ্রোতা বিশেষক বা শ্রোতাৰ গোটক দিয়া পোনপটীয়া তথ্য, যেনে ৰেলৰেৰ সময়, বতৰৰ প্রতিবেদন, যান-জঁট ইত্যাদি।

বার্তা

যেতিয়া প্রধানমন্ত্রী আৰু ৰাষ্ট্রপতিৰ দৰে বিশেষ শ্রেণীৰ ব্যক্তিয়ে ৰেডিঅ'ৰ গুৰুত্বপূর্ণ অনুষ্ঠানৰ জৰিয়তে জনসাধাৰণক সম্বোধন কৰে।

ৰেডিঅ'ৰ প্রতিবেদন

গুৰুত্বপূর্ণ এটা পৰিঘটনা যি বিষয়ত অধিক বিশদভাৱে ৰিপর্ট কৰাটো প্রয়োজনীয়, তাক এই বিন্যাসৰ অধীনত সামৰি লোৱা হৈছে।

প্রত্যক্ষদর্শীৰ সাক্ষী

একেটা স্থানৰ পৰা হোৱা এটা পৰিঘটনাৰ প্রথম ব্যক্তিৰ বিৱৰণী।

সংক্ষিপ্ত বিৱৰণ

এই বিন্যাস যিকোনো পৰিঘটনাৰ চমু বিৱৰণৰ বাবে ব্যৱহাৰ কৰা হয়। উদাহৰণ, - বিধানসভাৰ প্রতিবেদন।

চলন্ত বিৱৰণ

এই বিন্যাসৰ অধীনত ক্রীড়াৰ লগতে অন্যান্য অনুষ্ঠানসমূহ পোনপটীয়া সম্প্রচাৰত সাঙুৰি লোৱা হয়।

ভ্রমণ কাহিনী

কোনো ব্যক্তিৰ ভ্রমণৰ অভিজ্ঞতাৰ বিৱৰণী।

জিংগলছ

এই বিন্যাস কম সময়ৰ ভিতৰত বাণিজ্য সম্বন্ধীয় তথ্য বা কোনো সামগ্রী বা সেৱাৰ বিষয়ে শ্রোতাক অৱগত কৰিবলৈ ব্যৱহাৰ কৰা হয়। ই জনসেৱা বা বাণিজ্যিক বিজ্ঞাপন হ'ব পাৰে।

তথ্যচিত্র আৰু কথাচিত্র অকাল্পনিক কাহিনীৰ এক সৃষ্টিশীল ৰচনা। উন্নয়নমূলক বিষয়বস্তু, ঐতিহাসিক দৃষ্টিভংগী, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু পৰিঘটনা, সংগ্রহ মূল্যৰ বিষয়সমূহ সাধাৰণতে তথ্যচিত্রৰ আকাৰত উপস্থাপন কৰা হয়। কথাচিত্রসমূহে বাস্তৱিক অভিলেখৰ ওপৰত নির্ভৰ কৰে যদিও ইয়াত নাটকীয়তা, কাল্পনিকতা আৰু আৱেগিক সৃষ্টিশীলতা থাকে। এই বিন্যাসত সকলো সম্ভাব্য ৰেডিঅ' শৈলী লগ হয় যেনে— কবিতা, সংগীত, কথা আৰু শব্দ। এই সকলোবোৰ একত্রিত কৰি শ্রোতাসকলক অৱগত কৰোৱা, মনোৰঞ্জন দিবলৈ বা অনুপ্রাণিত কৰিবলৈ প্রয়াস কৰা হয়।

এই দুয়োটাৰ সংমিশ্রণে আন এটা বিন্যাস সৃষ্টি কৰে যাক 'চিত্র নাট্য' বুলি কোৱা হয়। ৩০ মিনিটমান সময়ৰ কিছুমান ৰেডিঅ' অনুষ্ঠান থাকে যিবোৰক কোনো নির্দিষ্ট গোটৰ অন্তর্ভুক্ত কৰিব নোৱাৰি, সেইবোৰ সংমিশ্রিত অনুষ্ঠান যেনে বক্তৃতা, সাক্ষাৎকাৰ, ঠাইতে প্রতিবেদন, প্রত্যক্ষদর্শী পৰিঘটনাৰ বিৱৰণ, ধাৰাবাহিক, সংগীত আৰু আন বহুতো। তেনে অনুষ্ঠানবোৰক আলোচনী বুলি কোৱা হয়। এই কার্যসূচী সাধাৰণতে বিশেষ দর্শকৰ উদ্দেশ্য কৰা হয়। উদাহৰণস্বৰূপে, মহিলা, উদ্যোগিক শ্রমিক আৰু কৃষক ইত্যাদি। ৰেডিঅ' নাটক হৈছে ৰেডিঅ'ৰ জৰিয়তে শ্রাব্য কাহিনী কোৱাৰ এক প্রকাৰ। কোনো দৃশ্য নোহোৱাকৈ ৰেডিঅ' নাটক সংলাপ, সংগীত আৰু শব্দ আদি উপাদান, প্রভাৱৰ ওপৰত নির্ভৰ কৰে। ই শ্রোতাক কাহিনীটো কল্পনা কৰাত সহায় কৰে।

সাক্ষাৎকাৰ ঃ সাক্ষাৎকাৰ হ'ল আনুষ্ঠানিক/অ-আনুষ্ঠানিক সংলাপ, য'ত সাক্ষাৎকাৰ লোৱা ব্যক্তিজনে সাক্ষাৎকাৰ গ্রহণ কৰা ব্যক্তিজনৰ পৰা কিছু তথ্য/মন্তব্য/প্রতিক্রিয়া লাভ কৰিবলৈ চেষ্টা কৰে।

ৰেডিঅ' সাক্ষাৎকাৰ দুবিধ—

১। ব্যক্তিত্বৰ সাক্ষাৎকাৰ, যিয়ে সাক্ষাৎকাৰ গ্রহণ কৰা ব্যক্তিৰ ব্যক্তিত্বক প্রতিস্ফূত কৰে। ইয়াত ব্যক্তিগৰাকীয়ে তেওঁৰ জীৱনৰ বিষয়ে কিছু কথা কয়।

২। তথ্যৰ সাক্ষাৎকাৰ, যিয়ে তথ্য প্রদান কৰে।

সাক্ষাৎকাৰৰ প্রকাৰ ঃ

- আনুষ্ঠানিক
- অনানুষ্ঠানিক
- অর্ধ-আনুষ্ঠানিক

সাক্ষাৎকাৰৰ প্রকৃতি ঃ

- সংঘাতপূর্ণ
- কোমল
- বন্ধুসুলভ
- মনোৰঞ্জনধর্মী

সঠিক প্রশ্নটো সঠিকভাৱে সোধাটোৱেই হৈছে এটা ভাল সাক্ষাৎকাৰৰ মূল কথা। ইয়াৰ বাবে বহুতো গৱেষণা আৰু পৰিকল্পনাৰ প্রয়োজন। সাক্ষাৎকাৰৰ উদ্দেশ্য সাধনৰ বাবে প্রশ্নসমূহ নির্ধাৰিত কৰি লোৱা উচিত।

কথিকা

কথিকা হৈছে ৰেডিঅ'ৰ মাধ্যমেৰে কথা-বতৰা সম্প্রচাৰৰ এক প্রাচীন ৰূপ। ৰেডিঅ'ৰ আলোচনা বা কথিকা, বক্তৃতা বা ৰাজহুৱা ভাষণ নহয় ই এক পোনপটীয়া ৰচনা, এটা

বিষয়ৰ ওপৰত সহজ, নিখুঁত বন্ধুত্বপূর্ণ আড্ডা। ইয়াৰ আৰম্ভণি মধ্য আৰু শেষ স্পষ্ট। ইয়াত বিষয় এটাৰ লগত শ্রোতাক শ্রুতিমধুৰভাৱে পৰিচয় কৰাই দিয়া হয় আৰু সহজভাৱে বুজাই দিয়া হয়। এনেদৰে ইয়াৰ যুক্তিসমূহ আগবঢ়াই নিয়া হয় আৰু তাৰ পাছত ক'ব বিচৰা কথাখিনি সামৰি লোৱা হয়। ৰেডিঅ'ৰ কথিকাই জটিল পৰিসংখ্যা এৰাই চলে। সংখ্যাসমূহ বুজিবলৈ সহজ হোৱাকৈ সৰলীকৰণ কৰা হয়।

আলোচনা

সাধাৰণতে যেতিয়া দুজন বা তাতকৈ অধিক ব্যক্তিৰ এটা বিষয়ৰ ওপৰত দৃষ্টিভংগীৰ সংঘাত থাকে তেতিয়া এই সজ্বা ব্যৱহাৰ কৰা হয়। মধ্যস্থতাকাৰীয়ে সময়সীমাৰ প্রতি লক্ষ্য ৰাখি অপ্রাসংগিকতা এৰাই চলিব পৰাকৈ প্রবাহটোক কেনেদৰে আগবঢ়াই লৈ যাব পাৰি, তাৰ দায়িত্ব গ্রহণ কৰে।

মতামত/ সাধাৰণ বিচাৰ ধাৰা (vox pop)/ ফোন-ইন

এই অনুষ্ঠান অংশগ্রহণমূলক প্রকৃতিৰ। এই শ্রেণীৰ অধীনত প্রতিক্রিয়া, উত্তৰ আৰু শ্রোতাৰ চিঠিবোৰ পৰে। বহুতো উন্নয়নমূলক কাম, যেনে উদ্বোধনী বা পতাকা উত্তোলন ইত্যাদি কার্যই সাধাৰণ মানুহৰ মাজত ইতিবাচক আৰু নেতিবাচক প্রতিক্রিয়াৰ সৃষ্টি কৰে। ইয়াৰ প্রতিক্রিয়াসমূহ তৎক্ষণিকভাৱে বাণীবদ্ধ কৰি প্রচাৰ কৰা হয়। ইয়াৰে বেছিভাগেই পোনপটীয়াভাৱে প্রচাৰিত হয়।

'ফোন-ইন' হৈছে আন এক আকর্ষনীয় অনুষ্ঠান য'ত শ্রোতাই জনস্বার্থৰ বিষয় সম্বন্ধীয় কথা পাতিবলৈ আমন্ত্রণ জনোৱা এজন ৰেডিঅ' অতিথি/বিশেষজ্ঞৰ সৈতে প্রত্যক্ষভাৱে যোগাযোগ কৰিব পাৰে।

ইয়াৰোপৰি অন্য বিভিন্ন অনুষ্ঠান আছে যেনে বিভিন্ন ধৰনৰ মনোৰঞ্জনধর্মী অনুষ্ঠান, আমন্ত্রিত দর্শকৰ অনুষ্ঠান, বাতৰি, বাহিৰৰ সম্প্রচাৰ (O.B) অনুষ্ঠান, বিশেষ দর্শক যেনে যুৱক-যুৱতী, মহিলা আৰু অন্যান্যৰ বাবে প্রচাৰিত কার্যসূচী ৰেডিঅ'ত সম্প্রচাৰ হয় ।

উপস্থাপনৰ কৌশল

উপস্থাপকৰ ভূমিকা হ'ল এটা বা ততোধিক ৰেডিঅ' অনুষ্ঠানৰ জৰিয়তে বার্তাসমূহ শ্রোতাসকলৰ মাজলৈ প্রেৰণ কৰা।

ঘোষণা

ঘোষকৰ কাম হ'ল কার্যসূচীসমূহ আকর্ষণীয়ভাবে কৰাৰ উদ্দেশ্যেৰে ঘোষণা কৰা। ঘোষণাই কোনো এক বিক্রী কৰিবলগীয়া বস্তুক সজায় পৰাই তোলাৰ দৰে কাম কৰে।

তুলনা কৰা

এগৰাকী তুলনাকর্তা ব্যক্তি ঘোষক আৰু আতঁ ধৰোতাৰ পৰা অলপ পৃথক। এগৰাকী

তুলনাকর্তা তেওঁ উপস্থাপন কৰা অনুষ্ঠানটোৰ এটা অংশ। তেওঁ মালাৰ বাবে ফুলবোৰক সংযোগ কৰা সূতাৰ দৰে কাম কৰে। এগৰাকী তুলনাকর্তাই ঘোষকৰ দৰেই কাম কৰে, পার্থক্য ইমানেই যে, তেওঁ কার্যসূচীৰ অবিচ্ছেদ্য অংশ হিচাপে অংশগ্রহণ কৰে। এইদৰে এগৰাকী তুলনাকর্তাই তেওঁ উপস্থাপন কৰা অনুষ্ঠানটো তথা ইয়াত থকা বিভিন্ন উপাদানৰ সৈতে ব্যক্তিগত সংযোগ স্থাপন কৰে।

সংগীতৰ উপস্থাপন

এগৰাকী সংগীত উপস্থাপকৰ বাবে বিভিন্ন ধৰণৰ সংগীতৰ মাজত থকা পার্থক্যৰ বিষয়ে সম্যক জ্ঞান থকাটো নিতান্ত প্রয়োজনীয়। এনে অনুষ্ঠানত গীতিকাৰ সম্বন্ধীয় বিভিন্ন তথ্য বা অন্যান্য আকর্ষনীয় তথ্য গীতসমূহ বজায় থকাৰ মাজে মাজে পৰিবেশন কৰা হয়।

আমন্ত্রিত দর্শক অনুষ্ঠান

এনে অনুষ্ঠানৰ উপস্থাপকজনৰ ভাষা সাৱলীল হোৱাটো প্রয়োজনীয়। তেওঁৰ চলাই থকা কার্যসূচীৰ ইতিহাস আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান থকাটো অতি আৱশ্যকীয়। উপস্থাপকজন হাস্যৰসিক হোৱাটো প্রয়োজনীয় যিয়ে উপস্থাপনটো সজীৱ কৰি তুলিব পাৰে। তেওঁ কোনো এটা পৰিস্থিতিত শালীনতাৰে পৰিস্থিতিয়ে দাবী কৰা ধৰণেৰে প্রতিক্রিয়া প্রকাশ কৰিব পাৰিব লাগে।

চলন্ত বিৱৰণ কৌশল বা পৰিঘটনা। ক্রিকেট খেলৰ পোনপটীয়া খবৰ, গণৰাজ্য দিৱসৰ পেৰেডৰ খবৰ আৰু অন্যান্য কিছু পোনপটীয়া অনুষ্ঠানৰ খবৰ দিয়া আদি এই শ্রেণীৰ অন্তর্গত।

ৰেডিঅ' জকী

ৰেডিঅ' জকী কোনো সুনির্দিষ্ট নিয়ম নথকা অনুষ্ঠানৰ উপস্থাপক। এগৰাকী ৰেডিঅ' জকীয়ে শ্রোতাৰ সৈতে মুক্তভাৱে সহজ শৈলীত কথা পাতে। কেতিয়াবা অগতানুগতিকভাৱে কথা পাতিলেও তেওঁ শালীনতাৰ সীমা অতিক্রম নকৰে। এজন ৰেডিঅ' জকীয়ে পৰম্পৰাগত শ্রোতাসকলৰ বিপৰীতে আধুনিক শ্রোতাসকলও কাষ চাপে আৰু সেয়ে যুৱক-যুৱতীসকলৰ মাজত জনপ্রিয় হয়।

ঘোষক

ঘোষকে কথনৰ ব্যৱহাৰৰ জৰিয়তে বিভিন্ন ধৰণৰ অনুষ্ঠানক সংযুক্ত কৰে। ঘোষক এগৰাকীয়ে কেৱল উপস্থাপন কৰিবলগীয়া অনুষ্ঠানটোৰ নান্দনিকতা বৃদ্ধিৰ বাবেহে কাম কৰে ।

ৰেডিঅ'ৰ বাবে লেখন

ৰেডিঅ' লেখন আন সংবাদ মাধ্যমৰ বাবে লিখা লেখনতকৈ পৃথক। এখন লেখন প্রায় সকলো ৰেডিঅ' অনুষ্ঠানৰ বাবে সদায় অপৰিহার্য। ৰেডিঅ'ৰ কিছু অনন্য কাৰিকৰী

বৈশিষ্ট আছে, যেনে কঠোৰ সময়সীমা। ইয়াৰ বাবে এক ভিন্ন পন্থা বা শৈলীৰ প্ৰয়োজন। ৰেডিঅ' লেখন মূলতঃ শুনিবলৈ লিখা হয়। কাৰণ এগৰাকী শ্ৰোতাই এটা অনুষ্ঠান শুনাৰ সময়ত মনতে এখন ছবিৰ সৃষ্টি কৰে। সেয়েহে, ৰেডিঅ'ৰ বাবে লিখাটো যিমান পাৰি বৰ্ণনাত্মক হোৱাটো প্ৰয়োজন।

কিছুমান নিয়ম

ক) যিবোৰ শব্দ দৈনন্দিন ব্যৱহাৰত থাকে তেনে শব্দ ব্যৱহাৰ কৰিব লাগে অৰ্থাৎ কথা কোৱাৰ ভাষা এনে হ'ব লাগে যে গৰিষ্ঠসংখ্যক লোকে সহজেই বুজি পায়।

খ) বাক্যবোৰ চুটি আৰু সবল হ'ব লাগে।

গ) নিৰ্ভৰশীল বাক্য আৰু আড়ম্বৰপূৰ্ণ ওলোটা বাক্য পৰিহাৰ কৰিব লাগে।

ঘ) বৰ্ণনাত্মক শৈলী ব্যৱহাৰ কৰিব লাগে ।

ঙ) ৰেডিঅ' লেখন লিখাৰ সময়ত বাক্যৰ ছন্দৰ কথা মনত ৰাখিব লাগে।

চ) বাক্যবোৰ সহজে বুজিব পৰা হ'ব লাগে আৰু বেছি দীঘল আৰু মেৰ-পেচ থকা হ'ব নালাগে।

ছ) ৰেডিঅ'ত বৰ্তমানত চলি থকা এটা উপাদান প্ৰদৰ্শন কৰিব লাগে। গতিকে এই লেখন বৰ্তমান কালত লিখা হ'ব লাগে।

জ) সৰু সৰু কথাবোৰ এৰাই চলি ধাৰণাটো পোনপটীয়াকৈ প্ৰকাশ কৰা উচিত।

ঝ) প্ৰতিটো বাক্যত এটা ধাৰণাৰ উপস্থাপন হ'ব লাগে।

ঞ) দশমিক বিন্দুলৈকে থকা সংখ্যা পৰিহাৰ কৰি শ্ৰোতাৰ সুবিধাৰ বাবে সংখ্যাবোৰ গোটা কৰি লোৱা উচিত।

ট) 'ওপৰৰ', 'পূৰ্বতে উল্লেখ কৰা', 'পৰৱৰ্তী', 'তলত' আদি শব্দবোৰ পৰিহাৰ কৰা উচিত।

ঠ) সহজ শব্দ ব্যৱহাৰ কৰিব লাগে আৰু যিমান পাৰি শব্দজাল এৰাই চলিব লাগে।

৫.৬.৩ ৰেডিঅ'ত অসমীয়া অনুষ্ঠান

১৯৩৯ চনত আকাশবাণীৰ কলিকতা কেন্দ্ৰৰ পৰা প্ৰথম অসমীয়া ৰেডিঅ' অনুষ্ঠান সম্প্ৰচাৰ কৰা হৈছিল। তেতিয়া ৰেকৰ্ডিং ব্যৱস্থা উপলব্ধ নাছিল আৰু সকলো অনুষ্ঠান পোনপটীয়াকৈ সম্প্ৰচাৰিত হৈছিল। পোনপ্ৰথমে চৰ্ট ৱেভ (SW) ১০ মিনিটৰ বাবে সম্প্ৰচাৰ কৰা হৈছিল। ১৯৪৩ চনৰ পৰা ১৯৪৮ চনলৈ, অল ইণ্ডিয়া ৰেডিঅ', শ্বিলং-গুৱাহাটী প্ৰতিষ্ঠা হোৱালৈকে কাৰ্যসূচীটো প্ৰথমে দৈনিক ১৫ মিনিটকৈ সপ্তাহত দুবাৰকৈ সম্প্ৰচাৰ কৰা হৈছিল আৰু তাৰ পাছত ২০ মিনিটকৈ সপ্তাহত তিনিবাৰ আৰু তাৰ পাছত আকৌ ৩০ মিনিট সময় সম্প্ৰচাৰিত হৈছিল। গীতিকাৰ তথা সুৰকাৰ কমল



ইউ. এল. বৰুৱা তেওঁৰ কিতাপ 'This is All India Radio'ৰ বাবে পৰিচিত।

নাৰায়ণ চৌধুৰী আৰু লগতে পুৰুষোত্তম দাসে কলিকতাত অসমীয়া কার্যসূচীৰ তদাৰক কৰিছিল। পাছলৈ উবেদুল লতিফ বৰুৱাই (যি আকাশবাণীৰ সর্ব্বোচ্চ পদ সঞ্চালক প্রধান হিচাপে অৱসৰ গ্রহণ কৰি কেন্দ্রটোত যোগদান কৰে। ইউ. এল. বৰুৱা তেখেতৰ গ্রন্থ 'This is All India Radio'ৰ বাবে পৰিচিত। গ্রন্থখনত তেখেতে আকাশবাণীৰ বিকাশ আৰু ইতিহাসৰ বিশদ বিৱৰণ দিছে।

যদিও অসমীয়া অনাতাঁৰ অনুষ্ঠানৰ যাত্রা আৰম্ভ হৈছিল কলিকতাত ১৯৪৩ চনতে, কিন্তু সম্প্রচাৰ সঁচা অর্থত অসমত ৰেডিঅ' কেন্দ্রৰ উদ্বোধনী অনুষ্ঠান হোৱাৰ পিছতহে আৰম্ভ হৈছিল।

১৯৪৮ চনৰ ১ জুলাইৰ পৰা এ আই আৰ গুৱাহাটী আৰম্ভ হৈছিল। উদ্বোধনীৰ সময়লৈ কেন্দ্রটোৰ নাম এ আই আৰ শ্বিলং-গুৱাহাটীয়ে আছিল। দুয়োটা কেন্দ্র একেলগে থকাটোৱেই ইয়াৰ প্রধান কাৰণ আছিল। এটা শ্বিলঙত, তেতিয়া অসমৰ ৰাজনৈতিক ৰাজধানী আছিল শ্বিলং। আনহাতে অসমৰ সাংস্কৃতিক ৰাজধানী আছিল গুৱাহাটীত। পোনপ্রথমে একে ধৰণৰ অনুষ্ঠানসমূহ টেলিফোন লাইনৰ দ্বাৰা সংযুক্ত কৰি একেবোৰ অনুষ্ঠানে সম্প্রচাৰ কৰা হৈছিল। প্রধান কেন্দ্রটো আছিল শ্বিলঙত। সাংস্কৃতিকভাৱে সুপৰিচিত কিছুমান ব্যক্তি যেনে- ইউ.এল. বৰুৱা, পুৰুষোত্তম দাস, ড° ভূপেন হাজৰিকা, ফণী তালুকদাৰ, বীৰেন্দ্র কুমাৰ ফুকন, চৈয়দ আব্দুল মালিক ,মৃগেন্দ্র নাথ ৰায়চৌধুৰী, অৱনী কুমাৰ দাস, নাৰায়ণ বেজবৰুৱা, ৰৌছান আৰা খাতুন, ৰঞ্জন বৰা, সত্য প্রসাদ বৰুৱা আদি তাৰকা সদৃশ ব্যক্তিসকল তেতিয়াৰ অসমৰ সাংস্কৃতিক ৰাজধানী গুৱাহাটীত প্রথম দলৰ প্রগ্রেমিং অফিচাৰ আছিল। তাৰ পিছত প্রথমটো দলটোৰ নেতৃত্ব দিয়ে কেন্দ্র সঞ্চালক মেহৰা মাছানীয়ে। সেই সময়ৰ ঘোষকসকল পদ্ম বৰকটকী, আন্তঃৰাষ্ট্রীয় খ্যাতিসম্পন্ন অভিনেত্রী জ্ঞানদা কাকতি আৰু গীতিকাৰ শিৰ ভট্টাচার্যৰ দৰে সুপৰিচিত ব্যক্তিত্ব আছিল। তেওঁলোকৰ নেতৃত্বতেই অসমীয়া অনুষ্ঠানসমূহ শক্তিশালীভাৱে সম্প্রচাৰ হ'বলৈ ধৰে।

১৯৫৩ চনত গুৱাহাটীৰ কেন্দ্রটোত এটা শক্তিশালী ট্রেন্সমিটাৰ স্থাপন কৰা হয় আৰু ইয়াৰ নাম সলনি কৰি "আকাশবাণী-গুৱাহাটী" নামেৰে নামাকৰণ কৰা হয়। শ্বিলঙৰ পৰা গুৱাহাটীলৈ ইয়াৰ মুখ্য কার্যালয় স্থানান্তৰ কৰা হয়। লাহে লাহে গৰিষ্ঠসংখ্যক অনুষ্ঠানৰ সম্প্রচাৰ গুৱাহাটীৰ পৰাই আৰম্ভ হ'ল। শ্বিলং কেন্দ্রৰ গুৰুত্ব ক্রমান্বয়ে কমি আহিল আৰু পিছলৈ ইয়াক কেৱল বাণীবদ্ধকৰন ষ্টুডিঅ' হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। কিছুসময়ৰ ভিতৰতে আকাশবাণী- গুৱাহাটীয়ে অসমীয়া সংস্কৃতিৰ সকলো দিশকে সজাই পৰাই প্রতিফলিত কৰিবলৈ আৰম্ভ কৰিলে আৰু ই এক সাংস্কৃতিক মঞ্চত পৰিণত হয়। অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি মহেশ্বৰ নেওগে প্রথম কৃষিভিত্তিক অনুষ্ঠান "গাঁৱৰ মানুহলৈ" প্রযোজনা কৰে মহান ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱা আছিল প্রথম

"শিশুৰ অনুষ্ঠান"ৰ প্ৰযোজক। অৰুণ শৰ্মা, কুলাদা কুমাৰ ভট্টাচাৰ্য, দুৰ্গেশ্বৰ বৰঠাকুৰ, মহেন্দ্ৰ বৰঠাকুৰ, খগেন মহন্ত আদিৰ দৰে ব্যক্তি সকলে উন্নত অসমীয়া ৰেডিঅ' অনুষ্ঠান প্ৰস্তুত কৰি অসমীয়া ৰেডিঅ' জগতখনলৈ বিপুল অৱদান আগবঢ়ায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ৰেডিঅ' অনুষ্ঠানৰ বিস্তৃত শ্ৰেণীবিভাজন কৰক। কথিকা অনুষ্ঠানসমূহ কি কি?

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ 'কাৰ্যসূচী গাথনি' শব্দটোৰ দ্বাৰা আপুনি কি বুজে?

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ 'বাতৰি'ৰ সংজ্ঞা দিয়া।

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ ৰেডিঅ' তথ্যচিত্ৰ কি?

.....

.....

.....

প্ৰশ্ন নং ১০ ঃ ৰেডিঅ'লেখন লিখিবলৈ আপুনি কি কি নীতি মানি চলিব?

.....

.....

প্ৰশ্ন নং ১১ ঃ নিউজৰিল কি?

.....

.....

.....



অনুশীলনী - ৫.১

আকাশবাণী গুৱাহাটীৰ দ্বাৰা প্ৰচাৰিত অন্ততঃ তিনিটা ভিন্ন ধৰণৰ অনুষ্ঠান শুনক আৰু সমালোচনাত্মক বিশ্লেষণ দাঙি ধৰক।

.....

.....

.....


৫.৬ ৰেডিঅ' অনুষ্ঠান প্ৰস্তুতিকৰণৰ প্ৰাথমিক জ্ঞান

ৰেডিঅ' অনুষ্ঠান উৎপাদন তিনিটা মূল পৰ্যায়ৰে গঠিত হয়। যেনে-

(১) উৎপাদনৰ আগৰ পৰ্যায়।

(২) উৎপাদন পৰ্যায়।

(৩) উৎপাদনৰ পিছৰ পৰ্যায়।



সাধাৰণভাৱে কাৰ্যসূচীৰ বাবে দায়বদ্ধ ব্যক্তি, যিয়ে কাৰ্যসূচীসমূহক সংগঠিত কৰি ষ্টুডিঅ'লৈ আনে তেৱেঁই প্ৰযোজক। কাৰ্য ব্যৱস্থাপনা অনুসৰি অনুষ্ঠানৰ লেখনটো সাৱধানে লিখিব লাগে। লেখনটো হাতত পৰাৰ পিছত তাক সাৱধানে পঢ়ি ই সম্প্ৰচাৰৰ বাবে উপযুক্ত হৈছেনে নাই তাক পৰীক্ষা কৰাটোৱে হৈছে প্ৰযোজকৰ চিত্ৰনাট্য সম্পাদনাৰ পৰ্যায়ৰ কাম। চিত্ৰনাট্যৰ সম্পাদিত সংস্কৰণ সম্পূৰ্ণ হৈ উঠাৰ পিছত কৰিবলগীয়া অন্য এটা কাম হৈছে নিৰ্দিষ্ট সময়ৰ বাবে ষ্টুডিঅ' বুকিং কৰা। নাটক আদিৰ দৰে কিছুমান বিশেষ সংৰচনাৰ বাবে বিশেষ ধ্বনি বিন্যাস আৰু চৰিত্ৰ সংগ্ৰহ কৰাটো প্ৰয়োজনীয় হ'ব পাৰে। যাক কাষ্টিং বুলি কোৱা হয়। উন্নত মানৰ সংৰচনাৰ বাবে আখৰাৰ প্ৰয়োজন।

ইয়াৰ পিছত শিল্পীসকলৰ অভিনয় ষ্টুডিঅ'ত ৰেকৰ্ডিং কৰা হয় বা বাহিৰৰ সম্প্ৰচাৰ ব্যৱস্থা (OB)ত ৰেকৰ্ডিং পৰ্যায়ৰ উৎপাদন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

ৰেকর্ডিং পর্যায় সম্পূর্ণ হোৱাৰ পিছত কার্যসূচী নির্মাণৰ গোটেই প্রক্রিয়াটো চূড়ান্ত পর্যায়ত প্ৰৱেশ কৰে, যিটোক সম্পাদনা আৰু ডাবিং বুলি জনা যায়। এই পর্যায়ত প্রযোজকৰ নির্দেশনা অনুসৰি অবাঞ্ছিত আৰু গুৰুত্বহীন সকলো অংশ ৰেকর্ড কৰা সংস্কৰণৰ পৰা মচি পেলোৱা হয় আৰু নির্ধাৰিত সময়সীমাৰ সৈতে সংযুক্ত কৰি ৰেকর্ডিং কৰা সংস্কৰণৰ সৈতে উপযুক্তভাৱে প্রয়োজনীয় শব্দ বিন্যাস, চৰিত্রৰ মনোস্থিতি অনুসৰি সংগীত আৰু পার্শ্ব-সংগীত মিহলি কৰা হয়, এইদৰে অৱশেষত অনুষ্ঠান সম্প্রচাৰৰ বাবে সাজু হৈ উঠে। সাধাৰণতে সম্প্রচাৰ কেন্দ্রসমূহৰ শ্রোতাৰ পৰা চিঠি আদিৰ মাধ্যমেৰে মতামত লাভ কৰাৰ নিজৰ ব্যৱস্থা থাকে। এই পদক্ষেপসমূহ কার্যসূচীসমূহৰ মূল্যায়নৰ বাবে যথেষ্ট গুৰুত্বপূর্ণ কাৰণ শ্রোতাৰ মানসিক অৱস্থাৰ এক গতি থাকিব লাগে যিয়ে ভৱিষ্যতে কার্যসূচী নীতি প্রণয়ন কৰাৰ সময়ত পুনৰ বিনিময়ত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ উৎপাদনৰ বিভিন্ন পর্যায় কি কি?

.....

.....

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ৰেডিঅ' হৈছে এক গণসংযোগ মাধ্যম, যাৰ জৰিয়তে এটা বার্তা একে সময়তে বৃহৎ সংখ্যক লোকলৈ প্রেৰণ কৰিব পাৰি।
- উন্নত টেলিগ্রাফী আৰু ৰেডিঅ'টেলিফোন, ৰেডিঅৰ দুটা প্রাৰম্ভিক পর্যায় আছিল।
- ৰেডিঅ'ৰ নিজস্ব বৈশিষ্ট্য আছে।
- দর্শকৰ জৰীপে শ্রোতাৰ প্রয়োজন আৰু ৰুচি জনাত সহায় কৰে আৰু সেই অনুসৰি ৰেডিঅ' অনুষ্ঠানসমূহ তৈয়াৰ কৰা হয়।
- সম্প্রচাৰ হৈছে অডিঅ' সংকেতৰ বিতৰণ যিয়ে অনুষ্ঠানসমূহ দর্শকৰ মাজলৈ প্রেৰণ কৰে। দর্শক সাধাৰণ জনতা বা তুলনামূলকভাৱে বৃহৎ সংখ্যক জনসাধাৰণ, যেনে— শিশু বা ডেকা, প্রাপ্তবয়স্ক ইত্যাদি হ'ব পাৰে।
- গণমাধ্যম হিচাপে ৰেডিঅ'ৰ এটা নির্দিষ্ট ভূমিকা আছে আৰু যিয়ে শ্রোতাৰ ব্যক্তিগত আৰু সামাজিক দুয়োটা দিশৰ ওপৰতে প্রভাৱ পেলায়।

- সকলো ৰেডিঅ' শিতান বহলভাৱে দুটা ভাগত ভাগ কৰিব পাৰি। যেনে— (১) কথিকা (২) সংগীতানুষ্ঠান।
- কথিকাত সকলো সংগীত ভিন্ন অনুষ্ঠান অন্তর্ভুক্ত কৰা হয়।
- সংগীতানুষ্ঠানৰ ভিতৰত সকলো ধৰণৰ সংগীতৰ পৰিবেশন অন্তর্ভুক্ত থাকে।
- দৈনিক কার্যসূচীৰ সম্প্রচাৰৰ বাবে পৰিকল্পনা অনুসৰি যি সূচী প্রস্তুত কৰা হয় তাকেই কার্যসূচীৰ গাঁথনি বোলা হয়।
- কোনো এক সাম্প্রতিক পৰিঘটনা সংক্রান্তীয় নতুন তথ্যৰ পৰিবেশন যিটো শেহতীয়াকৈ ঘটিছে, যিটোৰ বিষয়ে আমি এতিয়াও শুনা নাই সেই সকলোবোৰেই 'বাতৰি'।
- সাম্প্রতিক পৰিঘটনাৰ যিকোনো নতুন তথ্যক বাতৰি বুলি কোৱা হয়।
- সাধাৰণ ৰেডিঅ' বিন্যাস হৈছে আলোচনা, সাক্ষাৎকাৰ ইত্যাদি।
- সম্প্রচাৰৰ বাবে ৰেডিঅ' অনুষ্ঠান এটা তৈয়াৰ কৰিবলৈ নিযুক্তি দিয়া ব্যক্তিজন হ'ল প্রযোজক।



৫.৮ অধিক জানিবলৈ

১) Radio Programme Production - A Manual for Training, by Richard Aspinall published by UNESCO, Paris.1973.

২) A Manual for Broadcasters,by,Robert McLeish, Focal Press, Linacre House, Jordan Hill, Burlington MA 01803,USA.

৩) The Radio production by Michael C.Keit ,Focal press.

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রচাৰ হৈছে অডিঅ' সংকেতৰ বিতৰণ যিয়ে বৃহৎ সংখ্যক দর্শকৰ মাজলৈ কার্যসূচী প্রেৰণ কৰে। দর্শক সকল আপেক্ষিকভাৱে সাধাৰণ জনতা অথবা অন্য বৃহৎ উপ-দর্শক, যেনে-শিশু বা কিশোৰ-কিশোৰী ইত্যাদি হ'ব পাৰে। 'সম্প্রচাৰ' শব্দটোৱে পোনপ্রথমে বহল পথাৰ এখনৰ ওপৰত সিঁচৰতি কৰি বীজ সিঁচাক বুজাইছিল। ইয়াক মধ্য পশ্চিম আমেৰিকাৰ আৰম্ভণিৰ ৰেডিঅ' অভিযন্তাসকলে ৰেডিঅ' সংকেতৰ অনুৰূপ প্রসাৰণৰ কথা উল্লেখ কৰিবলৈ গ্রহণ কৰিছিল। সম্প্রচাৰে গণমাধ্যমৰ এক অতি বৃহৎ অংশ গঠন কৰে। যেতিয়া দর্শকৰ এটা সংকীর্ণ অংশই কার্যসূচীসমূহ শুনিবৰ বাবে অন্যান্য উপায় যেনে- লাউডস্পীকাৰ আদিৰ ব্যৱহাৰ কৰে তেতিয়া তাক narrowcasting বা 'সংকীর্ণ প্রচাৰ' বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ দর্শক সম্পর্কীয় গৱেষণা হৈছে সম্প্রচাৰ কেন্দ্রৰ দ্বাৰা কৰা এক জৰীপ যাৰ মাধ্যমেৰে শ্রোতাসকলৰ প্রয়োজন আৰু ৰুচিৰ বিষয়ে জনাৰ চেষ্টা কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাল সম্প্রচাৰৰ বাবে ই অতি প্রয়োজনীয় আৰু ইয়াক সম্প্রচাৰৰ এক বিশেষ শাখা হিচাপে ধৰা হয়। আমি যিমানেই দর্শকৰ বিষয়ে জানিম সিমানেই ভালকৈ আমি সেৱাসমূহ আগবঢ়াব পাৰিম। শ্রোতাৰ মাজত কৰা জৰীপৰ পৰা পৰিমাণগত আৰু গুণগত দুয়োটা দিশতে শ্রোতাৰ আগ্রহ আৰু অগ্রাধিকাৰৰ বিচাৰি উলিয়াব পাৰি। এই ইংগিতসমূহৰ ওপৰত ভিত্তি কৰি কৰা জৰীপ অনুষ্ঠানৰ পৰা প্রতিফলিত হয়। অন্যথা অনুষ্ঠানটোৰ প্রযোজকজনে যোগাযোগৰ প্রাথমিক উদ্দেশ্যত ব্যর্থ হোৱাটো নিশ্চিত। নহ'লে গোটেই কার্যটো অসাৰ কচৰৎ কৰাৰ দৰে হ'ব।

৪ নং প্রশ্নৰ উত্তৰ ঃ আন সকলো গণমাধ্যমৰ দৰেই 'ৰেডিঅ''ৰো নিজস্ব বৈশিষ্ট্য আছে। ইয়াৰ নিজস্ব সবলতা আৰু দুর্বলতা আছে-

(১) প্রথমতে ই এটা অন্ধ মাধ্যম। ই শ্রোতাৰ মন আৰু কল্পনাশক্তিক উদ্দীপিত কৰে।

(২) ৰেডিঅ'ৰ এটা প্রধান সুবিধা হ'ল ৰেডিঅ' চলি থকাৰ সময়ত শ্রোতাই কাম কৰি যাব পাৰে।

(৩) ৰেডিঅ' কেৱল শব্দৰ ওপৰত নির্ভৰশীল।

(৪) ৰেডিঅ'ৰ কোনো চাৰিসীমা নাই। ৰেডিঅ'ৰ কোনো ভৌগোলিক সীমা নাই। ই আঞ্চলিক আৰু জাতিগত ভাৱে পৃথক হোৱাসকলক একত্রিত কৰিব পাৰে। ই কোনো নির্দিষ্ট ভৌগলিক পৰিসীমাৰ মাজত আৱদ্ধ নহয়। ই নিৰক্ষৰতাৰ বাধা নেউচি গতি কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ' হৈছে এক গণসংযোগ মাধ্যম যাৰ জৰিয়তে এটা বার্তা একে সময়তে বৃহৎ সংখ্যক লোকলৈ প্রেৰণ কৰিব পাৰি। ১৮৯৬ চনত এজন ইটালীয় গুগ্লিয়েলমো মার্কোনিয়ে এটা যন্ত্র আৱিষ্কাৰ কৰে,সেই যন্ত্রটোকে পিছলৈ 'ৰেডিঅ' বুলি কোৱা হয়, এই যন্ত্রটো মানুহে তাঁৰ নোহোৱাকৈ এঠাইৰ পৰা আন ঠাইলৈ লে যাব পৰাকৈ প্রস্তুত কৰা হৈছিল। ৰেডিঅ' সম্প্রচাৰ হৈছে একে সময়তে বৃহৎ সংখ্যক লোকৰ ওচৰলৈ যাব পৰা এক মাধ্যম। এই ধৰনৰ যোগাযোগক গণসংযোগ বুলি কোৱা হয়। আধুনিক সামাজিক প্রক্রিয়াৰ বাবে ই এক গুৰুত্বপূর্ণ মাধ্যম, ই ৰাজহুৱা বিষয় বহল মঞ্চৰ আগলৈ আনে, আমাৰ জীৱনৰ আনন্দ বিস্তাৰিত কৰাত সহায় কৰে আৰু আমালৈ তথ্য কঢ়িয়াই আনি বিভিন্ন বিষয় সম্বন্ধে আমাৰ জ্ঞান আৰু বুজাবুজি আৰু অধিক শক্তিশালী কৰি ব্যক্তিগত আৰু গোটৰ কার্যকলাপক উদ্দীপিত কৰাত সহায় কৰে। উন্নয়নশীল দেশসমূহৰ সামাজিক পৰিৱর্তনৰ প্রগতিৰ প্রক্রিয়াত ইয়াৰ উল্লেখযোগ্য ভূমিকা আছে। সাধাৰণ উপলব্ধতাৰ ফালৰ পৰা ৰেডিঅ' হৈছে এক আগশাৰীৰ যোগাযোগ মাধ্যম।

৬ নং প্রশ্নৰ উত্তৰ ঃ টেলিভিছনৰ আগমনৰ লগে লগে ৰেডিঅ'ৰ জনপ্রিয়তা হ্রাস পাব নোৱাৰে কাৰণ ৰেডিঅ' হৈছে ব্যক্তিগত আৰু কঢ়িয়াই লৈ ফুৰিব পৰা মাধ্যম। ইয়াৰ বহনযোগ্যতাৰ বাবে টেলিভিছনতকৈ ৰেডিঅ' অধিক সুবিধাজনকভাৱে ব্যৱহাৰ কৰিব পাৰি। যিহেতু বেছিভাগ ৰেডিঅ' বেটাৰীৰে পৰিচালিত, সেয়েহে ইয়াক কঢ়িয়াই লৈ ফুৰিব পাৰি আৰু ঘৰত, বাছত, পাকঘৰত, পথাৰত, নির্মাণ স্থান ইত্যাদি আন যিকোনো ঠাইত ইয়াক শুনিব পাৰি।

আনহাতে, টেলিভিছন চেটবোৰ ডাঙৰ। ইয়াক সহজে এঠাইৰ পৰা আনঠাইলৈ কঢ়িয়াই নিব নোৱাৰি। তদুপৰি টেলিভিছন বিদ্যুতৰ দ্বাৰা পৰিচালিত যাৰ বাবে ইয়াক এটা নির্দিষ্ট স্থানত ৰাখিব লাগে। ছপা মাধ্যমৰ অন্তর্গত বাতৰি কাকতকো যিকোনো ঠাইলৈ লৈ যাব পাৰি। টেলিভিছনৰ তুলনাত ৰেডিঅ' বহুত কম খৰচী আৰু সমাজৰ দৰিদ্র শ্রেণীয়ে ইয়াৰ খৰচ বহন কৰিব পাৰে। বর্তমান সময়ত এটা ৰেডিঅ' চেট সত্তৰ টকাকৈ কম মূল্যত কিনিব পাৰি, আনহাতে অতি সস্তা টেলিভিছন চেটটোৰ মূল্য এহাজাৰ টকাতকৈ কম নহয়। ৰেডিঅ'ৰ কার্যসূচীসমূহৰ কথোপকথনৰ স্বৰূপটোৰ বাবে ইয়াক অধিক অন্তৰংগ আৰু বন্ধুত্বপূর্ণ মাধ্যম বুলি গণ্য কৰা হয়। ইয়াত ব্যক্তিক সম্বোধন কৰা হয়, টেলিভিছনে ব্যক্তিক সম্বোধন কৰাৰ বিপৰীতে মানুহৰ গোটক সম্বোধন কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠানকসমূহক সাধাৰণতে দুটা শ্রেণীত ভগাব পাৰি সেয়া হ'ল- (১) কথিকা আৰু (২) সংগীতানুষ্ঠান।

কথিকা অনুষ্ঠান সমূহত সকলো সংগীতবিহীন অনুষ্ঠান যেনে বক্তৃতা, আলোচনা, শৈক্ষিক সম্প্রচাৰ, বিশেষ দর্শকৰ বাবে অনুষ্ঠান (মহিলা, শিশু, গ্রাম্য শ্রোতা), নাটক, তথ্যচিত্র আৰু আলোচনাধর্মী অনুষ্ঠান, ধাৰাভাষ্য, বাতৰি আৰু ধর্মীয় সম্প্রচাৰ আদি অন্তর্ভুক্ত কৰিব পাৰি ।

৮ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠানসমূহ আড়ম্বৰপূর্ণভাৱে সম্প্রচাৰ কৰা নহয় যদিও ইয়াৰ কার্যসূচী পৰিকল্পিত। সাধাৰণতে এই পৰিকল্পনাত তিনিমাহৰ সময়সীমা সামৰি লোৱা হয়। ইয়াক সৰু সৰু দৈনিক কার্যসূচীত বিভক্ত কৰিব পাৰি। এই দৈনিক সূচীত অনুষ্ঠানসমূহৰ বিভিন্ন দিশৰ বর্ণনা থাকে। অর্থাৎ বিভিন্ন শ্রেণীৰ অনুষ্ঠানৰ বাবে নির্ধাৰণ কৰি দিয়া সময়সীমা, অনুষ্ঠান সম্প্রচাৰৰ সময় ইত্যাদিকেই কার্যসূচীৰ গাঁথনি বুলি জনা যায়। কেন্দ্র এটাৰ কার্যসূচীৰ গাঁথনিয়ে কেন্দ্রটোৰ এখন ছবি ডাঙি ধৰে। সংগীতানুষ্ঠানৰ বাবে কিমান সময় নির্ধাৰণ কৰা হয়, কেনেধৰণৰ সংগীত বজোৱা হয়, ই বাতৰি আৰু শিক্ষামূলক অনুষ্ঠানৰ সম্প্রচাৰৰ ক্ষেত্রত কিমান প্রাধান্য দিয়ে সেইবোৰেই হৈছে ৰেডিঅ' কেন্দ্র এটাৰ কার্যসূচীৰ গাথঁনিৰ সকলো দিশ।

৯ নং প্রশ্নৰ উত্তৰ ঃ বাতৰি হৈছে কোনো এক সাম্প্রতিক পৰিঘটনা সংক্রন্তীয় নতুন তথ্য যিটো শেহতীয়াকৈ ঘটিছে, যিটোৰ বিষয়ে আমি এতিয়াও শুনা নাই।

১০ নং প্রশ্নৰ উত্তৰ ঃ তথ্যচিত্ৰ হৈছে অকাল্পনিক কাহিনীৰ এক সৃষ্টিশীল ৰচনা। ইয়াক সহজে বাতৰি, আলোচনাধৰ্মী অনুষ্ঠান বা নাটক হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি কিন্তু ইয়াত বাতৰিৰ সত্যতা আৰু গুৰুত্বতা থাকে। কিবা এটাৰ কাহিনী যিটো ঘটি আছে বা ঘটি গৈছে তাৰ বৰ্ণনা কৰিবলৈ তথ্যচিত্ৰ শব্দটো সঘনাই ব্যৱহাৰ কৰা হয়। তথ্যচিত্ৰ এখনত সাধাৰণতে বৰ্ণনাকাৰীয়ে তেখেতৰ ব্যক্তিত্ব তথা কণ্ঠৰ উষ্ণতাৰ সৈতে আবাহ সংগীত আৰু শব্দ বিন্যাসৰ সহায়ত ইয়াৰ কাহিনীটো উপস্থাপন কৰে ।কথন, শব্দ আৰু কণ্ঠৰ মাজত অতি সাবধানে গঠন কৰা আলেখ থকাটো অতি প্ৰয়োজনীয়।

১১ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ'লেখন আন সংবাদ মাধ্যমৰ বাবে লিখা লেখনতকৈ পৃথক। এখন লেখন প্ৰায় সকলো ৰেডিঅ' অনুষ্ঠানৰ বাবে সদায় অপৰিহাৰ্য। ৰেডিঅ'ৰ কিছু অনন্য কাৰিকৰী বৈশিষ্ট আছে, যেনে কঠোৰ সময়সীমা। ৰেডিঅ' লেখন প্ৰস্তুত কৰোতে সঠিক যত্ন বজাই ৰাখিব লাগে। ৰেডিঅ' লেখন মূলতঃ কথনযোগ্য শব্দৰ বাবে লিখা হয় ।

কিছুমান নিয়ম

ক) যিবোৰ শব্দ দৈনন্দিন ব্যৱহাৰত থাকে তেনে শব্দ ব্যৱহাৰ কৰিব লাগে অৰ্থাৎ কথা কোৱাৰ ভাষা এনে হ'ব লাগে যে গৰিষ্ঠসংখ্যক লোকে সহজেই বুজি পায়।

খ) বাক্যবোৰ চুটি আৰু সবল হ'ব লাগে।

গ) নিৰ্ভৰশীল বাক্য আৰু আড়ম্বৰপূৰ্ণ ওলোটা বাক্য পৰিহাৰ কৰিব লাগে।

ঘ) বৰ্ণনাত্মক শৈলী ব্যৱহাৰ কৰিব লাগে।

ঙ) ৰেডিঅ' লেখন লিখাৰ সময়ত বাক্যৰ ছন্দৰ কথা মনত ৰাখিব লাগে।

চ) বাক্যবোৰ সহজে বুজিব পৰা হ'ব লাগে আৰু বেছি দীঘল আৰু পাকমৰা হ'ব নালাগে।

১২ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠান উৎপাদন তিনিটা মূল পৰ্যায়ৰে গঠিত হয়।

(১) উৎপাদনৰ আগৰ পৰ্যায়।

(২) উৎপাদন পৰ্যায়।

(৩) উৎপাদনৰ পিছৰ পৰ্যায়।



৫.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ৰেডিঅ'ৰ সংজ্ঞা দিয়া। গণসংযোগ মাধ্যম হিচাপে ৰেডিঅ'ৰ ভূমিকা সম্পৰ্কে আপোনাৰ মতামত কি?

প্রশ্ন ২ ঃ ৰেডিঅ'ৰ ইতিহাস আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতত ৰেডিঅ'ৰ বিকাশ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতত অল ইণ্ডিয়া ৰেডিঅ'ৰ বিকাশ আৰু কাৰ্য্যক্ষমতাৰ বৰ্ণনা কৰক ?

প্ৰশ্ন ৫ ঃ অন্য সংবাদ মাধ্যমৰ তুলনাত এই সংবাদ মাধ্যমৰ কি কি সবলতা আৰু দুৰ্বলতা আছে?

প্ৰশ্ন ৬ ঃ এফ এম ৰেডিঅ' কি ?

প্ৰশ্ন ৭ ঃ ভাৰতীয় প্ৰেক্ষাপটত সংবাদ মাধ্যম স্বায়ত্ততাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ কমিউনিটি ৰেডিঅ' কি ?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'আকাশবাণী গুৱাহাটী' — ৰ আৰম্ভণিৰ ইতিহাসৰ বিৱৰণ লিখক ।

প্ৰশ্ন ২ ঃ কোনটো অনুষ্ঠানৰ পৰা সম্প্ৰচাৰ হয় আপোনাৰ দৃষ্টিভংগীৰে বৰ্তমান আকাশবাণীৰ সৰ্বোত্তম অনুষ্ঠান কি আৰু কিয়, নিজৰ ধাৰণাৰ পৰা লিখক ?

প্ৰশ্ন ৩ ঃ প্ৰযোজক বুলি কাক কোৱা হয় ? কাৰ্যসূচীৰ উৎপাদনৰ পৰ্যায়সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ দৃশ্য-গ্রাহ্য মাধ্যম ঃ ফটোগ্রাফী বা আলোকচিত্র গ্রহণ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ফটোগ্রাফীৰ ধাৰণা

- ৬.৩.১ ফটোগ্রাফীৰ মৌলিক ধাৰণা
- ৬.৩.২ ফটোগ্রাফীৰ আৰম্ভণি
- ৬.৩.৩ স্থিৰ চিত্ৰ
- ৬.৩.৪ ফটোগ্রাফীৰ কাৰিকৰী ধাৰণা

৬.৪ কেমেৰাৰ প্ৰকাৰ

- ৬.৪.১ প্ৰকাৰ
- ৬.৪.২ ষ্টিল কেমেৰাৰ অংশ
- ৬.৪.৩ মুভী কেমেৰা

৬.৫ শ্বট্ আৰু কেমেৰা পৰিচালনা

- ৬.৫.১ শ্বট্
- ৬.৫.২ কেমেৰা পৰিচালনা

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- ফটোগ্রাফীৰ ধাৰণাটো আলোচনা কৰিব পাৰিব।
- কেমেৰাৰ প্ৰকাৰ চিহ্নিত কৰিব পাৰিব।
- স্থিৰচিত্ৰ আৰু বোলছবিৰ মাজত থকা প্ৰভেদ বুজিব পাৰিব।
- এখন সু-সংৰচিত চিত্ৰ (good composition) কাক কোৱা হয় সেয়া ব্যাখ্যা কৰিব পাৰিব।
- বোলছবিত প্ৰয়োগ কৰা শ্বট্ তথা কেমেৰা পৰিচালনাৰ পদ্ধতি চিহ্নিত কৰিব পাৰিব।

৬.২ পৰিচয়

কিমান সঘনাই এখন ভাল ফটো দেখি আপ্লুত হোৱাৰ অভিজ্ঞতা আপোনাৰ আছে? নিজৰ সন্তানে খেলি থকা ফটো, কোনোবা এবাৰ বনভোজ খাবলৈ যাওঁতে উঠা ফটো নাইবা কোনো এখন বিয়াত তোলা ফটো, আমি সকলোৱে এনেদৰে ভাল ফটো এখনৰ প্ৰশংসা কৰোঁ। তেনে একোখন ফটো তুলিবলৈ কেমেৰা কেনেদৰে ব্যৱহাৰ কৰিব পাৰি কেতিয়াবা ভাবি চাইছেনে?

এই অধ্যায়টি খৰচি মাৰি অধ্যয়ন কৰাৰ পাছত আপুনি ফটোগ্ৰাফী বা আলোকচিত্ৰ গ্ৰহণ ধাৰণাটো পৰিস্কাৰকৈ বুজি উঠিব। ইয়াত আমি বিভিন্ন ধৰণৰ কেমেৰাৰ বিষয়ে আলোচনা কৰাৰ লগতে স্থিৰচিত্ৰ (still photography) আৰু বোলছবি আলোকচিত্ৰনৰ (movie photography) মাজত থকা প্ৰভেদসমূহৰ বিষয়েও আলোচনা কৰিম। এইবোৰৰ লগতে ফটোগ্ৰাফীৰ 'কম্পোজিশ্যন' আৰু 'এক্সপোজাৰ'ৰ বিভিন্ন ধাৰণাৰ উপৰি অইন সকলোবোৰ বৈশিষ্ট্য তথা দিশো বহলাই আলোচনা কৰা হ'ব।

আমি আশা কৰোঁ, এই অধ্যায়টোৱে আপোনাৰ বাবে ফটোগ্ৰাফীৰ আকৰ্ষণীয় জগতখন এক সম্পূৰ্ণ নতুন ৰূপত দাঙি ধৰিব। তেনেহ'লে আহক পেচাদাৰী 'ভিজুৱেল কমিউনিকেট'ৰৰ দৃষ্টিভংগীৰে 'ফটোগ্ৰাফী' শব্দটোৰ অর্থ বুজি লৈ এই নতুন জগতখনত ভুমুকি মাৰো।

৬.৩ ফটোগ্ৰাফীৰ ধাৰণা

সংযোগ আমাৰ জীৱনৰ মৌলিক প্ৰয়োজনৰ এটা হৈ পৰিছে। সংযোগ অবিহনে যিকোনো প্ৰক্ৰিয়াতে আমি সামাজিকভাৱে বর্তি থাকিব নোৱাৰো। আমাৰ চিন্তা-ধাৰণা, আমাৰ আবেগ-অনুভূতি ব্যক্ত কৰিবলৈ বিভিন্ন ধৰণৰ সংযোগ মাধ্যম ব্যৱহাৰ কৰোঁ। এনে আন্তঃব্যক্তিগত অথবা বিপুল সংখ্যক লোকৰ কাষ চাপিবলৈ ব্যৱহৃত সংযোগ ব্যৱস্থা প্ৰচাৰ মাধ্যমো হ'ব পাৰে। একে সময়তে বিপুল সংখ্যক লোকৰ কাষ চাপিবলৈ প্ৰযুক্তিৰ প্ৰয়োজন হয়। আধুনিক সংযোগ আহিলাবোৰৰ অধিকাংশতে কিবা নহয় কিবা প্ৰকাৰৰ প্ৰযুক্তি প্ৰয়োগ কৰা হয়। সমাজৰ সকলো শ্ৰেণীৰ লোককে আকৰ্ষণ তথা প্ৰভাৱিত কৰিব পৰাকৈ দৃশ্যমান সংযোগৰ (visual communication) সামর্থ আছে। এনে সংযোগ-বাতৰি কাকতত প্ৰকাশিত এখন স্থিৰচিত্ৰ অথবা অন্য মাধ্যমত ব্যৱহৃত এখন গতিশীল ছবিৰ জৰিয়তে স্থাপন কৰা হ'ব পাৰে। ফটোগ্ৰাফী হ'ল যোগাযোগ স্থাপনৰ এটা বিশ্বজনীন মাধ্যম। ই বহুতো ক্ষেত্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ আহিলা। কোনো ঘৰুৱা উপলক্ষ্য অথবা 'বিগ বেং' পৰিঘটনা, পৃথিৱী অথবা চন্দ্ৰপৃষ্ঠৰ কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা তোলা ফটো যিয়েই নহওক কিয়, ফটোৱে মানুহে দেখা পোৱা ঘটনাৰ লগতে আমাৰ দৃষ্টিৰ পৰিধিৰ বাহিৰৰ বহুতো বিষয় ধৰি ৰাখিব পাৰে। আমি যদিও ফটোগ্ৰাফী বা আলোকচিত্ৰ গ্ৰহণক পোহৰৰ ক্ৰিয়াৰ সহায়ত ছবি ধৰি ৰখাৰ প্ৰয়াস

বুলি গণ্য কৰোঁ আৰু ইয়াক বিজ্ঞানৰ অৱদান বুলি কও, আচলতে ই তাতকৈ বহু গুণে অধিক গভীৰ এটা বিষয়। ফটোগ্রাফী কলাৰো প্ৰধান ৰূপ।

৬.৩.১ ফটোগ্রাফীৰ মৌলিক ধাৰণা

"যদি ফটোগ্রাফীক কেৱল দৃশ্যমান বিষয় ধৰি ৰখাৰ কাৰিকৰী কৌশল ৰূপে ব্যৱহাৰ কৰা হয় , তেন্তে ই বিজ্ঞানৰ অংগৰ বাদে আন একো নহয়। কিন্তু যদি প্ৰতি গৰাকী ব্যক্তিৰে ব্যক্তিগত আবেগ-অনুভূতি প্ৰকাশৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰা হয়, তেতিয়া ই কলাত পৰিণত হয়।" — পিটাৰ ৰোজ পুলহাম। পুলহাম হ'ল পৃথিৱীৰ এগৰাকী মহান ফটোগ্রাফাৰ। তেওঁৰ মন্তব্যফাঁকিৰ অর্থ হ'ল ফটোগ্রাফী মানে কেৱল কোনো পৰিস্থিতি ধৰি ৰাখিব পৰা এটা প্ৰযুক্তিয়েই নহয়, এই বৈজ্ঞানিক প্ৰযুক্তিটো ব্যৱহাৰ কৰি আবেগ-অনুভূতি আৰু প্ৰকৃতিৰ অভিব্যক্তি প্ৰকাশো কলাসন্মত ৰূপত ধৰি ৰাখিব পাৰি। কোনো এক সংবেদনশীল পদাৰ্থৰ ওপৰত পোহৰ অথবা তেনে ধৰণৰ বিকিৰণৰ দ্বাৰা কোনো বিষয়বস্তুৰ প্ৰতিচ্ছবি ধৰি ৰখাৰ পদ্ধতিটোকে ফটোগ্রাফী বুলি ক'ব পাৰি। আক্ষৰিক অর্থত 'ফটো-গ্রাফী' মানে হ'ল 'পোহৰৰ সহায়ত লিখা কার্য'।

'ফটোগ্রাফী শব্দটো ব্যৱহাৰৰ পৰামর্শ দি আৰু পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰি বিজ্ঞানী ছাৰ জন ফ্ৰেডৰিক ৱিলিয়াম হাৰশ্বেল (১৭৯২-১৮৭১) -এ ১৮৩৯ চনৰ ২৮ ফ্ৰেব্ৰুৱাৰীত ৱিলিয়াম হেনৰী ফক্স তালবোট-লৈ (১৮০০-১৮৭৭) এখন চিঠি লিখিছিল।



জানি থোৱা ভাল

'ফটোগ্রাফী' শব্দটোৰ গ্ৰীক শব্দ 'ফটোছ' (অর্থ-পোহৰ) আৰু 'গ্রাফোছ' নাইবা 'গ্রাফীন' (অর্থ-অংকন কৰা) —এই শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। পোহৰৰ ক্ৰিয়া-প্ৰক্ৰিয়াৰে কোনো অৱয়ব সৃষ্টি কৰা যিকোনো পদ্ধতিক বুজাবলৈ সাধাৰণতে এই নামটো ব্যৱহাৰ কৰা হয়।

৬.৩.২ ফটোগ্রাফীৰ আৰম্ভণি

প্ৰথম কেমেৰাটোৰ নাম আছিল কেমেৰা অব্স্কুৰা (camera obscura)। এই প্ৰাৰম্ভিক ব্যৱস্থাৰ এখন দেৱালত ছিদ্ৰ (পাছলৈ এখন লেন্স) থকা এটা এন্ধাৰ কক্ষ অথবা কোঠালি — ছিদ্ৰটোৰ মাজেৰে কোঠালিৰ বাহিৰত থকা বস্তুৰ প্ৰতিচ্ছবি গৈ বিপৰীত ফালৰ দেৱালত দৃশ্যমান হয় — তেতিয়া প্ৰতিচ্ছবিটো কেমেৰাৰে ধৰি ৰখা হৈছিল।

১৮৩৯ চনত লুই-জেকিছ-মাণ্ডে- ডেগুৱেৰ নামৰ বিজ্ঞানী গৰাকীয়ে বিশ্বৰ প্ৰথমটো

ব্যৱসায়িকভাৱে সফল ফটোগ্রাফী প্রক্রিয়া সদৰি কৰিছিল। প্রক্রিয়াটোৰ নাম ৰখা হৈছিল ডেগুৱেৰোটাইপ (Daguerreotype)। তাৰ দুবছৰ পাছত ৱিলিয়াম হেনৰী ফক্স তালবোটে তেওঁৰ ঋণাত্মত-ধনাত্মক কেল'টাইপ প্রক্রিয়াৰ (Calotype Process) পেটেন্ট লাভ কৰিছিল। এই প্রক্রিয়াটো পাছলৈ আধুনিক ফটোগ্রাফীক প্রক্রিয়াবোৰৰ বাটকটীয়াস্বৰূপ হৈ পৰিছিল। ইয়াৰ পাছত ১৯৫১ চনত আর্দ্র ক'ল'ডিয়াম প্রক্রিয়াৰ (Wet collodion process) বিকাশ ঘটিছিল। ১৮৭১ চনত 'ড্রাই প্লেট' (Dry plates) প্রক্রিয়া বিকশিত হৈছিল। ১৯৮৯ চনত উদ্যমী ব্যৱসায়ী জ'র্জ ইষ্টমেনে নমনীয় ফিল্ম (Flexible films) বজাৰত মুকলি কৰি দিছিল। তেতিয়াৰে পৰা ফিল্মৰ পোহৰ সংবেদী গুণ (Light sensitivity speed) অথবা দ্রুততা বহুখিনি উন্নত হৈ পৰিল যে ফিল্মৰ আকাৰতকৈ বহু গুণে ডাঙৰ আকাৰৰ প্রিন্ট তৈয়াৰ কৰিব পৰা গ'ল। ১৯ শতিকাৰ ৰঙীন আলোকচিত্র গ্রহণ এটা ব্যয়বহুল আৰু জটিল প্রক্রিয়া আছিল। কিন্তু সময় বাগৰাৰ লগে লগে ইয়াৰ সংশোধন ঘটিল আৰু এসময়ত প্রক্রিয়াটো ক'লা/ বগা ফটোগ্রাফীৰ দৰেই অসুবিধাজনক সঁজুলিবোৰ সংবদ্ধ কৰি এক অত্যাধুনিক সামগ্রীত পৰিণত হ'ল। ইয়াক সহজে জেপত লৈ ফুৰিব পৰাকৈ সৰুকৈ সজা হ'ল।

এই দৰে এসময়ত ফটোগ্রাফী মানুহৰ মাজত জনপ্রিয় হৈ পৰিল। ইয়াৰ শ্রেয় আমি জ'র্জ ইষ্টমেনৰ ব্যৱসায়ি ক দক্ষতাকে দিব লাগিব। ১৮৮০ চনৰ এপ্রিল মাহত ইষ্টমেন কোডাক কোম্পানীৰ জন্ম হ'ল। তাত ইষ্টমেনে ৰ'ছেষ্টাৰত বিক্রি কৰিবলৈ শুকান ফটোগ্রাফীক প্লেট বনোৱাৰ কাম আৰম্ভ কৰিলে। অন্য ব্যৱসায়ীবোৰে এটা সময়ত শুকান প্লেট নিকিনা হ'লত চালুকীয়া অৱস্থাত থকা কোম্পানীটো দেউলীয়া হ'বৰ উপক্রম হ'ল। ইষ্টমেনে শুকান প্লেটবোৰ ঘূৰাই লৈ তাৰ ঠাইত নতুন সামগ্রী বজাৰত উলিয়াই দিলে। ইষ্টমেনৰ ভাষাত "সেই প্লেটবোৰ উচ্চ মানবিশিষ্ট কৰিবলৈ যাওঁতে আমাৰ সর্বশেষ ডলাৰটোলৈকে খৰছ হ'ল। কিন্তু আমাৰ হাতত যি জমা হৈ থাকিল সেয়াহে সবাতোকৈ জৰুৰী — প্রতিষ্ঠা।"

ইষ্টমেনে পুনৰ কৈছিল যে কেমেৰাক এডাল পেঞ্চিলৰ দৰে সুবিধাজনকভাৱে গঢ়ি তুলিবলৈ তেওঁ এবিধ নমনীয় ফিল্ম উদ্ভাৱন কৰিছিল আৰু গধুৰ প্লেটবোৰৰ সলনি তেনে ফিল্ম ব্যৱহাৰ কৰিছিল। ১৯৮৮ চনত কোডাক কেমেৰাই বজাৰত পদার্পণ কৰে। কেমেৰাটোৰ সৈতে ব্যৱহাৰ কৰা শ্ল'গানটো অতি আকর্ষণীয় আছিল — "You push the button, we do the rest." অর্থাৎ "আপুনি বুটাম টিপক, বাকীবোৰ কাম আমি কৰিম।" ১৮৮৮ চনতে 'কোডাক' ৰ ব্রেণ্ড নে'ম পঞ্জীয়নভুক্ত কৰা হৈছিল। এটা শেষতীয়া তথ্য অনুসৰি সমগ্র বিশ্বৰ বজাৰত 'কোডাক' হ'ল চতুর্থটো জনপ্রিয় কেমেৰা ব্রেণ্ড।

৬.৩.৩ স্থিৰ চিত্ৰ (Still photography)

স্থিৰ চিত্ৰ হ'ল স্থায়ী প্ৰতিচ্ছবি ধৰি ৰখাৰ পদ্ধতি। কোনো ফটোগ্ৰাফিক পদাৰ্থত নাইবা পোহৰ সংবেদী কাকতত নাইবা মেম'ৰী কাৰ্ডত এনেদৰে প্ৰতিচ্ছবি ধৰি ৰখা হয়। কেমেৰাৰ লেন্সত পোহৰ পেলাই কোনো বিষয়বস্তুৰ প্ৰতিচ্ছবি বন্দী কৰা হয়। নাইছফ'ৰ নীপছে (Nicephore Niepce) আৰু লুই-জোকিছ-মাণ্ডে ডেগুৰেৰ (louis-Jacques-Mande Daguerre) নামৰ দুজন শিল্পীসুলভ মনৰ গৰাকী ফৰাছী লোকৰ বিভিন্ন প্ৰয়াসৰ ফলত ১৯ শতিকাত এই পদ্ধতিৰ বিকাশ ঘটিছিল। তেওঁলোকৰ বিভিন্ন যুটীয়া প্ৰচেষ্টাৰ পৰিণাম স্বৰূপে 'ডেগুৰেৰোটাইপ' (১৮৩৭) নামৰ ব্যৱসায়িকভাৱে সফল পদ্ধতিটোৰ উদ্ভৱ হৈছিল। এই কামত হাত উজান দিছিল দুজন বৃটিছে। টমাছ ৱেডজ্‌উড (Thomas Wedgwood) আৰু ৱিলিয়াম হেনৰী ফক্স তালবোট-এ (Willium Henry Fox Tolbot) ১৮৩৯ চনত ঋণাত্মক-ধনাত্মক কেল'টাইপ প্ৰক্ৰিয়াৰে পেটেন্ট লাভ কৰিছিল। এই প্ৰক্ৰিয়াটোক আধুনিক ফটোগ্ৰাফিক কৌশলৰ পূৰ্বসূৰী বুলি গণ্য কৰা হয়। ১৮৫০ আৰু ৬০-ৰ দশক দুটাত মেথিউ বি. ব্ৰেডি (Mathew B. Brady) আৰু ৰ'জাৰ ফেন্টন এ (Roger Fenton) যুদ্ধক্ষেত্ৰত ফটো তোলা আৰু ফটো সাংবাদিকতাৰ ক্ষেত্ৰ দুখনৰ দুৱাৰ মুকলি কৰিছিল। ফটোগ্ৰাফীৰ বিকাশৰ লগে লগে এই সংক্ৰান্তৰ দুটা দৃষ্টিভংগীয়ে প্ৰসাৰ লাভ কৰিছিল। এটাৰ মতে কেমেৰা আৰু ইয়াৰ দ্বাৰা তোলা ফটোই বাস্তৱ পৃথিৱীখনক সৎভাৱে ধৰি ৰখাত সফল হৈছিল। আনটো দৃষ্টিভংগীৰ সমৰ্থকসকলে কেমেৰাক কলাসুলভ বক্তব্যৰ সৃষ্টি কৰিব পৰা ৰং তুলিকাৰ দৰে এবিধ আহিলা বুলি গণ্য কৰিছিল।

৬.৩.৪ ফটোগ্ৰাফীৰ কাৰিকৰী ধাৰণা

ফটোগ্ৰাফীৰ দুটা লাগতিয়াল অংশ হ'ল 'কম্পোজিশ্যন' আৰু 'এক্সপোজাৰ'। ফটোগ্ৰাফাৰ এজনে ফটো এখন তোলাৰ সময়ত সদায় এই দুটা কথালৈ লক্ষ্য ৰাখিব লাগে। সহজ অৰ্থত 'এক্সপোজাৰ' মানে হ'ল ফটোগ্ৰাফীৰ কাৰিকৰী অংশটো আৰু 'কম্পোজিশ্যন' মানে হ'ল ফটোগ্ৰাফাৰৰ শিল্পীসুলভ দৃষ্টিকোণ।

ফটো তোলাৰ সময়ত 'কম্পোজ এণ্ড এক্সপোজ' নীতি-নিয়মসমূহ কামত আহিব পাৰে। 'কম্পোজ আৰু এক্সপোজ' শব্দ দুটাৰ মাজত ছন্দবদ্ধ মিল থকা বাবে মনত ৰাখিবলৈ সহজ। ফটোগ্ৰাফাৰ এজনে প্ৰথমে ফটো এখন 'কম্পোজ' কৰে আৰু তাৰ পাছত 'এক্সপোজ' কৰে।

ক) কম্পোজিশ্যন (composition)

কম্পোজিশ্যন হ'ল ফটো এখনৰ সৃজনাত্মক অথবা কলাসুলভ সংৰচনা। ফটোগ্ৰাফাৰ

এগৰাকীয়ে কেমেৰাৰ 'ফ্ৰেম' অথবা 'ভিউফাইণ্ডাৰ'ৰ সীমাৰ ভিতৰত ধৰি ৰাখিব খোজা বিষয়বস্তুৰ সকলোবোৰ উপাদান সজাই লয়। ইয়াৰ পৰিণাম স্বৰূপে এটা দৃষ্টিনন্দন 'কম্পোজিশ্যন' অর্থাৎ সংৰচনাৰ সৃষ্টি হয়।

আলোক চন্দ্ৰ ৰয়ে তেওঁৰ 'ফটোগ্ৰাফী ফৰ দ্যা বিগিনার্ছ' নামৰ কিতাপখনত লিখিছে যে ফটোগ্ৰাফী প্ৰথম শিকিবলৈ লোৱা লোক এজনৰ কলাসুলভ অভিজ্ঞতা নিচেই কম অথবা একেবাৰেই নথকা হেতুকে তেওঁ প্ৰায়েই কেমেৰাৰ 'ভিউফাইণ্ডাৰ'ৰ পৰিসীমাৰ ভিতৰত নিজৰ আগ্ৰহৰ বিষয়বস্তুৰ বিভিন্ন উপাদানবোৰ সজাই লওতে নাইবা 'কম্পোজিং' কৰোঁতে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

সেয়েহে ৰয়ে তেওঁৰ কিতাপখনত কেইটামান কথা উল্লেখ কৰিছে। ন-শিকাৰুসকল এই কথাকেইটাৰ দ্বাৰা নিশ্চয় উপকৃত হ'ব —

১) 'পিক্‌চাৰ ফ্ৰেম' এটাৰ চাৰিসীমাৰ পৰা ফটো তুলিব খোজা বিষয়বস্তুটো দূৰত্বত ৰাখক। নহ'লে ফটোখন দৃষ্টিকটু হ'ব।

২) বিষয়বস্তু 'পিকচাৰ ফ্ৰেম'ৰ জ্যামিত্যিক কেন্দ্ৰৰ পৰা অলপ আঁতৰাই ৰাখক। নহ'লেই এখন নির্জীৱ আৰু তেনেই সাধাৰণ মানৰ ফটোৰ সৃষ্টি কৰিব।

৩) বিষয়বস্তুৰ পিছফালতকৈ আগফালে অধিক খালী ঠাই ৰাখক। মুখাবয়বৰ ফটো তোলাৰ সময়ত মুখৰ আগত, নাকৰ পৰা সন্মুখলৈ যথেষ্ট ঠাই থাকিব লাগে। গতিশীল বিষয়বস্তু এটাক ছবি এখনত গতিশীল ৰূপত প্ৰৱেশ কৰা যেনকৈ ধৰি ৰাখিব লাগে। ফটো এখন তোলাৰ সময়ত যিমান পৰা যায় এই পদ্ধতিবোৰ প্ৰয়োগ কৰিব লাগে। 'ভিউ পইন্ট' নাইবা 'কেমেৰা এংগল' সলনি কৰি অবাঞ্ছিত বিষয়ক সদায় মূল ফটোৰ পৰা সহজে আঁতৰাই ৰাখিব পৰা যায়।

৪) সদায় মনত ৰাখিব লাগে যে ফটো এখন তোলাৰ সময়ত আগ্ৰহৰ মূল বিষয়বস্তুতকৈ আন একো বস্তুৱেই অধিক গুৰুত্ব লাভ কৰিব নালাগে।

ক) এক্সপোজাৰ (Exposure)

ওপৰৰ শিতানত আমি ফটোগ্ৰাফীৰ সৃজনাত্মক দিশ 'কম্পোজিশ্যন'ৰ বিষয়ে আলোচনা কৰিলোঁ। এতিয়া 'এক্সপোজাৰ'ৰ বিষয়ে কিছু আলোচনা কৰা যাওক। 'এক্সপোজাৰ'ৰ সাধাৰণ অর্থ হ'ল পোহৰক ফিল্ম স্পর্শ কৰাৰ সুবিধা দিয়া। এই কাম কৰিবলৈ যাওঁতে ফটোগ্ৰাফাৰ এগৰাকীয়ে ফটো এখন তুলিবলৈ কিমান পোহৰৰ প্ৰয়োজন হ'ব সেয়া জানিব লাগে। লগতে ফিল্ম স্পর্শ কৰা পোহৰৰ পৰিমাণ নিয়ন্ত্ৰণ কৰাৰ কৌশলো তেওঁ আয়ত্ব কৰিব লাগে। ফটোগ্ৰাফাৰ এগৰাকীয়ে এক নির্দিষ্ট সময়ৰ বাবে 'এপার্ছাৰ'ৰ (aperture) মাজেৰে পোহৰ সৰকি যাবলৈ দি 'এক্সপোজাৰ' নিয়ন্ত্ৰণ কৰিব লাগে। কেমেৰাৰ 'এপার্ছাৰ' আৰু 'শ্বাটাৰ'ক 'এক্সপোজাৰ' নিয়ন্ত্ৰণ কৰাৰ কামত ব্যৱহাৰ কৰা হয়। যদি কোনো ফটোগ্ৰাফাৰে লগাতকৈ অধিক পোহৰ ফিল্মত পৰিবলৈ দিয়ে, তেন্তে ফটোখন জ্বলি যাব

পাৰে। ফিল্মত অধিক পোহৰ পৰা ফটোক 'অভাৰ 'এক্সপোজেড্' আৰু ইয়াৰ বিপৰীত হ'লে 'আণ্ডাৰ 'এক্সপোজড্' ফটো বুলি কোৱা হয়। সেয়েহে সঠিক এপার্ছাৰ মিলাই লোৱা আৰু 'শ্বাটাৰ স্পীড' ঠিক কৰি লোৱাটো হ'ল এটা গুৰুত্বপূর্ণ বিষয়। এতিয়া প্রশ্ন হ'ব পাৰে, এপার্ছাৰ আৰু শ্বাটাৰ কোনবোৰ কথাৰ ওপৰত নির্ভৰশীল? অশোক দিলৰালীয়ে তেওঁৰ কিতাপ 'অল এবাউট ফটোগ্রাফীত কৈছে যে এপার্ছাৰ আৰু শ্বাটাৰ স্পীড যুটী মিলাই লোৱা প্রক্রিয়াটো তিনিটা কথাৰ ওপৰত নির্ভৰশীল। কথাকেইটা হ'ল —

i) কেমেৰাটো হাতেৰে ধৰা হ'ব নে ত্রিপদত বহুৱাই ৰখা হ'ব। ত্রিপদত বহুৱাই ৰখা কেমেৰাৰ বাবে ক্ষুদ্র এপার্ছাৰ আৰু ধীৰ শ্বাটাৰ স্পীড ৰখা ভাল। তেতিয়া প্রতিচ্ছবিৰ তীব্রতা আৰু ক্ষেত্রৰ গভীৰতা বৃদ্ধি পায়।

ii) বিষয়বস্তু গতিশীল আছে নেকি সেয়া লক্ষ্য ৰাখিব লাগে। যদি বিষয়বস্তু গতিশীল তেনেহ'লে এটা বহল এপার্ছাৰ আৰু দ্রুত শ্বাটাৰ স্পীডৰ প্রয়োজন হ'ব।

iii) বিষয়বস্তুৰ তীব্রতা/উজ্বলতা অন্য এটা উল্লেখযোগ্য দিশ। যদি ফটো এখনৰ পৰিণাম তেনেকুৱা হোৱাটো বিচাৰে, তেন্তে এপার্ছাৰ ক্ষুদ্র আৰু শ্বাটাৰ স্পীড ধীৰ গতিৰ কৰি মিলাই ল'ব লাগে।

ফটোগ্রাফী শিকা সকলে 'f-stop', 'shutter speed' আদিৰ দৰে প্রচলিত শব্দ কিছুমানৰ সৈতে পৰিচিত হোৱা উচিত।

এপার্ছাৰ আৰু এফ-ষ্টপ্ ঃ এপার্ছাৰ হ'ল কেমেৰা লেন্সৰ পিছফালে থকা এটা ছিদ্র। ইয়াৰ আকাৰ ডাঙৰ-সৰু কৰি কম অথবা বেছি পোহৰ সৰকি যাবলৈ দিয়া হয়। এপার্ছাৰৰ আকাৰক 'f-stop' চিহ্নৰে বুজোৱা হয়। এপার্ছাৰ ৰেঞ্জ এটাক f-1.4, f-2, f-22, f-32 আদি জোখেৰে বুজোৱা হয়। f-stop ৰ মান যিমানে সৰু হয়, এক্সপোজাৰ সিমানে অধিক হয়। অর্থাৎ f-1.4 এপার্ছাৰে f-22 এপার্ছাৰতকৈ কেমেৰা ফিল্মত অধিক পোহৰ পৰাৰ সুবিধা দিয়ে।

শ্বাটাৰ আৰু শ্বাটাৰ স্পীড্ ঃ শ্বাটাৰে এক্সপোজাৰৰ মুহূর্ত নহালৈকে পোহৰ ফিল্মত পৰাত বাধা দিয়ে। শ্বাটাৰ খোলা মানে হ'ল পূর্ব নির্দিষ্ট সময়ৰ বাবে লেন্স এপার্ছাৰৰ মাজেদি পোহৰে সৰকি গৈ ফিল্ম স্পর্শ কৰাৰ সুবিধা লাভ কৰে। শ্বাটাৰ স্পীড ছেকেণ্ড অথবা ছেকেণ্ডৰ ভাগত জোখা হয়। সচৰাচৰ শ্বাটাৰ স্পীডক 1/3,1/6,1/12,1/100,1/600,1/1250 আদি জোখত প্রকাশ কৰা হয়। জোখ যিমানেই সৰু হ'ব শ্বাটাৰ স্পীড সিমানে কম হ'ব। যদি শ্বাটাৰ স্পীড 1/12 কৰি মিলাই লোৱা হয়, তেন্তে ইয়াৰ অর্থ হ'ব ই ছেকেণ্ডৰ 1/1250 ভাগতকৈ অধিক দীঘলীয়া সময়ৰ বাবে মেল খাই থাকিব।

ফিল্ম স্পীড ঃ এটা ফিল্ম ৰোলৰ সংবেদনশীলতাক 'স্পীড' বুলি জনা যায়। ইয়াক ASA/ISO সংখ্যাৰে প্রকাশ কৰা হয়।

ক্ষেত্রৰ গভীৰতা (depth of field)ঃ 'ক্ষেত্রৰ গভীৰতা' আচলতে এটা বাক্যাংশ। ইয়াৰ জৰিয়তে লক্ষ্য কেন্দ্রীভূত কৰি লোৱা বিষয়বস্তুৰ আগে -পিছে থকা ক্ষেত্রৰ দূৰত্ব বুজোৱা হয়। সেই দূৰত্বৰ ভিতৰত প্রতিচ্ছবি এখন সঠিক প্রখৰতাত ধৰি ৰাখিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ফটোগ্রাফী মানে কি? ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ লেন্স মানে কি? ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক।

ক) ..... হ'ল এনে এটা প্রয়োগ যাৰ সহায়ত কোনো নথি ছপা কৰি থকাৰ সময়ক ডিছপ্লে' পর্দাত হুবহু নথিখন দেখা পোৱা যায়।

খ) ফটোগ্রাফীৰ আক্ষৰিক অর্থ হ'ল .....।

গ) বিজ্ঞানী ..... এ পোন প্রথমবাৰৰ বাবে 'ফটোগ্রাফী' শব্দটো ব্যৱহাৰ কৰিছিল।

৬.৪ কেমেৰাৰ প্রকাৰ

'কেমেৰা' শব্দটো মূল লেটিন শব্দৰ পৰা উদ্ভৱ হৈছে। ইয়াৰ সহজ অর্থ হ'ল এটা কক্ষ — এটা পোহৰ সোমাব নোৱাৰা অন্ধকাৰ কক্ষ। গঠনৰ ফালৰ পৰাও কেমেৰা হ'ল পোহৰ সোমাব নোৱাৰা এটা ক্ষুদ্র ছিদ্র থকা বাকছ। কেমেৰা নির্মাণ কৰাটোও এটা আপেক্ষিকভাৱে সহজ কাম। ইয়াৰ বাবে এটা কার্ডবোর্ডৰ (ডাঠ কাগজৰ) বাকছ, অলপ ক'লা ৰঙৰ টে'প, অলপ টিনৰ পাট (tinfoil) অথবা শীতল পানীয়ৰ পাত্রৰ পৰা কাটি বাহি কৰা এডোখৰ সৰু এলুমিনিয়াম পাতৰ প্রয়োজন। কেমেৰা দুই ধৰণৰ - ফিল্ম ভিত্তিক অথবা ডিজিটেল। নামৰ পৰাই বুজা যায় ফিল্ম ভিত্তিক কেমেৰাত ফিল্ম ৰোল ব্যৱহাৰ কৰি ফটো তোলা হয়। আনহাতে ডিজিটেল কেমেৰাত

সংলগ্ন ষ্ট'ৰেজ ছিপত (storage chip) প্রতিচ্ছবিবোৰ ধৰি ৰখা হয়। ডিজিটেল প্রতিচ্ছবিবোৰ তোলা, স্বাভাৱিক ৰূপৰ সাল-সলনি কৰা (এড'ব ফটোশ্বপ আদিৰ দৰে ছফ্‌ট্‌ৱেৰ ব্যৱহাৰ কৰি) আৰু প্রিন্ট উলিওৱা সহজ কাম।

৬.৪.১ প্রকাৰ

কেমেৰাক বিভিন্ন ভাগত ভাগ কৰিব পৰা যায়। যেনে —

ক) কার্যসম্পাদন পদ্ধতিৰ আধাৰত কেমেৰাক দুটা ভাগত ভগোৱা হয়।
   ১। ষ্টিল
   ২। মুভী

খ) প্রযুক্তিৰ আধাৰত কেমেৰাক দুটা ভাগত ভগোৱা হয় —
   ১। এনাল'গ
   ২। ডিজিটেল

গ) ফৰমেটৰ আধাৰত কেমেৰাক তলত দিয়া ভাগত ভগোৱা হয় —
   ১। ষ্টিল—ৰেঞ্জ ফাইণ্ডাৰ (RF) আৰু ছিংগল লেন্স ৰিফ্লেক্স (SLR)
   ২। মুভী— ছেলুলইড আৰু ভিডিঅ'




ছেলুলইড (Celluloid)ঃ ছেলুলইড নাইট্রেটেৰে তৈয়াৰী দাহ্য ফিল্ম আধাৰ।

RF আৰু SLR কেমেৰাৰ সংযোগ বিন্দু বাহিৰ কৰাৰ উপায় দুটাৰ মাজত অলপ পার্থক্য আছে। চমুকৈ ক'বলৈ গ'লে RF আৰু SLR কেমেৰাৰ মাজৰ পার্থক্য 'প্রিভিউ মোড'ত ধৰিব পাৰি। RF কেমেৰাত পূর্ব দর্শন (previewed) কৰা প্রতিচ্ছবি আৰু তুলি ৰখা (captured) প্রতিচ্ছবি দুখন একে হয়। 'এডজ্‌'ৰ (edges) চৌপাশে গোট খোৱা প্রতিচ্ছবি তথ্যৰ পৰিমাণৰ মাজত পার্থক্য থাকে। SLR কেমেৰাৰ ক্ষেত্রত পূর্ব দর্শন কৰা প্রতিচ্ছবি আৰু তুলি ৰখা প্রতিচ্ছবি হুবহু হয়। কম্পিউটাৰৰ কাৰিকৰী ভাষাত (Jargon) SLR কেমেৰাক WYSIWYG কেমেৰা (What you see is what you get) বোলা হয়। RF কেমেৰাত দুয়োটা প্রতিচ্ছবি বেলেগ হোৱাৰ কাৰণ হ'ল 'প্রিভিউড', আৰু 'কেপছাৰড্‌' প্রতিচ্ছবিৰ আলোকী পথ (optical path) ভিন্‌ ভিন্‌ হয়। RF কেমেৰাই দুটা আলোকী পথ দেখুৱাব পাৰে— এটা প্রতিচ্ছবি তুলি ৰাখিবৰ বাবে লেন্সলৈ গতি কৰা পথ আৰু আনটো হ'ল প্রিভিউ ৰিণ্ড' লৈ (Preview Window) গতি কৰা পথ।

প'ল ৰ'টেলৰ মতে প্রযুক্তিগত দিশৰ পৰা এনাল'গ হ'ল এনে এটা প্রক্রিয়া যিটোৰ মাধ্যমেৰে শ্রব্য অথবা দৃশ্য সংকেতক (বেছি ভাগ ক্ষেত্রতে মানুহৰ মাতকথা) ধৰি ৰখা পাছত ইয়াক বৈদ্যুতিক স্পন্দনলৈ ৰূপান্তৰিত কৰা হয়। আনহাতে ডিজিটেল এনে এক প্রক্রিয়া যিটোৰ সহায়ত কোনো সংকেতক 'বাইনেৰী ফৰমেট'লৈ (binary format) ৰূপান্তৰিত কৰা হয়। এই ফৰমেটত দৃশ্যমান অথবা শ্রব্য ডেটাবোৰ '1' আৰু '0' ৰ এলানি শৃংখলাৰ সহায়ত উপস্থাপন কৰা হয়। দুয়োটা প্রযুক্তিয়েই যন্ত্রত

ব্যৱহাৰ কৰাৰ পাছত সৰলভাৱে কাম সমাধা কৰে যেন লাগে। বৰ্তমান এনাল'গ অথবা ডিজিটেল ফোন, ফেক্স, মডেম আদি যন্ত্ৰ-পাতি সুলভ। মানুহৰ হৈ এই যন্ত্ৰ-পাতিবোৰে নিজ নিজ প্ৰক্ৰিয়া অনুসৰি সহজে ডেটাবোৰ তথ্যলৈ ৰূপান্তৰিত কৰে। এনাল'গ প্ৰযুক্তি বহু বছৰ ধৰি সক্ৰিয় হৈ আছে। ইয়াৰ ধাৰণাটো সিমান জটিল নহয় আৰু ই এটা কম খৰছী প্ৰক্ৰিয়া। ইয়াৰ প্ৰধান অসুবিধাটো হ'ল ইয়াৰ কিছুমান সীমাবদ্ধতা আছে। এনাল'গ সংকেতৰ আকাৰ সীমাবদ্ধতা আৰু পৰিবহনৰ সীমাবদ্ধতাও আছে। ইয়াৰ বিপৰীতে ডিজিটেল প্ৰযুক্তিৰ সুবিধাটো হ'ল ডিজিটেল সংকেত এটা প্ৰেৰণৰ শেষ বিন্দুত উপনীত হোৱাৰ লগে লগে নিজৰ প্ৰয়োজনীয় ৰূপ ধাৰণ কৰে। অৰ্থাৎ, স্পষ্টতা হ'ল ডিজিটেল প্ৰক্ৰিয়াৰ প্ৰধান সুবিধা। বেছিভাগ ক্ষেত্ৰতে আমি এই প্ৰযুক্তিৰ সহায়ত অবিকৃত ধ্বনি আৰু সুস্পষ্ট টিভি দৃশ্য উপেভোগ কৰিবলৈ পাওঁ। ছেলুলইড হ'ল এবিধ বৰ্ণহীন দাহ্য পদাৰ্থ। নাইট্ৰে'ছেলুলইড আৰু কৰ্পূৰ মিহলাই ইয়াক তৈয়াৰ কৰা হয়। ছেলুলইডেৰে ফটোগ্ৰাফিক ফিল্ম তৈয়াৰ কৰা হয়। ১৮৬৯ চনত ইয়াক প্ৰথমবিধ ছিন্থেটিক প্লাষ্টিক পদাৰ্থৰ ৰূপত বিকশাই তোলা হৈছিল। তেতিয়া ইয়াক কৰ্পূৰেৰে নমনীয় কৰি লোৱা ছেলুলইড নাইট্ৰেটৰ (নাইট্ৰ'ছেলুল'জ) কলয়ডেৰে (colloid) তৈয়াৰ কৰা হৈছিল। ই এবিধ কঠিন, কম খৰছতে তৈয়াৰ কৰিব পৰা, পানী-তেল-তৰলীকৃত এছিড প্ৰতিৰোধী পদাৰ্থ। অধিকাংশ বোলছবি ছেলুলইড ফিল্ম ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছিল। ছেলুলইড ফিল্মৰ প্ৰধান সুবিধাটো হ'ল ছবিৰ প্ৰখৰতা আৰু মানৰ সৈতে ই কোনো আপোচ নকৰে। আনহাতে ডিজিটেল ভিডিঅ' হ'ল গতিশীল ছবি ৰেকৰ্ড কৰাৰ এবিধ নতুন ফৰমেট। ইয়াত বন্দী কৰা প্ৰতিচ্ছবিবোৰৰ এলানি শৃংখলা ইখনৰ পাছত সিখন লগ লগাই গতি আৰু আন্তঃক্ৰিয়াশীলতা সৃষ্টি কৰা হয়। প্ৰতি ছেকেণ্ডত অসংখ্য ফ্ৰেমৰ সহায়ত ভিডিঅ' ছবি প্ৰচাৰ কৰিব পাৰি। এই ক্ষেত্ৰত দুটা ফ্ৰেমৰ ইটোৰ পৰা সিটোলৈ গতি কৰা প্ৰয়োজন হোৱা সময়ৰ জোখো ব্যৱহাৰ কৰা হয়। এই ফৰমেটৰ প্ৰধান সুবিধাটো হ'ল ৰেৰ্কড কৰা ছবি তৎক্ষণাৎ চাব পৰা যায়। ছেলুলইড ফৰমেটত ৰেকৰ্ড কৰা ছবি লগে লগে চাব পৰা নাযায়।

৬.৪.২ ষ্টিল কেমেৰাৰ অংশ



স্থিৰ চিত্ৰ এখন তুলিবলৈ আমাক ষ্টিল কেমেৰা এটাৰ প্ৰয়োজন হয়। ষ্টিল কেমেৰাটো RF অথবা SLR প্ৰকাৰৰ হ'ব পাৰে। প্ৰখ্যাত ফ্ৰীলান্স লিজ মেছ'নাৰৰ মতে আমি কেমেৰাৰ অংশবোৰক দুটা প্ৰধান ভাগত ভগাব পাৰো। এটা হ'ল কেমেৰাৰ দেহ অংশ আৰু আনটো হ'ল কেমেৰাৰ লেন্স। প্ৰথমে কেমেৰাৰ দেহ অংশটোৰ বিষয়ে আলোচনা কৰিম।

ক) কেমেৰাৰ দেহ (Camera Body)

দেহটো হ'ল কেমেৰাৰ প্ৰধান মৌলিক অংশ। এই বাকচটোৰ অভ্যন্তৰত ফিল্ম ভৰোৱাৰ ব্যৱস্থা আৰু নিয়ন্ত্ৰণৰ উপায় থাকে। লেন্স এখন কেমেৰাৰ দেহত পূৰ্বৰ পৰাই লগোৱা থাকে নাইবা পিছত লগাই ল'ব পৰা ব্যৱস্থা কৰা থাকে। কেমেৰাৰ দেহত বেটাৰী ভৰাব পৰা কক্ষও থাকে। ই শ্বাটাৰ, ফ্ল্যাশ, লাইট মিটাৰ তথা অন্য নিয়ন্ত্ৰক অংশবোৰলৈ শক্তি যোগান ধৰে। কেমেৰা এটা সহজে কঢ়িয়াই লৈ ফুৰিব পৰাকৈ ইয়াৰ দেহত ওলোমাব পৰা ৰিং থাকে। কেমেৰাৰ দেহ অংশ এটাত তলত উল্লেখ কৰা উপাংশবোৰ থাকে —

- **লেন্স ঃ** লেন্স হ'ল কেমেৰাৰ এটা অংশ (অথবা পৃথকে সংলগ্ন কৰি লোৱা অতিৰিক্ত সংযোজন)। ই কেমেৰাৰ দেহ আৰু ফিল্মত পোহৰ কেন্দ্ৰীভূত কৰে। লেন্সতে এপার্ছাৰ সংলগ্ন হৈ থাকে।
- **ফিল্ম কম্পার্টমেন্ট ঃ** ফিল্ম কেমেৰাৰ পিছফালে ফিল্ম ৰোলটো ভৰাব পৰাকৈ এটা কক্ষ থাকে। এই কক্ষত ফিল্ম কেনিষ্টাৰ ভৰোৱা ঠাই, এক্সপোজাৰ ক্ষেত্ৰলৈ ফিল্ম আগবঢ়াই

নিবলৈ প্ৰোকেটছ্, ফিল্ম দৃঢ়ভাৱে ধৰি ৰাখিবলৈ এখন প্ৰেছাৰ প্লেট আৰু ফিল্মটো ঘূৰাবলৈ এটা টে'ক-আপ্-ৰীল থাকে।

- **ভিউ ফাইণ্ডাৰ ঃ** ই হ'ল কেমেৰাৰ পাছ ভাগত থকা এটা ছিদ্ৰ। ইয়াৰ মাজেদি ফটোগ্ৰাফাৰে বিষয়বস্তুলৈ চাই কেমেৰাৰ অন্য অংশবোৰ ঠিককৈ সজাই লয়।
- **শ্বাটাৰ ঃ** কেমেৰাৰ ভিতৰত থকা প্লাষ্টিক অথবা ধাতুৰ গোটা পাট। ই ফিল্ম অথবা ডিজিটেল ছেন্সৰত পোহৰ সোমোৱাত বাধা দিয়ে।
- **শ্বাটাৰ ৰিলিজ ঃ** শ্বাটাৰ ৰিলিজ হ'ল এটা বুটাম। ই ফিল্ম এক্সপোজ কৰিবলৈ এক নির্দিষ্ট সময়ৰ বাবে পোহৰ সোমাবলৈ দি কেমেৰাৰ ভিতৰ ভাগত থকা শ্বাটাৰখন দাঙি ধৰে।
- **শ্বাটাৰ স্পীড নিয়ন্ত্রক ঃ** ই হ'ল কেমেৰাৰ বহির্ভাগত থকা বিন্দু যিটো মিলাই লৈ ফটোগ্ৰাফাৰে কিমান সময় শ্বাটাৰ খোলা থাকিব সেয়া নির্দ্ধাৰিত কৰি লয়।
- **ফিল্ম স্পীড নিয়ন্ত্রক ঃ** ই কেমেৰাৰ মিটাৰক ফিল্ম স্পীডৰ সৈতে মিহলাই লৈ সঠিক এক্সপোজাৰে জোখ জনাত সহায় কৰে।
- **এফ ষ্টপ নিয়ন্ত্রক ঃ** এফ ষ্টপ নিয়ন্ত্রকে ফটোগ্ৰাফাৰক লেন্সৰ ভিতৰত এপার্ছাৰৰ আকাৰ ঠিক কৰি লোৱাত সহায় কৰে।
- **ফ্ল্যাশ্ব ঃ** এই আহিলাবিধে ফটো এখন তোলাৰ সময়ত চমকনি অথবা কৃত্রিম পোহৰৰ সৃষ্টি কৰে। ডিজিটেল কেমেৰাবোৰত আজিকালি নির্মাণৰ সময়তে ফ্ল্যাশ্ব সংলগ্ন কৰি দিয়া হয়।
- **হট শ্বু মাউন্ট ঃ** অধিকাংশ SLR কেমেৰাৰ বহির্ভাগৰ ওপৰ অংশত এই অংশটো থাকে। ইয়াত এটা ফ্ল্যাশ্ব বেলেগে সংলগ্ন কৰিব পাৰি।
- **লেন্স ৰিং মাউন্ট ঃ** সলনি কৰিব পৰা লেন্স লগোৱা সুবিধা থকা কেমেৰাবোৰৰ সন্মুখ ভাগত থকা ধাতৰ ৰিং। ইয়াত লেন্স খাপ খুৱাই ল'ব পৰা যায়।

৬.৪.৩ মুভী কেমেৰা

মুভী কেমেৰা হ'ল অতি দ্ৰুত গতিত ফিল্ম ৰিলত ছবি তুলি যাব পৰা কেমেৰা। ষ্টিল কেমেৰাই এটা মুহূৰ্তত মাত্ৰ এখন ফটোহে তুলিব পাৰে। মুভী কেমেৰাই এটা মুহূৰ্তত এখন প্ৰতিচ্ছবিৰ শৃংখলা এটা বন্দী কৰিব পাৰে। শৃংখলাৰ প্ৰতিখন প্ৰতিচ্ছবিকে একোটা 'ফ্ৰেম' বোলা হয়। এই কামটো এটা সুসংবদ্ধ প্ৰণালীৰে সম্পন্ন কৰা হয়। পাছত এই ফ্ৰেমবোৰক এটা নির্দিষ্ট গতিত মুভী প্ৰ'জেক্টৰ নামৰ যন্ত্রবিধৰ সহায়ত পুনৰ চলোৱা হয়। নির্দিষ্ট গতিটোক 'ফ্ৰেমৰেট' বোলা হয় (প্ৰতি ছেকেণ্ডৰ পাৰ হোৱা ফ্ৰেমৰ সংখ্যা)। চোৱাৰ সময়ত দর্শকৰ চকু আৰু মগজুৱে পৃথক পৃথক ছবিবোৰক একেলগ কৰি লয় বাবে গতিশীলতাৰ ভ্ৰমৰ (Persistance of vision) সৃষ্টি হয়।

আনহাতে ডিজিটেল ভিডিঅ' কেমেৰা হ'ল এক শ্রেণীৰ সহজে কঢ়িয়াই লৈ ফুৰিব পৰা কেমেৰা। দেখাত ই মুভী কেমেৰাৰ দৰেই যদিও ই প্রধানকৈ ভিডিঅ' কেছেট সংলগ্ন চিপ (chip) ত দৃশ্য বন্দী কৰে আৰু পাছত সেয়া টেলিভিছনৰ পর্দাত দেখুওৱা হয়। ভিডিঅ' কেমেৰাত দৃশ্যগ্রহণৰ সৈতে শব্দগ্রহণ কৰাৰ সুবিধা থাকে। সেয়েহে ভিডিঅ' কেমেৰাৰ দেহত মাইক্র'ফোন, স্পীকাৰ, LCD পর্দা আদি সংলগ্ন কৰা থাকে।



অনুশীলনী - ৬.১

কেমেৰাৰ দোকান এখনলৈ যাওক। তাত থকা বিভিন্ন প্রকাৰৰ কেমেৰাবোৰ চাওক। RF কেমেৰা এটাৰ সৈতে SLR কেমেৰা এটা তুলনা কৰি চাওক। SLR কেমেৰাত থকা অন্য সুবিধাবোৰ বাছি উলিয়াওক। RF কেমেৰাতকৈ SLR কেমেৰা কিহত পৃথক সেয়া বুজিবলৈ চেষ্টা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক।

ক) SLR কেমেৰা মানে হ'ল .....।

খ) কেমেৰাৰ পূর্বসূৰী হ'ল .....।

গ) ..... হ'ল কেমেৰাৰ পিছফালে থকা এটা ছিদ্র যিটোৰ মাজেদি চাই ফটোগ্রাফাৰে বিষয়বস্তুৰ ওপৰত লক্ষ্য কেন্দ্রীভূত কৰে।

ঘ) ..... হ'ল ফটো তোলাৰ সময়ত ব্যৱহৃত এবিধ আহিলা যি চমকনি আৰু কৃত্রিম পোহৰৰ সৃষ্টি কৰে।

ঙ) ..... হ'ল ফিল্মৰ ৰিলত অতি দ্রুতগতিত এলানি দৃশ্য তুলি ৰাখিব পৰা এবিধ ফটোগ্রাফিক কেমেৰা।

প্রশ্ন নং ৫ ঃ এনাল'গ আৰু ডিজিটেল কেমেৰাৰ মাজত থকা পার্থক্যসমূহ কি? ১০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।

.....

.....

.....

৬.৫ শ্বট আৰু কেমেৰা পৰিচালনা

স্থিৰ চিত্ৰ গ্ৰহণৰ সময়ত ষ্টিল কেমেৰাৰে এটা মুহূৰ্তত মাত্ৰ এখন ফটো তোলা হয়। মূভী ফটোগ্ৰাফীৰ ক্ষেত্ৰত কেমেৰা পাৰ্ছন এগৰাকীয়ে এটা মুহূৰ্তত এলানি প্ৰতিচ্ছবি কেমেৰাৰে ধৰি ৰাখে। মুভী ফটোগ্ৰাফীৰ এটা 'স্নেপ শ্বট'ক একোটা 'ফ্ৰেম' বোলা হয়। একোটা 'শ্বট' তৈয়াৰ কৰিবলৈ সাধাৰণতে অতি কমেও ৩-৫ ছেকেণ্ড দৃশ্যগ্ৰহণ কৰিব লাগে। এনে শ্বটত ৭২ টাতকৈও ফ্ৰেম থাকিব পাৰে। প্ৰতিটো ছেকেণ্ডত ২৪ টা ভিডিঅ' ফ্ৰেম ধৰি ৰখা হয়। এগৰাকী মুভী ফটোগ্ৰাফাৰে শ্বট ছাইজ, কেমেৰা মুভমেন্ট আদি কথাৰ সৈতে পৰিচিত হ'ব লাগে। তলত মুভী কেমেৰাৰ শ্বট আৰু পৰিচালনাৰ মৌলিক ধাৰণাবোৰ আলোচনা কৰা হ'ল।

৬.৫.১ শ্বট

কেমেৰাই ধৰি ৰখা ছবিৰ সকলোবোৰকে শ্বট বোলে। অক্সফ'ৰ্ড অভিধানৰ মতে শ্বট হ'ল কথাছবিৰ দৃশ্যাংশ যিবোৰক কেমেৰাই অবিৰতভাৱে ধৰি ৰাখে। কথাছবি নিৰ্মাণৰ ক্ষেত্ৰত শ্বট মানে লিখিত অৰ্থৰ এটা শব্দ, এটা খণ্ডবাক্য, এটা বাক্য অথবা এটা দফাৰ সমতুল্য হ'ব পাৰে। কথাছবি পৰিচালকে কথাছবি 'শ্বুট' বা দৃশ্যগ্ৰহণ কৰে। প্ৰতিটো শ্বটেই হ'ল কেমেৰা এটা স্থিৰ অথবা গতিশীল যিকোনো অৱস্থাত ৰাখি অবিৰতভাৱে এক নিৰ্দিষ্ট সময়ৰ বাবে ধৰি ৰখা দৃশ্যাৱলী।

শ্বট ছাইজ প্ৰধানতঃ আঠটা। এইবোৰক একেলগে মৌলিক শ্বট বুলি কোৱা হয়। শ্বটকেইটা হ'ল —

১) এক্সট্ৰিম লং শ্বট (ELS) ঃ ELS হ'ল সবাতোকৈ বহল আৰু অতি বিস্তৃত শ্বট। দৃশ্যগ্ৰহণ ফ্ৰেমৰ এক বৃহৎ অংশ নাইবা ঘটনা এটাৰ অধিকাংশ এনে শ্বটে সামৰি লয়। ই দৰ্শকক এক প্ৰেক্ষাপট দেখাত সহায় কৰে। কেমেৰাই সমগ্ৰ অঞ্চলৰ ছবি ধৰি ৰাখে। মুখ্য বিষয় অথবা বিষয়সমূহ পটভূমিৰ তুলনাত নগণ্য হৈ পৰে আৰু দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিষয় অথবা বিষয়সমূহে চৌপাশৰ পৰিবেশৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া হয়।

২) লং শ্বট (LS) ঃ LS -তকৈ এনে শ্বটবোৰ দৃশ্য ক্ষেত্ৰৰ কিছু ওচৰৰ পৰা গ্ৰহণ কৰা হয়। এনে শ্বটৰ সময়তো বিষয় অথবা বিষয়বস্তুসমূহৰ ওপৰত নিজাকৈ যথেষ্ট বিশাল পটভূমিয়ে আধিপত্য বিস্তাৰ কৰি থাকে। ই এটা বহল আৰু দীৰ্ঘ ব্যৱধানৰ দৃশ্যগ্ৰহণ। ই দৰ্শকক সামগ্ৰিক দৃশ্যসজ্জা আৰু চৌপাশৰ পৰিবেশৰ সৈতে চিনাকি কৰি দিয়ে।

৩) মিড লং শ্বট (MLS) **অথবা লং মিড শ্বট** (LMS)ঃ এনে শ্বটৰ প্ৰতিচ্ছবিবোৰৰ আকাৰ LS -তকৈ সৰু হয়। যদি বিষয়বস্তু এগৰাকী ব্যক্তি হয় আৰু যদি তেওঁ কোনো পটভূমিৰ সৈতে থাকে, তেন্তে MLS -টো তেওঁৰ আঁঠুলৈকে অথবা আঁঠুৰ মাজৰ পৰা ভৰিলৈকে অথবা আঁঠুৰ পৰা ওপৰলৈকে লোৱা হ'ব পাৰে।

৪) মিড শ্বট (MS) ঃ টিভিত আমি সততে MS দেখা পাওঁ। সংবাদ আৰু যি কোনো ধৰণৰ বাৰ্তালাপৰ অনুষ্ঠানত এনে শ্বট লোৱা হয়। ই কোনো কথা অথবা কাম উৎকৃষ্ট


ধৰণে ধৰি ৰাখিব পাৰে। এই শ্বটক LS আৰু CU (Close-Up) ৰ মাজৰ কেমেৰা শ্বট বুলি কোৱা হয়। এনে শ্বটত বিষয় অথবা বিষয়বস্তুক মধ্যম দূৰত্বৰ পৰা দেখা পোৱা যায়।

৫) মিড ক্লোজ-আপ (MCU) ঃ MCU -ত এগৰাকী ব্যক্তিৰ মূৰৰ ফালৰ পৰা বুকুলৈকে দেখা পোৱা যায়। ইয়াক পাছপর্ট ফটোগ্রাফৰ সৈতে ৰিজাব পাৰি। টিভি নিউজ সম্প্রচাৰৰ সময়ত ইয়াক বহুলভাৱে প্রয়োগ কৰা হয়। বিশেষকৈ বিবৃতি, সাক্ষাৎকাৰ আৰু ভাষণৰ দৃশ্যগ্রহণ কৰা সময়ত MCU ব্যৱহাৰ কৰা হয়। নাম আৰু শিৰোনাম বিজ্ঞপ্তিবোৰ সাধাৰণতে শ্বটৰ বিপৰীতে ফ্রেমৰ তলফালে 'চুপাৰ ইম্পোজড্' (Super imposed) কৰা হয়।

৬) ক্লোজ-আপ (CU) ঃ সকলোবোৰ শ্বট ছাইজৰ ভিতৰত CU সবাতেকৈ জনপ্রিয়। ইয়াক সাধাৰণতে সাক্ষাৎকাৰ গ্রহণৰ সময়ত ব্যৱহাৰ কৰা হয়। এনে শ্বটৰ বিষয়বস্তুটো আগ্রহৰ মূল কেন্দ্র হৈ পৰে। পটভূমিৰ এটা অতি ক্ষুদ্র অংশহে দৃষ্টিগোচৰ হয়।এনে শ্বটত আমি বিষয়বস্তুৰ মূৰ আৰু কান্ধ দুখনহে দেখা পাওঁ।

৭) বিগ ক্লোজ-আপ (BCU) ঃ BCU -ত কেৱল মুখখন দেখুওৱা হয়। উদাহৰণস্বৰূপে গভীৰ চিন্তা অথবা আবেগত বিভোৰ হৈ থকা ব্যক্তি এগৰাকীৰ সাক্ষাৎকাৰ লৈ থকা সময়ত এনে শ্বটেৰে তেওঁৰ কপাল অথবা থুঁতৰিত লক্ষ্য কেন্দ্রীভূত কৰা হয়।

৭) এক্সট্রিম ক্লোজ-আপ (ECU) ঃ এনে শ্বটত কেমেৰাক আৰু অধিক কাষলৈ (বিষয়বস্তুৰ) নিয়া হয়। অর্থাৎ শ্বটটো অধিক ওচৰৰ পৰা লোৱা হয়। কেতিয়াবা বিষয়বস্তুৰ অৱয়বৰ মাত্র এটা অংশহে, যেনে —ব্যক্তিৰ চকু, ওঠ অথবা আঙুলি দেখা যায়।



৬.৫.২ কেমেৰা পৰিচালনা (Camera Movement)

ভিডিঅ' ছবিৰ মৌলিক বৈশিষ্টটো হৈছে গতিশীল ছবিৰ প্রচাৰ। সেয়েহে দর্শকৰ মনত আগ্রহৰ জন্ম দিবলৈ কেমেৰাটোক ইফালে-সিফালে ঘূৰাব লগীয়া হয়। প্রধানতঃ কেমেৰা পৰিচালনা কৰাৰ দুটা উপায় আছে। (ক) প্রথমটো হ'ল কেমেৰাৰ স্থান সলনি কৰা। অর্থাৎ গোটেই কেমেৰাটো আৰু কেমেৰা বহুৰাই ৰখা সাজ-সৰঞ্জাম আদি দাঙি অন্য স্থানলৈ লৈ যোৱা। (খ) আনটো উপায় হ'ল কেমেৰাটো একে স্থানতে ৰাখি ইফালে-সিফালে ঘূৰোৱা। এনে অৱস্থাত কেমেৰাটো স্থিৰ আহিলাৰ ওপৰত দৃঢ়ভাৱে বহুৰাই ৰাখি ওপৰৰ অংশটো লৰচৰ কৰা হয়।

১) পেন (PAN) ঃ পেন হ'ল কেমেৰাৰ পথালি সঞ্চালন। সোঁফালৰ পৰা বাওঁফাললৈ অথবা বাওঁফালৰ পৰা সোঁফাললৈ স্থিৰ অৱস্থানত ৰাখি কেমেৰা ঘূৰোৱাকে পেন বোলে। এনে অৱস্থাত কেমেৰাই বিষয়বস্তুক অনুসৰণ কৰে, এটা বিষয়ৰ পৰা আন এটা বিষয়লৈ দর্শকৰ দৃষ্টি আঁতৰাই নিয়ে, বিষয়বস্তুৰ মাজত থকা সম্পর্ক স্পষ্টকৈ দেখুৱাই দিয়ে আৰু অত্যাধিক ডাঙৰ বিষয়বস্তুবোৰক একোটা শ্বটৰ ভিতৰুৱা কৰাৰ প্রয়াস কৰে। কেমেৰাৰ পেন সঞ্চালনে দুটা সংলগ্ন পথালি ফ্রেম আৰু ইয়াৰ মাজত থকা ধাৰাবাহিকতা প্রদর্শন কৰে। টিভি সংবাদৰ ক্ষেত্রত সঘনাই পেন সঞ্চালন কৰা নহয়। ই সম্পাদনাৰ সময়ত অসুবিধাৰ সৃষ্টি কৰে। কিন্তু মঞ্চত উপবিষ্ট একাধিক বিশিষ্ট ব্যক্তিক দেখুৱাবলৈ এনে সঞ্চালন ব্যৱহাৰ কৰা হয়।

পেন এটা নির্দিষ্ট সূচনা বিন্দু আৰু নির্দিষ্ট সামৰণি বিন্দু থাকিব লাগে। কেতিয়াবা বিষয়বস্তুৱে পোনে পোনে কেমেৰাৰ পেনলৈ চকু দিয়ে। তাৰ পাছত কেমেৰাৰ জৰিয়তে বিষয়বস্তুই চোৱা অথবা দেখুৱাব খোজা বিষয়টো প্রদর্শিত কৰা হয়।

২) টিল্ট (TILT) ঃ এডাল লম্ব মেৰুত কেমেৰা তল-ওপৰ কৰাকে টিল্ট বোলে। কেমেৰা স্থিৰ অৱস্থাত থাকে। যেতিয়া কেমেৰাৰ লেন্স ওপৰমুৱা হয়, তেতিয়া ইয়াক টিল্ট্-আপ বোলে। ইয়াৰ বিপৰীত ক্রিয়াটোক টিল্ট্-ডাউন বোলা হয়। ই বিষয়বস্তুৰ/কাহিনীৰ গতি-বিধি অনুসৰণ কৰে। দুটা বিষয়ৰ মাজৰ আকৃতিগত বৈসাদৃশ্য প্রকট কৰে আৰু বিষয়বস্তুক উচ্চতাৰ পৰা চোৱাত দর্শকক সহায় কৰে।

৩) পেডেষ্ট্যাল (PEDESTAL) ঃ কেমেৰা বহুৰাই থোৱা বেদীখনৰ (Pedestal) কেন্দ্রীয় টেলিস্কপিক খুঁটাটো তল-ওপৰ কৰি কেমেৰা লম্বভাৱে ওপৰলৈ উঠোৱা নাইবা নমোৱা পদ্ধতি। পেডেষ্ট্যাল নিয়ন্ত্রণে কেমেৰাৰ মাজেদি দেখা দৃশ্যৰ ৰূপ সলনি কৰিব পাৰে। এনে সঞ্চালনৰ ফলত সৃষ্টি হোৱা দৃশ্যক মানুহ এজনে বহি থাকোতে দেখা কোনো দৃশ্য আৰু একেটা দৃশ্যকে থিয় হৈ চোৱাৰ সৈতে ৰিজাব পাৰি।

৪) ঝুম (ZOOM) ঃ ঝুম প্রয়োগ কৰাৰ সময়ত কেৱল কেমেৰাৰ লেন্সহে লৰচৰ হয়।

ঝুমৰ সহায়ত বিষয়বস্তু এটাক ক্লোজ-আপ পৰিধিলৈ আনিব অথবা পৰিধিৰ বাহিৰ কৰি দিব পাৰি। লেন্সৰ সামর্থ অনুসৰি দৃশ্য এটা 'ৱাইড এংগল'ৰ পৰা 'টেলিফটো' অথবা 'টেলিফটো'ৰ পৰা 'ৱাইড এংগল কৰিব পাৰি। এই কাম একেবাৰতে অবিৰতভাৱে কৰিব পৰা যায়। ঝুম নিয়ন্ত্রণৰ সুবিধা থকা কেমেৰাৰ লেন্সৰ 'ফিল্ড অৱ ভিউ' বেলেগ বেলেগে হ'ব পাৰে।

বিষয়বস্তুৰ কাষ ছপা অথবা আঁতৰি যাব পৰা ক্ষমতাৰ বাবে এনে লেন্সক ঝুম লেন্স বোলা হয়। 'ঝুম আউট' মানে হ'ল বিষয়বস্তুৰ পৰা আঁতৰি গৈ এটা বহল শ্বট লোৱা। টিভি সংবাদৰ ক্ষেত্রত ঝুম পদ্ধতি ব্যৱহাৰ কৰা নহয় বুলিব পাৰি। কাৰণ এনে শ্বট সম্পাদনা কৰাতো কঠিন। ঝুম শ্বটবোৰ কেমেৰা বন্ধ কৰি, শ্বটটো পুনৰ ফ্রেমত সজাই, পুনৰ কেমেৰা সক্রিয় কৰি মচি পেলাব পৰা যায়।

৫) **ট্রলী অথবা ট্রাক** (Trolley or Truck) ঃ ট্রলী অথবা ট্রাক হ'ল বিষয়বস্তুৰ সমান্তৰালভাৱে কৰা কেমেৰা সঞ্চালন। ইয়াৰ অর্থ হ'ল পেডেষ্ট্যালৰ ওপৰেৰে কেমেৰাই কৰা পার্শ্বীয় গতি। 'ট্রলী' মানে কি ? দৰাচলতে ই হ'ল চকা থকা এবিধ সৰু বাহন। ইয়াক এটা চিৰিৰ ওপৰত উঠাই লৈ আগলৈ ঠেলি নিব পাৰি অথবা পিছলৈ টানি আনিব পাৰি। ট্রলী একোখনত কেমেৰা পার্ছনৰ সৈতে সমগ্র ৰেক'র্ডিং সাজ-সৰঞ্জামবোৰ তুলি থোৱা হয়।

৬) **ডলী** (DOLLY) ঃ ডলী হ'ল চকা থকা চাপৰ বেদী। ইয়াৰ ওপৰত কেমেৰাৰ দৰে গধুৰ বস্তু উঠাই ইফালে সিফালে অনা-নিয়া কৰা হয়। কেমেৰাৰ ডলী সঞ্চালন মানে হ'ল পেডেষ্ট্যালৰ ওপৰত থকা কেমেৰাই বিষয়বস্তুৰ অথবা দৃশ্যৰ কাষ চাপি অথবা আঁতৰি যোৱা পদ্ধতি। কেমেৰা বিষয়বস্তুৰ কাষ চাপি গ'লে ইয়াক 'ডলী ইন' আৰু আঁতৰি গ'লে 'ডলী আউট' বুলি কোৱা হয়।

৭) **আর্ক** (ARC) ঃ আর্ক হ'ল কোনো বৃত্তৰ এটা অংশ অথবা কোনো ধেনুভিৰীয়া ৰেখা। কেমেৰাৰ আর্ক সঞ্চালন হ'ল ডলী আৰু ট্রলী সঞ্চালনৰ মিশ্রণ। আর্ক হ'ল এটা অর্দ্ধ বৃত্তাকাৰ সঞ্চালন। এনে সঞ্চালনৰ সময়ত কেমেৰা পেডেষ্ট্যালৰ ওপৰত থাকে।

৮) **ক্রেন** (CRANE) ঃ কেমেৰাৰ ক্রেন সঞ্চালন মানে হ'ল এটা কনট্রেপশ্যনৰ দীঘল বাহুৰ ওপৰত ৰাখি কৰা দৃশ্যগ্রহণ। ক্রেন হ'ল দীঘল বাহুযুক্ত এটা ওখ যন্ত্র। ইয়াক গধুৰ বস্তু দাঙিবলৈ আৰু আঁতৰাবলৈ ব্যৱহাৰ কৰা হয়। কেমেৰা ক্রেন হ'ল কেমেৰা আদি উঠাই ওপৰলৈ নিব পৰা এটা বৃহৎ যন্ত্র। ইয়াৰ চাৰিযোৰ চকা আৰু বাহিৰলৈ প্রসাৰিত বৃহৎ বাহু থাকে।



অনুশীলনী - ৬.২

আপুনি যদি টেলিভিছনৰ কোনো বাতৰি ছেনেল আৰু মনোৰঞ্জনমূলক ছেনেলৰ নিয়মীয়া দৰ্শক, তেনেহ'লে দুয়োটা ছেনেলৰ বিভিন্ন অনুষ্ঠানত গ্রহণ কৰা শ্বটসমূহ চিনাক্ত কৰাৰ চেষ্টা কৰক। বাতৰি ছেনেলটোৱে ব্যৱহাৰ কৰা শ্বটসমূহ চিনাক্ত কৰাৰ চেষ্টা কৰক। বাতৰি ছেনেলটোৱে ব্যৱহাৰ কৰা মৌলিক শ্বট আৰু কেমেৰা পৰিচালনাৰ উপায়বোৰ কি কি? মনোৰঞ্জনমূলক ছেনেলটোৱে ব্যৱহাৰ কৰা মৌলিক শ্বট আৰু কেমেৰা পৰিচালনাৰ উপায়বোৰ কি কি?



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ শ্বট মানে কি? মুভী কেমেৰাৰ মৌলিক শ্বটবোৰৰ নাম লিখক। ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ ট্রলী আৰু পেন সঞ্চালনৰ মাজত থকা পার্থক্যসমূহ কি কি? ১০০ টা শব্দৰ ভিতৰত আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ফটোগ্রাফী হ'ল পোহৰৰ ক্রিয়া নাইবা আন কোনো আনুষংগিক বিকিৰণৰ সহায়ত কোনো এক সংবেদনশীল পদার্থৰ ওপৰত কোনো বিষয়বস্তুৰ প্রতিচ্ছবি ধৰি ৰখাৰ পদ্ধতি। আক্ষৰিক অর্থত 'ফটোগ্রাফী' মানে হ'ল 'পোহৰৰ সহায়ত লিখা কার্য। ফটোগ্রাফী' শব্দটো পোন প্রথমবাৰৰ বাবে ব্যৱহাৰ কৰি বিজ্ঞানী ছাৰ জন ফ্রেডৰিক ৱিলিয়াম হাৰশ্বেল - এ (১৭৯২-১৮৭১) ১৮৩৯ চনৰ ২৮ ফ্রেব্রুৱাৰীত ৱিলিয়াম হেনৰী ফক্স তালবোট-লৈ (১৮০০-১৮৭৭) এখন চিঠি লিখিছিল। 'কেমেৰা' শব্দটো মূল লেটিন শব্দৰ পৰা উদ্ভৱ হৈছে। ইয়াৰ সহজ অর্থ হ'ল এটা কক্ষ । এটা পোহৰ সোমাব নোৱাৰা অন্ধকাৰ কক্ষ। ফটোগ্রাফীৰ দুটা লাগতিয়াল অংশ হ'ল 'কম্পোজিশ্যন আৰু 'এক্সপোজাৰ'। 'কম্পোজিশ্যন হ'ল ফটোগ্রাফাৰৰ শিল্পীসুলভ অথবা সৃজনাত্মক গুণ। ফটোগ্রাফাৰ এগৰাকীয়ে 'ফ্রেম' অথবা ভিউফ্রাইণ্ডাৰৰ সীমাৰ ভিতৰত ধৰি ৰাখিব খোজা বিষয়বস্তুৰ সকলোবোৰ উপাদান সজাই লয়। ইয়াৰ পৰিণাম স্বৰূপে এটা দৃষ্টি নন্দন 'কম্পোজিশ্যন' ৰ সৃষ্টি হ'ব পাৰে। 'এক্সপোজাৰ' হ'ল ফটোগ্রাফীৰ বৈজ্ঞানিক আৰু কাৰিকৰী দিশ। ইয়াত ফটোগ্রাফাৰ এগৰাকীয়ে কেমেৰাৰ লেন্সৰ মাজেৰে ফিল্মৰ ওপৰত পোহৰ পৰাৰ সুবিধা দিয়ে। এটা ভাল বিজ্ঞপ্তিত থকা তথ্যবোৰ যথার্থ হ'ব লাগে, বিজ্ঞপ্তিৰ মান বঢ়াবলৈ উপযুক্ত তথ্য প্রয়োগ কৰিব লাগে তথা বিজ্ঞপ্তি এটা পঢ়ি পাঠক আপ্লুত হ'ব লাগে। শ্বট হ'ল কেমেৰাই ধৰি ৰখা ছবিৰ সমল। শ্বট সাধাৰণতে আঠ প্রকাৰৰ। এই শ্বটকেইটাক মৌলিক শ্বট বুলি কোৱা হয়।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

* Photography for the Beginners, Alok Chandra Roy, Apsara, Guwahati.
* All About Photography, Ashok Dilwali, National Book Trust, New Delhi.
* Photo One, Muse Kenneth, Prentice H.
* Video Production, Vasuki Belavadi, Oxford University Press.
* Mahurat, Ankuran Dutta (ed.), Cotton College, Guwahati.

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কোনো এক সংবেদনশীল পদার্থৰ ওপৰত পোহৰ অথবা তেনে ধৰণৰ বিকিৰণৰ দ্বাৰা কোনো বিষয়বস্তুৰ প্রতিচ্ছবি ধৰি ৰখা পদ্ধতিটোকে ফটোগ্রাফী বোলে। আক্ষৰিক অর্থত 'ফটোগ্রাফী' মানে হ'ল 'পোহৰ আৰু 'গ্রাফোছ' অথবা 'গ্রাফীন', অর্থ-অংকন কৰা এই শব্দ দুটাৰ পৰা উৎপত্তি হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ লেন্স হ'ল কেমেৰাৰ এটা অংশ (অথবা পৃথকে সংলগ্ন কৰি লোৱা অতিৰিক্ত সংযোজন)। ই কেমেৰাৰ দেহ আৰু ফিল্মত পোহৰ কেন্দ্রীভূত কৰে। লেন্সতে এপার্ছাৰ সংলগ্ন হৈ থাকে।

৩ নং প্রশ্নৰ উত্তৰ ঃ

i) WYSIWYG

ii) পোহৰৰ সহায়ত লিখা কার্য

iii) ছাৰ জন ফ্রেডৰিক ৱিলিয়াম হার্শেল।

৪ নং প্রশ্নৰ উত্তৰ ঃ

i) ছিংগল লেন্স ৰিফ্লেক্স,

ii) কেমেৰা অৱস্কুৰা

iii) ভিউফাণ্ডাৰ

iv) ফ্ল্যাশ্ব

v) মুভী কেমেৰা

৫ নং প্রশ্নৰ উত্তৰ ঃ এনালগ আৰু ডিজিটেল কেমেৰাৰ মাজত থকা পার্থক্যটো হ'ল এটা প্রযুক্তি হিচাপে এনালগ হ'ল এনে এটা প্রক্রিয়া যিটোৰ মাধ্যমেৰে শ্রব্য অথবা দৃশ্য সংকেতক (বেছি ভাগ ক্ষেত্রতে মানুহৰ মাত-কথা) ধৰি ৰাখি পাছত ইয়াক বৈদ্যুতিক স্পন্দনলৈ ৰূপান্তৰিত কৰা হয়। আনহাতে ডিজিটেল হ'ল এনে এক প্রক্রিয়া যিটোৰ সহায়ত কোনো সংকেতক ' বাইনেৰী ফৰমেটলৈ ৰূপান্তৰিত কৰা হয়। এনে ফৰমেটত দৃশ্যমান অথবা শ্রব্য ডেটাবোৰ '১' আৰু '০' ৰ এলানি শৃংখলাৰ সহায়ত উপস্থাপন কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ কেমেৰাই ধৰি ৰখা ছবিৰ সমলবোৰকে শ্বট বোলে। শ্বট প্রধানতঃ আঠটা। এইবোৰক একেলগে শ্বট বোলা হয়। শ্বট কেইটা হ'ল — এক্সট্রিম লং শ্বট, লং শ্বট, মিড লং শ্বট, মিডশ্বট, মিড ক্লোজ-আপ, ক্লোজ আপ, বিগ ক্লোজ-আপ আৰু এক্সট্রিম ক্লোজ-আপ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ট্রলী অথবা পেন কেমেৰা সঞ্চালনৰ মাজত থকা পার্থক্যটো হ'ল -পেন সঞ্চালনে স্থিৰ পেডেশট্যাল অথবা ত্রিপদৰ ওপৰত বহুৱাই ধৰি ৰাখে। ট্রলী অথবা ট্রাক সঞ্চালনত কেমেৰা ইফালৰ পৰা সিফাললৈ নিয়া হয়, নতুন শ্বুটিং কোণ এটা সৃষ্টি কৰা হয়। ইয়াৰ ফলাফল স্বৰূপে ফটো লোৱা বিষয় অথবা দৃশ্যটোক এটা পৃথক ৰূপত দেখা পোৱা যায়।



৬.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

(১) ফটোগ্রাফী মানে কি? এনালগ আৰু ডিজিটেল কেমেৰাৰ মাজত কিহৰ প্রভেদ আছে?

(খ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

(১) শ্বট মানে কি? মৌলিক শ্বট ছাইজবোৰ কি কি? ৰেখাংকনৰ সহায়ত আলোচনা কৰক।

(২) মুভী কেমেৰাৰ পৰিচালনাৰ গুৰুত্ব ব্যাখ্যা কৰক। মৌলিক সঞ্চালন কেইটাৰ নাম কি কি? ট্রলী, পেন, ডলী আৰু ঝুমৰ মাজত থকা প্রভেদবোৰ কি কি?

****

অধ্যায় ৭ ঃ আলোকচিত্র সাংবাদিকতা

অধ্যায়ৰ গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ আলোকচিত্র সাংবাদিকতাৰ ধাৰণা
৭.৪ আলোকচিত্র সাংবাদিকতাৰ মূল কথা
৭.৫ আলোকচিত্র বৈশিষ্ট্য অথবা আলোকচিত্র ৰচনা
৭.৬ আলোকচিত্র সাংবাদিকৰ গুণসমূহ
৭.৭ আলোকচিত্রৰ নৈতিকতা
৭.৮ চিত্রশীর্ষক লিখা আৰু সম্পাদনা
৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.১০ অধিক জানিবলৈ
৭.১১ অগ্রগতিৰ খতিয়ান
৭.১২ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পিছত আপুনি—

- আলোকচিত্র সাংবাদিকতাৰ ধাৰণাৰ বিষয়ে জ্ঞান লাভ কৰিব।
- আলোকচিত্র সাংবাদিকতাৰ মূল কথাসমূহৰ বর্ণনা (স্বতঃস্ফূর্ত, তথ্যচিত্র, ষ্ট্রীট, গোপন আৰু চাবমিনিয়েচাৰ ফটোগ্রাফী) কৰিব পাৰিব।
- আলোকচিত্র সাংবাদিকতাৰ নৈতিকতা আৰু আলোকচিত্র সাংবাদিকৰ গুণসমূহৰ জ্ঞান।
- স্থিৰ ফটোগ্রাফীৰ বাবে চিত্রশীর্ষক লিখা আৰু সম্পাদনা কৰিব পাৰিব।

৭.২ পৰিচয়

পূর্বৰ অধ্যায়ত আলোকচিত্রৰ মূল ধাৰণাটোৰ সৈতে পৰিচয় কৰাই দিয়াৰ লগতে ইয়াৰ বিকাশৰ ইতিহাসৰ এক পৰিচয় দিয়া হৈছিল। গণসংযোগৰ প্রেক্ষাপটত আলোকচিত্র আৰু আলোকচিত্রকলাৰ বিষয়ে জনাৰ লগতে আমি এই কথাটোতো গুৰুত্ব দিব লাগিব যে আলোকচিত্র সংবাদমাধ্যমৰ অন্যতম গুৰুত্বপূর্ণ আহিলা, কিয়নো ই বহু তথ্যৰ প্রচাৰ কৰিব পাৰে।

গতিকে এই অধ্যায়ত আমি আলোকচিত্র সাংবাদিকতা আৰু ইয়াৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ লগতে আলোকচিত্র সাংবাদিক আৰু তেওঁলোকৰ কামৰ সৈতে পৰিচয় কৰোৱা হ'ব। আলোকচিত্রৰ সৈতে জড়িত নৈতিক বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে স্থিৰ আলোকচিত্রৰ শিৰোনাম কেনেকৈ লিখিব আৰু সম্পাদনা কৰিব লাগে সেইবিষয়ে শিকিব পাৰিম। এতিয়া আলোকচিত্র সাংবাদিকতাৰ জগতখনত সোমোৱাৰ আগতে আলোকচিত্রৰ আৰম্ভণিৰ বিষয়ে অলপ বিশদভাৱে জনা যাওঁক।

১৮৩৯ চনত ছাৰ জন হার্চেলে (Sir John Harschel) ফটোগ্রাফী শব্দটো উদ্ভাৱন কৰিছিল। এই শব্দটো গ্রীক মূলীয় শব্দৰ পৰা পোহৰ আৰু লিখাৰ বাবে ব্যৱহাৰ হৈছিল। আলোকচিত্র দুটা সুকীয়া বৈজ্ঞানিক প্রক্রিয়াৰ দ্বাৰা সম্ভৱ হৈ উঠে। এই প্রক্রিয়াসমূহৰ ভিতৰত প্রথমটো হৈছে আলোকীয়। কেমেৰা অবস্কুৰা অন্ধকাৰ বাকচ বা এটা মূৰত ফুটা থকা এটা কোঠা আছিল। ফুটাটো যথেষ্ট সৰু হ'লে, বিপৰীত বেৰখনত এখন ওলোটা ছবি দেখা পোৱা গৈছিল । এৰিষ্টটলৰ সময়ৰ পৰাই (প্রায ৩০০ খ্রীষ্টপূর্ব) চিন্তাবিদসকলে এনে নীতিৰ বিষয়ে জানিছিল। দ্বিতীয়টো প্রক্রিয়া ৰাসায়নিক আছিল। উদাহৰণস্বৰূপে, মানুহে জানিছিল যে কিছুমান ৰং ৰ'দত ব্লিচ কৰা হয়। ষোল্ল শতিকাত ৰাজকীয় সমাজৰ প্রতিষ্ঠাপক ৰবার্ট বয়েলে (Robert Boyle) জনাইছিল যে ৰূপৰ ক্লৰাইড বতাহৰ সংস্পর্শত পোহৰৰ পৰিৱর্তে আন্ধাৰ হৈ পৰে। এঞ্জেলো চালাই সোতৰ শতিকাৰ আৰম্ভণিতে লক্ষ্য কৰিছিল যে ৰূপৰ গুড়ি নাইট্রেটৰ দ্বাৰা ক'লা হৈ পৰে।

জোহান হেইনৰিখ শ্বুল্জে (Johann Heinrich Schulze) ১৭২৭ চনত পোহৰৰ সংস্পর্শলৈ আহিলে কিছুমান তৰল পদার্থৰ ৰঙৰ পৰিৱর্তন ঘটে বুলি আৱিষ্কাৰ কৰে। থমাছ ৱেডগউডে (Thomas Wedgwood) ঊনবিংশ শতিকাৰ আৰম্ভণিতে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে ছবিবোৰ ধৰি ৰখাত সফল হৈছিল যদিও স্থায়ী কৰি ৰখাৰ পদ্ধতিৰ অভাৱত তেওঁ চিত্রছাঁয়াবোৰ জীয়াই ৰাখিব নোৱাৰিলে। অৱশেষত ১৮২৭ চনৰ জুন-জুলাই মাহত নিপ্চে (Niépce)ক সার্বজনীনভাৱে প্রথমখন সফল আলোকচিত্র নির্মাণৰ কৃতিত্ব দিয়া হয়। তেওঁ লিথ'গ্রাফীৰ প্রতি আকৃষ্ট আছিল, আৰু এই প্রক্রিয়াৰ বিষয়ে কাম কৰিছিল। এই ছবিখনক আঠ ঘণ্টা সংস্পর্শৰ প্রয়োজন হৈছিল। ১৮২৯ চনৰ ৪ জানুৱাৰীত নিপ্চেই লুই ডাগুৱেৰে (Louis Daguerre)ৰ সৈতে অংশীদাৰিত্বলৈ আহিবলৈ সন্মতি জনায়। ইয়াৰ মাত্র চাৰি বছৰৰ পিছত নিপ্চেৰ মৃত্যু হয়,কিন্তু ডাগুৱেৰে নিজৰ পৰীক্ষা-নিৰীক্ষা অব্যাহত ৰাখে। অতিশীঘ্রেই তেওঁ ফটোগ্রাফিক প্লেট বিকশিত কৰাৰ এটা উপায় আৱিষ্কাৰ কৰিছিল, যিটো প্রক্রিয়াই আলোকচৈত্রিক সংস্পর্শৰ সময় আঠ ঘণ্টাৰ পৰা আধা ঘণ্টালৈ হ্রাস কৰিছিল। তেওঁ এয়াও আৱিষ্কাৰ কৰিলে যে এখন প্রতিচ্ছবি নিমখত ডুবাই স্থায়ী কৰি তুলিব পৰা যায়। সেই সময়ৰ এজন আগশাৰীৰ পণ্ডিত পল ডেলাৰোচে (Paul Delaroche)য়ে এই উদ্ভাৱনৰ ওপৰত প্রস্তুত কৰা প্রতিবেদন অনুসৰণ কৰি ১৮৩৯ চনৰ জুলাই মাহত ফ্রান্স চৰকাৰে ইয়াৰ অধিকাৰ ক্রয় কৰে। ১৮৩৯ চনৰ

১৯ আগষ্টত এই প্রক্রিয়াটোৰ সবিশেষ ৰাজহুৱা কৰা হয় আৰু ডাগুৰেৰে ইয়াক নাম দিয়ে ডাগুৰেৰ অ'টাইপ (Daguerreotype)।

১৮৫১ চনত কলডিয়ন (Collodion) প্রক্রিয়াৰ প্রৱর্তনেৰে ফ্রেডেৰিক স্কট আর্চাৰে (Frederick Scott Archer) আলোকচিত্রৰ এক নতুন যুগ প্রৱর্তন কৰে । এই প্রক্রিয়াটো সেই সময়ত প্রচলিত পদ্ধতিতকৈ বহুত বেছি দ্রুত আছিল আৰু সংস্পর্শৰ সময় দুই বা তিনি ছেকেণ্ডলৈ হ্রাস কৰি আলোকচিত্রৰ পৃথিৱীত নতুন দিগন্তৰ মুকলি কৰিছিল । পৰৱর্তী সময়ত ১৮৭১ চনত, এক গুৰুত্বপূর্ণ পদক্ষেপৰ সূচনা কৰি ডাঃ ৰিচার্ড মেডক্সে (Dr. Richard Maddox) কাঁচক ফটোগ্রাফিক প্লেটৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰাৰ সলনি জেলেটিন ব্যৱহাৰৰ উপায় আৱিষ্কাৰ কৰিছিল (জেলেটিন কেইবছৰমান আগতে মাত্র আৱিষ্কাৰ হৈছিল)। ইয়াৰ ফলত শুকান প্লেট প্রক্রিয়াৰ বিকাশ ঘটিছিল। ইয়াৰ পাছত জর্জ ইষ্টমেন (George Eastman) ক ১৮৮৪ চনত নমনীয় ছবিৰ সৈতে বিশ্ববাসীৰ পৰিচয় সম্ভৱ কৰাৰ বাবে সততে স্মৰণ কৰা হয়। চাৰি বছৰৰ পিছত তেওঁ প্রৱর্তন কৰা বক্স কেমেৰাৰ হাত ধৰি বর্তমান আলোকচিত্রৰ জগতখনে বহুত বেছি সংখ্যক লোকৰ কায চাপিবলৈ সক্ষম হৈছে।

৭.৩ আলোকচিত্র সাংবাদিকতাৰ ধাৰণা

বর্তমান আমি জনা আলোকচিত্র বা ফটো সাংবাদিকতা হৈছে বাতৰিৰ ফটোগ্রাফী। এটা বাতৰি অনুষ্ঠানৰ আলোকচিত্র গ্রহণ, এইধৰণৰ আলোকচিত্র শৈলীৰ অন্তর্ভুক্ত কৰা হয় আৰু যিসকল ফটোগ্রাফাৰ বা আলোকচিত্র শিল্পী এই ক্ষেত্রত পার্গত তেওঁলোক ফটো সাংবাদিক হিচাপে পৰিচিত। তলত ফটো সাংবাদিকতাৰ বিভিন্ন শ্রেণীসমূহৰ চমুবিৱৰণ আগবঢ়োৱা হ'লঃ

ক্রীড়া ফটো সাংবাদিকতাঃ যিহেতু ক্রীড়া অনুষ্ঠানবোৰ বাতৰিৰ এটা ডাঙৰ অংশ, কিছুসংখ্যক ফটোসাংবাদিক কেৱল ক্রীড়াভিত্তিক আলোকচিত্রৰ ক্ষেত্রতে বিশেষ জ্ঞানৰ অধিকাৰী হয়। ক্রীড়াৰ গুৰুত্বপূর্ণ মূহুর্তসমূহ ধৰি ৰাখিবলৈ তেওঁলোকক বিশেষ দক্ষতাৰ লগতে বিশেষ সঁজুলিৰো প্রয়োজন হয়।



চিত্র৭.১ উৎসঃ বেলার্জ লীগ

যুদ্ধ ফটো সাংবাদিকতা ঃ ফটো সাংবাদিকতাৰ প্ৰাৰম্ভিক ৰূপ যুদ্ধ ফটো সাংবাদিকা। যুদ্ধভিত্তিক আলোকচিত্ৰ সাংবাদিকসকলে যুদ্ধৰ বাতৰি পৰিৱেশন কৰে আৰু যুদ্ধৰ ঠাইৰপৰা ফটো প্ৰেৰণ কৰে।



চিত্ৰ৭.২ উৎসঃ নেশ্যনেল লাইব্ৰেৰী অৱ স্কটলেণ্ড

চমকদাৰ ফটো সাংবাদিকতা (glamour news photo journalism)ঃ তাৰকা আৰু অন্যান্য বিখ্যাত ব্যক্তিসকলৰ জীৱন বাতৰিয়ে সামৰি লোৱা এক অন্যতম অংশ। ধনী আৰু বিখ্যাত লোকসকলৰ জীৱনৰ বিষয়ে জানিবলৈ বেছিভাগ সাধাৰণ জনতা আগ্ৰহী হোৱাৰ ফলত চমকদাৰ সাংবাদিকতা আৰু এইক্ষেত্ৰৰ আলোকচিত্ৰ শিল্পীসকলৰ বিকাশ সম্ভৱ হৈছে। এইক্ষেত্ৰত বিশেষভাৱে দক্ষ ফটোসাংবাদিকসকলক পেপ'ৰাট্‌জি (paparazzi) বুলিও জনা যায়। এইটো এটা ইটালীয় শব্দ ।



চিত্ৰ৭.৩ উৎসঃ কেমেৰা ক্ৰাফ্‌ট

বাতৰি থলীৰ ফটোসাংবাদিকতা (spot news photojournalism)ঃ এই শ্রেণীৰ সাংবাদিকে দৈনিক বাতৰিৰ সৃষ্টি কৰা পৰিঘটনাসমূহ সামৰি লয়, যেনে: ৰাজনৈতিক পৰিঘটনা, অপৰাধ, দুর্ঘটনা আদি। এই ধৰণৰ ফটো সাংবাদিকতা আটাইতকৈ সুলভ পর্যায়ৰ।

ভ্রমণ ফটো সাংবাদিকতা ঃ এই ধৰণৰ ফটো সাংবাদিকতাৰ লগত এটা অঞ্চলৰ ভূ-প্রকৃতি, মানুহ, সংস্কৃতি, ৰীতি-নীতি আৰু ইতিহাস জড়িত হৈ থাকে।



চিত্র৭.৪ উৎসঃ ৰড ৰাডিংট

বন্যপ্রাণী ফটো সাংবাদিকতাঃ ইয়াক ফটো সাংবাদিকতাৰ অন্যতম প্রত্যাহ্বানমূলক ৰূপ হিচাপে গণ্য কৰা হয়। বন্যপ্রাণীৰ ফটো তুলিবলৈ আলোকচিত্র গ্রহণৰ উন্নত সঁজুলিৰ উপলব্ধতাৰ লগতে প্রাণীটোৰ আচৰণ তথা ভূখণ্ডৰ বিষয়েও ভাল জ্ঞান থকাটো প্রয়োজন।



চিত্র৭.৫ উৎসঃ ৰড ৰাডিংটন

৭.৪ আলোকচিত্র সাংবাদিকতাৰ মূল কথা

তলৰ খণ্ডটোত আলোকচিত্র সাংবাদিকতাৰ মূল কথাসমূহ যেনে ষ্ট্রীট, স্বতঃস্ফূর্ত,তথ্য আলোকচিত্র, গোপন আৰু অতি ক্ষুদ্র আলোকচিত্রক সামৰি লোৱা হৈছে।

ষ্ট্রীট ফটোগ্রাফী বা পথৰ আলোকচিত্র, শৈল্পিক কার্যকলাপ বা অনুসন্ধানৰ বাবে নির্গত যিয়ে ৰাজহুৱা স্থানত মধ্যস্থতাহীন, আকস্মিক মুখামুখি জনিত ঘটনাক কেমেৰাবন্দী কৰে । যদিও এইধৰণৰ আলোকচিত্রত মানুহেই মূল বিষয়, তথাপি কেতিয়াবা ইয়াত মানুহৰ উপস্থিতি নাথাকিবও পাৰে । পথৰ আলোকচিত্র শিল্পীক ৰাজপথৰ এজন পর্যবেক্ষক হিচাপে গণ্য কৰিব পাৰি, যাৰ লক্ষ্য হৈছে বাতৰিৰ যোগ্য পৰিঘটনাসমূহ ধৰি ৰখা।

তথ্য আলোকচিত্রশিল্পীসকলে সাধাৰণতে এটা নির্দিষ্ট, পূর্ব পৰিকল্পিত বার্তা আৰু ইতিহাসৰ বিশেষ পৰিঘটনা লিপিবদ্ধ কৰাৰ উদ্দেশ্যেৰে কাম কৰে ।সামাজিক তদন্তৰ দৃষ্টিকোণৰ পৰা তথ্যচিত্রৰ চিত্রসমূহত প্রায়ে সমাজ পৰিৱর্তনৰ বাবে সচেতনতা সৃষ্টি কৰা বা এইবিষয়ক প্রয়োজনীয়তাক গুৰুত্ব দিয়া দেখা যায়। উল্লেখযোগ্য যে এনেধৰণৰ আলোকচিত্রই গুৰুত্বপূর্ণ আৰু প্রাসংগিক ইতিহাস আৰু ঐতিহাসিক পৰিঘটনা আৰু দৈনন্দিন জীৱনৰ ঘটনা আৰু পৰিৱেশৰ বিৱৰণ আগবঢ়ায়। তথ্য আলোকচিত্রসমূহ সাধাৰণতে বাস্তৱ জীৱনৰ পৰিস্থিতিৰ প্রতি জনসাধাৰণৰ দৃষ্টি আকর্ষণ কৰিবলৈ ৰূপায়িত কৰা হয়, যেনে-শিশু বা প্রাপ্তবয়স্কৰ এটা বিশেষ গোটৰ জীৱন-যাপনৰ অৱস্থাৰ সৈতে জড়িত বৈষম্যমূলক বা ক্ষতিকাৰক আচৰণ; স্বাস্থ্যজনিত সমস্যা বা কেলেংকাৰী; পৰিৱেশ সমস্যা, মানৱ অধিকাৰ উলংঘা ইত্যাদি।

স্বতঃস্ফূর্ত (candid) আলোকচিত্র কোনো বিশেষ পূর্বনির্ধাৰিত ভংগীমা সৃষ্টি নকৰাকৈ কেমেৰা বন্দী কৰা হয় । এই আলোকচিত্র গ্রহণ প্রক্রিয়াত বিষয়বস্তুক বিচলিত নকৰাকৈ পূর্বপ্রস্তুতিৰপৰা বিৰত ৰখা যায় যাতে ছবিখনত বিষয়বস্তুৰ এটা গতি থাকে। এইদৰে লোৱা আলোকচিত্রৰ বিষয়বস্তুৰ স্পষ্ট চাৰিত্রিক জ্ঞান নাইবা আগতীয়া সন্মতি প্রদান আৰু পৰৱর্তী ব্যৱহাৰৰ বাবে অনুমতি বা বিতৰণ সম্পর্কীয় কথাবোৰ উহ্য থাকে। এনেধৰণৰ আলোকচিত্র একপ্রকাৰৰ গোপন আলোকচিত্র । ইয়াত আলোকচিত্রৰ বিষয়বস্তু, ফটো তোলাৰ সন্দর্ভত একেবাৰে অজ্ঞাত থাকে।

যেতিয়া কেমেৰাটো ছদ্মবেশত বা বহু দূৰৈত লুকুৱাই ৰখা হয়, তেতিয়া তাক **গোপন আলোকচিত্রগ্রহণ** হিচাপে ধৰিব পাৰি ।সাধাৰণতে এই ধৰণৰ আলোকচিত্র শিল্প **অনুসন্ধানমূলক সাংবাদিকতাৰ** অংশ হয়, যেনে: ভ্রমণকাৰীৰ দ্বাৰা সংগৃহীত আলোকচিত্র, ঔদ্যোগিক চোৰাংচোৱাগিৰি, আৰক্ষী বা ব্যক্তিগত তদন্তকাৰীৰদ্বাৰা চোৰাংচোৱা তথ্য সংগ্রহ; সতর্কতামূলক গোট (Vigilantes), ৰাজনৈতিক প্রতিবাদকাৰী বা কর্মীৰ দ্বাৰা সংগৃহীত আলোকচিত্র; শিক্ষাবিদসকলৰ যেনেঃ নৃতাত্ত্বিক গৱেষক বা অংশগ্রহণকাৰী পর্যবেক্ষক সমাজবিজ্ঞানী (Participant Observer Socilogists)ৰ তথ্যভিত্তিক আলোকচিত্র ইত্যাদি । আজিৰ তাৰিখত

কিছুমান কনজিউমাৰ কমপেক্ট ডিজিটেল (Consumer Compact Disgital) কেমেৰা আকাৰত ইমানেই সৰু যে পূৰ্বৰ দশকত এনেধৰণৰ কেমেৰাই (চোৰাংচোৱা কেমেৰা) (spy cameras) হিচাপে যোগ্যতা অৰ্জন কৰিলেহেঁতেন। বৰ্তমান ৪১ মেগাপিক্সেল (megapixel)ৰ ডিজিটেল কেমেৰা কিছুমান মোবাইলৰ ফোন কেমেৰাতো সন্নিৱিষ্ট কৰা হৈছে।

অতি ক্ষুদ্ৰ (subminiature) আলোকচিত্ৰ অস্বাভাৱিকভাৱে সৰু ফিল্মৰ গাঁথনি ব্যৱহাৰ কৰি সৰু সৰু কেমেৰাৰে সৃষ্টি কৰা হয়। "মিনিয়েচাৰ" (ক্ষুদ্ৰ) শব্দটো ৩৫ মিমি গাঁথনি বৰ্ণনা কৰিবলৈ প্ৰথমে ব্যৱহাৰ কৰা হৈছিল, গতিকে ৩৫ মিলিমিটাৰকতকৈয়ো সৰু গাঁথনিৰ ব্যৱহাৰ কৰা কেমেৰাক অতি ক্ষুদ্ৰ বুলি কোৱা হৈছে। ইয়াৰে সৰু সৰুবোৰক প্ৰায়ে "ক্ষুদ্ৰাতিক্ষুদ্ৰ" (Ultra-miniature) বুলি কোৱা হয়। বিশেষভাৱে ঘিবোৰ কেমেৰাই ১৩৫ (২৪×৩৬মি.মি.) মানবিশিষ্ট ফিল্ম গাঁথনিতকৈ সৰু ছবি এখন প্ৰস্তুত কৰে, তেনেবোৰ কেমেৰাক সাধাৰণতে এই ধাৰাত অন্তৰ্ভুক্ত কৰা হয়। ইয়াত লিপষ্টিক কেমেৰা আৰু অন্যান্য সৰু সৰু ডিজিটেল কেমেৰাসমূহ অন্তৰ্ভুক্ত কৰা হোৱা নাই, কাৰণ ইয়াত ফিল্মৰ ব্যৱহাৰ কৰা নহয়। সৰু চাবমিনিয়েচাৰ বা আল্ট্ৰামিনিয়েচাৰ কেমেৰা, যেনে মাইনোক্স (Minox), চোৰাংচোৱাগিৰিত ব্যৱহাৰ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ননং১ঃ ফটো সাংবাদিকতাবুলিলেকিবুজায়?

.....

.....

প্ৰশ্ননং২ঃ বন্যপ্ৰাণী ফটোগ্ৰাফী কাক বোলে?

.....

.....

৭.৫ আলোকচিত্ৰ কাহিনী অথবা ৰচনাধৰ্মী আলোকচিত্ৰ

যিকোনো কাহিনীৰ বৰ্ণনা বা দৰ্শকৰ মাজত আৱেগৰ ধাৰাবাহিকতা সৃষ্টি কৰাৰ উদ্দেশ্যে গঢ় লোৱা আলোকচিত্ৰৰ গোট বা শৃংখলাকে আলোকচিত্ৰ কাহিনী বুলি ক'ব পাৰি। জনসাধাৰণক কোনো এক বিষয় অৱগত কৰি জনমতক গঢ় দিয়াৰ ই এক তথ্যগত অৰ্থপূৰ্ণ পদ্ধতি। আলোকচিত্ৰ কাহিনীৰ জৰিয়তে যিকোনো বস্তু, মানুহ, ঠাই, অনুষ্ঠান আদিৰ বিষয়ে আলোকচিত্ৰ প্ৰস্তুত কৰিব পাৰি। লৰেন গ্ৰীণফিল্ড (Lauren Greenfield), ব্ৰুচ ডেভিডছন (Bruce Davidson), জান ছ'চ'ৰ (Jan Soschor), পিটাৰ মেনজেল (Peter Menzel) ৰ দৰে বহুতো বিশ্বমানৰ আলোকচিত্ৰ

সাংবাদিকে এই পদ্ধতিৰ ব্যৱহাৰ কৰি আহিছে । ৰাছেললী (Russel Lee) ৰ 'ষ্টাডি অৱ দ্য স্পেনিছ-স্পীকিং পিপল অৱ টেক্সাছ' (Study of the Spanish Speaking People of Texas) এই ক্ষেত্ৰৰ এক আকৰ্ষণীয় উদাহৰণ । ইয়াত মোহনীয় বিষয়বস্তু একত্ৰে চিত্ৰিত কৰা হৈছে। এই ধাৰাবাহিকখনত ৰাছেল লীৰদ্বাৰা ১৯৪৯ চনৰ এপ্ৰিলৰ পৰা জুলাইৰ ভিতৰত ছান এঞ্জেলোৰ কৰ্পাছ ক্ৰীষ্টিত, ছান এণ্টনিঅ' আৰু এল পাছত লোৱা ৯০০ৰো অধিক ছবি সন্নিবিষ্ট কৰা হৈছে। আলোকচিত্ৰ কাহিনীটোয়ে এটা স্বাভাৱিক বৰ্ণনা দৃশ্যমান ছবিত পৰিণত হোৱাৰ কৌশলসমূহ অনুসৰণ কৰে।



জানি থোৱা ভাল

আলোকচিত্ৰ কাহিনীৰ কেইটামান সহজ কৌশল আলোচনা কৰা যাওক।

১. ব্যক্তিয়ে হওক বা ঠায়েই হওক, ফটোগ্ৰাফাৰে যদি বিষয়টোতগুৰুত্ব দিয়ে, তেন্তে আলোকচিত্ৰ কাহিনীবোৰ অধিক গতিশীল হয় ।

২. গৱেষণা ঃ কাহিনীটো আগবঢ়াই নিয়াৰ আগতে বিষয়টোৰ ওপৰত এক সম্যক গৱেষণা সহায়ক হয়।

৩. কাহিনীটো বিচাৰি উলিওৱা ঃ বিশেষ কাহিনী ৰচনাখনৰ কোনটো দৃষ্টিকোণ গ্ৰহণযোগ্য হয় সেইটো গৱেষণাৰ পিছত নিৰ্ণয় কৰিব পৰা যায়।

৪. শ্বটবোৰৰ পৰিকল্পনাঃ প্ৰকৃততে শ্বট লোৱাৰ আগতে প্ৰতিটো শ্বটৰ আৰু ক্ৰমৰ পৰিকল্পনা অতিগুৰুত্বপূৰ্ণ। প্ৰতিটো শ্বটে এটা গল্পৰ একো একোটা বাক্যৰ দৰে কাম কৰে।



অনুশীলনী - ৭.১

আপোনাৰ আগ্ৰহৰ বিষয় এটা বাছি লৈ উল্লেখ কৰা কৌশলসমূহ অনুসৰণ কৰি আলোকচিত্ৰ কাহিনী এটা সৃষ্টি কৰিবলৈ শ্বটসমূহ লওক

৭.৬ আলোকচিত্ৰ সাংবাদিকৰ গুণসমূহ

এজন পেছাদাৰী আলোকচিত্ৰ সাংবাদিকে কিছুমান নিৰ্দেশনামূলক নীতি-নিয়ম মানি চলাৰ লগতে এটা সু-মনোভাৱ আৰু পেছাদাৰিত্বৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো প্ৰয়োজন । বিষয়বস্তুৰ আলোকচিত্ৰ গ্ৰহণ কৰোঁতে বিষয়বস্তুসমূহৰ অৱমাননা অথবা বদনাম নকৰাৰ প্ৰতি তেওঁ সচেষ্ট হ'ব লাগিব। তেওঁ ভাৰসাম্যতা, বিশ্বাসযোগ্যতা আৰু ন্যায়পৰায়ণতাত নিয়োজিত

হ'ব লাগিব। ঘটনা এটাৰ সংঘটনে কাৰো বাবে অপেক্ষা নকৰে, বিশেষকৈ আলোকচিত্র সাংবাদিকসকলৰ ক্ষেত্রত এয়া পূর্ণ শতাংশই সত্য। সেয়েহে এজন আলোকচিত্র সাংবাদিকে ধৈর্য্য ধৰিব লাগে আৰু বিষয়বস্তু বা জনসাধাৰণৰ আস্থা লাভ কৰিব লাগে। আলোকচিত্রশিল্পীগৰাকীয়ে এনেদৰে কাম কৰিব লাগে যাতে যিসকল লোকৰ আলোকচিত্র তোলা হয় তেওঁলোকে আত্মসচেতন অনুভৱ নকৰে আৰু কেমেৰাৰ সন্মুখতো স্বাভাৱিক আচৰণ কৰে। এজন আলোকচিত্র সাংবাদিকৰ কেমেৰা সদায় তেওঁৰ হাতত থাকিব লাগে আৰু তেওঁ ক্ষীপ্রতাৰে কাম কৰিব লাগে।

আকর্ষণীয় ছবিবোৰৰ বেছিভাগেই ফটো সাংবাদিকসকলৰ সজাগতাৰ ফল, য'ত সঠিক সময়ত সঠিক ঠাইত তেওঁলোকৰ উপস্থিতিৰ বিষয়টোৰ লগতে তেওঁলোকৰ কাম কৰাৰ গতি, দ্রুত সিদ্ধান্ত গ্রহণ, ক্ষীপ্রতা আৰু কামৰ চাপৰ দৰে কথাবোৰো জড়িত হৈ থাকে। তাৎক্ষণিকতাৰ বিষয়টোৰ প্রতি লক্ষ্য ৰাখি কোনো গুৰুত্বপূর্ণ ঘটনা এটা ঘটাৰ লগে লগে তাৰ ফটো আৰু ভিডিঅ' প্রকাশৰ প্রয়োজনীয়তাই ফটো সাংবাদিকতাৰ ক্ষেত্রখনত এক বৈপ্লৱিক পৰিৱর্তন আনিছে। বাস্তৱ সময়ৰ প্রতিবেদন কৰাটো অতি গুৰুত্বপূর্ণ বুলি গণ্য কৰা হয় যদিও ইয়াৰ বাবে তাৎক্ষণিকতা আৰু বস্তুনিষ্ঠতাৰ মূল্যবোধৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো অতীব প্রয়োজন । এই ভাৰসাম্যতা পৰম্পৰাগত পদ্ধতিসমূহলৈয়ো গতি কৰিব পাৰে।

৭.৭ আলোকচিত্রৰ নৈতিকতা

সাংবাদিকতাৰ নৈতিকতাই হৈছে সাংবাদিকতাৰ সকলো প্রকাৰৰ অনুশীলনক নিয়ন্ত্রণ কৰা নীতি। এই নীতিসমূহে কোনটো সঠিক বা কোনোটো ভুল সেইটো নির্ণয় কৰাত ফটো সাংবাদিকসকলক পথ প্রদর্শন কৰে। যিবোৰ কাহিনীক পৰিঘটনা হিচাপে লৈ আলোকচিত্র লোৱা হৈছে সেইবোৰ পৰিঘটনাৰ নথি, জনসাধাৰণক অৱগত কৰোৱাটোৱেই আলোকচিত্র সাংবাদিকতাত গুৰুত্ব দিবলগীয়া প্রয়োজনীয় কাৰক। এইক্ষেত্রত আইন নিজৰ ঠাইত এক মানৱীয় আচৰণ যিয়ে সাংবাদিকসকল বা গোটটোৰ সদস্যসকলক বান্ধি ৰাখে। ফটো সাংবাদিকতাক নিয়ন্ত্রণ কৰাৰ আইনী নীতি-নিয়ম আছে আৰু অৱশ্যেই সামাজিক নিয়ন্ত্রণো এই ক্ষেত্রত গুৰুত্বপূর্ণ। এই নিয়ন্ত্রণে আলোকচিত্র সাংবাদিকজনৰ নিজৰ পেছা অনুশীলন কৰা অবাধ স্বাধীনতাক সীমাবদ্ধ কৰি ৰাখে।

এই সম্পর্কীয় আইনসমূহৰ অন্যতমসমূহ হৈছে :

১। মানহানিকৰ লেখা—এয়া নাগৰিক অন্যায়ৰ লগতে অপৰাধো । এখন প্রকাশিত ফটো মানহানিকাৰক যদিহে ই কোনো ব্যক্তিৰ সুনাম আঘাত কৰাৰ সম্ভাৱনা থাকে, তেওঁক ঘৃণা, অৱজ্ঞা বা উপহাসৰ সন্মুখীন কৰে বা কোনো ব্যক্তিৰ নিজৰ পেছা বা ব্যৱসায়ত আঘাত বা সুনামত ক্ষতি কৰাৰ সম্ভাৱনা থাকে। ভুল চিত্র শীর্ষকৰ সৈতে ছবিখনৰ উপস্থাপন বা ৰচনা সন্নিবিষ্ট কৰিলে এনে হোৱাৰ সম্ভাৱনা থাকে। বিষয়বস্তুৰ বদনাম কৰিলে এজন ফটো সাংবাদিকৰ বিৰুদ্ধে মানহানিৰ গোচৰ ৰুজু কৰিব পাৰি। স্থায়ী লিখা, প্রিন্টিং তথা ছবি আদিৰ ক্ষেত্রত এই

কথা প্রযোজ্য হয়। অন্যান্য আইনী প্রবন্ধসমূহৰ ভিতৰত গোপনীয়তাৰ ওপৰত আক্রমণ, স্বত্ব(copyright)আদি অন্তর্ভুক্ত কৰা হৈছে। ডিজিটেলৰ যুগত ফটো সম্পাদনা ফটোগ্রাফীৰ এক অবিচ্ছেদ্য অংগ। ডার্কৰুমত ক্রপিং বা কাটি উলিওৱা (cropping), বার্ণিং (Burning) বা ইচ্ছাকৃতভাৱে ফটোখনত অধিক পোহৰ প্রক্ষেপৰ কৰা আৰু ডজিং(dodging) কৰাটো সাধাৰণ কথা হৈ পৰিছে যদিও ফটো সম্পাদনা এতিয়া আগৰ তুলনাত কম্পিউটাৰত অধিক সংৰক্ষিত হৈ থাকে। এইক্ষেত্রত তীব্র প্রতিদ্বন্দ্বিতাৰ যুগত যিকোনো ব্যৱস্থা এটাৰ বিশ্বাসযোগ্যতা বজাই ৰখাটো প্রত্যাহ্বানমূলক হৈ পৰে। চুক্তি পত্র অনুযায়ী যদি নির্দিষ্টকৈ নির্ধাৰণ কৰি দিয়া নহয়, তেতিয়াহ'লে এজন আলোকচিত্রশিল্পীয়ে কোনো বিশেষভাৱে নির্ধাৰিত কামৰ লগত সংগতি ৰাখি লোৱা আলোকচিত্রৰ অধিকাৰ সংশ্লিষ্ট কোম্পানী বা প্রকাশন গোষ্ঠীৰ লগত থাকে। পেছাদাৰী আলোকচিত্রশিল্পীসকলে প্রায়ে চুক্তিৰ দ্বাৰা নির্ধাৰণ কৰে যে তেওঁলোকে বিয়াৰ ফটো বা অন্যান্য প'ট্রেইট (portrait) ফটোৰ স্বত্ব নিজৰ সৈতে ৰাখিব, যাতে গ্রাহকে অন্য উপায়েৰে নতুনকৈ ব্যৱহাৰ কৰাতকৈ তেওঁলোকেহে ইয়াৰ অধিক মুদ্রণ গ্রাহকক বিক্রী কৰিব পাৰে।

ফটো সাংবাদিকসকলে ৰক্ষা কৰিবলগীয়া নৈতিক বিধি হিচাপে নেচনেল প্রেছ ফটোগ্রাফাৰ এছ'চিয়েশ্যনে তলত দিয়া নীতিসমূহ উল্লেখ কৰিছেঃ

১. সঠিক আৰু ব্যাপকভাৱে বিষয়সমূহ উপস্থাপন কৰা ।
২. মঞ্চস্থ ফটোৰ বিশেষ সুযোগৰ দ্বাৰা কাৰচাজি কৰাৰ পৰা নিজকে আঁতৰাই ৰখা।
৩. ফটোগ্রাফী বা ৰেকর্ডিং কৰাৰ সময়ত বিষয়সমূহৰ সম্পূর্ণ প্রসংগ উল্লেখ কৰা। ব্যক্তি আৰু গোটক কু-সংস্কাৰচ্ছন্ন কৰাৰ পৰা বিৰত ৰখা। স্বীকৃতি দিয়া আৰু লগতে নিজৰ পক্ষপাতিত্ব উপস্থাপন নকৰিবলৈ সচেতন হোৱা।
৪. সকলো বিষয়বস্তুকে সন্মান আৰু মর্যাদা প্রদান কৰা। দুর্বল জনসাধাৰণক বিশেষভাৱে বিবেচনা কৰা আৰু অপৰাধ বা দুখজনক ঘটনাৰ বলি হোৱা লোকৰ প্রতি সহমর্মিতা দেখুওৱা। জনসাধাৰণৰ কাৰণে ন্যায্য কাৰণ এটাৰ পৰিপ্রেক্ষিততহে ব্যক্তিগত শোকৰ মুহূর্ত উপস্থাপন কৰিব লাগে।
৫. ফটোগ্রাফীৰ সময়ত যাতে বিষয়বস্তুৱে ইচ্ছাকৃতভাৱে পৰিৱর্তন তথা পৰিঘটনা সলনি বা প্রভাৱিত কৰিবলৈ অৰিহণা নোযোগোয় সেই বিষয়ে সচেতন হ'ব লাগে।
৬. সম্পাদনাই আলোকচিত্রসমূহৰ বিষয়বস্তুৰ প্রসংগ আৰু অখণ্ডতা বজাই ৰাখিব লাগে। দর্শকক বিপথে পৰিচালিত কৰিবলৈ বা বিষয়বস্তুক ভুলকৈ উপস্থাপন কৰি, কোনো ছবিৰ লগত কাৰচাজি কৰিব নালাগে তথা শব্দ সংযোজন বা পৰিৱর্তনো কৰিব নালাগে।
৭. যিকোনো তথ্যৰ বাবে কোনো উৎস বা বিষয়ক ধন বা অন্য বস্তুগতভাৱে পুৰস্কৃত কৰিব নেলাগে।

৮. সামৰি লোৱা বিষয়সমূহ প্ৰভাৱিত কৰিবলৈ বিচৰাসকলৰ পৰা কোনো উপহাৰ, অনুগ্ৰহ বা ক্ষতিপূৰণ গ্ৰহণ কৰিবনালাগে।

৯. আন সাংবাদিকৰ প্ৰচেষ্টাক ইচ্ছাকৃতভাৱে হেয়জ্ঞান কৰিব নালাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ যুদ্ধ ফটোসাংবাদিকতা কাক বোলে?

.....

.....

প্ৰশ্ন নং ৪ ঃ তথ্যচিত্ৰ ফটোগ্ৰাফী কি?

.....

.....

৭.৮ চিত্ৰ শীৰ্ষক লিখা আৰু সম্পাদনা

এয়া সত্য যে এখন ছবিয়ে হাজাৰ হাজাৰ শব্দ প্ৰকাশ কৰিব পাৰে। কিন্তু কেতিয়াবা ফটো এখনক অধিক অৰ্থপূৰ্ণ কৰিবলৈ এটা লিখাৰ প্ৰয়োজন হয়। ফটো এখনৰ অৰ্থ পৰিবহন কৰিবলৈ আমাক এটা চিত্ৰশীৰ্ষক (caption)ৰ প্ৰয়োজন হয় ।চিত্ৰশীৰ্ষক বুলিলে আমি সহজ ভাষাত ছবি বা চিত্ৰ চিনাক্ত কৰা তথ্যৰ পাঠ্যগত উপস্থাপন হিচাপে সংজ্ঞায়িত কৰিব পাৰো । ফটো এখনৰ বাবে ভাল চিত্ৰশীৰ্ষক কেনেকৈ লিখিব আৰু সম্পাদনা কৰিব লাগে সেই বিষয়ে চমুকৈ আলোচনা কৰা যাওক।

চাৰ্লট অবজাৰ্ভাৰ (Charlotte Observer)ৰ ষ্টাফ ফটোগ্ৰাফাৰ জন ডি ছিমনছে (John D. Simmons) ভাল চিত্ৰশীৰ্ষক লিখি সম্পাদনা কৰিবলৈ কিছুমান পৰামৰ্শ আগবঢ়াইছে। তেওঁৰ মতে, "ভাল চিত্ৰশীৰ্ষক বিষয়বস্তুৰ নাম আৰু ফটোখনত কি চলি আছে তাতে সীমাবদ্ধ নহয়। দৰাচলতে, যদি চিত্ৰশীৰ্ষকে কেৱল ফটোখনত থকা কাযকলাপখিনিহে বুজাই দিয়ে তেন্তে পাঠকৰ বাবে ইয়াৰ কোনো মূল্য নাই বা তেনেই সামান্য মূল্যহে বহন কৰে। ভাল চিত্ৰশীৰ্ষকত সাংবাদিকতাৰ পাঁচটা W অন্তৰ্ভুক্ত কৰা হয়: Who (কোন), What (কি), Where (ক'ত), When (কেতিয়া) আৰু Why (কিয়)। কেতিয়াবা কেতিয়াবা How (কেনেকৈ)ৰ জৰিয়তে পাঠকে ফটোখন কেনেকৈ ইমান কাৰিকৰীভাৱে জটিল আৰু আকৰ্ষণীয়ভাৱে তৈয়াৰ কৰা হ'ল জানি আচৰিত হ'ব পাৰে। ভাল চিত্ৰশীৰ্ষকৰ বানান শুদ্ধ হ'ব লাগে। ভাল চিত্ৰশীৰ্ষক বাস্তৱসন্মতভাৱে সঠিক হ'ব লাগে ।ভাল চিত্ৰশীৰ্ষকে কপি সম্পাদকসকললৈ খুব কমেইহে প্ৰশ্ন

এৰি দিয়ে। ভাল চিত্ৰশীৰ্ষকে নিউজ ৰুমত ফটো বিভাগৰ স্থিতিও উন্নত কৰে । ভাল চিত্ৰশীৰ্ষকৰ বাবে সমাজত বাতৰি কাকতখনৰ বিশ্বাসযোগ্যতা আৰু স্থান অতি প্ৰাসংগিক হৈ পৰে''।

লিখা আৰু সম্পাদনাৰ বাবে মানি চলিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ কথাঃ

চিত্ৰ শীৰ্ষক হ'লঃ

পাঁচটা W's আৰু H ঃ পাঁচটা W's – Who (কোন), What (কি), Where (ক'ত), When (কেতিয়া) আৰু Why (কিয়) আৰু এটা H– How (কেনেকৈ)। এইবোৰ কাহিনীৰ মৌলিক তথ্যৰ বাবে ব্যৱহাৰ কৰা হয়। ই হৈছে সাংবাদিকতাৰ মৌলিক ধাৰণা। উল্লেখযোগ্য যে এই নীতিসমূহ চিত্ৰশীৰ্ষক এটা ভালকৈ বান্ধি ৰাখিবৰ বাবে প্ৰয়োজন।

নিৰ্ভুলতাঃ চিত্ৰশীৰ্ষক লিখাৰ সময়ত মনত ৰাখিবলগীয়া আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল নিৰ্ভুলতা। ব্যক্তিজনে নিশ্চিত কৰিব লাগিব যে চিত্ৰশীৰ্ষকত তেওঁ দিয়া তথ্যসমূহৰ সঠিক উপস্থাপন হৈছে। এইক্ষেত্ৰত তেওঁ কোনো উৎস বা বিষয় উদ্ধৃত কৰিব পাৰে। যদি তেওঁক কপি ডেস্কৰ পৰা ৰিপ'টাৰৰ তথ্যৰ সন্দৰ্ভত কিছু অমিলৰ বিষয়ে জনোৱা হয়, তেনেক্ষেত্ৰত তেওঁ উদ্ধৃত বিষয়টো বা নামটো পৰীক্ষা কৰা উচিত।

বানানঃ চিত্ৰশীৰ্ষক মূলতঃ এটা বা দুটা বাক্যৰে গঠিত। আনকি এটা সাধাৰণ বানান ভুলে চিত্ৰশীৰ্ষকৰ অৰ্থ প্ৰকাশ কৰাত সমস্যাৰ সৃষ্টি কৰিব পাৰে। বানান ভুলৰ পৰা হাত সাৰিবলৈ পৰ্যাপ্ত সাৱধানতা অৱলম্বন কৰিব লাগে।

চিত্ৰশীৰ্ষক সম্পাদনা কৰাঃ এজন চিত্ৰশীৰ্ষক লেখকে সদায় চিত্ৰশীৰ্ষকসমূহ পুনৰ পঢ়িব লাগে। যিমান সম্ভৱ বাস্তৱিক বৰ্ণনাৰ দ্বাৰা তেওঁ বাওঁফালৰ পৰা সোঁফাললৈ বিষয়বোৰ চিনাক্ত কৰিব লাগে। বিষয়বস্তুৰ সাজ-পোচাক বা মুখৰ অভিব্যক্তি তেওঁলোকৰ শাৰীৰিক বা বাস্তৱিক বৰ্ণনা হ'ব পাৰে।

ভালকৈ লিখা এটা গুৰুত্বপূৰ্ণ চিত্ৰশীৰ্ষকে আলোকচিত্ৰৰ মান বৃদ্ধি কৰে। এটা চিত্ৰশীৰ্ষক ভালকৈ লিখিবলৈ হ'লে এজন ব্যক্তিয়ে সাংবাদিকতাৰ ধাৰণাসমূহ জানিব লাগিব আৰু সাংবাদিক হিচাপে নিজৰ দক্ষতা বিকাশ কৰিব লাগিব। দ্বিতীয়তে, তেওঁ লেখক হিচাপেও দক্ষ হ'ব লাগিব। ভাষা প্ৰয়োগৰ মানদণ্ডও উন্নত হ'ব লাগিব। এটা ভাল চিত্ৰশীৰ্ষকত সঠিক আৰু উপযুক্ত তথ্য থকাৰ লগতে ই পঢ়াৰো উপযোগী হয়।



অনুশীলনী - ৭.২

দৈনিক বাতৰি কাকতৰ এখন লৈ তাত প্ৰকাশিত আলোকচিত্ৰসমূহ ভালদৰে মন কৰক । এতিয়া চিত্ৰশীৰ্ষকবোৰ পঢ়ি পাঠকৰ দৃষ্টিকোণৰ পৰা উপযোগী হোৱাকৈ অন্য কিছুমান চিত্ৰশীৰ্ষক প্ৰস্তুত কৰিবলৈ চেষ্টা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ চিত্রশীর্ষক মানে কি? (২০টাশব্দৰভিতৰত)

.....

.....

প্রশ্ন নং ৭ ঃ পাঁচটা W আৰু এটা H কি?

.....

.....



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ❖ বর্তমান আমি জনা ফটো সাংবাদিকতা বা আলোকচিত্র সাংবাদিকতা হৈছে বাতৰিৰ আলোকচিত্র।
- ❖ বাতৰি থলীৰ ফটো সাংবাদিকতা (spot news photojournalism)ৰ অর্থ হ'ল দৈনিক বাতৰিৰ সৃষ্টি কৰা পৰিঘটনাসমূহ, যেনে: ৰাজনৈতিক পৰিঘটনা, অপৰাধ, দুর্ঘটনা আদি সামৰি লোৱা আলোকচিত্র গ্রহণ। ই আটাইতকৈ সুলভ পর্যায়ৰ ফটো সাংবাদিকতা ।
- ❖ স্বতঃস্ফূর্ত আলোকচিত্র কোনো বিশেষ পূর্বনির্ধাৰিত ভংগীমা সৃষ্টি নকৰাকৈ কেমেৰা বন্দী কৰা হয়। এই আলোকচিত্র গ্রহণ প্রক্রিয়াত বিষয়বস্তুক বিচলিত নকৰাকৈ পূর্বপ্রস্তুতিৰপৰা বিৰত ৰখা যায় যাতে ছবিখনত বিষয়বস্তুৰ এটা গতি থাকে।
- ❖ যেতিয়া কেমেৰাটো ছদ্মবেশত বা বহু দূৰৈত লুকুৱাই ৰখা হয়, তেতিয়া তাক গোপন আলোকচিত্রগ্রহণ হিচাপে ধৰিব পাৰি। সাধাৰণতে এই ধৰণৰ আলোকচিত্র শিল্প অনুসন্ধানমূলক সাংবাদিকতাৰ অংশ হয়, যেনে: ভ্রমণকাৰীৰ দ্বাৰা সংগৃহীত আলোকচিত্র, ঔদ্যোগিক চোৰাংচোৱাগিৰি, আৰক্ষী বা ব্যক্তিগত তদন্তকাৰীৰদ্বাৰা চোৰাংচোৱা তথ্য সংগ্রহ; সতর্কতামূলক গোট ৰাজনৈতিক প্রতিবাদকাৰী বা কর্মীৰ দ্বাৰা সংগৃহীত আলোকচিত্র; শিক্ষাবিদসকলৰ যেনে: নৃতাত্ত্বিক গৱেষক বা অংশগ্রহণকাৰী পর্যবেক্ষক সমাজবিজ্ঞানীৰ তথ্য সম্বলিত আলোকচিত্র ইত্যাদি।
- ❖ এজন পেছাদাৰী ফটো সাংবাদিকে কিছুমান নির্দেশনামূলক নীতি-নিয়মৰ লগতে এটা সু-মনোভাৱ আৰু পেছাদাৰিত্বৰ মাজত ভাৰসাম্য ৰক্ষা কৰা প্রয়োজন ।
- ❖ সাংবাদিকতাৰ নৈতিকতা হৈছে সাংবাদিকতাৰ সকলো প্রকাৰৰ অনুশীলনক নিয়ন্ত্রণ

কৰা নৈতিক অৱস্থিতি । এই নীতিসমূহে আলোকচিত্র সাংবাদিকসকলকো শুদ্ধ-ভুলৰ দিকনির্ণয় কৰে।



৭.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ:

1. Diprose, G., & Robins, J. (2012). Photography : the new basics: Principles, techniques and Practice. London: Thames & Hudson.
2. Langford, M. (2000). Basic photography. Oxford: Focal Press.
3. Steel, A. (2006). Photojournalism. Mies, Switzerland: Roto Vision SA.

৭.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ আজিৰ তাৰিখত আলোকচিত্র বা ফটো সাংবাদিকতা হৈছে বাতৰিৰ ফটোগ্রাফী। এটা বাতৰি অনুষ্ঠানৰ আলোকচিত্র এইধৰণৰ আলোকচিত্র শৈলীৰ অন্তর্ভুক্ত হয় আৰু যিসকল ফটোগ্রাফাৰ বা আলোকচিত্র শিল্পী এই ক্ষেত্রত পাৰ্গত তেওঁলোক ফটো সাংবাদিক হিচাপে পৰিচিত।

২ নং প্রশ্নৰ উত্তৰঃ বন্যপ্রাণী ফটো সাংবাদিকতা বুলিলে বনৰীয়া জীৱৰ আলোকচিত্র গ্রহণৰ শৈলীকে সূচোৱা হয় । ইয়াক ফটো সাংবাদিকতাৰ অন্যতম প্রত্যাহ্বানমূলক ৰূপ হিচাপে গণ্য কৰা হয়। বন্যপ্রাণীৰ ফটো তুলিবলৈ আলোকচিত্র গ্রহণৰ উন্নত সঁজুলিৰ উপলব্ধতাৰ লগতে প্রাণীটোৰ আচৰণ তথা ভূখণ্ডৰ বিষয়েও ভাল জ্ঞান থকাটো প্রয়োজন।

৩ নং প্রশ্নৰ উত্তৰঃ যুদ্ধ ফটোসাংবাদিকতা হৈছে ফটো সাংবাদিকতাৰ প্রাৰম্ভিক ৰূপ, য'ত ফটো সাংবাদিকসকলে যুদ্ধৰ বাতৰি পৰিৱেশন কৰাৰ লগতে, যুদ্ধস্থলীৰ পৰা আলোকচিত্র প্রেৰণ কৰিছিল বা আজিও কৰে।

৪ নং প্রশ্নৰ উত্তৰঃ তথ্য আলোকচিত্রই গুৰুত্বপূর্ণ আৰু প্রাসংগিক ইতিহাস আৰু ঐতিহাসিক পৰিঘটনা আৰু দৈনন্দিন জীৱনৰ ঘটনা আৰু পৰিৱেশৰ চিত্রীয় বিৱৰণ আগবঢ়ায়।

৫ নং প্রশ্নৰ উত্তৰঃ মানহানি নাগৰিক অন্যায়ৰ লগতে অপৰাধ । এখন প্রকাশিত আলোকচিত্র মানহানিকাৰক যদিহে ই কোনো ব্যক্তিৰ সুনাম আঘাত কৰাৰ সম্ভাৱনা থাকে অথবা তেওঁক ঘৃণা, অৱজ্ঞা বা উপহাসৰ সন্মুখীন কৰে, লগতে কোনো ব্যক্তিৰ নিজৰ পেছা বা ব্যৱসায়ত আঘাত হানে বা সুনামত ক্ষতি কৰাৰ সম্ভাৱনা থাকে।

৬ নং প্রশ্নৰ উত্তৰঃ চিত্রশীর্ষকক আমি ছবি বা চিত্র চিনাক্ত কৰা তথ্যৰ পাঠ্যগত উপস্থাপন

হিচাপে সংজ্ঞায়িত কৰিব পাৰো।

৭ নং প্ৰশ্নৰ উত্তৰঃ পাঁচটা W's – Who (কোন), What (কি), Where (ক'ত), When (কেতিয়া) আৰু Why (কিয়) আৰু এটা H– How (কেনেকৈ)।এইবোৰ কাহিনীৰ মৌলিক তথ্যৰ বাবে ব্যৱহাৰ কৰা হয়। ই হৈছে সাংবাদিকতাৰ মৌলিক ধাৰণা। উল্লেখযোগ্য যে এই একেটা নীতি চিত্ৰশীৰ্ষকৰ উপস্থাপনৰ বাবেও প্ৰয়োজনীয়।

৭.১২ আৰ্হি প্ৰশ্ন

চুটিপ্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ননং১ঃ আলোকচিত্ৰ বা ফটোসাংবাদিতা বুলিলে কি বুজায়?

প্ৰশ্ননং২ঃ আলোকচিত্ৰ কাহিনী মানে কি?

প্ৰশ্ননং৩ঃ মানহানিকৰ লেখাৰ অৰ্থ কি?

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ননং১ঃ আলোকচিত্ৰ বা ফটো সাংবাদিকতাৰ মূল কথাসমূহৰ ওপৰত চমু টোকা লিখক।

প্ৰশ্ননং২ঃ আলোকচিত্ৰ বা ফটো সাংবাদিকৰ নৈতিকতা আৰু গুণৰ ওপৰত চমু টোকা লিখক।

প্ৰশ্ননং৩ঃ বাতৰি কাকতৰ উদাহৰণৰ জৰিয়তে আলোকচিত্ৰ বা ফটো সাংবাদিকতা শব্দটো ব্যাখ্যা কৰক।

প্ৰশ্ননং৪ঃ চিত্ৰশীৰ্ষকৰ প্ৰয়োজনীয়তা কি? চিত্ৰশীৰ্ষক লিখা বা সম্পাদনা কৰাৰ সময়ত অনুসৰণ কৰিবলগীয়া মূল কথাবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ননং৫ঃ উল্লেখযোগ্য উদাহৰণৰ সৈতে ফটোগ্ৰাফীত নৈতিকতা উলংঘনৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৮ ঃ দৃশ্য-শ্রাব্য মাধ্যম ঃ চলচিত্র

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ গণ মাধ্যম হিচাপে চলচিত্র

- ৮.৩.১ চলচিত্রৰ বৈশিষ্ট্য
- ৮.৩.২ চলচিত্রৰ দর্শক
- ৮.৩.৩ দর্শকৰ ওপৰত চলচিত্র ৰ প্রভাৱ
- ৮.৩.৪ উদ্যোগ হিচাপে চলচিত্র
- ৮.৩.৫ কলাধর্মী আৰু ব্যৱসায়িক চলচিত্র
- ৮.৩.৬ চলচিত্র প্রশংসাৰ ধাৰণা

৮.৪ ভাৰতীয় চলচিত্র

- ৮.৪.১ আঞ্চলিক চলচিত্র
- ৮.৪.২ অসমীয়া চলচিত্র
- ৮.৪.৩ কিছুসংখ্যক উল্লেখনীয় ভাৰতীয় চলচিত্র নির্মাতা

৮.৫ চলচিত্র প্রমাণ পত্রৰ কেন্দ্রীয় সমিতি

৮.৬ তথ্যচিত্রৰ ধাৰণা

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান

৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- গণ সংযোগৰ মাধ্যম হিচাপে চলচিত্র আৰু ইয়াৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব।
- দর্শকৰ ওপৰত চলচিত্রৰ প্রভাৱ আৰু চলচিত্র নির্মাণত দর্শকৰ ভূমিকা সম্পর্কে জ্ঞাত হ'ব।
- ভাৰতীয় চলচিত্র ৰ ইতিহাস সম্পর্কে ধাৰণা লাভ কৰিব।
- অসমীয়া চলচিত্রৰ ইতিহাস বর্ণনা কৰিব পাৰিব।
- কলাধর্মী চলচিত্র আৰু ব্যৱসায়িক/জনপ্রিয় চলচিত্রৰ পার্থক্য বিচাৰ কৰিব পাৰিব।
- তথ্যচিত্রৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৮.২ পৰিচয়

আমি এতিয়া সাম্প্রতিক কালৰ গণ সংযোগৰ অত্যন্ত গুৰুত্বপূর্ণ বিষয় এটাৰ ওপৰত আলোকপাত কৰিম। গণ সংযোগৰ অতিকৈ পুৰণি মাধ্যম হিচাপে চলচিত্রক আমি কেতিয়াও অৱহেলা কৰিব নোৱাৰো। সেয়েহে এই অধ্যায়ত আমি এটি প্রয়োজনীয় মাধ্যম সম্পর্কে আলোচনা কৰিম।

চিনেমা অথবা চলচিত্রক আধুনিক পৃথিৱীৰ এক চমৎকাৰ মাধ্যম বুলি ক'ব পৰা যায়। নিঃসন্দেহে নির্বাক যুগৰ পৰা বর্তমানৰ আধুনিক ডিজিটেল ডল্‌বি আৰু টেকনো চেভী চলচিত্রৰ জনপ্রিয়তাৰ বিষয়ে কোনো সন্দেহ নাই। বর্তমান যুগত গোলকীয় বাণিজ্যত চলচিত্র সস্তীয়া পণ্যত পৰিণত হোৱাৰ তুলনাত ভাৰতীয় চলচিত্র বছৰ বছৰ জুৰি বৈচিত্র্যময় হৈ আহিছে আৰু সর্ব দিশতে নিত্য নতুন কাৰিকৰী কৌশলেৰে উচ্চ স্থানত অৱতীর্ণ হৈছে। এই গণ মাধ্যমটোৰ সমপর্যায়ৰ অন্য এক মনোৰঞ্জক, আবেদনশীল আৰু প্রেৰণাদায়ক মাধ্যম বিচাৰি পাবলৈ কঠিন।

৮.৩ গণ মাধ্যম হিচাপে চলচিত্র

চলচিত্র হ'ল গণ সংযোগৰ অতি জনপ্রিয় মাধ্যম। দূৰদর্শনৰ আগমনৰ আগত দৃশ্য-শ্রাব্য মাধ্যম হিচাপে ইয়াক যেতিয়া ব্যৱহাৰ কৰা হৈছিল তেতিয়া দর্শকে চলচিত্রৰ গতিশীলতাত মুগ্ধ হৈছিল। গতিশীল ছবিৰ অবিৰত প্রবাহত বিশ্বজুৰি সকলো স্তৰৰ দর্শক মোহিত হৈছিল। ই মনোৰঞ্জনৰ এক প্রচুৰ সম্ভাৱনাময় আহিলা হিচাপে বিবেচিত হৈছিল।

জনসাধাৰণৰ বাবে চলচিত্র একোটা বার্তা আছিল। এখন চলচিত্র কেৱল এজন ব্যক্তিয়ে প্রযোজনা নকৰে, বহু সংখ্যক ব্যক্তিয়ে চলচিত্র নির্মাণত অৰিহণা যোগায়। চলচিত্রৰ মূল লক্ষ্য হ'ল দর্শকৰ সংখ্যাগৰিষ্ঠতা আৰু সেই বাবেই বিভিন্ন শ্রেণীৰ দর্শকে চলচিত্র চায়।

দর্শকবৃন্দ ভৌগোলিকভাৱে সিঁচৰতি হৈ থাকে। ফলত অন্য গণ মাধ্যমৰ দৰে জনসাধাৰণৰ মাজত বার্তাসমূহৰ মূল্য বেছি দিন টিকি নাথাকে।

তথাপি চলচিত্রই গণ মাধ্যমৰ সকলো বৈশিষ্ট্য বহন কৰে বাবেই ইয়াক গণ মাধ্যম বোলা হয়।

৮.৩.১ চলচিত্রৰ বৈশিষ্ট্য

ৰেডিঅ' আৰু দূৰদর্শনৰ পূর্বেই চলচিত্রৰ আগমন ঘটিছিল। ইয়াৰ আগমনৰ লগে লগে উৎকণ্ঠা আৰু মোহনীয়তাই দর্শকক আবৰি ধৰিছিল। এক কথাত চলচিত্র যেন এটি ধুমকেতু। ই ইমান প্রভাৱশালী আছিল যে যেতিয়া মানুহে ইয়াৰ চলমান ৰূপটো সর্বপ্রথমে দেখিবলৈ পায় তেতিয়া মানুহবোৰে চলচিত্রৰ ছবিবোৰ সঁচাকৈয়ে তেওঁলোকৰ ফাললৈ আহিছে বুলি ভাবি হলৰ পৰা পলায়ন কৰিছিল।

মানুহৰ আবেদন সৃষ্টিত চলচিত্র অতুলনীয়। কিছুমান গুণগত মানৰ বাবে চলচিত্র অন্য মাধ্যমৰ পৰা পৃথক। তলত চলচিত্রৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা হ'ল।

গণ মাধ্যম হিচাপে চলচিত্র

যিহেতুকে গৰিষ্ঠ সংখ্যক দর্শকে চলচিত্র উপভোগ কৰে, সেইবাবে চলচিত্র হ'ল গণ মাধ্যম। দৃশ্য-শ্রাব্য মাধ্যম হিচাপে চলচিত্রই শব্দ, পোহৰ আৰু কার্যৰ দ্বাৰা বহু বার্তা বহন কৰে।

মনোৰঞ্জনৰ আহিলা হিচাপে চলচিত্র

চলচিত্র প্রধানকৈ মনোৰঞ্জনৰ মাধ্যম। দর্শকক মনোৰঞ্জন কৰিব পৰা গুণৰ বাবে ইয়াৰ মানদণ্ড অধিক।

সহযোগী মাধ্যম

চলচিত্র এটি সহযোগী মাধ্যম কিয়নো ই বহুসংখ্যক লোকৰ সহযোগিতাপূর্ণ চেষ্টাৰ ফল। অর্থাৎ চলচিত্র বহু সংখ্যক লোকৰ অৰিহণাৰে সমৃদ্ধ। যেনে — প্রযোজক, পৰিচালক, চিত্র নাট্যকাৰ, নৃত্য পৰিচালক, সংগীত পৰিচালক, এক্সন (সমৰ) পৰিচালক, সম্পাদক, ৰূপসজ্জা, দৃশ্যগ্রহণৰ উপৰিও অভিনেতা আৰু অভিনেত্রী আদি জড়িত থাকে। এই সকলো ব্যক্তিৰ সামূহিক কামৰ ফলত একোখন চলচিত্রই প্রযোজনাৰ ৰূপ পায়।

শিল্প মাধ্যম

চলচিত্র নির্মাণ এক প্রকাৰ বিশুদ্ধ শিল্প। একোখন চলচিত্র একোজন পৰিচালকৰ মাধ্যম কলা। ই হ'ল একোজন পৰিচালকৰ লেখত ল'ব লগীয়া নান্দনিক দৃষ্টিভংগী। অন্য শিল্পবোৰৰ দৰে চলচিত্রও এক ধৰণৰ ব্যক্তিগত সৃষ্টি, প্রতিভাশালী স্রষ্টাই সঁজুলিৰে এই মাধ্যমত এটা কাহিনী উপস্থাপন কৰে।

উন্নয়নৰ মাধ্যম হিচাপে চলচিত্র

গণ সংযোগৰ বাবে চলচিত্র এক গুৰুত্বপূর্ণ মাধ্যম। চলচিত্রই দর্শকৰ মনত ভ্রমৰ সৃষ্টি কৰে, যিয়ে দর্শকক ক্ষণিকৰ বাবে এক ঐন্দ্রিজালিক জগতলৈ লৈ যায়। প্রাৰম্ভিক স্তৰত চলচিত্র মনোৰঞ্জনৰ মাধ্যম হিচাপে বিবেচনা কৰা হৈছিল আৰু ইয়াৰ প্রভাৱশীলতালৈ চাই ই গণসংযোগৰ উন্নত মানৰ মাধ্যম হোৱাৰ সম্ভাৱনীয়তাক স্বীকাৰ কৰিব পাৰি। দর্শকৰ ওপৰত ইয়াৰ দীর্ঘ স্থায়ী প্রভাৱৰ বাবে ই উচ্চস্তৰৰ গণ মাধ্যম হিচাপে ব্যৱহৃত হ'ব পাৰে।

চিত্তাকর্ষক মাধ্যম হিচাপে চলচিত্র

দর্শকে একোখন চলচিত্র অনুধাৱন কৰিবৰ বাবে ইয়াৰ সৈতে একাত্ম হোৱাটো প্রয়োজনীয়। তেওঁলোকে চলচিত্রত যি শুনে বা দেখে তাৰ প্রতি মনোযোগী হোৱা উচিত কাৰণ নতুন চিন্তা আৰু বার্তাৰ সম্প্রসাৰণ কৰাৰ লগতে মনোৰঞ্জন প্রদান কৰে। যেতিয়া চলচিত্রই বিষয়বস্তু, বার্তা আৰু মনোৰঞ্জন দর্শকৰ মাজত বিলাই দিয়ে, তেওঁলোকে কি শুনিছে বা দেখিছে সেয়া মনোযোগ দিয়া উচিত।

বাস্তৱিক কিন্তু ব্যয়বহুল মাধ্যম

চলচিত্রই বাস্তৱতাক ইন্দজাললৈ ৰূপান্তৰ কৰে। চলচিত্রই যি সৃষ্টি কৰে সেয়া সত্য অথবা বাস্তৱ বুলি দৰ্শকে মানি লয়। সেয়ে চলচিত্রই বাস্তৱ অভিজ্ঞতা আহৰণৰ নানা ধৰণৰ সম্ভাৱনীয়তা দৰ্শকলৈ আগবঢ়ায়। অৱশ্যে চলচিত্রৰ সৈতে মূলধনৰ কথাও জড়িত হৈ থাকে। চলচিত্র তুলানামূলকভাৱে ৰেডিঅ' আৰু দূৰদৰ্শনতকৈ ব্যয়বহুল।

পুৰণি বৈদ্যুতিক মাধ্যম

চলচিত্র অন্য দুটা (ৰেডিঅ', দূৰদৰ্শন) বৈদ্যুতিক মাধ্যমতকৈ বহু পুৰণি। ভাৰতত ৰেডিঅ' (১৯২৭) আৰু দূৰদৰ্শনৰ (১৯৫৯) আগমনৰ আগতে চলচিত্রৰ (১৮৯৫) চনত আগমন ঘটিছিল আৰু জনসাধাৰণক মনোৰঞ্জন প্রদান কৰিছিল, লগতে ই অতি জনপ্রিয় মাধ্যম হৈ পৰিছিল।

অতি প্রভাৱশালী মাধ্যম

যেতিয়াৰ পৰা ইয়াক গণসংযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছে, তেতিয়াৰে পৰা চলচিত্র অতিকৈ প্রভাৱশালী মাধ্যম হৈ পৰিছে । ইয়াৰ দৃশ্য-শ্রাব্য প্রকৃতিয়েই ইয়াৰ প্রভাৱশালীতাৰ উৎস। দেখা মাত্রেই বিশ্বাস ওপজা চলচিত্র, দৰ্শকে উপভোগ কৰি চৰিত্রবোৰৰ সৈতে এক আৱেগিক সম্পর্ক গঢ়ি তোলে। চলচিত্র কেতিয়াবা জীৱনতকৈও বিশাল ৰূপতো উদ্ভাসিত হয়।

৮.৩.২ চলচিত্রৰ দৰ্শক

এখন চলচিত্র নির্মাণত যেনেদৰে কিছুসংখ্যক গুৰুত্বপূর্ণ ব্যক্তি যেনে— পৰিচালক, প্রযোজক, চিত্র নাট্যকাৰে সামূহিকভাৱে পৰিশ্রম কৰে, একেদৰে দৰ্শকেও একোখন চলচিত্রৰ ভাগ্য নির্ণয়ত এক নির্ণায়ক ভূমিকা পালন কৰে। যিকোনো চলচিত্র ৰ সফলতা আৰু বিফলতা নির্ভৰ কৰে দৰ্শকৰ দ্বাৰা ইয়াৰ গ্রহণযোগ্যতা তথা অগ্রাহ্যতাৰ ওপৰত। সেয়েহে চলচিত্র নির্মাণত দৰ্শকৰ ভূমিকা নুই কৰিব নোৱাৰি। দৰ্শক একোখন চলচিত্রৰ চিত্রনাট্যৰ সমানে গুৰুত্বপূর্ণ, সেয়ে কোৱা হয় যে চলচিত্রত দুজন ৰজাৰ ৰাজত্ব চলে — দৰ্শক আৰু চিত্রনাট্যৰ।

এইটো সত্য যে চলচিত্র এখনৰ সফলতা তেতিয়াহে বিবেচনা কৰা হয় যেতিয়া ই বৃহৎ সংখ্যক দৰ্শকৰ পৰা সঁহাৰি লাভ কৰে। দৰ্শকে কেতিয়াও একোখন চলচিত্র অথবা চিত্র নির্মাতাৰ প্রতি দায়বদ্ধ নহয়। তেওঁলোকৰ ধনৰ লগতহে সম্বন্ধ। দৰ্শকে সদায় তেনে ছবিহে চাব, যিবিলাকে তেওঁলোকৰ মনত খোৰাক যোগোৱাৰ লগতে সন্তুষ্টিহে প্রদান কৰিব পাৰে।দৰ্শকসকল সন্তুষ্ট হয় যদিহে এখন চলচিত্রই তেওঁলোকৰ মনত হেপাঁহ আৰু আশা পূর্ণ কৰিবলৈ সমর্থ হয়।

সেয়েহে দর্শকসকল চলচিত্র নির্মাণৰ একক তথা গুৰুত্বপূর্ণ কাৰক হৈ পৰে। গতিকে কোৱা নিষ্প্রয়োজন যে দর্শকৰ সৈতে সংযোগ স্থাপন আৰু তেওঁলোকৰ ৰুচিৰ গুৰুত্ব দিয়াতো একোজন চলচিত্র নির্মাণকাৰীৰ বাবে গুৰুত্বপূর্ণ।

৮.৩.৩ দর্শকৰ ওপৰত চলচিত্রৰ প্রভাৱ

আৰম্ভণিৰ পৰাই চলচিত্রই দর্শকৰ মানসিক ৰুচিৰ সৃষ্টিত গুৰুত্বপূর্ণ প্রভাৱ পেলাই আহিছে। চলচিত্রৰ দৰে অন্য মাধ্যমে এনে ধৰণৰ মানসিক খোৰাক যোগাবলৈ সক্ষম নহয়। চলচিত্র হ'ল উল্লেখনীয় গণ মাধ্যম, যিয়ে সাধাৰণ মানুহৰ মনৰ খোৰাক যোগাব পাৰে আৰু জনপ্রিয়তা অর্জন কৰিব পাৰে। আমি এতিয়া চলচিত্রৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিম।

- চলচিত্রই পৰিৰ্তনৰ এক আহিলা হিচাপে কাম কৰে। চলচিত্রই জনসাধাৰণৰ মূল্যবোধ, বিশ্বাস ভাবানুভূতিলৈ পৰিবর্তন কৰিবলৈ সক্ষম। ই সামাজিক ঐক্য, জাতিগত ঐক্য, ধর্ম, জনগোষ্ঠীয় ঐক্য, সামাজিক সংহতিৰ আধাৰ হিচাপে কাম কৰে। সেয়েহে চলচিত্রই সমাজ ৰূপান্তৰণত এক গুৰত্বপূর্ণ ভূমিকা পালন কৰে।

- চলচিত্র তথ্য প্রদানৰ উল্লেখযোগ্য মাধ্যম। ই বাস্তৱিক ৰূপত দৃশ্য-শ্রাব্য চিত্র প্রদর্শন কৰিবলৈ সক্ষম। তথ্য প্রদান আৰু বাস্তৱৰ চিত্রায়ণৰ বৰ সফল ৰূপায়ণ চলচিত্রৰ দ্বাৰা সম্ভৱ হয়।

- সকলো পৰিবেশ, বিষয়বস্তুক সামৰিব পৰাটোৱেই হ'ল চলচিত্রৰ মূল আবেদন। চলচিত্র নির্মাতাসকলক সপোনৰ সদাগৰ বুলি কোৱা হয় কিয়নো তেওঁলোকে এনে পৃথিৱী অংকিত কৰে, য'ত দর্শকে জীৱনৰ আশাসমূহ পূৰণ হোৱা দেখিবলৈ পায়। কল্পনাৰ বিচিত্র মাধ্যমেৰে চিত্র নির্মাতাসকলে দর্শকৰ চকুৰ সন্মুখত এনে স্বপ্নৰ সৃষ্টি কৰে যে ই সম্পূর্ণ বাস্তৱ আৰু গ্রহণীয় হৈ উঠে।

৮.৩.৪ উদ্যোগ হিচাপে চলচিত্র

কথাছবি বা চলচিত্র কোনো দিনে পৰিসমাপ্তি নঘটা এখন জগত। ভাৰতীয় চলচিত্রৰ জগত হ'ল এখন স্বপ্নপুৰী, যিয়ে নিত্য নতুন ৰোমাঞ্চকৰ পৰিবেশ সৃষ্টি কৰি আহিছে। প্রতি বছৰে প্রায় আঠ হেজাৰ চলচিত্র এই উদ্যোগে নির্মাণ কৰে যাৰ বাবে পৃথিবীৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য উদ্যোগ হিচাপে চিহ্নিত হৈছে।

ফ্রান্স আৰু ইংলেণ্ডৰ দৰে চলচিত্র ৰাজধানীত এমুঠিমান চলচিত্র নির্মাণ হোৱাৰ সময়ত, ভাৰতত চলচিত্রৰ কেন্দ্র স্বৰূপে মুম্বাই, চেন্নাই, কলকাতা, হায়দৰাবাদ আৰু বাংগালো�ৰত শ শ চলচিত্র নির্মাণ হোৱা কথাটো প্রায় অবাস্তৱ যেন লাগে। বাস্তৱিকতে ভাৰতবর্ষত এই মুহূর্তত পৃথিৱীৰ সর্বাধিক কাহিনী চিত্র নির্মাণ কৰা হয়। কিছু সংখ্যক লোকে এই

কথাষাৰ সমর্থন নকৰিব পাৰে কিন্তু এই ধৰণৰ চিনেমাই অর্থাৎ নির্দিষ্ট সূত্রধর্মী মূলসুঁতিৰ হিন্দী চলচিত্রই হ'ল জাতি-জনগোষ্ঠী আৰু বহুৰঙী ভাৰতবর্ষৰ জনসাধাৰণক একতাৰ ডোলেৰে বান্ধি ৰখাৰ এক শক্তি।

৮.৩.৫ কলাধর্মী আৰু ব্যৱসায়িক চলচিত্র

বহুলভাৱে ভাৰতীয় চলচিত্রক দুভাগত বিভক্ত কৰা হয়। যেনে — কলাধর্মী আৰু ব্যৱসায়িক চলচিত্র। কলাধর্মী চলচিত্রক সমান্তৰাল চলচিত্র বুলিও কোৱা হয়।

কলাধর্মী চলচিত্র হ'ল সংবেদনশীল চলচিত্র। ই মূলতঃ দর্শকৰ কলাসুলভ অনুভূতিৰ জাগৰণৰ বাবে নির্মাণ কৰা হয়। এই চলচিত্রৰ ভেটি হ'ল বাস্তৱতা আৰু কলাৰ শক্তিশালী প্রাকৃতিক ৰূপ, প্রযুক্তিবিদ্যাৰ সংমিশ্রণ আৰু পৰিচালকৰ একান্ত নান্দনিক চেতনা। কলাধর্মী চলচিত্র ব্যৱসায়িক মুনাফাৰ অর্থে নির্মিত নহয়। ইয়াত বিষয়বস্তুৱে সর্বাধিক গুৰুত্ব লাভ কৰে। ই সমসাময়িক সমাজৰ ৰাজনৈতিক, সামাজিক পৰিস্থিতিৰ বর্ণনা আৰু চিত্রণৰ ওপৰত গুৰুত্ব দিয়ে আৰু ইয়াত প্রধানকৈ সমাজৰ শক্তিশালী শ্রেণীক উদ্দেশ্য কৰি, তেওঁলোকৰ চিন্তা চেতনাক জোকাৰণি তুলিব পৰাকৈ লক্ষ্য কৰি নির্মাণ কৰা হয়। ভাৰতবর্ষত নতুন ধাৰাৰ কলাসুলভ চলচিত্র জগতত আৰম্ভণিৰ পৰাই সত্যজিৎ ৰায়, ঋত্বিক ঘটক, মৃণাল সেন, শ্যাম বেনেগাল, গোবিন্দ নিহলানি, মণি কৌল, কুমাৰ চাহানি, চাই পাৰাঞ্জপে আৰু বর্তমান সময়ৰ মীৰা নায়াৰ, দীপা মেহতা, ইত্যাদি পৰিচালকে যথাযোগ্যভাৱে সমান্তৰাল চলচিত্র নির্মাণ কৰি আহিছে।

অন্যহাতেদি ব্যৱসায়িক চলচিত্র সাধাৰণতে ব্যৱসায়িক লাভৰ বাবে নির্মাণ কৰা হয়। সেয়েহে ইয়াক 'বক্স অফিচ'ত বেছিকৈ কৰ সংগ্রহ কৰিব পৰাকৈ সূত্রধর্মী (formula based) নিয়মেৰে নির্মাণ কৰা হয়। এই চলচিত্রবোৰ দর্শকৰ মনোৰঞ্জন পূৰণ আৰু কেৱল মনৰ সন্তুষ্টিৰ বাবেহে নির্মাণ কৰা হয়। এনে ধৰণৰ মছলাধর্মী বা সূত্রধর্মী চলচিত্রত প্রধানকৈ অতিৰঞ্জিত ৰঙীন আৰু সৰল কাহিনীৰ সৈতে সম্পর্ক থাকে। যৌনতা, চমক লগোৱা সাজসজ্জা, সংগীত, গণ আবেদন, ইত্যাদিয়েই হ'ল এই সুঁতিৰ মূল বৈশিষ্ট্য। এই ধৰণৰ চলচিত্রৰ সংখ্যা ভাৰতবর্ষত সর্বাধিক নির্মাণ কৰা হয় আৰু দর্শকৰ মাজত এইসমূহ বেছি জনপ্রিয়ও। এই ধাৰাৰ কেইজনমান পৰিচিত চলচিত্র নির্মাতাৰ নাম হ'ল — কে আচিফ, মনমোহন দেশাই, নাচিৰ হুচেইন, ৰাজ কাপুৰ, সুভাষ ঘাই, ৰাম গোপাল বার্মা, আশুতোষ গোৱাৰিকাৰ, কৰণ জোহৰ, যশ চোপ্রা, সূৰজ বৰজাত্য ইত্যাদি।

৮.৩.৬ চলচিত্র প্রশংসাৰ ধাৰণা

কলাৰ মূল্য নির্ধাৰণৰ বাবে চলচিত্র অধ্যয়ন কৰা হয়। চলচিত্র অধ্যয়ন এক বিদ্যায়তনিক পাঠ্যক্রমলৈ ৰূপান্তৰণ কৰাৰ আয়োজন পর্যায়ক্রমে দশক জুৰি চলি আছে। চলচিত্রৰ

পৰম্পৰাগত অধ্যয়ন গঠনমূলক পাঠ্যক্ৰমলৈ নিয়াৰ প্ৰচেষ্টা বৰ বেছি পুৰণি নহয় যদিও চলচিত্ৰ অধ্যয়নৰ চল্লিশ পঞ্চাশ দশকৰ কথা ছবি সমালোচকসকলে গাঁথনিক দিশত আলোচনা কৰিবলৈ যত্নপৰ হৈছিল। যিহওঁক কেৱল সত্তৰৰ দশকতহে চলচিত্ৰ অধ্যয়ন পাঠ্যক্ৰমৰ এক অংগ হিচাপে স্বীকৃতি পাইছিল। তেতিয়া ইয়াৰ উদ্দেশ্য পূৰণৰ অৰ্থে ই বিভিন্ন পদ্ধতিগত অধ্যয়নৰ অংশ হৈ পৰিছিল। চলচিত্ৰৰ প্ৰশংসা হ'ল এক গঠনমূলক প্ৰচেষ্টা। ই হ'ল চলচিত্ৰৰ বিভিন্ন দৃষ্টিভংগীৰ কাৰিকৰী আৰু পদ্ধতি প্ৰয়োগৰ অংশ। ই চলচিত্ৰ আৰু নিৰ্মাতাৰ কলা আৰু বিজ্ঞানৰ প্ৰয়োগৰ বহুমাত্ৰিক ব্যাখ্যা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নতুন ধাৰাৰ চলচিত্ৰ বুলিলে কি বুজে?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ চলচিত্ৰ নিৰ্মাণত দৰ্শকৰ গুৰুত্ব কোনখিনিত আলোচনা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ কলাধৰ্মী চলচিত্ৰ আৰু ব্যৱসায়িক চলচিত্ৰৰ মাজত থকা পাৰ্থক্য বিচাৰ কৰক।

.....

.....

.....

.....

৮.৪ ভাৰতীয় চলচিত্ৰ

প্ৰাক কথাছবি যুগ

ভাৰতীয় প্ৰাচীন পৰম্পৰাগত মহাকাব্যৰ কাহিনী হাতেৰে অকাঁ নিৰ্বাক ছবিৰে পৰ্দাত উপস্থাপন কৰি মৌখিক শব্দ সংযোগেৰে কাহিনীক পৰিৱেশন কৰা হৈছিল। এই কাহিনীসমূহ

প্রধানকৈ পৰিচিত দেৱ-দেৱীক লেম্পৰ সহায়ত অংকিত আইনাৰ স্লাইদত সুসজ্জিত মসৃণ গতিৰে উপস্থাপন কৰিছিল। সেয়েহে যেতিয়া গতিশীল ছবি বা চলচিত্ৰৰ আগমন ঘটিছিল তেতিয়া ভাৰতীয় দর্শকে তেওঁলোকৰ দৰেই কিছুমান চাক্ষুস অভিজ্ঞতা লাভ কৰিছিল।

আৰম্ভণিৰ পৰাই ভাৰতীয় চলচিত্ৰই পৰম্পৰাগত কলা, সংগীত, নৃত্য আৰু নাটকৰ বিভিন্ন উপাদানৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ভাৰতীয় চলচিত্ৰত বৈশিষ্ট্যপূৰ্ণ সংগীত আৰু নৃত্যৰ সংযত দায়বদ্ধতাৰে উপস্থাপন কৰা হৈছিল আৰু এই ধাৰা বর্তমানেও অব্যাহত আছে।

প্ৰাচীন চলচিত্ৰই পৌৰাণিক আৰু বুৰঞ্জীমূলক কাহিনীৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল। প্ৰধানকৈ নৈতিক মূল্যবোধ সৃষ্টিৰ প্ৰয়াস আৰু প্ৰচাৰৰ লক্ষ্যৰে চলচিত্ৰ নির্মাণ কৰা হৈছিল। দাদা চাহেব ফাল্কেক ভাৰতীয় চলচিত্ৰৰ পিতৃ স্বৰূপে আখ্যা দিয়া হৈছে। ফাল্কে ভাৰতীয় চলচিত্ৰ আন্দোলনৰ মূল হোতা আছিল।

প্ৰাক্-ফাল্কে যুগ

১৮৯৬ চনত লুমিয়েৰ ভাতৃদ্বয়ে দৃশ্য গ্ৰহণ কৰা ছয়খন শব্দহীন চুটি ছবি ৰাটছন হোটেল, বোম্বেত প্ৰর্দশন কৰাৰ জৰিয়তে ভাৰতলৈ চলচিত্ৰৰ আগমণ হৈছিল। ১৮৯৯ চনতসমসাময়িকভাৰে এজন ভাৰতীয়ই কেমেৰাৰে প্ৰথমে চলচিত্ৰ প্ৰদর্শন কৰিছিল আৰু হৰিশ্চন্দ্ৰ ভাটৰাদেকাৰে দুখন চুটি ছবি শ্যুটিং কৰি এডিছনৰ প্ৰজেক্টিং কাইনেটোস্কোপৰ সহযোগত প্ৰদর্শন কৰিছিল।

১৯০০ চনত কলকাতা আৰু বম্বেত হীৰালাল সেন আৰু এফ বি. থানাৰালা নামৰ অন্য দুজন আগৰণুৱা ব্যক্তিয়ে চুটি ছবিৰ প্ৰযোজনাৰ সৈতে সাঙোৰ খাইছিল। ১৯১২ চনত এন. জি. চিত্ৰে আৰু আৰ. জি টর্নিয়ে নির্বাক কাহিনী চিত্ৰ 'পুণ্ডলিক' নির্মাণ কৰি মে মাহৰ ১৮ তাৰিখে মুক্তি দিছিল।

দাদা চাহেব ফাল্কেই সম্পূৰ্ণ ভাৰতীয় ৰূপত, দায়বদ্ধতাৰে প্ৰথম নির্বাক কহিনীচিত্ৰ ৰজা হৰিচন্দ্ৰ প্ৰযোজনা কৰিছিল, যিয়ে সম্পূৰ্ণ আনুষ্ঠানিকভাৰে ভাৰতীয় চলচিত্ৰ উদ্যোগৰ সূচনা কৰিছিল। ধীৰেণ গাংগুলী, বাবুৰাও পেইন্টাৰ, চুচেট সিংহ, আর্দেশীৰ ইৰাণী, ভি. সান্তাৰাম কুৰি শতিকাৰ উল্লেখনীয় চলচিত্ৰ নির্মাতা আছিল।

সবাক চলচিত্ৰৰ যুগ

ভাৰতবর্ষৰ প্ৰথম সবাক চিত্ৰ 'আলম আৰা' ইম্পেৰিয়েল ফিল্ম কোম্পানীয়ে প্ৰযোজনা কৰিছিল আৰু ১৯৩১ চনত আর্দেশীৰ ইৰাণীৰ পৰিচালনাত বোম্বেৰ মেজেষ্টিক চিনেমা হ'লত মুক্তি লাভ কৰিছিল। ১৯৩১ চনত সবাক চিত্ৰৰ নির্মাণ কার্য ভাৰতবর্ষৰ বহুতো ঠাইত হৈছিল।

ভি. সান্তৰাম সেই সময়ত নতুনত্ব অনা আৰু অত্যুৎসাহী চলচিত্ৰ নির্মাতা আছিল। তেওঁৰ প্ৰথম চলচিত্ৰ 'অযোধ্যা কা ৰাজা' (১৯৩২) ৰ পৰা তেওঁ এজন সমাজ সচেতক আৰু ভিন্ন সুঁতিৰ চলচিত্ৰ নির্মাতা হিচাপে পৰিচিত হৈছিল। তেওঁ প্ৰধানকৈ জাতিভেদ সমস্যা, ধর্মীয় সংস্কাৰ আৰু নাৰীৰ অধিকাৰৰ দৰে বিষয়বস্তুৰ সৈতে সম্পর্ক ৰাখিছিল। 'অমৰ জ্যোতি' এগৰাকী লাঞ্ছিতা

নাৰীৰ প্ৰতীক ধৰ্মী চলচিত্ৰ য'ত নায়কে পোতক তুলিবলৈ চেষ্টা ক�ৰিছিল। ইয়েই বোধহয় নাৰীৰ অধিকাৰৰ ওপৰত নিৰ্মিত ভাৰতবৰ্ষৰ সৰ্বপ্ৰথম চলচিত্ৰ ৰূপে পৰিগণিত হৈছিল।

পৌৰাণিক কাহিনীৰ পিছত পৰিয়ালকেন্দ্ৰিক ঘটনাই ভাৰতীয় চলচিত্ৰত এক প্ৰকাৰ ৰাজত্ব কৰিছিল। ১৯৩০ চনৰ পৰা ১৯৪৬ চনলৈ ভাৰতৰ ৰূপান্তৰণৰ সময় আছিল কিয়নো দ্বিতীয় বিশ্বযুদ্ধ, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু দেশ বিভাজনৰ হিংসা আদি অপ্ৰীতিকৰ ঘটনাই দেশবাসীক হতাশগ্ৰস্ত কৰিছিল। সেই সময়ত খুব কম সংখ্যক চলচিত্ৰ নিৰ্মাতাই এই সামাজিক সমস্যাসমূহক চলচিত্ৰৰ বিষয় হিচাপে গ্ৰহণ কৰিছিল অথবা ভাৰতৰ স্বাধীনতা আন্দোলনক তেওঁলোকৰ কাহিনীৰ পটভূমি হিচাপে গঢ় দিছিল। ১৯৫০ চনত ভাৰতৰ চলচিত্ৰই ৰঙীন ৰূপ দেখিছিল। তথাপিও বেছি ভাগ চলচিত্ৰ ১৯৬০ চনৰ মাজভাগলৈকে ক'লা বগা ৰূপতেই নিৰ্মিত হৈছিল। এই সময়ত ৰোমাণ্টিক সংগীতধৰ্মী আৰু অতি নাটকীয় উপাদানক গুৰুত্ব দিয়া হৈছিল।

সোণালী পঞ্চাশ

১৯৫০ চনত দেখা গৈছিল যে মেহবুব, বিমল ৰয়, গুৰু দত্ত আৰু ৰাজ কাপুৰৰ দৰে মহান পৰিচালকৰ উত্থানে ভাৰতীয় চলচিত্ৰৰ প্ৰেক্ষাপট সলনি কৰিছিল। ১৯৬০ চনৰ শেষত আৰু ১৯৭০ চনৰ আৰম্ভণিত ৰোমাণ্টিক চলচিত্ৰ আৰু ক্ৰিয়াশীল চলচিত্ৰই যথেষ্ট গুৰুত্ব পাইছিল আৰু ধৰ্মেন্দ্ৰ, ৰাজেশ খান্নাৰ দৰে অভিনেতাই দেশবাসীৰ হিয়াৰ আমঠু হৈ পৰিছিল। ১৯৭০ চনৰ মধ্যভাগত ৰোমাণ্টিক চলচিত্ৰ প্ৰতিক্ৰিয়াশীল, হিংসাত্মক আৰু চৰ্দাৰ-ডকাইতৰ কাহিনীলৈ ৰূপান্তৰিত হৈছিল।

নতুন ধাৰাৰ চলচিত্ৰ

নতুন ধাৰাৰ সৃষ্টিকাৰী পৰিচালকসকলে প্ৰায়েই কাৰিকৰী কৌশল, মননশীল চিন্তাক তেওঁলোকৰ বিষয়বস্তুত প্ৰয়োগ কৰিছিল। যদিও এইটো কেতিয়াও স্পষ্ট ৰূপত আন্দোলন হিচাপে গণ্য হোৱা নাছিল তথাপিও নতুন ধাৰাৰ চলচিত্ৰৰ বিষয়ে সক্ৰিয় আলোচনা-বিলোচনা কৰিছিল আৰু চলচিত্ৰৰ বিষয়ে ব্যৱসায়িক-কলাসুলভ উভয় দিশৰ সফলতাকে দেখুওৱাত সহায় কৰিছিল।

ভাৰতবৰ্ষত নতুন ধাৰাৰ বিৱৰ্তন

১৯৬০ ৰ দশকত সংবেদনশীল চলচিত্ৰ নিৰ্মাতা আৰু কাহিনীকাৰসকলে সস্তীয়া আত্মাহীন নৃত্য আৰু গীতেৰে ভৰপূৰ চলচিত্ৰক লৈ হতাশাত ভুগিছিল আৰু নান্দনিক দৃষ্টিভংগীৰ দ্বাৰা বাস্তৱক প্ৰতিনিধিত্ব কৰিব পৰা চলচিত্ৰক মূল সূঁতিলৈ আনিবলৈ যত্ন কৰিছিল। এই সময়ত বহুতো চলচিত্ৰ ৰাজ্য চৰকাৰৰ বিত্তীয় সাহায্যৰে নিৰ্মিত হৈছিল, যাতে ভাৰতীয় চলচিত্ৰই এক গুণগত কলাসুলভ চলচিত্ৰলৈ উত্তৰণ ঘটিব পাৰে।

সত্যজিৎ ৰায়ে তেওঁৰ প্ৰথম চলচিত্ৰ 'পথেৰ পাঁচালি'ৰ (১৯৫৫) দ্বাৰা নতুন ভাৰতীয়

চলচিত্রৰ গুৰি ধৰোঁতা হৈ পৰিছিল যাক সম্প্রতি 'ভাৰতীয় সমান্তৰাল চলচিত্র' হিচাপে জনা যায়। ঋত্বিক ঘটকে তেওঁৰ প্রথম চলচিত্র 'নাগৰিক' নির্মাণ কৰিছিল ১৯৫২ চনত, পিছে তেওঁৰ পাছৰ কালত অযান্ত্রিকৰ (১৯৫৮) দ্বাৰাহে ভালদৰে পৰিচিত হৈছিল আৰু সমান্তৰাল চলচিত্রৰ এক শক্তিশালী ব্যক্তি হৈ পৰিছিল। মৃণাল সেনে তেওঁৰ প্রথম চলচিত্র 'ৰাতভৰ' ১৯৫৫ চনত নির্মাণ কৰিছিল।

মৃণাল সেনৰ 'ভুবন সোম' (১৯৬৯) আৰু মণি কৌলৰ 'উচকী ৰোটী' (১৯৬৯) এই দুয়োখন ছবিক ৰাজ্যিক চলচিত্র বিত্তীয় নিগমৰ দ্বাৰা বিত্তীয় সাহার্য্য দিয়া হৈছিল, তেওঁলোকে ফ্রান্সৰ নব্য তৰংগৰ দ্বাৰা অনুপ্রাণিত হৈ ভাৰতীয় চলচিত্রলৈ এক নতুন সংবেদনশীলতাৰ সৈতে নতুনত্ব আনিছিল। এই আন্দোলন নতুন ধাৰাৰ চলচিত্র অথবা নতুন ভাৰতীয় চলচিত্র হিচাপে পৰিচিত হৈছিল।

দৃশ্য গ্রহণ সম্পর্কত কিছুমান চলচিত্র নির্মাতাৰ কোনো আগতীয়া ধাৰণা নাছিল। সংগীত আৰু দৃশ্য ৰূপ চৰিত্রৰ মানসিকতা আৰু গতিশীলতাৰ ওপৰত ভিত্তি কৰিহে কৰা হৈছিল।

FTII ৰ স্নাতক কুমাৰ ছাহানী, মণি কৌল, চৈয়দ মির্জা,শ্যাম বেনেগাল আৰু কেতন মেহতা নতুন ধাৰাৰ ভাৰতীয় হিন্দী চলচিত্রৰ মুধাফুটা ব্যক্তি আছিল। মণি কৌলৰ 'আষাড় কা এক দিন' (১৯৭১) আৰু দ্বেবিধা (১৯৭৩), কুমাৰ চাহানীৰ মায়া দর্পন (১৯৭২) আৰু শ্যাম বেনেগলৰ অংকুৰ (১৯৭৩)ৰ হাত ধৰি, সত্তৰ দশকত হিন্দী চলচিত্রৰ এই নতুন গতিয়ে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। এম. এছ. সত্যুৰ 'গৰম হাৱা' (১৯৭৩) এই নতুন ধাৰাৰ গুৰুত্বপূর্ণ সংযোজন। গোবিন্দ নিহালিনিয়ে বেনেগলৰ কেমেৰামেন হিচাপে কাম আৰম্ভ কৰিছিল আৰু পৰিচালক ৰূপে তেওঁৰ প্রথম কাম আছিল 'আক্রোশ' (১৯৮০)। তেওঁ একেধাৰে সামাজিক, ৰাজনৈতিক ধাৰাৰ চলচিত্র পার্টী (১৯৮৪), তমস (১৯৮৭) আৰু দৃষ্টি (১৯৯০) পৰিচালনা কৰিছিল। এই ক্ষেত্রত চৈয়দ মির্জাই উল্লেখনীয় ৰাজনৈতিক দর্শনৰ চলচিত্র 'অৰবিন্দ দেশাই কী অজীৱ দাস্তান' (১৯৭৮), 'এলবার্ট পিন্টো কো গুচ্ছা ক্যো আটা হে' (১৯৮০), 'মোহন যোশী হাজিৰ হো' (১৯৮৪) আৰু 'চলিম লংগ্রে পে মত ৰো' (১৯৮৯) নির্মাণ কৰিছিল। বিংশ শতিকাৰ ৭০ ৰ আৰু ৮০ ৰ দশকৰ আৰম্ভণি ভাগত ভাৰতীয় নতুন ধাৰাৰ চলচিত্রৰ যি সফলতা উদযাপিত হৈছিল, সেই কৃতিত্ব বহুলভাৱে শ্যাম বেনেগাললৈ যায়। তেওঁৰ দ্বাৰা পৰিচালিত চাৰিখন চলচিত্র- অংকুৰ (১৯৭৩), নিশান্ত (১৯৭৫), মন্থন (১৯৭৬) আৰু ভূমিকা (১৯৭৭) ই সর্বোচ্চ কলা সুলভতাৰ নিদর্শন দেখুওৱাৰ লগতে ব্যৱসায়িক সফলতাও আনিছিল। প্রধানকৈ FTII আৰু ৰাষ্ট্রীয় নাট্য বিদ্যালয়ৰ নতুন প্রতিভা যেনে — শ্বাবানা আজমী, নাছিৰুদ্দিন শ্বাহ, ওম পুৰী, স্মিতা পাটিল, কুলভূষণ খাৰবান্দা আৰু অমৰীশ পুৰীক লৈ বেনেগল বহুধৰণৰ স্পর্শকাতৰ আৰু চিত্তাকর্ষক চলচিত্র পৰিচালনা কৰিছিল।

নতুন ধাৰাৰ চলচিত্ৰ সমাজ আৰু প্ৰতিষ্ঠান

১৯৪৩ চনত বোম্বেত প্ৰথম চলচিত্ৰ সমাজ স্থাপিত হৈছিল। ১৯৪৭ চনত কলকতাত সত্যজিৎ ৰায়ে চলচিত্ৰ সমাজ স্থাপন কৰিছিল। ১৯৭০ চনৰ আৰম্ভণিতে সমগ্ৰ ভাৰতবৰ্ষ জুৰি প্ৰায় ১৫০ খন চলচিত্ৰ সমাজ গঢ়ি উঠিছিল। এই সমূহৰ জৰিয়তে মানুহে উৎকৃষ্ট ভাৰতীয় চিনেমা চাব পাৰিছিল আৰু উৎকৃষ্ট বিদেশী চলচিত্ৰও চোৱাৰ সুবিধা লাভ কৰিছিল। ১৯৫২ চনত ফিল্ম ডিভিজনৰ দ্বাৰা পোনপ্ৰথমে আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱৰ আয়োজন বোম্বে, মাদ্ৰাজ আৰু কলকতাত অনুষ্ঠিত হৈছিল। ইউৰোপীয় ধ্ৰুপদী চলচিত্ৰ যেনে দি চিকাৰ 'বাইচাইকেল থিড্‌চ' মহোৎসৱত প্ৰদৰ্শিত হৈছিল আৰু ভৰপুৰ সংগীত নৃত্যৰে স্থূল মনোৰঞ্জনধৰ্মী ভাৰতীয় চলচিত্ৰ দেখি হতাশাগ্ৰস্ত হোৱা যুৱ পৰিচালকৰ মাজত আশাৰ সঞ্চাৰ কৰিছিল। চলচিত্ৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান ১৯৬১ চনত পুনেত প্ৰতিষ্ঠা কৰা হৈছিল আৰু ৰাষ্ট্ৰীয় চলচিত্ৰৰ যাদুঘৰ ১৯৬৪ চনত প্ৰতিষ্ঠা হৈছিল। ভাৰতীয় চলচিত্ৰ বিত্তীয় নিগম ১৯৬০ চনত চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছিল যাৰ উদ্দেশ্য আছিল পৰিচালকসকলক ব্যৱসায়িক সীমাৰ বাহিৰত থাকি পৰিচালকসকলে কাহিনী চিত্ৰ নিৰ্মাণ কৰিবলৈ দিয়া।

১৯৬০ চনৰ পৰা ১৯৮০ চনলৈকে কলাধৰ্মী অথবা সমান্তৰাল ধাৰাৰ চলচিত্ৰসমূহ নিৰ্মাণ কৰা হৈছিল। কিছুমান পৰিচালকে ভাৰতীয় পটভূমিক বিষয়বস্তু হিচাপে লৈ কৰা চলচিত্ৰক ৰাজ্য চৰকাৰে অৰ্থ সাহাৰ্য দিছিল। তেওঁলোকৰ চলচিত্ৰসমূহ ৰাজ্যিক চলচিত্ৰ মহোৎসৱ আৰু চৰকাৰী প্ৰচাৰ মাধ্যমত প্ৰদৰ্শিত হৈছিল। এই সকলোবোৰ কাৰকে ভাৰতীয় চিনেমালৈ এক বৈপ্লিৱক পৰিবৰ্তন আনিছিল। ফলত ভাৰতীয় চিনেমাৰ এক নতুন ৰূপ নিৰ্মিত হৈছিল যাক নতুন ধাৰাৰ বা নতুন ভাৰতীয় চলচিত্ৰ বুলি অভিহিত কৰা হৈছে।

অতিক্ৰম হোৱা অতীত

মুম্বাইত আশীৰ দশকত ভাৰতীয় চলচিত্ৰ দুভাগত বিভক্ত হৈছিল। গোবিন্দ নিহালিনিৰ প্ৰযোজনা 'অৰ্ধ সত্য'ৰ বিষয় আছিল অপৰাধ আৰু ৰাজনীতিৰ মাজত সম্পৰ্ক। অতি উচ্চ মানদণ্ডৰ ব্যৱসায়িক চলচিত্ৰৰ যোগেদি মহেশ ভাটৰ আগমন হৈছিল। তেওঁৰ 'অৰ্থ' ই (১৯৮৩) অপাৰ সাফল্যৰ স্বাক্ষৰ বহন কৰিছিল। এই চলচিত্ৰৰ বিষয় চিৰন্তন ত্ৰিকোণীয় প্ৰণয় আছিল। তথাপিও ইয়াৰ চলচিত্ৰীয় মূল্যই (Cinematic values) একে ধাৰাৰ অন্য চলচিত্ৰতকৈ ইয়াক নিলগাই ৰাখিছিল। উল্লেখনীয় যে এই চলচিত্ৰ ভাৰতীয় নাৰীৰ নাৰী স্বাধীনতাৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা হৈছিল যিটো বিষয় কাচিৎহে হিন্দী চলচিত্ৰসমূহত প্ৰদৰ্শিত হৈছিল।

১৯৯০ চন

বিংশ শতিকাৰ ৯০ ৰ দশকত বিশ্বায়নৰ প্ৰক্ৰিয়াই ভাৰতীয় চলচিত্ৰকে ধৰি সমগ্ৰ চলচিত্ৰৰ ৰূপটোৰে পৰিবৰ্তন ঘটালে। নতুন ধাৰাৰ চলচিত্ৰৰ গুণাগুণক এচামে সাংস্কৃতিক পণ্য দ্ৰব্যত পৰিণত কৰাৰ বাবে ক্ষুৰধাৰ সমালোচনা কৰিলে। পৰম্পৰাক জনপ্ৰিয়তালৈ পৰিণত কৰি, পৰিয়ালৰ প্ৰমূল্য, সম্পৰ্কৰ পবিত্ৰতা এক প্ৰকাৰ পণ্য হৈ পৰিল। মুঠতে বিদেশী দূৰদৰ্শনৰ

চেনেল আৰু বহুজাতিক কোম্পানীসমূহৰ আগ্রাসনে থলুৱা উদ্যোগৰ অস্তিত্বহীন কৰাত সমাজ জীৱনলৈ ভাবুকি আনিলে।

এই চলচিত্রই দর্শকক এক ধৰণৰ কৃত্রিম নিৰাপত্তা প্রদান কৰিলে। ফলত অপাৰ জনপ্রিয়তা অর্জন কৰিলে। এই ধাৰাটো সুৰজ বাৰজাতিয়াৰ 'হম আপকে হ্যেয় কোন' ৰ দৰে চলচিত্রৰে আৰম্ভ হ'ল, য'ত ১৪ টা সংগীতৰ দৃশ্য আছিল আৰু ই এক ধৰণৰ সুখৰ ইন্দ্রজাল ৰচিলে য'ত যৌথ পৰিয়ালৰ এখন বিয়াৰ আচাৰ-বিধিক চমকপ্রদভাৱে প্রদর্শন কৰা হৈছিল। দূর্ভাগ্যজনক কথা যে বাৰজাতিয়াৰ চেলুলয়দ পৰিয়ালক পিছে অকল বস্তুগত অর্থত ব্যৱসায় বিস্তৃতিৰ, ঐশ্চর্যৰ মজ্জাৰ বাবে আধুনিক সময়তহে প্রয়োজন হয়।

অন্যান্য চলচিত্র যেনে দিলৱালে দুলহনিয়া লে জায়েংগে, দিলটো পাগল হ্যে আৰু কুছ কুছ হোতা হোত পিতৃপ্রধান নিয়ম কানুনক সমান, পৰম্পৰা আৰু নিয়ম নীতিৰ প্রতি আস্থা প্রদর্শন তথা পবিত্রতা ৰক্ষাৰ বাবে এক আচৰণমূলক সংকেত উপস্থাপন কৰা হৈছিল য'ত জ্যেষ্ঠক সন্মান প্রদর্শন আৰু একোটা জাতি বা গোটত অন্তর্ভুক্ত হোৱাৰ আকাংক্ষা প্রদর্শন কৰা হৈছিল নতুবা প্রেম, বন্ধুত্ব আৰু দায়িত্ববোধ, অভ্যন্তৰীণ সংঘাত নিৰাময়ৰ স্বৰূপ প্রদর্শিত হৈছে। অৱশ্যে সেই সময়ৰ হিন্দী চলচিত্রক কেৱল তেনে ধৰণে ভবাটো উচিত নহ'ব। এই সময়ছোৱাতে চলচিত্র পৰিচালক মণি ৰত্নম (ৰোজা), গুলজাৰ (মার্চিছ), কাজাদ গুষ্টাড (বোম্বে বয়জ), নাগেশ কুক্যনুৰ (হায়দৰাবাদ ব্লুজ) আৰু দীপা মেহতাই (ফায়াৰ) এনে ধৰণৰ চলচিত্র পৰিচালনা কৰিছিল যিয়ে ব্যক্তি স্বতন্ত্রবোধ, নতুন বিষয়বস্তু উপস্থাপন আৰু এক মনোমুগ্ধকৰ পৰিবেশ প্রদান কৰিছিল। এই সকলোবোৰে পিছে ভাৰতীয় চলচিত্রৰ শক্তি সামর্থ, ৰং ৰূপ আৰু ইয়াৰ যথার্থতাক উৰাই ঘূৰাই একে ধৰণৰ বিষয়বস্তুকে কেন্দ্র কৰি থাকে। ই এক ধৰণৰ গুণগত মানদণ্ড নিৰূপণ কৰে, য'ত ভাৰতীয় চলচিত্রক এনে ধৰণে নির্মাণ কৰা হয় যে বাকী সকলো কলা মাধ্যম যেন - দূৰদর্শন, নাটক, বিজ্ঞাপন, সংগীত আৰু তথ্য প্রযুক্তিৰ নতুন ধৰণক সাঙুৰি নগৰীয়া সংস্কৃতিক প্রভাৱান্বিত কৰে। ইয়ে যথাযথ ৰাজনৈতিক জীৱনকো প্রভাৱান্বিত কৰি আহিছে। তামিলনাডুত চলচিত্র তাৰকাই কেবা দশক জুৰি শাসন কৰি আহিছে আৰু ইয়াৰ ফিল্ম ক্লাৱসমূহ হৈছে ভোট বেংক। অন্ধ্রপ্রদেশত এবাৰ এজন অভিনেতাই তেলেগুৰ 'নিজৰ গৌৰৱ' ৰূপে পৰিচয় দিছিল।

অন্যান্য ঠাইতো অভিনেতাসকলে নিজৰ জনপ্রিয়তাক কেন্দ্র কৰি ৰাজ্যসভাই হওঁক অথবা লোকসভাই হওঁক আসন লাভ কৰি আহিছে।

৮.৪.১ আঞ্চলিক চলচিত্র

দেশৰ অতি উচ্চ মানদণ্ডৰ চলচিত্র নির্মাতাসকল আঞ্চলিক ভাষাৰ চলচিত্র জগতৰ পৰাই আহিছে। যেনে — বাংলা, মালায়লম, তামিল আৰু কানাড়া। এই সকলৰ ভিতৰত অৱশ্যে স্বর্গীয় সত্যজিৎ ৰায় অন্যতম আছিল।

অদুৰ গোপাল কৃষ্ণনৰ প্রথম চলচিত্র 'স্বয়ংবৰমে' (১৯৭২) মালায়লম নব্য ধাৰাৰ চলচিত্রৰ পৰিসৰ বিস্তৃত কৰিছিল। অৰবিন্দৰ প্রথম চলচিত্র উত্তৰায়নমে (১৯৭৪) এই

আন্দোলনক শক্তিশালী কৰিছিল। জন আব্রাহম, কে. আৰ. মোহনম আৰু পি. এ. বেকাৰ নতুন মালায়লম চলচিত্রৰ নির্মাণত স্বাভাৰিকভাৱে গুৰুত্বপূর্ণ নাম। কানাড়া দক্ষিণ ভাৰতৰ অন্য এটা চলচিত্র উদ্যোগ আছিল, য'ত দক্ষিণ ভাৰতৰ আন্দোলনৰ মুখ্য স্থান আছিল। বি. ভি. কৰন্থ, গিৰিশ কর্ণাড, গিৰিশ কাছাৰভেলী কানাড়া সমান্তৰাল চলচিত্রৰ বাহক আছিল। গিৰিশ কাছাৰভেলী পুনে ফিল্ম ইনষ্টিটিউট, চলচিত্র শিক্ষা প্রতিষ্ঠান পুনেৰ স্নাতক আছিল আৰু তেওঁ ১৯৭৭ চনত প্রথম পৰিচালনা কৰিছিল 'ঘট শ্রদ্ধা', যিয়ে সর্বশ্রেষ্ঠ ছবিৰ ৰাষ্ট্রীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল।

অসমৰ জাহ্নু বৰুৱাই তেওঁৰ প্রথম চলচিত্র অপৰূপা (১৯৮১) পৰিচালনা কৰিছিল। তেওঁৰ হালধীয়া চৰায়ে বাওধান খায় (১৯৮৭) আন্তঃৰাষ্ট্রীয় পর্যায়ত স্বীকৃতি লভিছিল যাৰ বিষয়বস্তু আছিল অসমৰ গ্রাম্য সমাজৰ সামাজিক সমস্যা। তেওঁৰ আগতে ভবেন্দ্রনাথ শইকীয়াই অবিৰতভাৱে অর্থবহ জনপ্রিয় চলচিত্র পৰিচালনা কৰিছিল আৰু মৃত্যুৰ আগমুহূর্তলৈকে তেওঁৰ চলচিত্রই পুৰস্কাৰ লভিবলৈ সক্ষম হৈছিল। বর্তমানেও মঞ্জু বৰাৰ দৰে বহু পৰিচালকে অসমত এই ধাৰাত কাম কৰি আছে।

৮.৪.২ অসমীয়া চলচিত্র

অসমীয়া চলচিত্র নানা ধৰণৰ পৰিবর্তনৰ মাজেৰে আগবাঢ়িছে। প্রথম অসমীয়া চলচিত্র 'জয়মতী' জ্যোতিপ্রসাদ আগৰৱালাই ১৯৩৫ চনত মুক্তি দিছিল। 'জয়মতী' এনে সময়ত নির্মাণ কৰা হৈছিল যেতিয়া চলচিত্রৰ আন্তঃগাঁথনি তথা ইয়াৰ বাবে পৰিবেশ পৰিস্থিতি একেবাৰে অনুকুল নাছিল। জ্যোতিপ্রসাদ আগৰৱালাই কলকাতাত বাংলা চলচিত্রৰ প্রসাৰ দেখি এই সুবৃহৎ আঁচনি খন প্রস্তুত কৰিলে। আৰম্ভণিতে তেওঁ এটা সৰু অস্থায়ী ষ্টুডিঅ' ভোলাগুৰি চাহ বাগিছাৰ কার্যালয়ত স্থাপন কৰিছিল। তেওঁৰ সকলো পৰিশ্রমৰ ফল, তেওঁ উদ্যম আৰু সাহসত দর্শকে চেঁচা পানী ঢালিলে। তথাপি তেওঁ হতাশ হোৱা নাছিল আৰু তেওঁ দ্বিতীয়খন চলচিত্র 'ইন্দ্রমালতী' ১৯৩৯ চনত নির্মাণ কৰি উলিয়াইছিল।

উল্লেখযোগ্য যে প্রথম অসমীয়া চলচিত্র 'জয়মতী'ৰ পাছৰ পৰা অসমীয়া ভাষাৰ আৰু অসমৰ অন্যান্য উপভাষাৰ ৩০০ খনতকৈ অধিক চলচিত্রৰ প্রযোজনা হৈছে। ইয়াৰ পৰাই কিছুসংখ্যক চলচিত্রই ৰাষ্ট্রীয় পর্যায়ৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এইবোৰৰ সাৰবস্তু প্রেম কাহিনীৰ পৰা পৌৰাণিক কাহিনীলৈ, ইতিহাসৰ পৰা কৌতুকধর্মীলৈ, দেশভক্তিৰ পৰা ভৌতিকলৈ বিস্তৃত।

নক'লেও হ'ব যে অসমীয়া চলচিত্রই সময়ে সময়ে ৰাষ্ট্রীয় পুৰস্কাৰ আৰু আন্তঃৰাষ্ট্রীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। বিংশ শতিকাৰ পঞ্চাশৰ দশকত প্রযোজিত চলচিত্র যেনে — পিয়লী ফুকন, মাক আৰু মৰম, তেজীমলাই ৰাষ্ট্রপতিৰ ৰূপৰ পদক লাভ কৰিছিল। একে সময়তে 'পূবেৰুণ' -এ বার্লিন চলচিত্র মহোৎসৱত আন্তঃৰাষ্ট্রীয় সমাদৰ লাভ কৰিছিল।

অসমীয়া চলচিত্রৰ সোণালী যুগ

অসমীয়া চলচিত্র উদ্যোগৰ সোণালী যুগ, প্রযোজনাসমূহৰ গতিশীলতাৰ ওপৰত নির্ভৰশীল। বার্ষিক কিমান চলচিত্র নির্মাণ হৈছিল তাৰ ভিত্তিত নহয়, বিষয়বস্তু আৰু চলচিত্র কৌশলৰ ওপৰত ভিত্তি কৰিহে এই যুগৰ নামকৰণ কৰা হৈছে। বিংশ শতিকাৰ সত্তৰ আৰু আশীৰ দশকত যোগ-বিয়োগ, ওপজা সোণৰ মাটি, ভাইটি, চামেলী মেমচাহাব, মেঘমুক্তি, দূৰণিৰ ৰং, আজলী নৱৌ, সেন্দুৰ, ঘৰসংসাৰ, বোৱাৰী, সোণমইনা আৰু বৃহৎ সংখ্যক অন্যান্য সফল আৰু অপাৰ সফল চলচিত্র প্রযোজনা কৰা হৈছিল। এই যুগটো অসমীয়া চিনেমাৰ সোণালী যুগ বুলি ধৰা যায়।

অসমৰ কেইগৰাকীমান জনপ্রিয় চলচিত্র নির্মাতা হ'ল জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণু প্রসাদ ৰাভা, ফণী শর্মা, পার্বতী প্রসাদ বৰুৱা, কমল নাৰায়ণ চৌধুৰী, ড° ভূপেন হাজৰিকা, শিৱ প্রসাদ ঠাকুৰ, অজান বৰুৱা, পদুম বৰুৱা, নিপ বৰুৱা, শৈল বৰুৱা, ব্রজেন বৰুৱা, আব্দুল মজিদ, জাহ্নু বৰুৱা, ড° ভবেন্দ্র নাথ শইকীয়া, মুনিন বৰুৱা, মঞ্জু বৰা আৰু বহুতো।

৮.৪.৩ ভাৰতৰ কেইজনমান উল্লেখযোগ্য চলচিত্র নির্মাতা

পৃথিৱীজুৰি ভাৰতীয় চলচিত্রৰ সুনাম আছে। ইয়াৰে বৈচিত্র্য আৰু বিশালতাৰ বাবে ভাৰতীয় চলচিত্রই বিশ্বৰ সকলো দেশতে দর্শকক আকর্ষিত কৰিবলৈ সক্ষম হৈছে। এই উদ্যোগৰ এই জয়যাত্রা এদিন বা দুদিনত হোৱা নাছিল। এমুঠি চলচিত্র নির্মাতাৰ শতিকাজুৰি অবিৰত প্রচেষ্টাৰ ফলত এয়া সম্ভৱ হৈছে, যাৰ ফলত ভাৰতীয় চলচিত্রই আৰু চলচিত্রৰ লগত জড়িত ব্যক্তিসকলে পৃথিবীজুৰি এক গোলকীয় পৰিচয় পাবলৈ সক্ষম হৈছে। এনে ধৰণৰ ব্যক্তিত্বশালী পৰিচালকৰ তালিকাখন দীঘল কিন্তু আমি কেইজনমানৰ বিষয়েহে আলোচনা কৰিম।

দাদা চাহেব ফাল্কে

ধুন্দিৰাজ গোবিন্দ ফাল্কে যি দাদা চাহেব ফাল্কে ৰূপে জনাজাত, তেওঁ চলচিত্রৰ এজন আগৰণুৱা ব্যক্তি আছিল। তেখেতক ভাৰতীয় চলচিত্রৰ পিতৃস্বৰূপ বুলি জনা যায়। ফাল্কেয়ে 'ৰাজা হৰিশ্চন্দ্র' নামৰ সবাক চলচিত্র এখন নির্মাণ কৰিছিল, যিখন ভাৰতবর্ষৰ প্রথম কাহিনী চিত্র আছিল। এইখন চলচিত্রই ভাৰতবর্ষত পৌৰাণিক চলচিত্রৰ ভেঁটি আছিল। ইয়াৰ পাছতো তেওঁ ধাৰাবাহিকভাৱে চলচিত্র নির্মাণ কৰি গৈছিল, যাৰ সৰহ ভাগেই পৌৰাণিক প্রকৃতিৰ আছিল আৰু কিছুমান চলচিত্র সামাজিক বিষয়বস্তুৰ সৈতেও জড়িত আছিল। তেওঁৰ কেইখনমান উল্লেখযোগ্য চলচিত্র হ'ল — ভস্মাসুৰ মোহিনী, লংকা দাহন, ভক্ত প্রহ্লাদ, ইত্যাদি।

ফাল্কেয়ে তেওঁৰ কোম্পানী মহাৰাষ্ট্রৰ নাচিকত ১৯১৮ চনত স্থাপন কৰিছিল যাক 'ফাল্কে এণ্ড কোম্পানী' নামে জনা যায়। এইটো প্রথম স্বাধীন কোম্পানী আছিল য'ত সম্পূর্ণৰূপত

অভ্যন্তৰীণ ষ্টুডিঅ'ত প্রযোজনাবোৰ কৰা হৈছিল। ফাল্কেই কেৱল কাহিনীধর্মী চলচিত্রই নির্মাণ কৰা নাছিল, তেওঁ ভালেমান চুটি ছবি, তথ্যচিত্র আৰু এখন শাব্দিক চলচিত্র 'গংগা বতৰম' নির্মাণ কৰি ভাৰতীয় চলচিত্রলৈ মূল্যবান বৰঙনি আগবঢ়াই গৈছে। ইয়াৰে 'গংগা বতৰম' খন নির্মাতা হিচাপে তেওঁৰ জীৱনৰ শেষৰখন চলচিত্র আছিল।

সত্যজিৎ ৰায়

সত্যজিৎ ৰায় ভাৰতীয় চলচিত্রৰ এজন শ্রেষ্ঠ, মহান কাৰিকৰ। চলচিত্র র্মিাতা হিচাপে তেওঁ প্রথম ভাৰতীয় যি আন্তঃৰাষ্ট্রীয় স্বীকৃতি পাইছিল। কেৱল তেওঁৰ সমসাময়িক চলচিত্র নির্মাতাসকলেই নহয়, তেওঁ চলচিত্র জগতৰ পৰা আঁতৰি যোৱাৰ পাছতো, ভৱিষ্যতৰ চলচিত্র জগতত যি সকল নতুন চলচিত্র নির্মাতাৰ আগমণ ঘটিছে, তেওঁলোকেও সত্যজিৎ ৰায়ৰ নাম আৰু কলাকৃতিৰ কথা সশ্রদ্ধাৰে সোঁৱৰে। তেওঁ এনে এগৰাকী পথিকৃত শিল্পী আছিল, যাৰ দ্বাৰা নির্মিত শিল্প হিচাপে চলচিত্রক এক ভিন্ন মাত্রা প্রদান কৰিছিল। তদুপৰি তেওঁ যেতিয়া সাধাৰণ কাহিনী এটাও কৈছিলে তেতিয়াও এক ধৰণৰ ইন্দ্রজাল সৃষ্টি কৰি চিত্র নির্মাতা হিচাপে অসাধাৰণ নান্দনিক সৌন্দর্য প্রতিষ্ঠা কৰিছিল। তেওঁ ভাৰতীয় নতুন ধাৰাৰ চলচিত্রৰ এজন আগৰণুৱা ব্যক্তি আৰু তেওঁ চলচিত্র নির্মাণত ব্যক্তিগত দৃষ্টিভংগীক গুৰুত্ব দিছিল। তেওঁ নিজে চলচিত্রৰ এক অনুষ্ঠান আছিল। তেওঁ চমৎকাৰ কাৰিকৰী কৌশলৰ দ্বাৰা আৰু সৰল কাহিনীৰে বাস্তৱ জীৱনক চৰিত্রবোৰৰ মাজেৰে উপস্থাপন কৰিছিল।

একোজন চিত্র নির্মাতাই মাধ্যমটোক নান্দনিক দিশেৰে ব্যৱহাৰ কৰে। সত্যজিৎ ৰায়ে সামাজিক আৰু সাংস্কৃতিক বিষয়ক কেতিয়াও অৱজ্ঞা কৰা নাছিল। তেওঁৰ প্রায় তেৰখন চলচিত্রত তেওঁ ভাৰতীয় চলচিত্র আন্দোলনৰ পৰিধিক পুণৰীক্ষণ কৰিছিল। তেওঁৰ কেইখনমান উল্লেখযোগ্য চলচিত্রই পৃথিৰীৰ চলচিত্রৰ প্রেক্ষাপটত ধ্রুপদী চলচিত্রৰ মর্যাদা পাইছিল। যেনে — পথেৰ পাঁচালী (১৯৫৫), অপৰাজিত (১৯৫৬), অপুৰ সংসাৰ (১৯৬০), দেৱী (১৯৬০), মহানগৰ (১৯৬৩), চাৰুলতা (১৯৬৪), গণশত্রু (১৯৭৫), গোপী গায়েন বাঘা বায়েন (১৯৬৯), ইত্যাদি। তালিকাখন বৃহৎ আৰু ইয়াত জনপ্রিয় লগতে সমান্তৰাল দুয়োবিধ চলচিত্র সন্নিবিষ্ট কৰা হৈছে।

জ্যোতিপ্রসাদ আগৰৱালা

জ্যোতিপ্রসাদ আগৰৱালাৰ নামটো বছৰ বছৰ জুৰি অসমীয়া চলচিত্র উদ্যোগত গৌৰৱেৰে উজ্বলি আহিছে। তেওঁ এগৰাকী অসমীয়া চলচিত্র উদ্যোগৰ আগৰণুৱা ব্যক্তি আছিল। এজন শিল্পীৰ সৃষ্টিশীল প্রতিভাই সকলো বিষয়ত সমানে পাৰদর্শিতা প্রদর্শন কৰিছিল। যেনে — সংগীত, ৰচনা, সুৰ সংযোজন, নাটক ৰচনা, চলচিত্র নির্মাণ, কবিতা ৰচনা আৰু অন্যান্য সৃষ্টিশীল পথাৰত অসামান্য দক্ষতা প্রদর্শন কৰিছিল। এই সকলোবোৰে তেওঁক অসমৰ এগৰাকী মৌলিক প্রতিভাশালী সাংস্কৃতিক কর্মী হিচাপে চিহ্নিত কৰিছিল। তেওঁ

প্রথম অসমীয়া চলচিত্র জয়মতীৰে ১৯৩৫ চনত অসমীয়া চলচিত্র উদ্যোগৰ কাৰণে এক বাতাবৰণ সৃষ্টি কৰিছিল। তেওঁ এডিনবার্গ আৰু কেমব্রিজত সংগীতৰ অধ্যয়ন কৰিছিলে। কিন্তু বিভিন্ন নাটকৰ লগতে চলচিত্রত অসমৰ সংগীতৰ পৰম্পৰাগত ৰূপতহে সংগীতৰ চর্চা কৰিছিল।

ড° ভবেন্দ্রনাথ শইকীয়া

অসমৰ অন্য এজন উল্লেখযোগ্য চলচিত্র নির্মাতা হ'ল ড° ভবেন্দ্রনাথ শইকীয়া, যি চলচিত্র নির্মাতা হিচাপে চমু কাল এটাৰ ভিতৰত সাতখন চলচিত্র নির্মাণ কৰিছিল। লণ্ডনৰ পৰা এজন পদার্থবিদ হিচাপে স্বীকৃতি পোৱা ড° শইকীয়াই এজন চুটি গল্পকাৰ আৰু নাট্যকাৰ হিচাপেও প্রতিষ্ঠা লাভ কৰিছিল। তেওঁ জ্যোতিপ্রসাদৰ পাছত অসমীয়া চলচিত্র উদ্যোগক এক দৃঢ় স্থিতি প্রদান কৰাৰ প্রশংসা লাভ কৰিবলৈ সক্ষম হৈছিল।

ড° ভবেন্দ্রনাথ শইকীয়াই অসমীয়া চলচিত্র আন্দোলনত মূল্যবান বৰঙণি আগবঢ়োৱাৰ বাবে চিৰস্মৰণীয় হৈ থাকিব। তেওঁ সন্ধ্যাৰাগ (১৯৭৭), অগ্নিস্নান (১৯৮৫), কোলাহল (১৯৮৮), সাৰথি (১৯৯১),আৱর্তন (১৯৯৩), কালসন্ধ্যা (১৯৯৭) আৰু ইতিহাস (১৯৯৫) নির্মাণ কৰি গৈছে। তাৎপর্যপূর্ণভাৱে তেওঁৰ সকলো কেইখন চলচিত্রত মহিলাক অতি সংবেদনশীলভাৱে আৰু সহানুভূতিৰে অংকন কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূর্ণ কৰক।

ক) ..... ক ভাৰতীয় চলচিত্রৰ পিতৃ জ্ঞান কৰা হয়।

খ) প্রথমখন ভাৰতীয় সবাক চলচিত্র ..... ইম্পেৰিয়েল ফিল্ম কোম্পানীয়ে প্রযোজনা কৰিছিল আৰু ..... এ পৰিচালনা কৰিছিল।

গ) ..... চলচিত্রখনৰ জৰিয়তে সত্যজিৎ ৰায়ে চলচিত্রৰ অগ্রগামী ব্যক্তি হিচাপে পৰিচিত হৈছিল যাক পাছলৈ ভাৰতীয় সমান্তৰাল চলচিত্র বুলি জনা যায়।

ঘ) ..... ৰ পৰা ..... নির্মিত হোৱা কলাসুলভ অথবা সমান্তৰাল চলচিত্র সাধাৰণত চৰকাৰী অনুদানযোগ্য হিচাপে স্বীকৃতি দিয়া হৈছে।

ঙ) জ্যোতিপ্রসাদ আগৰৱালাৰ দ্বাৰা নির্মিত প্রথম অসমীয়া চলচিত্র 'জয়মতী'য়ে মুক্তি পাইছিল ..... চনত।

৮.৫ চলচিত্র প্রমাণ পত্রৰ কেন্দ্রীয় সমিতি

১৯৮৩ চনৰ ১ জুনত কেন্দ্রীয় চলচিত্র নিগমৰ প্রমাণ পত্রৰ কেন্দ্রীয় সমিতি স্থাপন কৰা হয়। এইটো কেন্দ্রীয় চৰকাৰৰ দ্বাৰা ক্ষমতা হস্তান্তকৰণ চিনেমাটোগ্রাফ আইন (১৯৫২) আৰু চিনেমাটোগ্রাফ নিয়মৰ দ্বাৰা (১৯৫৮) স্থাপিত হৈছিল। বোর্ডৰ মূল উদ্দেশ্য হ'ল চলচিত্র শিল্পৰ প্রদর্শন আৰু চলচিত্র শিল্পৰ নিয়মীয়া প্রদর্শনৰ এক পৰিবেশৰ কাৰণে চলচিত্র শিল্পৰ এক প্রমাণ পত্র প্রদান কৰা। বোর্ডত/সমিতিত এজন সভাপতি আৰু বাৰজনতকৈ অধিক আৰু পচিশ জনতকৈ কম অন্য কেইবাজনো সদস্য কেন্দ্রীয় চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া হয়। কেন্দ্রীয় চৰকাৰৰ দ্বাৰা প্রতিখন ৰাজ্যৰ আঞ্চলিক কার্যালয়ত উপদেষ্টা গঠন কৰা হয়, CBFC ৰ সৈতে আলোচনা মর্মে কার্যালয়ৰ সদস্যসকলে সিদ্ধান্ত গ্রহণ কৰে।

প্রযোজকসকলে প্রমাণ পত্রৰ বাবে প্রথম অৱস্থাত মাছুলসহ CBFC লৈ আবেদন পত্র প্রেৰণ কৰিব লাগে। তাৰ পাছত চলচিত্রখন পৰীক্ষক সমিতিৰ দ্বাৰা পৰীক্ষা কৰা হয়। যিয়েই নহওঁক, পৰীক্ষণৰ আগতে চলচিত্রখন সকলো ফলৰপৰা সম্পূর্ণ হোৱাটো অতি প্রয়োজন। প্রমাণ পত্রৰ উদ্দেশ্য চলচিত্রৰ সকলোবোৰ আগতীয়া প্রদর্শন তথ্য আৰু বা-বাতৰিবোৰ নির্বাচন সমিতিৰ সদস্যসকলৰ বিশ্বাসযোগ্যতাৰ বাবে দাখিল কৰিব লাগে। যেতিয়া এখন চলচিত্র চেঞ্চৰ কৰা হয়, CBFC য়ে উপযুক্ত যুক্তি আৰু নির্দেশাৱালীৰ নির্দিষ্ট নির্দেশসমূহ অৱশ্যেই গোপনে ৰাখিব লাগে যাতে প্রযোজকে সেই চেঞ্চৰৰ বাবে আক্রমণৰ সন্মুখীন নহয়।

পৰীক্ষণ সমিতিয়ে নিজৰ পর্যবেক্ষণৰ পিছত আগবঢ়োৱা অনুমোদনসমূহ CBFC ৰ সভাপতিলৈ তিনিদিনৰ ভিতৰত পঠিয়াব লাগে। সাতদিনত ভিতৰত প্রযোজকক বোর্ডে প্রমাণ পত্রৰ বিষয়ে জনায়। ১৯৫২ চনৰ চলচিত্র এক্টৰ মতে U প্রমাণ পত্র প্রাপ্ত চলচিত্রৰ প্রদর্শনত কোনো ধৰণৰ বাধা নাই, A প্রমাণ পত্র প্রাপ্ত চলচিত্র কেৱল প্রাপ্তবয়স্কসকলৰ বাবেহে প্রদর্শন কৰিব লাগিব। UA প্রমাণ পত্র প্রাপ্ত চলচিত্রসমূহে ১২ বছৰৰ তলৰ শিশুসকলৰ অভিভাৱকসকলক কিছুমান নিদের্শাৱলী দিয়ে। S প্রমাণ পত্র প্রাপ্ত চলচিত্রসমূহ কিছুমান বিশেষ দর্শকৰ বাবেহে (যেনে — ডাক্তৰ, শিল্পী আদি) আগত প্রদর্শন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ CBFC য়ে প্রদান কৰা বিভিন্ন মানদণ্ডৰ প্রমাণপত্রসমূহ কি কি ?

.....

.....

.....

.....

৮.৬ তথ্য চিত্রৰ ধাৰণা

তথ্যচিত্র অর্থাৎ ডকুমেন্টেৰী শব্দটো জন গ্রিয়ার্ছন নামৰ ব্যক্তি এজনে, ১৯২৬ চনত প্রথম প্রচলিত কৰিছিল। তেওঁ এজন তথ্যচিত্র নির্মাতা আছিল । তথ্যচিত্র হ'ল অকাহিনী চিত্র য'ত নির্মাতাই পৃথিৱীৰ সত্যচিত্র অংকন কৰিবলৈ চেষ্টা কৰে। তথ্যচিত্রত কাল্পনিক কাহিনী বা ঘটনাৰ কোনো স্থান নাই। প্রত্যেকখন তথ্যচিত্রৰ ঘটনাসমূহ পূর্ব কল্পিত নহয়। তথ্যচিত্র নির্মাতাই আচলতে ক্ষেত্রলৈ গৈ এক উদ্দেশ্য সন্মুখত ৰাখি নিৰীক্ষণৰ যোগেদি সত্য ঘটনাৰ তথ্য, চলচিত্রত আবদ্ধ কৰে। তথ্যচিত্র সমূহ শিক্ষামূলক উদ্দেশ্য আৰু সামাজিক বিষয়বস্তুৰ সৈতে সম্পর্ক ৰাখি নির্মাণ কৰা হয়। তথ্যচিত্রই যিকোনো ঘটনাৰ বা বিষয়ৰ নেদেখা বা নুশুনা দৃষ্টিভংগীক পোহৰাবলৈ চেষ্টা কৰে।

ইতিহাসমূলক তথ্যচিত্রসমূহ সুবৃহৎ ষ্টুডিঅ'ত শিক্ষিত সমাজৰ পৰা নির্বাচিত চৰিত্রৰে অভিনয় কৰোৱা হয়। সেয়ে তথ্যচিত্রত প্রাথমিকভাৱে সঁচা মানুহ অথবা ঘটনা আৰু বাস্তৱ পৃথিৱীৰ সম্পর্ক থাকে। বাস্তৱতাৰ কাঁঠিৰে ইয়াক তাৎপর্যপূর্ণ কৰি তোলা হয়। যিয়েই নহওঁক তথ্যচিত্রসমূহ কিন্তু সমালোচনাৰ উর্দ্ধত নহয়, বিশেষকৈ সত্যৰ উপস্থাপনত। বহুতেই যুক্তি দর্শাই যে যেতিয়া তথ্যচিত্র নির্মাণ কৰা হয়, তেতিয়া ইয়াৰ সম্পূর্ণ উদ্দেশ্য বর্তাই ৰখা সম্ভৱ নহয়। কিছুমান বিখ্যাত তথ্যচিত্র আৰু তথ্যচিত্র নির্মাতাৰ নাম হ'ল, ৰবার্ট ফ্লেহার্টীৰ 'নানুক অফ দা নর্থ' ইয়াৰ মূল ভেটি হ'ল এটা এক্সিমো পৰিয়ালৰ জীৱন; জন গ্রীয়ার্ছনৰ 'ড্রিফ্টাৰছৰ পটভূমি উত্তৰ সাগৰৰ মাছমৰীয়া জীৱন; ৰাইজমেনৰ 'হাইস্কুল'ৰ ভেঁটি হ'ল হাইস্কুলীয়া জীৱন; জিগা ভাৰটোভৰ 'মেন উইথ মুভি কেমেৰা'ত দৈনন্দিন জীৱনৰ নিয়মীয়া ঘটনা যেনে সাৰ পাই উঠাৰ পৰা কামলৈ যোৱা, আজৰি সময়ৰ ব্যস্ততা-ব্যস্ততাময় দিনৰ চিত্র সংযোগ কৰা হৈছে; এৰল মৰিছৰ 'দা থিন ব্লু লাইন'ৰ পটভূমি দলাছ পুলিছ অফিছাৰ ৰর্বাট উডৰ ১৯৭৬ চনত হোৱা হত্যাকাণ্ড; মাইকেল মুৰেৰ 'ৰজাৰ এণ্ড মি'ত মিছিগানৰ এগৰাকী ফেক্টৰী মালিক ৰজাৰ স্মিথৰ ধাৰাবাহিক ষড়যন্ত্রৰ বিষয়ে দেখুওৱা হৈছিল যিয়ে ফেক্টৰীবোৰ মেক্সিকোলৈ স্থানান্তৰ কৰাৰ নিদের্শ দিয়ে, য'ত শ্রমিকৰ মজুৰি অতি কম। এই ঘটনাৱলীৰ ফলাফলসমূহ ইয়াত চিত্রিত কৰা হয়। মাইকেল মুৰেৰ ফাৰেনহাইট ৯/১১ত ৯/১১ চেপ্তেম্বৰৰ দুখজনক ঘটনা আৰু ৰাষ্ট্রপতি জর্জ বুশ্বৰ ধ্বংসমূলক ঘটনাৰ সৈতে যুক্ত হৈ পৰাৰ বিষয়ে দেখুওৱা হৈছিল।

ভাৰতীয় তথ্যচিত্রৰ আগৰণুৱা ব্যক্তি আছিল পি ভি পথি। তেওঁ পেৰিছত প্রশিক্ষণ প্রাপ্ত আছিল। ভাৰতীয় তথ্যচিত্র আন্দোলনৰ দুজন জেষ্ঠ তথ্যচিত্র নির্মাতাৰ নাম হ'ল ডি জি তেণ্ডুলকাৰ আৰু এছ. কে. হিৰলেকাৰ। তেওঁলোক দুয়োজনেই ভাৰতৰ বাহিৰৰ পৰা প্রশিক্ষণ লাভ কৰিছিল আৰু পাছলৈ ভাৰতীয় তথ্যচিত্রৰ উন্নতিৰ আৰু পৰিপুষ্টিৰ বাবে উল্লেখনীয় বৰঙনি আগবঢ়াইছে। যি কি নহওঁক সেইটো আছিল ভাৰতীয় তথ্যচিত্রৰ ১৯৪০ চনত হোৱা এটা সৰু আৰম্ভণি মাত্র । বর্তমান ভাৰতত তথ্যচিত্র নির্মাতাৰ সক্রিয়তা বৃদ্ধি পাইছে আৰু প্রতি বছৰে এক বৃহৎ সংখ্যক তথ্যচিত্র ভাৰতৰ বিভিন্ন আঞ্চলিক ভাষাত নির্মাণ হৈছে আৰু ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় পর্যায়ত সুনাম লাভ কৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তথ্যচিত্র বুলিলে কি বুজে ? কাহিনী চিত্রৰ পৰা ই কিদৰে পৃথক ?

.....

.....

.....

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

চলচিত্র আকাশবাণী আৰু দূৰদর্শনতকৈ আগতে আহিছিল। ই আৰম্ভণিৰ সময়ৰ পৰাই সদায়ে দর্শকক মোহিত কৰি আহিছে। চলচিত্র হ'ল এটা গণ মাধ্যম আৰু ই এটা গণ মাধ্যমৰ সকলো চৰিত্র বহন কৰে। প্রকৃতিগতভাৱে চলচিত্রই প্রাথমিক মনোৰঞ্জন প্রদান কৰে আৰু ই দর্শকৰ ওপৰত বিস্তৃত প্রভাৱ পেলাবলৈ সক্ষম হয়।

চলচিত্র কেৱল গণ মাধ্যমেই নহয়, ই হ'ল সামগ্রিকভাৱে সকলো কার্য কৰিব পৰা এক গণ মাধ্যমো। দর্শকে এখন চলচিত্রৰ ভাগ্য নির্ণয়ত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। যিকোনো চলচিত্র নির্মাতাৰ বাবে দর্শক হ'ল গ্রহণযোগ্যতাৰ প্রাথমিক একক, কিয়নো দর্শক হ'ল চলচিত্রৰ ভাগ্য গঢ়োতা তথা ভাঙোতাও।

দাদা চাহেব ফাল্কেৰ দ্বাৰা নির্মিত ৰাজা হৰিশ্চন্দ্রৰে ভাৰতীয় চলচিত্রৰ সূচনা হয়। সেই তেতিয়াৰে পৰাই ভাৰতীয় চলচিত্র উদ্যোগে পাছলৈ ঘূৰি চোৱা নাই আৰু বহুতো চলচিত্র নির্মাতাই বছৰজুৰি পৃথিৱীৰ সর্ববৃহৎ চলচিত্র উদ্যোগ ভাৰতীয় চলচিত্র উদ্যোগ প্রতিষ্ঠাত বৰঙণি যোগাই আহিছে। আর্দেশীৰ ইৰানী, ৰাজ কাপুৰ, হীৰালাল সেন, ধীৰেণ গাংগুলী, মেহবুব, গুৰু দত্ত আদি হ'ল উল্লেখযোগ্য চলচিত্র নির্মাতাৰ উদাহৰণ।

ভাৰতীয় চলচিত্রক বিস্তৃত ভাৱে দুটা বহল ভাগত বিভক্ত কৰা হয় — কলা আৰু জনপ্রিয় চলচিত্র। কলা সুলভ চলচিত্রক ভাৰতীয় নব্য ধাৰাৰ চলচিত্র আন্দোলনৰ ফল হিচাপে গণ্য কৰা হয়, যাক কাৰিকৰী দক্ষতা আৰু কলা সুলভতাৰ সর্বোচ্চ ৰূপ হিচাপে অভিহিত কৰা হয়। এই আন্দোলনৰ আগৰণুৱা আছিল — সত্যজিৎ ৰায়, ঋতিক ঘটক, মৃণাল সেন, শ্যাম বেনেগল, গোবিন্দ নিহালিনী, ইত্যাদি।

অন্যহাতেদি জনপ্রিয় কথাছবিৰ কথা কঐবলৈ গ'লে এইবোৰৰ মূল লক্ষ্য— উপার্জন।

সঠিক ৰূপত যাক কোৱা হয় 'সূত্রধর্মী চিনেমা'। জনপ্রিয় চলচিত্রক যৌনতা, হিংসা, নৃত্য, গীত, অবাস্তৱ ঘটনা আৰু চৰিত্র অংকনৰ দ্বাৰা অভিহিত কৰা হয়। এই চলচিত্রবোৰ বহুল সংখ্যক দর্শকক আকর্ষিণত কৰাৰ অর্থে নির্মিত হয় আৰু সমাজৰ নিম্ন শ্রেণীৰ ৰুচিবোধক গুৰুত্ব দিয়া হয়।

ভাৰতত এক অভিজাত আঞ্চলিক চলচিত্র উদ্যোগো আছে। অসমীয়া চলচিত্র উদ্যোগকো ইয়াৰ ভিতৰত এটা গুৰুত্বপূর্ণ উদ্যোগ বুলি ধৰা হয়, যাক ১৯৩৫ চনত জ্যোতিপ্রসাদ আগৰৱালাৰ যত্নত স্থাপন কৰা হৈছিল। জাহ্নু বৰুৱা, ড° ভৱেন্দ্রনাথ শইকীয়া, মঞ্জু বৰা আদি হ'ল কেইজনমান অসমীয়া চলচিত্র উদ্যোগৰ বিশিষ্ট ব্যক্তি। তথ্যচিত্র হ'ল চলচিত্র নির্মাণৰ অন্য এক প্রকাৰ, যাৰ দ্বাৰা নির্মাতাই বাস্তৱতাক প্রদর্শন কৰিবলৈ চেষ্টা কৰে। তেওঁলোক হ'ল অকাহিনী চিত্রৰ দ্বাৰা বাস্তৱ জীৱনৰ ঘটনাক প্রতিনিধিত্ব কৰোতা, যিয়ে সামাজিক সমস্যা আৰু বাস্তৱ বিষয়ৰ মাজত সম্পর্ক স্থাপন কৰে।



৮.৮অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

- Encyclopedia of Journalism, By Om Gupta
- The Cinemas of India, By Yves Thoraval
- The Oxford Guide to Film Studies, By John Hill and Pamela Church Gibson
- Mahurat, Edited by Ankuran Dutta, Cotton College

৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নব্য ধাৰাৰ চলচিত্র সমূহ প্রধানকৈ গভীৰ তাত্ত্বিক চলচিত্র, য'ত জনপ্রিয় চলচিত্রৰ বৈশিষ্ট্য যেনে — যৌনতা, নাটকীয়তা আৰু হিংসা, যিবোৰ ভাৰতীয় জনপ্রিয় চলচিত্রৰ মূল বৈশিষ্ট্য, সেইসমূহ পৰিবর্জন কৰা হয়। তেওঁলোকে শৈলীৰ ওপৰত নির্ভৰশীল চলচিত্র নির্মাণ কৰে যি অন্যান্য ব্যৱসায়িক চলচিত্রৰ তুলনাত বহুত ওপৰত সত্য ঘটনাক প্রতিনিধিত্ব কৰে। নব্য ধাৰাৰ চিনেমাৰ ইয়েই মূল বৈশিষ্ট্য। প্রায়ে ইয়াক কলাসুলভ অথবা আর্ট মুভি বুলি কোৱা হয। নব্য ধাৰাৰ চলচিত্রসমূহত কাৰিকৰী সর্বোচ্চতা, কলাসুলভতা আৰু নান্দনিক গুণৰ সমাহাৰ ঘটে।

২ নং প্রশ্নৰ উত্তৰ ঃ দর্শকে চলচিত্রৰ ভাগ্য গঠনত এক নির্ণায়কৰ ভূমিকা পালন কৰে। কাৰিকৰী কৌশলৰ চমৎকাৰিতা অথবা শিল্প সুলভতাৰ সর্বোচ্চতা অথবা নির্মাণত

খৰচৰ পৰিমাণৰ ওপৰত ইয়াৰ সফলতা নিৰ্ভৰ নকৰে, যেতিয়ালৈকে দৰ্শকে ইয়াক গ্ৰহণ নকৰে। বক্স অফিচত দৰ্শকৰ গ্ৰহণযোগ্যতাৰ সীমাবদ্ধতাই হ'ল চলচিত্ৰ এখনৰ বিফলতা। সেয়ে এজন চলিচিত্ৰ নিৰ্মাতাই দৰ্শকৰ মনত আবেদন সৃষ্টি কৰিব পৰা চলচিত্ৰহে নিৰ্মাণ কৰা উচিত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কলাসুলভ চলচিত্ৰ সমূহ হ'ল অতিশয় গুৰুত্বপূৰ্ণ চলচিত্ৰ। এইসমূহ চলচিত্ৰত ব্যৱসায়িক দৃষ্টিভংগীক পাছৰ শাৰীত থৈ শিল্পসুলভ মূল্যক অগ্ৰাধিকাৰ দিয়া হয়। কলাসুলভ তথ্যচিত্ৰৰ উদ্দেশ্য হ'ল সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক দৃষ্টিভংগীক এক নান্দনিক গুণেৰে প্ৰতিনিধিত্ব কৰা।

অন্যহাতেদি ব্যৱসায়িক চলচিত্ৰসমূহ ব্যৱসায়িক মানসিকতা অথবা ব্যৱসায়িক লাভালাভৰ অৰ্থে নিৰ্মাণ কৰা হয়। এইবোৰক সূত্ৰধৰ্মী চলচিত্ৰ আখ্যা দিয়া হয় য'ত যৌনতা, হিংসা, সংগীত, নৃত্য আৰু চৰিত্ৰৰ মহত্ব আৰু ঘটনাৰ সমাবেশ ঘটে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) দাদা চাহেব ফাল্কে

খ) আলম আৰা, আৰ্দেশীৰ ইৰাণী

গ) পথেৰ পাঁচালী

ঘ) ১৯৬০ চনৰ পৰা ১৯৮০ চনলৈকে

ঙ) ১৯৩৫ চনত

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫২ চনত চলচিত্ৰ আইন (এক্ট) মতে চাৰি প্ৰকাৰৰ মানদণ্ডৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই প্ৰকাৰসমূহৰ ভিতৰত U প্ৰমাণ পত্ৰ লাভ কৰা চলচিত্ৰসমূহ সকলো বয়সৰ দৰ্শকে উপভোগ কৰিব পাৰে। A প্ৰমাণপ্ৰাপ্ত চলচিত্ৰ কেৱল প্ৰাপ্ত বয়স্কসকলৰ বাবেহে প্ৰদৰ্শন কৰিব লাগে। UA প্ৰমাণপ্ৰাপ্ত চলচিত্ৰ সমূহে ১২ বছৰৰ তলৰ শিশুসকলৰ অভিভাৱকৰ কাৰণে কিছুমান নিৰ্দেশাৱলী দিয়ে। S প্ৰমাণপ্ৰাপ্ত চলচিত্ৰসমূহ কিছুমান বিশেষ দৰ্শকৰ বাবেহে (যেনে -ডাক্তৰ, শিল্পী, আদিৰ আগত প্ৰৰ্দশন কৰিব পাৰে।)

৬ নং প্ৰশ্নৰ উত্তৰ ঃ তথ্যচিত্ৰ হ'ল অকাহিনী য'ত চিত্ৰ নিৰ্মাতাই পৃথিৱীৰ সত্যচিত্ৰ অংকন কৰিবলৈ চেষ্টা কৰে। তথ্যচিত্ৰত কাল্পনিক কাহিনী বা ঘটনাৰ কোনো স্থান নাই। প্ৰত্যেকখন তথ্যচিত্ৰৰ ঘটনাসমূহ পূৰ্ব কল্পিত নহয়। তথ্যচত্ৰ নিৰ্মাতাই আচলতে ক্ষেত্ৰলৈ গৈ এক উদ্দেশ্য সন্মুখত ৰাখি নিৰীক্ষণৰ যোগেদি সত্য ঘটনাৰ তথ্য চলচিত্ৰত আবদ্ধ কৰে।



৮.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

১। কলাধৰ্মী চলচিত্ৰ আৰু জনপ্ৰিয় চলচিত্ৰৰ মাজৰ বৈসাদৃশ্যবোৰ উদাহৰণ সহ ব্যাখ্যা কৰক।

২। নতুন ধাৰাৰ চলচিত্ৰ বুলিলে কি বুজে? উদাহৰণসহ আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

১। অসমীয়া চলচিত্ৰ উদ্যোগৰ ইতিহাস আৰু সমৃদ্ধি সম্পৰ্কে আলোচনা কৰক। লগতে এই উদ্যোগটোলৈ ড° ভবেন্দ্ৰনাথ শইকীয়াৰ অৱদান সম্পৰ্কে লিখক।

২। তথ্যচিত্ৰ বুলিলে কি বুজে? তথ্যচিত্ৰৰ বৈশিষ্ট্য কি লিখক।

৩। সত্যজিৎ ৰায় কোন আছিল? ভাৰতীয় চলচিত্ৰলৈ তেওঁৰ অৱদান সম্পৰ্কে লিখক।

৪। চলচিত্ৰৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক আৰু চলচিত্ৰ নিৰ্মাণত দৰ্শকৰ ভূমিকা সম্পৰ্কে লিখক।

****

অধ্যায় ৯ ঃ দৃশ্য-শ্রাব্য মাধ্যমঃ টেলিভিছন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ টেলিভিছনৰ পৰিচয়
৯.৪ ভাৰতত টেলিভিছনৰ চমু ইতিহাস
৯.৫ দূৰদৰ্শন
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতিৰ খতিয়ান
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- এটা প্রচাৰ মাধ্যম ৰূপে টেলিভিছন সম্পর্কে আলোচনা কৰিব পাৰিব।
- ভাৰতত টেলিভিছনৰ ইতিহাস বর্ণনা কৰিব পাৰিব।
- ভাৰতীয় ৰাজহুৱা সম্প্রচাৰ সেৱা দূৰদৰ্শনৰ বিষয়েও জানিব পাৰিব

৯.২ পৰিচয়

পূর্বৰ অধ্যায়ত আপুনি ছপা মাধ্যম আৰু ৰেডিঅ'ৰ লগত পৰিচিত হৈছিল। এই অধ্যায়ত আমি আন এটা প্রচাৰ মাধ্যম টেলিভিছনৰ বিষয়ে আলোচনা কৰিম।

টেলিভিছন হ'ল এটা আড়ম্বৰপূর্ণ আৰু অতি শক্তিশালী প্রচাৰ মাধ্যম। এই অধ্যায়ত আপোনালোকক দৃশ্য-শ্রাব্য মাধ্যম হিচাপে টেলিভিছনৰ প্রকৃতি, ভাৰতত টেলিভিছনৰ ইতিহাস তথা বিকাশ আৰু ভাৰতৰ ৰাজহুৱা সম্প্রচাৰ সেৱা দূৰদৰ্শন সম্পর্কে কিছু কথা জনোৱাৰ প্রয়াস কৰা হ'ব।

তেনেহ'লে টেলিভিছন মাধ্যমৰ পৰিচয়েৰে এই অধ্যায়টিৰ পাতনি মেলোঁ আহকচোন।

৯.৩ টেলিভিছনৰ পৰিচয়

আপুনি দৈনন্দিন জীৱনত মনোৰঞ্জন আৰু তথ্যৰ যোগান ধৰা টেলিভিছন নামৰ আহিলাবিধৰ সৈতে পৰিচিত। কিন্তু গণসংযোগ পাঠ্যক্রমৰ শিক্ষার্থী হিচাপে আপুনি মাধ্যমটোৰ মৌলিক প্রকৃতিৰ সৈতে চিনাকি হ'ব লাগিব, কোনবোৰ বৈশিষ্ট্যই ইয়াক অন্য মাধ্যমতকৈ পৃথক কৰিছে সেয়া জানিব লাগিব। টেলিভিছনৰ কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য আছে ঃ

i) টেলিভিছন এটা দৃশ্য-শ্রব্য মাধ্যম। ই একে সময়তে দৃশ্যমান আৰু শ্রৱণসাধ্য ধাৰণাৰ সৃষ্টি কৰিব পাৰে। অর্থাৎ দর্শকে কেৱল বক্তাৰ কথাই নুশুনে, কি ঘটি আছে সেয়াও দেখা পায়।

ii) এখন ছবি সহস্র শব্দৰ সমান বুলি কোৱা হয়। অর্থাৎ গতিশীল ছবিৰ কিমান কথা বুজোৱাৰ সামর্থ থাকে সেয়া সহজেই অনুমেয়। ধ্বনি, ৰং আৰু গতিশীলতা — এই তিনিটা উপাদানে টেলিভিছনক অন্য প্রচাৰ মাধ্যমতকৈ অধিক বিশ্বাসযোগ্যতা প্রদান কৰিছে।

iii) টেলিভিছনৰ অগণন, বিচিত্র, সকলো বয়সৰ তথা অজ্ঞাত দর্শক গোট আছে। বিভিন্ন সামাজিক প্রেক্ষাপট, বয়স, সংস্কৃতি, ধর্মৰ লোকে টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰে। সেয়েহে কোনো এটা বিশেষ ছেনেলে এক নির্দিষ্ট সময়ত সম্প্রচাৰ কৰা কোনো এক বিশেষ অনুষ্ঠানৰ দর্শকৰ সংখ্যা নির্ণয় কৰাতো অসম্ভৱ নহ'লেও অতি দুৰূহ কাম।

iv) টেলিভিছন চলাবলৈ বিদ্যুৎ শক্তি ৰ প্রয়োজন। সেয়েহে অনুন্নত তথা উন্নয়নশীল দেশৰ বহুতো বাসিন্দাৰ বাবে ই এতিয়াও সুলভ মাধ্যম হৈ উঠা নাই। অৱশ্যে বেটাৰীৰ সহায়তো টেলিভিছন চলাব পৰা যায়।

v) বাতৰি কাকত অথবা ৰেডিঅ'ৰ তুলনাত টেলিভিছন এটা খৰছী মাধ্যম।

vi) টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰিবলৈ সাক্ষৰ হোৱাৰ প্রয়োজন নাই।

vii) টেলিভিছন ছেটবোৰ সাধাৰণতে যথেষ্ট গধু�ৰ। সেয়েহে ৰেডিঅ' আৰু বাতৰি-কাকতৰ দৰে ইয়াক সহজে কঢ়িয়াই ফুৰিব নোৱাৰি (not portable)।

viii) টেলিভিছন এটা আড়ম্বৰপূর্ণ মাধ্যম। দৃশ্য, ৰং, ধ্বনি আৰু গতিশীলতাই ইয়াক এটা অতি আকর্ষণীয় আৰু মনোৰঞ্জনকাৰী সংবাদ মাধ্যমত পৰিণত কৰিছে।

ix) টেলিভিছনৰ পর্দাত দর্শকক ঘটনা এটা বাস্তৱ মূহুর্তত ঘটি থকাৰ দৃশ্যও দেখুৱাব পৰা যায়। বাতৰি-কাকতত সংবাদ এটা পঢ়িবলৈ আমি এদিন ৰ'ব লাগে। কিন্তু টেলিভিছনৰ সংবাদ এটা লগে লগে পোনপটীয়াকৈ দেখুৱাৰ ('Live' news) সামর্থ আছে।

x) টেলিভিছনক এটা 'লীন বেক' (Lean back) মাধ্যম বোলা হয়। কাৰণ ইয়াত আমি বাতৰি-কাকত অথবা ইন্টাৰনেটৰ দৰে চকু ফুৰাব নোৱাৰো। টেলিভিছনৰ অনুষ্ঠান আমি গভীৰ মনোযোগ দি চাব লাগে।

xi) তথ্য প্রচাৰ কৰিবলৈ টেলিভিছন এবিধ উপযুক্ত আহিলা। কেৱল সংবাদ আৰু সাময়িক প্রসংগৰ অনুষ্ঠানৰ যোগেদিয়েই নহয়, অন্য বহুতো অনুষ্ঠানৰ সহায়ত আমি বিভিন্ন কথা, ব্যক্তি আৰু স্থানৰ বিষয়ে জানিব পাৰো। এনেবোৰ বিষয় টেলিভিছনে স্পর্শ নকৰা হ'লে হয়তো আমি কোনো দিনেই নাজানিলোহেঁতেন।

xii) টেলিভিছনে দর্শকক মনোৰঞ্জনৰ খোৰাকো যোগায়। দিনৰ কঠোৰ পৰিশ্রমৰ অন্তত মানুহে টেলিভিছন চাই কর্মজনিত অৱসাদ আঁতৰ কৰিব পাৰে।



অনুশীলনী - ৯.১

১। টেলিভিছনৰ সবল দিশ আৰু দুর্বলতা বুলি ভবা বিষয়বোৰৰ এখন তালিকা প্রস্তুত কৰক। আপোনাৰ বাছনিৰ সাপেক্ষে যুক্তি দর্শাওক।

২। এটা বস্তি অঞ্চল ভ্রমণ কৰি তাৰ কিমান মানুহে টেলিভিছন চায় আৰু কিমানজনৰ ঘৰত টেলিভিছন আছে বিচাৰি উলিয়াওক।

৯.৪ ভাৰতত টেলিভিছনৰ চমু ইতিহাস

ভাৰতত ১৯৫৯ চনত ইউনেস্ক'ই সমর্থন আগবঢ়োৱা এটা শৈক্ষিক প্রকল্পৰ ৰূপত টেলিভিছন সেৱাৰ সূচনা হৈছিল। ১৯৬০ ৰ দশকত ই অতি মন্থৰ গতিত বিকশিত হৈছিল। ১৯৭০ -ৰ দশকৰ মাজভাগত 'ছেটেলাইট ইন্স ট্রাক্ট্শ্যনেল টেলিভিছন এক্সপেৰিমেন্ট' (SITE) নামৰ প্রকল্পটোৰ কাম আৰম্ভ হোৱাৰ লগে লগে ভাৰতত টিভি দর্শকৰ সংখ্যা অভূতপূর্বভাৱে বৃদ্ধি পালে। প্রকল্পটোৰ অধীনত দেশৰ ছখন ৰাজ্যৰ ২৪০০ খন গাঁৱত টিভি অনুষ্ঠান প্রচাৰ কৰা হৈছিল। গ্রাম্য ভাৰতত বিকাশৰ বাবে শৈক্ষিক অনুষ্ঠান প্রচাৰ কৰিবলৈ আমেৰিকাৰ কৃত্রিম উপগ্রহ ATS -৬ ৰ সহায় লোৱা হৈছিল। ই ভাৰতীয় প্রযুক্তিবিদসকলকো ৰাষ্ট্রীয় কৃত্রিম উপগ্রহ উৎক্ষেপন কৰি অনুষ্ঠান নিজা ৰবীয়াকৈ প্রচাৰ কৰাৰ বাবে প্রয়োজন টেলিভিছন অনুষ্ঠান সম্প্রচাৰৰ দক্ষতা অর্জন কৰাত সহায় কৰিছিল। ৰাষ্ট্রীয় কৃত্রিম উপগ্রহ 'ইনছেট'-এ (INSAT) ইয়াৰ আঠ বছৰৰ পাছত সেৱা আগবঢ়াবলৈ লৈছিল।

১৯৬৫ চনৰ পৰা দূৰদর্শনে নিয়মীয়া সম্প্রচাৰ সেৱা আৰম্ভ কৰিছিল। তেতিয়া অৱশ্যে ই আকাশবাণীৰেই এটা অংশ হৈ আছিল। ১৯৭২ চনত মুম্বাই (তেতিয়াৰ বোম্বে) আৰু অমৃতসৰলৈ টেলিভিছন সেৱা সম্প্রসাৰিত কৰা হৈছিল। সুদীর্ঘ কাল ধৰি দূৰদর্শন দেশৰ সাতখন চহৰত টেলিভিছন সেৱা আগবঢ়োৱা একমাত্র ছেনেল আছিল। ১৯৭৬ চনত টেলিভিছন সেৱাক ৰেডিঅ' সেৱাৰ পৰা পৃথক কৰা হয়। আকাশবাণী আৰু দূৰদর্শনৰ কার্যালয় দুটা নতুন দিল্লীত ভিন্ ভিন্ মহানির্দেশকৰ অধীনত পৃথক পৃথককৈ স্থাপন কৰা হয়। এনেদৰেই অৱশেষত দূৰদর্শনে ৰাষ্ট্রীয় সম্প্রচাৰক হিচাপে আত্মপ্রকাশ কৰে।

১৯৮২ চনটো ভাৰতীয় টেলিভিছন ইতিহাসত দুটা কাৰণত খোদিত হৈ ৰ'ব। এটা হ'ল ৰাষ্ট্ৰীয় অনুষ্ঠান সূচনা আৰু আনটো হ'ল ৰঙীন সম্প্ৰচাৰ সেৱাৰ আৰম্ভণি। ইয়াৰ লগে লগে ভাৰতীয় বজাৰত ৰঙীন টেলিভিছন ছেটৰ চাহিদা বৃদ্ধি পালে। ভাৰতীয় দৰ্শকে ১৯৮২ চনৰ ১৫ আগষ্টত পোন প্ৰথমবাৰৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইণ্ডিৰা গান্ধীয়ে দেশবাসীক সম্বোধি দিয়া ভাষণৰ পোনপটীয়া প্ৰচাৰ আৰু দিল্লীত অনুষ্ঠিত ১৯৮২ চনৰ এছিয়ান গে'মছৰ পোনপটীয়া সম্প্ৰচাৰৰ দৰ্শন কৰাৰ সুযোগ পালে। ১৯৮০ দশকটো দূৰদৰ্শন ধাৰাবাহিকৰ (soaps) উল্লেখনীয় যুগ বুলিব পাৰি। 'হম লোগ' (১৯৮৪), 'বুনিয়াদ' (১৯৮৬-৮৭), হাস্যৰসৰ ধাৰাবাহিক 'য়ে জো হেই জিন্দগী' (১৯৮৪) আৰু পৌৰাণিক নাট 'ৰামায়ণ' (১৯৮৭-৮৮) তথা 'মহাভাৰত' (১৯৮৮-৮৯) আদিয়ে অগণন দৰ্শকক দূৰদৰ্শনৰ ভক্ত কৰি তুলিছিল। সেই সময়ছোৱাৰ আন কেইটামান জনপ্ৰিয় অনুষ্ঠান হ'ল হিন্দী বোলছবিৰ গীতৰ আধাৰত প্ৰস্তুত কৰা 'চিত্ৰহাৰ', 'ৰংগোলী', অপৰাধ ৰহস্য ভৰা ধাৰাবাহিক 'কৰমচান্দ', 'ব্যোমকেশ বক্সী' আৰু 'জানকী জাছুচ।'

১৯৯১ চনত আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট টেলিভিছন সেৱাই ভাৰতত পদাৰ্পণ কৰে। বাতৰি প্ৰতিষ্ঠান CNN -এ পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় দৰ্শকক উপসাগৰীয় যুদ্ধৰ (Gulf War) বাতৰি চোৱাৰ সুযোগ দিয়ে। ১৯৯২ চনৰ প্ৰথমভাগত দেশৰ প্ৰায় পাঁচ লাখ ঘৰত STAR TV-ৰ সেৱা সুলভ হৈ পৰিছিল। এবছৰৰ পাছত এই সংখ্যা বাঢ়ি প্ৰায় বিশ লাখ হৈছিলগৈ। ১৯৯৪ চনৰ শেষৰফালে অনুমানিক এক কোটি বিশ লাখ ঘৰত (দেশৰ মুঠ টেলিভিছন থকা জনসংখ্যাৰ এক চতুৰ্থাংশতকৈ অলপ কম) ছেটেলাইট টেলিভিছন সেৱাই প্ৰৱেশ কৰিছিল। এই দৰ্শকৰ সংখ্যা বৃদ্ধিত অৰিহণা আগবঢ়াইছিল সমগ্ৰ দেশতে কাঠফুলাৰ দৰে ছানি ধৰা প্ৰায় ৬০ হেজাৰ কেবল আপাৰেটৰে।

১৯৭৬ চনত দেশত টিভি ছেটৰ সংখ্যা আছিল পাঁচ লাখ। ১৯৮৭ চনত এই সংখ্যা নৱৈ লাখ হয়গৈ। ১৯৯৪ চনৰ হিচাপ মতে দেশত টিভি ছেটৰ সংখ্যা হ'ল চাৰি কোটি সত্তৰ লাখ। প্ৰতি বছৰে প্ৰায় ষাঠি লাখ ছেট বাঢ়িব বুলি আশা কৰা হৈছিল। ২০০০ চনৰ এক সমীক্ষা মতে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় পঞ্চাশ শতাংশই নিয়মীয়াকৈ টিভি অনুষ্ঠান উপভোগ কৰে।

শেষত ক'ব পৰা যায় যে এটা ট্ৰেন্সমিটাৰ আন্তঃগাঁঠনি তৈয়াৰ কৰাৰ বাবে বিনিয়োগ কৰাৰ ফলতেই ভাৰতত টেলিভিছনৰ বিকাশ সম্ভৱ হৈছে। আন্তঃগাঠনিৰ অংশ হিচাপে স্থলভিত্তিক প্ৰায় ১৪০০ টা ট্ৰেন্সমিটাৰ দেশৰ বিভিন্ন স্থানত বহুওৱা হৈছে। সেইবোৰেৰে চৌপাশৰ অঞ্চলবোৰলৈ ছেটেলাইট সংকেত প্ৰেৰণ কৰা হৈছে। লগতে টেলিভিছন অনুষ্ঠান কিছুমানৰ অভাৱনীয় জনপ্ৰিয়তাই অগণন দৰ্শকক টেলিভিছনৰ প্ৰতি আকৃষ্ট কৰি তোলাৰ ফলতেই টেলিভিছন দৰ্শকৰ সংখ্যা বৃদ্ধি পাইছিল। টেলিভিছন অনুষ্ঠানৰ সাফল্য 'হম লোগ' (১৯৮৪-৮৫) ধাৰাবাহিকৰ সৈতে আৰম্ভ হৈ বুনিয়াদ, ৰামায়ণ, মহাভাৰত আদিৰ যুগলৈ বিয়পি পৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতলৈ টেলিভিছন কেতিয়া আহিছিল?

.....

.....

প্রশ্ন নং ২ ঃ SITE -ৰ কামত ব্যৱহাৰ কৰা আমেৰিকাৰ কৃত্রিম উপগ্রহটোৰ নাম কি?

.....

.....

প্রশ্ন নং ৩ ঃ ১৯৬৫ চনত ..... ৰ অংশ হিচাপে দূৰদর্শনে নিয়মীয়া দৈনিক সম্প্রচাৰ সেৱা আৰম্ভ কৰিছিল।

প্রশ্ন নং ৪ ঃ ১৯৮০ ৰ দশকটো দূৰদর্শন ..... ৰ যুগ বুলি কোৱা হয়।

প্রশ্ন নং ৫ ঃ ভাৰতত প্ররেশ কৰা প্রথম আন্তঃৰাষ্ট্রীয় ছেটেলাইট ছেনেলটোৰ নাম কি?

.....

.....

৯.৫ দূৰদর্শন

'দূৰদর্শন'ৰ আক্ষৰিক ইংৰাজী অর্থটো হ'ল 'Tele-Vision'। ই হ'ল প্রচাৰ ভাৰতী অধীনস্থ ভাৰতীয় ৰাজহুৱা সম্প্রচাৰ সেৱা। প্রচাৰ ভাৰতী হ'ল ভাৰত চৰকাৰে মনোনীত কৰা ৰাজহুৱা সেৱা সম্প্রচাৰক নিগম। ষ্টুডিঅ'ৰ আন্তঃগাঁথনি আৰু ট্রেন্সমিটাৰৰ সংখ্যাৰ ফালৰ পৰা দূৰদর্শন হ'ল পৃথিৱীৰ সর্ববৃহৎ সম্প্রচাৰ প্রতিষ্ঠানবোৰৰ এটা।

বর্তমান দেশৰ ৯০ শতাংশতকৈও অধিক বাসিন্দাই দূৰদর্শনৰ (ডিডি নেশ্যনেল) অনুষ্ঠান উপভোগ কৰিব পাৰে। ইয়াৰ বাবে প্রায় ১৪০০ টা স্থলভাগত স্থাপিত ট্রেন্সমিটাৰৰ এটা বৃহৎ নেটৱর্কে কাম কৰি আছে। লগতে প্রায় ৪৬ টা দূৰদর্শন ষ্টুডিঅ'ই প্রতিদিনে ন ন টিভি কার্যসূচী প্রস্তুত কৰি আছে।

দূৰদর্শনে সর্বমুঠ ৩৬ টা ছেনেলৰ যোগেদি অনুষ্ঠান সম্প্রচাৰ কৰে। ইয়াৰে তিনিটা হ'ল সর্বভাৰতীয় ছেনেল, ২১ টা আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেল (RLSC), ৭টা ৰাজ্যিক নেটৱর্ক (SN), এটাকে আন্তঃৰাষ্ট্রীয় তথা ক্রীড়া ছেনেল, আৰু সংসদীয় অধিৱেশনসমূহ পোনপটীয়াকৈ সম্প্রচাৰ কৰিবলৈ আন দুটা ছেনেল (DD-RS,DD-LS) আছে।

দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় ছেনেলত সময় ভগাই লৈ আঞ্চলিক আৰু স্থানীয় কাৰ্যসূচী প্ৰচাৰ কৰা হয়। এটা ২৪ ঘন্টা জোৰা সংবাদ ছেনেলৰ চাহিদা পূৰণ কৰিবলৈ ২০০৩ চনৰ ৩ নবেম্বৰত দূৰদৰ্শনে ডিডি-নিউজ ছেনেলৰ কাম আৰম্ভ কৰিছিল। ইয়াৰ ফলত ডিডি-মেট্ৰ' নামৰ মনোৰঞ্জনমূলক ছেনেলৰ প্ৰচাৰ সেৱা বন্ধ কৰা হৈছিল। পৰৱৰ্তী সময়ত ভাৰতীয় ভাষাত ডি ডি ইণ্ডিয়াৰ সূচনাও একেই উদ্দেশ্যেৰে কৰা হৈছিল। আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেলবোৰে দুটা কাৰ্য সম্পাদন পদ্ধতিৰে কাৰ্যসূচী প্ৰচাৰিত কৰে। ৰাজ্য এখনত থকা সকলোবোৰ স্থলভাগত স্থাপিত ট্ৰেন্সমিটাৰে সেই ৰাজ্যখনৰ আঞ্চলিক ভাষাৰ অনুষ্ঠানসমূহ ৰীলে' কৰে। আঞ্চলিক ভাষাৰ অন্য 'প্ৰাইম-টাইম আৰু 'নন-প্ৰাইম টাইম' অনুষ্ঠানসমূহ কেবল অপাৰেটৰৰ সহায়তহে প্ৰচাৰিত কৰা হয়। স্প'টছ ছেনেলটোৱে কেৱল ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া সংবাদ তথা অনুষ্ঠান প্ৰচাৰ কৰে। দূৰদৰ্শনৰ ডিডি-স্পৰ্টছ ছেনেলটোৱেই হ'ল এনে একমাত্ৰ ক্ৰীয়া সম্প্ৰচাৰক ছেনেল যিটোৰ জৰিয়তে খো-খো, কাবাডীৰ দৰে গ্ৰাম্য ক্ৰীয়াসমূহো সম্প্ৰচাৰিত কৰা হয়। এনে খেলৰ বতৰা ব্যক্তিগত সম্প্ৰচাৰক ছেনেলবোৰে শুল্ক সংগ্ৰহ কৰিব নোৱাৰাৰ অজুহাতত প্ৰচাৰৰ পৰা বিৰত থাকে।

ডিডি ইণ্ডিয়াৰ কাৰ্যসূচী ছেটেলাইটৰ সহায়ত আন্তঃৰাষ্ট্ৰীয়ভাৱে সম্প্ৰচাৰ কৰা হয়। বিশ্বৰ ১৪৬ খন দেশত এই ছেনেলটোৰ কাৰ্যসূচী উপভোগ কৰিব পাৰি। অৱশ্যে বিদেশত এই ছেনেলটোৰ কেনে ধৰণে গ্ৰাহক আছে সেই তথ্য সহজে পোৱা নাযায়। ইংলেণ্ডত ইউৰ'বাৰ্ড ছেটেলাইট নামৰ কৃত্ৰিম উপগ্ৰহটোৱে স্কাই ছিষ্টেম নামৰ ব্যক্তিগত ছেটেলাইট সেৱা সম্প্ৰচাৰকৰ ৮৩৩ নম্বৰ ছেনেলটোৰ যোগেদি ('ৰায়ত টিভি' নামৰ প্ৰতীক সম্বলিত) ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্ৰচাৰ কৰে। ভাৰতৰ অন্য ছেনেলবোৰতকৈ ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্ৰস্তুত পদ্ধতি আৰু প্ৰচাৰ সময় বেলেগ।

সকলোবোৰ আঞ্চলিক দূৰদৰ্শন কেন্দ্ৰই অঞ্চল একোটাৰ দৰ্শকৰ চাহিদা আৰু ৰুচি অনুসৰি আঞ্চলিক ভাষাৰ অনুষ্ঠান প্ৰস্তুত কৰে। আঞ্চলিক ভাষাৰ ছেটেলাইট আৰু আঞ্চলিক ৰাজ্যিক নেটৱৰ্ক উভয়েই উন্নয়নমূলক সংবাদ, ধাৰাবাহিক, তথ্যচিত্ৰ , সংবাদ তথা সাময়িক প্ৰসংগৰ অনুষ্ঠান আদি বিভিন্ন দিশ সামৰি লৈ নানা অনুষ্ঠান প্ৰচাৰ কৰে। স্থানীয় লোকৰ সৈতে যোগাযোগ স্থাপন কৰিব পৰাকৈ এই অনুষ্ঠান প্ৰচাৰ কৰে। স্থানীয় লোকৰ সৈতে যোগাযোগ স্থাপন কৰিব পৰাকৈ এই অনুষ্ঠানসমূহ স্থানীয় ভাষাত প্ৰস্তুত কৰা হয়। সংশ্লিষ্ট ৰাজ্য একোখনে দুই ধৰণে অনুষ্ঠান প্ৰচাৰ কৰে। ডিডি-নেশ্যনেলৰ আঞ্চলিক অনুষ্ঠান প্ৰচাৰৰ বাবে নিৰ্দ্ধাৰিত সময়ছোৱাত প্ৰচাৰিত হোৱা সকলোবোৰ অনুষ্ঠান স্থলভাগত স্থাপন কৰা ট্ৰেন্সমিটাৰৰ মাধ্যমেৰে প্ৰচাৰ কৰা হয়। দ্বিতীয় ধৰণটো হ'ল সমগ্ৰ দেশতে আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেলবোৰে ২৪ ঘন্টাই নিজ নিজ আঞ্চলিক ভাষাৰ অনুষ্ঠান কৰি থাকে।

দূৰদৰ্শনে উত্তৰ-পূৰ্বাঞ্চলত টিভি সেৱাৰ বিকাশক অগ্ৰাধিকাৰ দিছে। এই অঞ্চলত পাহাৰ-পৰ্বতৰ সংখ্যা অধিক হোৱা হেতুকে যথেষ্ট সংখ্যক ট্ৰেন্সমিটাৰ বহুৱাব লগীয়া হৈছে। সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চলত দূৰদৰ্শনৰ ১২ টা কেন্দ্ৰ আৰু ১৩২ টা ট্ৰেন্সমিটাৰ আছে।

উত্তৰ-পূৰৰ ৰাজ্যকেইখনৰ সাংস্কৃতিক ভিন্নতালৈ লক্ষ্য ৰাখি সকলো সংস্কৃতিৰ সঠিক উপস্থাপনৰ বাবে দূৰদর্শনে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিছে। ডিডি-নর্থ ইষ্ট হ'ল উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে আৰম্ভ কৰা এটা সংঘবদ্ধ ছেটেলাইট টেলিভিছন সেৱা। ইয়াৰ জৰিয়তে অসমীয়া, ইংৰাজী আৰু অঞ্চলটোৰ অন্য ভাষা-উপভাষাৰ অনুষ্ঠান প্রচাৰ কৰা হয়। ছেনেলটোৱে মনোৰঞ্জনমূলক ধাৰাবাহিক, তথ্যসমৃদ্ধ অনুষ্ঠান, সামাজিক অনুষ্ঠান, সংবাদ, সাময়িক প্রসংগ, কলা আৰু সংস্কৃতিমূলক আদি বিষয়ৰ সান-মিহলি অনুষ্ঠান প্রচাৰ কৰে।

উত্তৰ-পূর্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে ৰাজধানী চহৰত দূৰদর্শনে টেলিভিছন ষ্টুডিঅ' স্থাপন কৰাৰ চেষ্টা চলাইছে। সম্প্রতি মেঘালয়, মণিপুৰ, অসম, নাগালেণ্ড, মিজোৰাম, ত্রিপুৰা, ছিকিম আৰু অৰুণাচল প্রদেশৰ ৰাজধানীত দূৰদর্শনৰ ষ্টুডিঅ' আছে। অধিক দর্শকক সামৰি ল'বলৈ মেঘালয়ৰ তুৰা তথা গাৰো পাহাৰত আৰু অসমৰ ডিব্রুগড় তথা শিলচৰত অতিৰিক্ত টিভি কেন্দ্র স্থাপন কৰা হৈছে।

গুৱাহাটী দূৰদর্শন কেন্দ্রৰ বাহিৰে বাকী আটাইবোৰ কেন্দ্রই সপ্তাহৰ প্রতিটো কার্য দিৱসতে ১২০ মিনিট সময়ৰ অনুষ্ঠান প্রস্তুত কৰে। এই অনুষ্ঠানসমূহ স্থানীয় দেৱান/উপভাষাত প্রস্তুত কৰা হয়। ইয়াৰ উপৰি সকলোবোৰ কেন্দ্রই গুৱাহাটী দূৰদর্শন কেন্দ্রই কেন্দ্রীয়ভাৱে প্রস্তুত কৰা অনুষ্ঠানসমূহ ৰীলে' কৰে। এনে অনুষ্ঠানৰ ভিতৰত থাকে ইংৰাজী ভাষাৰ সংবাদ বুলেটিন আৰু উত্তৰ-পূর্বাঞ্চলৰ দর্শকৰ আগ্রহ আৰু স্বার্থজড়িত বিভিন্ন অনুষ্ঠান। অঞ্চলটোৰ সকলো ৰাজধানী কেন্দ্রকে 'ছেটেলাইট আপ-লিংকিং' সুবিধাৰে সংলগ্ন কৰা হৈছে। এই সুবিধাটোৰ বাবে বাকী কেন্দ্রৰ পৰা গুৱাহাটী আৰু দিল্লী কেন্দ্রলৈ সংবাদ আৰু অন্য বিষয়কেন্দ্রিক অনুষ্ঠানৰ 'ফিডিং' প্রেৰণ কৰাৰ কামটো সহজ হৈ পৰিছে।

উত্তৰ-পূব ভাৰতত থকা দূৰদর্শন কেন্দ্রৰ তালিকা

কেন্দ্র	আৰম্ভণি	ভাষা	অনুষ্ঠান সম্প্রচাৰৰ সময়
ইটানগৰ	০৫/০২/১৯৯৬	হিন্দী	সন্ধিয়া ৬ - ৮ টা
গুৱাহাটী	২৪/০৩/১৯৮৫	অসমীয়া	সন্ধিয়া ৩ - সন্ধিয়া ৮ টা
ডিব্রুগড়	৩১/০৫/১৯৯৩	অসমীয়া	সন্ধিয়া ৬ - ৮ টা
শিলচৰ	৩০/০৪/১৯৯৩	অসমীয়া,বাংলা	সন্ধিয়া ৬ - ৮ টা
ইম্ফল	৩০/০৪/১৯৯৩	মণিপুৰী	সন্ধিয়া ৬ - ৮ টা
শ্বিলং	৩০/০৪/১৯৯৩	খাছী, জয়ন্তীয়া	সন্ধিয়া ৬ - ৮ টা
তুৰা	৩১/০৫/১৯৯৩	গাৰো	সন্ধিয়া ৬ - ৮ টা
আইজল	১২/০৬/১৯৯৫	মিজো	সন্ধিয়া ৬ - ৮ টা
ক'হিমা	৩০/০৩/১৯৯৩	ইংৰাজী	সন্ধিয়া ৬ - ৮ টা
গেংটক	০১/১১/২০০৪	—	—
আগৰতলা	২০/১১/১৯৯২	বাংলা, কক্‌বৰ'ক	সন্ধিয়া ৬ - ৮ টা

উৎস ঃ prasarbharati.gov.in



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ভাৰতত ৰাজহুৱা টিভি অনুষ্ঠান সম্প্রচাৰকৰ নামটো কি?

.....

.....

প্রশ্ন নং ৭ ঃ কাবাডী আৰু খো-খোৰ দৰে গ্রাম্য ক্রীড়া প্রচাৰ কৰা একমাত্র স্পর্ট'ছ ছেনেলটোৰ নাম কি?

.....

.....

প্রশ্ন নং ৮ ঃ ইংলেণ্ডত ..... ছেটেলাইটে স্কাই ছিষ্টেম নামৰ ব্যক্তিগত ছেটেলাইট সেৱা সম্প্রচাৰকৰ ৮৩৩ নম্বৰ ছেনেলটোৰ যোগেদি ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্রচাৰ কৰে।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১। দৃশ্য-শ্রব্য মাধ্যম বুলিলে ধ্বনি আৰু ছবি এই দুয়োটা উপাদান থকা মাধ্যমটোৰ কথা বুজোৱা হয়।

২। ১৯৫৯ চনৰ ১৫ ছেপ্তেম্বৰত পৰীক্ষামূলকভাৱে ভাৰতত টেলিভিছন সেৱা আৰম্ভ কৰা হৈছিল। নতুন দিল্লীৰ আকাশবাণী ভৱনৰ চৌহদৰ ভিতৰত এটা অস্থায়ী ষ্টুডিঅ'ৰ পৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ অংশ হিচাপে টেলিভিছন অনুষ্ঠান সম্প্রচাৰ কৰা হৈছিল।

৩। ১৯৭৫ চনত চৰকাৰে ছেটেলাইট ভিত্তিক টেলিভিছন সেৱাৰ সম্ভাৱনা পৰীক্ষা কৰিবলৈ (SITE) কার্যসূচীৰ পাতনি মেলিছিল। ছেটেলাইট ইনষ্ট্রাকশ্যনেল টেলিভিছন এক্সপৰিমেন্ট' (SITE) নামৰ প্রকল্পটো দেশৰ আর্থ-সামাজিক বিকাশত ছেটেলাইট ভিত্তিক টেলিভিছন সেৱাই কেনে ভূমিকা পালন কৰিব পাৰে সেয়া পৰীক্ষা কৰি চাবলৈ তৈয়াৰ কৰা হৈছিল।

৪। ৯৭৬ চনত ভাৰতীয় টেলিভিছন ইতিহাসত এক উল্লেখযোগ্য ঘটনা সংযোজিত হ'ল। সেই বছৰতে দূৰদর্শনক আকাশবাণীৰ পৰা পৃথক কৰা হ'ল।

৫। ১৯৭৬ চনৰ পৰা দূৰদর্শনত বিজ্ঞাপন প্রচাৰ আৰম্ভ হয়।

৬। ১৯৮২ চনত ভাৰতত ৰঙীন টিভিয়ে আত্মপ্রকাশ কৰে।

৭। ১৯৮৪ চনৰ পৰা ভাৰতৰ প্রথমখন থলুৱাভাৱে নির্মিত ধাৰাবাহিক 'হম লোগ' ৰ প্রচাৰ আৰম্ভ হয়।

৮। ১৯৯১ চনত CNN -এ উপসাগৰীয় যুদ্ধৰ (Gulf War) পোনপটীয়া প্ৰচাৰ কৰি ভাৰতত আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট টেলিভিছন সেৱাৰ পাতনি মেলে।



৯.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1. Video Production - Vasuki Belavadi Oxford University Press
2. Basic Audio Visual Media - Shipra Kundra
3. Broadcast management in India - Angela Wadia
4. Telivision and Radio Annoucing - Stuart W Hyde
5. The Magic Window - Sevanti Ninan
6. Indian Broadcasting - H R Luthra

৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫৯ চনত

২ নং প্ৰশ্নৰ উত্তৰ ঃ ATS-6

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অল ইণ্ডিয়া ৰেডিঅ'

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ছ'প ধাৰাবাহিক

৫ নং প্ৰশ্নৰ উত্তৰ ঃ CNN

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দূৰদৰ্শন

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ডিডি-স্প'টছ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ইউৰ'বাৰ্ড



৯.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

১। টেলিভিছনক কিয় শক্তিশালী মাধ্যম বুলি কোৱা হয়?

২। টেলিভিছনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

৩। টেলিভিছন মাধ্যমৰ সুবিধা আৰু অসুবিধাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

৪। তলত দিয়া বিষয়বোৰৰ ওপৰত চুটি টোকা লিখকঃ

(ক) আইপিটিভি

(খ) শৈক্ষিক টেলিভিছন

(খ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

১। টেলিভিছনৰ মূল বৈশিষ্ট্যসমূহৰ ওপৰত এটা বিস্তৃত টোকা লিখক

২। ভাৰতত ব্যক্তিগত টেলিভিছন চেনেলৰ বৃদ্ধিৰ বিষয়ে আলোচনা কৰক।

৩। ব্যক্তিগত উপগ্রহ চেনেলৰ প্রভাৱ দূৰদর্শনত কি হৈছে বুলি আপুনি ভাবে?

৪। কি কি কাৰকৰ সন্মিলিত উপস্থিতিত ভাৰতত টেলিভিছনৰ বিকাশ হ'ল?

৫। বিদেশী টেটেলাইট টিভি চেনেলে ভাৰতৰ সংবাদ মাধ্যমৰ প্রেক্ষাপটত কেনেদৰে বৈপ্লৱিক পৰিৱর্তন আনিছে?

****

অধ্যায় ১০ ঃ নব্য মাধ্যমৰ পৰিচয়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ নব্য মাধ্যমৰ ধাৰণা

১০.৩.১ সংজ্ঞা

১০.৩.২ পৰম্পৰাগত প্ৰচাৰ মাধ্যম আৰু নব্য প্ৰচাৰ মাধ্যমৰ মাজৰ প্ৰভেদসমূহ

১০.৪ নব্য মাধ্যমৰ বৈশিষ্ট্য

১০.৫ নব্য মাধ্যমৰ সাধাৰণ বাহক

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নব্য মাধ্যমৰ সংজ্ঞা দিব পাৰিব
- নব্য মাধ্যম আৰু পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ মাজত থকা প্ৰভেদবোৰ ক'ব পাৰিব
- নব্য মাধ্যমৰ বৈশিষ্ট্যসমূহ বাচি উলিয়াব পাৰিব
- নব্য মাধ্যমৰ প্ৰাৰম্ভিক বাহকবোৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

১০.২ পৰিচয়

আমাৰ দৈনন্দিন জীৱন-চৰ্যাত নব্য প্ৰচাৰ মাধ্যম আৰু ইয়াৰ সদা-ব্যাপ্ত প্ৰযুক্তিসমূহে প্ৰধান ভূমিকা গ্ৰহণ কৰিব ধৰিছে। আপুনি হয়তো বিষয়টোৰ সম্পৰ্কে অস্পষ্টভাৱে জনাৰ সুযোগ পাইছে। কিন্তু গণসংযোগ আৰু সাংবাদিকতাৰ শিকাৰু হিচাপে আপুনি 'নব্য প্ৰচাৰ মাধ্যম' সম্পৰ্কে বিতংকৈ জানিব লাগিব। নব্য প্ৰচাৰ মাধ্যমক মূল বিষয়বস্তু হিচাপে লৈ যুগুত কৰা এই পাঠ্যসূচীয়ে সেই উদ্দেশ্যটোক বাস্তৱ ৰূপ দিয়াত সহায় কৰিব।

এই অধ্যায়টোৱে নব্য প্ৰচাৰ মাধ্যম সম্পৰ্কে থকা আপোনাৰ প্ৰাথমিক জ্ঞানক দিক্‌দৰ্শন কৰিব। মাধ্যমটোৰ বিভিন্ন উপাদানৰ বিষয়েও আপুনি অৱগত হ'ব। অধ্যায়টোৰ প্ৰথম শাখাটো নব্য প্ৰচাৰ মাধ্যমৰ ধাৰণাৰ আলোচনাৰে আৰম্ভ কৰো আহকচোন।

১০.৩ নব্য প্ৰচাৰ মাধ্যমৰ ধাৰণা

ছপা মাধ্যম, টেলিভিছন, ৰেডিঅ', চিনেমা আৰু টেলিফোন হ'ল প্ৰচাৰ মাধ্যমৰ পৰম্পৰাগত ৰূপ। এই ৰূপকেইটাৰ সৈতে আমি সকলোৱে পৰিচিত আৰু ব্যৱহাৰত অভ্যস্ত। কিন্তু যোগাযোগৰ এই মাধ্যমকেইটাৰ উপৰি বিগত সময়চোৱাত আন এটা যোগাযোগ মাধ্যমে গা কৰি উঠিছে। যোগাযোগৰ এই নতুন ৰূপটোকে 'নব্য প্ৰচাৰ মাধ্যম' (New Media) বুলি অভিহিত কৰা হয়।

যিমান সত্বৰ সিমান সোনকালে তথ্য প্ৰেৰণ কৰিবলৈ আপোনাৰ মন নাযায়নে? যি তথ্য প্ৰেৰণ কৰে সেয়া গ্ৰহণকাৰীয়ে হুবহু ৰূপত পোৱাতো আপুনি নিবিচাৰে জানো? নব্য প্ৰচাৰ মাধ্যমে এইবোৰ দিশত আপোনাক সহায় কৰিব পাৰে। নব্য প্ৰচাৰ মাধ্যমৰ উত্থানৰ লগে লগে তথ্যৰ ভাগ-বটোৱাৰা আৰু প্ৰসাৰ সম্প্ৰতি এক সৰল অভিজ্ঞতাত পৰিণত হৈছে।

এই মাধ্যমটোৰ সহায়ত আজিকালি চিঠি-পত্ৰ, ফটো, সংগীতৰ ফাইল তথা অন্য সকলো প্ৰকাৰৰ 'ডেটা' (Data) অতি সহজে পৃথিৱীৰ যিকোনো প্ৰান্তলৈ প্ৰেৰণ কৰিব পাৰি। কামটো সমাধা কৰোঁতেও অতি কম সময়ৰ প্ৰয়োজন হয়। ইয়াৰ উপৰি তথ্য হুবহু ৰূপত লাভ কৰিব পৰা যায়। নব্য প্ৰচাৰ মাধ্যমে যেন পৃথিৱীখন আৰু ওচৰ চপাই আনিছে। বৰ্তমান সময়ত কোনো কথা নাইবা বিষয়েই আৰু স্পৰ্শ সাধ্যতাৰ বাহিৰত নহয়। এইটো কেনেদৰে ঘটিবলৈ পালে আৰু নব্য প্ৰচাৰ মাধ্যম প্ৰকৃততে কি সেয়া তলৰ শাখাবোৰত আলোচনা কৰা হ'ব। ধাৰণাটো আৰু বিতংকৈ বুজিবলৈ তলৰ শাখাবোৰলৈ মন দিওঁ আহকচোন।

১০.৩.১ নব্য প্ৰচাৰ মাধ্যমৰ সংজ্ঞা

ওপৰত উল্লেখ কৰি অহা উক্ত কথাখিনি পঢ়ি আপুনি নিশ্চয় 'নব্য প্ৰচাৰ মাধ্যম'ৰ ধাৰণাটো সম্পৰ্কে কিছু স্পষ্টকৈ বুজি পালে। প্ৰচাৰ মাধ্যম বিষয়ৰ বিদ্বানসকলে নিজস্ব অনন্য পন্থাৰে ধাৰণাটোৰ ভিন্ ভিন্ সংজ্ঞা দাঙি ধৰিছে। ধাৰণাটোৰ কোনো সৰ্বজনগ্ৰাহ্য একক সংজ্ঞা নাই। ভিন্ ভিন্ বিদ্বানে ইয়াক ভিন্ ভিন্ শব্দেৰে ব্যাখ্যা কৰিছে। সৰল সংজ্ঞা এটাৰ মতে, নব্য প্ৰচাৰ মাধ্যম মানে হ'ল ডিজিটেল অথবা কম্পিউটাৰকৃত নে'টৱৰ্ক। ই আমাক তথ্যৰ প্ৰসাৰ তথা ভাগ-বটোৱাৰা কৰাত সহায় কৰে। ডিজিটেল প্ৰচাৰ মাধ্যম হ'ল এটা আন্তঃক্ৰিয়াশীল (Interactive) মাধ্যম। ইয়াত দুমুখীয়া সংযোগ স্থাপনৰ সুবিধা থাকে। ইয়াৰ লগতে 'কম্পিউটিং'ৰ (Computing) কিছুমান ৰূপ মাধ্যমটোত সংলগ্ন কৰা হয়। এই সকলোখিনিৰে একত্ৰ ৰূপটোকে নব্য প্ৰচাৰ মাধ্যম বোলা হয়।

'বিজনেছ ডিক্শ্যনেৰী'ৰ সংজ্ঞামতে নব্য প্রচাৰ মাধ্যম হ'ল 'ইণ্টাৰনেটৰ দৰে বৈদ্যুতিক অন্তঃক্রিয়াশীল মাধ্যম।' আন এক সংজ্ঞামতে 'নব্য প্রচাৰ মাধ্যম হ'ল অন্লাইন যোগাযোগ ব্যৱস্থাৰ লিপি আৰু স্থিৰচিত্র প্রচাৰকাৰী ৰূপটোৰ পৰা আৰম্ভ হোৱা অথবা হ'বলগীয়া সকলোপ্রকাৰৰ বৈদ্যুতিক সংযোগ স্থাপনকাৰী ব্যৱস্থাকে সামৰি লোৱা এটা 'কেট্ছ-অল' (Catch-all) ব্যাখ্যা।

সেয়েহে ক'ব পৰা যায় যে সাধাৰণ অর্থত 'নব্য প্রচাৰ মাধ্যম' হ'ল বৈদ্যুতিক সংযোগ স্থাপনকাৰী বিভিন্ন ব্যৱস্থা অথবা পদ্ধতিক সামৰি লোৱা এটা সার্বজনীন সংজ্ঞা। কম্পিউটাৰ প্রযুক্তিৰ উদ্ভাৱন আৰু বিকাশৰ লগে লগে এনে পদ্ধতিবোৰৰ জৰিয়তে সংযোগ স্থাপন কৰাটোও সম্ভৱপৰ হৈ উঠিছে।

১০.৩.২ পৰম্পৰাগত প্রচাৰ মাধ্যম আৰু নব্য প্রচাৰ মাধ্যম্যৰ মাজৰ প্রভেদসমূহ

আগৰ শাখা দুটাত আমি নব্য প্রচাৰ মাধ্যমৰ ধাৰণাটো আলোচনা কৰিলো। এতিয়া আমি নব্য প্রচাৰ মাধ্যম আৰু পুৰণি প্রচাৰ মাধ্যমসমূহৰ মাজত প্রভেদসমূহ বুজিবলৈ প্রয়াস কৰিম।

১৯৮০ৰ দশকলৈ 'প্রচাৰ মাধ্যম' অথবা 'মিডিয়া' বুলিলে কেৱল ছপা মাধ্যম, টেলিভিছন, ৰেডিঅ' আৰু চিনেমাৰ কথাকে বুজা গৈছিল। কিন্তু বিগত ২৫ বছৰত কম্পিউটাৰ প্রযুক্তিৰ ক্ষেত্রখনত অভূতপূর্ব বিকাশ ঘটাৰ পৰিপ্রেক্ষিতত আজি আমাৰ আলোচ্য বিষয় 'নব্য প্রচাৰ মাধ্যম'টোৰ উত্থান ঘটিল।

প্রচাৰ মাধ্যমৰ 'পুৰণি' ৰূপসমূহ, যেনে— বাতৰিকাকত, আলোচনী, পোনপটীয়াকৈ প্রেৰিত বিজ্ঞাপন (Direct Mail Advertising), টেলিভিছন, ৰেডিঅ' আদিৰ বিপৰীতে এই নতুন পদ্ধতিটোক 'নব্য প্রচাৰ মাধ্যম' নাম দিয়া হৈছে। ওপৰত উল্লেখ কৰি অহা পুৰণি অর্থাৎ পৰম্পৰাগত প্রচাৰ মাধ্যমৰ প্রকাৰবোৰৰ বাবে মৌলিক উদ্ভাৱন পদ্ধতি অনুসৰি কম্পিউটাৰ প্রযুক্তিৰ প্রয়োজন নাছিল। কিন্তু বর্তমানৰ প্রেক্ষাপটত প্রতিটো প্রচাৰ পদ্ধতিতে কম্পিউটাৰৰ প্রয়োজনীয়তা আছে।

আজিৰ তাৰিখত এইবুলি ক'লেও ভুল নহ'ব যে 'নব্য প্রচাৰ মাধ্যম'ৰ বহুকেইটা ৰূপেই দৰাচলতে কোনো পুৰণি প্রচাৰ পদ্ধতিত কম্পিউটাৰ ছিপছ্ (Computer Chips) আৰু হার্ড ড্রাইভৰ (Hard Drive) সংযোজন ঘটাই সৃষ্টি কৰা হৈছে।

তথাপিও তলত নব্য প্রচাৰ মাধ্যমক পৰম্পৰাগত প্রচাৰ মাধ্যমৰ পৰা পৃথক কৰা প্রভেদ কেইটামানৰ বিষয়ে উল্লেখ কৰা হ'ল—

- পুৰণি প্রচাৰ মাধ্যমৰ কিছুমান ভৌগোলিক সীমাৱদ্ধতা আছে। বাতৰিকাকত এখনে নাইবা টিভি ষ্টেশ্যন এটাই মাত্র একোটা নির্দিষ্ট ভৌগোলিক অঞ্চলৰ বাসিন্দাকহে সেৱা আগবঢ়াব পাৰে। এই পৰম্পৰাগত প্রচাৰ মাধ্যমবোৰতকৈ নব্য প্রচাৰ মাধ্যমৰ

বিস্তৃতিৰ পৰিসৰ যথেষ্ট অধিক। যদি বাতৰিকাকত এখনে ইয়াৰ পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিব খোজে, তেন্তে ই নব্য প্ৰচাৰ মাধ্যমৰ সহায় ল'ব লাগিব। অন্‌লাইন বাতৰি-কাকতৰ সংখ্যা বৃদ্ধি পোৱাতো হ'ল এনে সহায়ৰ উদাহৰণ। আটাইবোৰ আগশাৰীৰ বাতৰিকাকতৰে অন্‌লাইন সংস্কৰণ বৰ্তমান ইণ্টাৰনেটৰ সহায়ত পঢ়িবলৈ পোৱা যায়।

- পুৰণি প্ৰচাৰ মাধ্যমৰ যোগাযোগ প্ৰক্ৰিয়াটো একমুখী (One Way)। বিষয়সূচী যোগান ধৰোতাই গ্ৰাহকলৈ তথ্য প্ৰেৰণ কৰে। গ্ৰাহকে এনে তথ্য উপভোগ কৰিবলৈ ধন খৰচ কৰে। গ্ৰাহকে ওলোটাই প্ৰত্যক্ষভাৱে নিজৰ মতামত অথবা তথ্য প্ৰেৰণ কৰাৰ কোনো সুবিধা এনে মাধ্যমত নাথাকে। কিন্তু নব্য প্ৰচাৰ মাধ্যমৰ এটা দ্বিমুখী (Two Way) সংযোগ স্থাপনকাৰী ব্যৱস্থা আছে। নব্য প্ৰচাৰ মাধ্যমে অন্তঃক্ৰিয়াৰ সুবিধা প্ৰদান কৰা হেতুকে এই মাধ্যমৰ গ্ৰাহকসকলে প্ৰক্ৰিয়াটোত সক্ৰিয় ভূমিকা পালন কৰে। কেতিয়াবা গ্ৰাহকে ইয়াৰ যোগাযোগ ব্যৱস্থাত হস্তক্ষেপো কৰিব পাৰে। এনে মাধ্যমৰ গ্ৰাহক হোৱা মানে কেৱল তথ্য গ্ৰহণকাৰী পক্ষই নহয়, আপুনি সংযোগ স্থাপনকাৰী ব্যৱস্থাটোৰ এগৰাকী অংশগ্ৰহণকাৰীৰ ভূমিকা পালন কৰাৰো সুযোগ লাভ কৰিব। পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত এয়া সম্ভৱ নহয়। সেয়েহে পৰম্পৰাগত প্ৰচাৰ মাধ্যমসমূহে আজিকালি গ্ৰাহকৰ মনোভাৱ সম্পৰ্কে জ্ঞাত হ'বলৈ নব্য প্ৰচাৰ মাধ্যম প্ৰযুক্তিসমূহ ব্যৱহাৰ কৰিবলৈ লৈছে।
- পুৰণি প্ৰচাৰ মাধ্যম বজাৰখনৰ সীমিত সংখ্যক 'প্লেয়াৰ' (Player) আছে। যিকোনো অঞ্চল এটাত বাতৰিকাকত, ৰেডিঅ' ষ্টেশ্যন অথবা টেলিভিছন চেনেলৰ সংখ্যা সীমাবদ্ধ। আনহাতে 'নব্য প্ৰচাৰ মাধ্যম'ৰ 'প্লেয়াৰ'ৰ সংখ্যা অগণন। উদাহৰণস্বৰূপে 'ৱৰ্ল্ড ৱাইড ৱেব'ৰ (www) এটা বিষয়ক কেন্দ্ৰ কৰি অসংখ্য 'ৱেবছাইট' (Website) থাকে। ইয়াৰ উপৰি প্ৰতিগৰাকী ব্যক্তিয়ে নিজা নিজা 'ৱেবছাইট' সৃষ্টি কৰিব পাৰে। ম'বাইল ফোন, ডিভিডি (DVD) অথবা কেমেৰাৰ দৰে অন্য নব্য প্ৰচাৰ মাধ্যম প্ৰযুক্তিসমূহৰো বজাৰত সুলভ প্ৰচাৰৰ সংখ্যা গণি শেষ কৰিব নোৱাৰা বিধৰ।
- পুৰণি প্ৰচাৰ মাধ্যমৰ বিষয়সূচী যোগান ধৰোতাই গ্ৰাহকে কি শুনিব অথবা কি চাব সেই বিষয় দুটা সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰে। বাতৰি কাকতৰ সম্পাদকসকলে নাইবা টিভি চেনেলৰ অনুষ্ঠান নিয়ন্ত্ৰকসকলে বিষয়বস্তুৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ বৰ্তাই ৰাখে। নব্য প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত তথ্য যোগানকাৰীয়ে কিন্তু গ্ৰাহকে কি চাব খোজে নাইবা কি শুনিব বিচাৰে সেয়া নিয়ন্ত্ৰণ কৰিব নোৱাৰে।
- পুৰণি প্ৰচাৰ মাধ্যমৰ বিষয়সমূহত গ্ৰাহকক মূল্যৰ বিনিময়ত ক্ৰয় কৰিবলৈ জোৰ কৰা হয় (Forced) নাইবা বলপূৰ্বকভাৱে ঠেলি দিয়া হয় (Pushed)। ইয়াৰ

বিপৰীতে নব্য প্ৰচাৰ মাধ্যমৰ বিষয়সূচীবোৰ গ্ৰাহকে নিজে বিচাৰে (Seek) অথবা নিজেই নিজৰ ওচৰ চপাই লয় (Pulled)। বাতৰিকাকত, টিভি চেনেল আৰু ৰেডিঅ' ষ্টেশ্যনবোৰে নিজ নিজ তথ্য অথবা বাৰ্তা প্ৰেৰণ কৰিবৰ বাবে দৰ্শক-শ্ৰোতা-পাঠকক আকৰ্ষণ কৰিবলৈ ভিন ভিন পন্থা বাচি উলিয়ায়। গ্ৰাহকে তেনে পন্থা গ্ৰহণ কৰিবলৈ সাজু নাথাকিলেও অথবা তেনে পন্থা নিবিচাৰিলেও প্ৰচাৰ মাধ্যমবোৰে নিজ ইচ্ছা অনুসৰি তেনে কাম কৰে। নব্য প্ৰচাৰ মাধ্যমে গ্ৰাহকক তেওঁ কেনেধৰণৰ তথ্য বিচাৰিছে সেয়া সোধে। নব্য প্ৰচাৰ মাধ্যমৰ বাহকবোৰে গ্ৰাহকৰ ওপৰত কোনো তথ্য বলপূৰ্বকভাৱে জাঁপি নিদিয়ে। তাৰ বিপৰীতে গ্ৰাহকে যিটো তথ্য বিচাৰে সেয়া জনোৱালৈকে অপেক্ষা কৰে।

- নব্য প্ৰচাৰ মাধ্যমত ব্লগ (Blog), ৱিকিপেডিয়াছ (Wikipedias) আদিৰে দৰে নতুন ধাৰণাৰ জন্ম হৈছে। ইয়াত সুনিৰ্দিষ্ট বাৰ্তাগ্ৰাহকসকল নিজে গ্ৰাহকো হ'ব পাৰে আৰু বিষয়সূচীৰ লিখকো হ'ব পাৰে। এই দিশত এটা গণতান্ত্ৰিকীকৰণ প্ৰক্ৰিয়া বলবৎ কৰা হৈছে। কিন্তু পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত এই সুবিধা তেনেই সীমিত।
- ৱেব বাতৰি-কাকত, বাতৰি-কাকতৰ ইণ্টাৰনে'ট সংস্কৰণ, আলোচনী, ভিডিঅ' জার্নেল, ভিডিঅ' আলোচনী ইত্যাদিৰ বাবে প্ৰত্যাশিত সুনিৰ্দিষ্ট গ্ৰাহক পাবলৈ আৰু নিজৰ উপস্থিতি সবলভাৱে ঘোষণা কৰিবলৈ বৃহৎ পৰিসৰৰ বিজ্ঞাপন দিবলগীয়া হয়। কিন্তু বাতৰিকাকত, আলোচনী আদিৰ দৰে পৰম্পৰাগত ছপা মাধ্যমৰ ক্ষেত্ৰত এনে কৰাৰ প্ৰয়োজন নাই। কিন্তু সম্প্ৰতি সকলো ক্ষেত্ৰতে কম্পিউটাৰকৃত পৰিৱেশ এটাই অভূতপূৰ্ব ধৰণে গা কৰি উঠালৈ চাই প্ৰতিমুহূৰ্ততে পৰম্পৰাগত প্ৰচাৰ মাধ্যমে ইয়াৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰি তোলাৰ আৱশ্যকতা বৃদ্ধি পাইছে। সেয়েহে সকলোবোৰ দূৰদৰ্শী পৰম্পৰাগত প্ৰচাৰ মাধ্যমে ক্ৰমে ক্ৰমে নিজৰ বিষয়সূচীসমূহৰ ৱেব সংস্কৰণ যুগুত কৰাত মনোনিবেশ কৰিছে। ইয়াৰ ফলস্বৰূপে আমি বৰ্তমান ইণ্টাৰনে'ট ৰেডিঅ', ইণ্টাৰনে'ট টিভি, টিভি, ৰেডিঅ' সংকেত গ্ৰহণ, ব্যক্তিগত ম'বাইল ফোনত শেহতীয়া সংবাদ আদিৰ দৰে সেৱা উপভোগ কৰাৰ সুযোগ পাইছো।



জানি থোৱা ভাল

১) লেৱ মেনোভিছে (Lev Manovich) নব্য প্ৰচাৰ মাধ্যমক কম্পিউটাৰৰ বংশজ অথবা বিতৰণৰ বাবে কম্পিউটাৰৰ ওচৰত নির্ভৰশীল নতুন সাংস্কৃতিক পদ্ধতি বুলি অভিহিত কৰিছে।

২) মেনোভিছে ইয়াক সাংস্কৃতিক পদ্ধতি বুলি অভিহিত কৰাৰ কাৰণ হ'ল নব্য প্ৰচাৰ মাধ্যমৰ বাহকবোৰ বর্তমান নতুন যুগৰ সংস্কৃতিৰ এক অংশত পৰিণত হৈছে। আমি আজি আৰু আমাৰ জীৱনবোৰ ম'বাইল ফোন অথবা কম্পিউটাৰ অবিহনে কল্পনা কৰিব নোৱাৰো। ডিজিটেল প্ৰযুক্তিৰ বহুল ব্যৱহাৰে আজি আমাক দৈনন্দিন জীৱন-যাপন কৰাৰ ন-ন পন্থাৰ সন্ধান দিছে। 'এছএমএছ লিংগো'ৰ (SMS Lingo) উদ্ভাৱনে আমাৰ মৌখিক আৰু লিখিত ভাষাৰ নাটকীয় পৰিৱর্তন সাধন কৰিছে। ইণ্টাৰনে'টে সমগ্ৰ পৃথিৱীখনেই আমাক উদঙাই দেখুৱাইছে। ৱেব ছাইটসমূহ, মানৱীয়-কম্পিউটাৰ ইণ্টাৰফেছ (Human Computer Interface), ভার্ছুৱেল ৱর্ল্ডছ্, মাল্টিমিডিয়া, কম্পিউটাৰ গেইমছ্, কম্পিউটাৰ এনিমেশ্যন, কথাছবি আৰু নেট ফিল্মত সংযোজিত স্পেশ্যাল ইফেক্টছ্ আৰু অন্তঃক্ৰিয়াশীল (Interactive) কম্পিউটাৰ ইন্ষ্টলেশ্যন আদি কার্যকলাপ আমাৰ জীৱন আৰু সংস্কৃতিৰ অংশ হৈ পৰিছে।

৩) ব'ল্টাৰ আৰু গ্ৰুছিনে (Bolter and Grusin) নব্য প্ৰচাৰ মাধ্যম পুনৰ মধ্যস্থকৰণৰ দিশৰ পৰা সংজ্ঞা দিছে, "আমি কোনো এটা মাধ্যমৰ ভিতৰত আন এটা মাধ্যমৰ প্ৰতিনিধিত্বৰ (Representation) পুনৰ মধ্যস্থকৰণৰ (Remediation) বুলি ক'ম। লগতে আমি পুনৰ মধ্যস্থকৰণক নব্য ডিজিটেল মাধ্যমৰ অর্থ প্ৰকাশক বৈশিষ্ট্য বুলি প্ৰতিপন্ন কৰিবলৈ যুক্তি দাঙি ধৰিম।"

'নব্য প্ৰচাৰ মাধ্যম' আচলতে 'পুৰণি প্ৰচাৰ মাধ্যম'ৰে সেৱা আগবঢ়োৱাৰ নতুন পথ বোলা ধাৰণাটো হ'ল তেওঁলোকৰ সংজ্ঞাৰ আধাৰ। ব'ল্টাৰ আৰু গ্ৰুছিনে বিশ্বাস কৰে যে প্ৰচাৰ মাধ্যমৰ পৰম্পৰাগত ৰূপসমূহক (বাতৰি কাকত, আলোচনী, ৰেডিঅ') কম্পিউটাৰৰ সহায়ত পুনৰ সজাই-পৰাই আৰু পুনৰ বিন্যাস কৰি 'নব্য প্ৰচাৰ মাধ্যম'ৰ ৰূপ দিয়া হৈছে।

৪) ৰাই ছে নব্য প্ৰচাৰ মাধ্যমক 'দুজন ব্যৱহাৰকাৰীৰ মাজৰ পাৰস্পৰিক আন্তঃক্ৰিয়াশীলতা (User-to-User Interactivity) আৰু ব্যৱহাৰকাৰী তথা তথ্যৰ মাজৰ আন্তঃক্ৰিয়াশীলতা সম্ভৱ কৰি তোলা অথবা সহজসাধ্য কৰি তোলা সংযোগ স্থাপনকাৰী প্ৰযুক্তি' বুলি অভিহিত কৰিছে।

নব্য প্রচাৰ মাধ্যমে বহু পৰিমাণে অন্তঃব্যক্তিক (Interpersonal) যোগাযোগৰ দৰে দ্বিমুখী সংযোগ স্থাপনকাৰী প্রক্রিয়া এটা সম্ভৱপৰ কৰি তোলা হয়। নব্য প্রচাৰ মাধ্যমৰ জৰিয়তে আপুনি বার্তা গ্রহণ কৰিব পাৰে তথা বাতৰি সঁহাৰি জনাব নাইবা প্রত্যুত্তৰো দিব পাৰে। এই প্রক্রিয়াটোকে দুজন ব্যৱহাৰকাৰীৰ মাজৰ পাৰস্পৰিক আন্তঃক্রিয়াশীলতা বুলি ক'ব পৰা যায়। ইয়াৰ বাহিৰেও নব্য প্রচাৰ মাধ্যমে আপোনাৰ কোনো মনোমত তথ্য অইন এগৰাকী ব্যৱহাৰকাৰীৰ সৈতে ভগাই লোৱাৰ পথো সুচল কৰি তুলিছে। সঠিক প্রযুক্তি ব্যৱহাৰ কৰি এতিয়া আপুনি নিজাববীয়াকৈ ভিডিঅ' নাইবা অডিঅ' বার্তা তৈয়াৰ কৰিব পাৰে। এনে বার্তাত ছবি, সংগীত নাইবা বাক্য লিখি যোগ দিব পাৰে। এইদৰে নব্য প্রচাৰ মাধ্যমে ব্যৱহাৰকাৰী আৰু তথ্যৰ অন্তঃক্রিয়াশীলতাও স্থাপন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নব্য প্রচাৰ মাধ্যমৰ সংজ্ঞা কি?

.....

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ তলৰ বিষয়বোৰৰ মাজত সংযোগ স্থাপন কৰক ঃ

ক) অন্তঃক্রিয়াশীলতা	ক) পুৰণি প্রচাৰ মাধ্যম
খ) বাতৰিকাকত	খ) ইণ্টাৰনে'টৰ মাধ্যমেৰে ছার্ফ কৰিব পাৰি
গ) নব্য প্রচাৰ মাধ্যম	গ) নব্য প্রচাৰ মাধ্যম হ'ল এক নতুন সাংস্কৃতিক পদ্ধতি
ঘ) অন্‌লাইন বাতৰিকাকত	ঘ) হ'ল এক ডিজিটেল প্রচাৰ মাধ্যম
ঙ) মেনোভিছৰ মতে	ঙ) হ'ল গ্রাহকৰ মতামত সংগ্রহত গুৰুত্বপূর্ণ ভূমিকা পালনকাৰী উপায়



টেলনে'ট (Telnet) ঃ এই পদ্ধতিটোৰ জৰিয়তে আপুনি শাৰীৰিকভাৱে ঢুকি নোপোৱা আন এটা কম্পিউটাৰলৈ 'কমাণ্ড' (Command) প্রেৰণ কৰিব পাৰে। ইয়াৰ বাবে আপুনি কেৱল সেই মেছিনটোৰ নাম জানিব লাগিব যিটোৰ সৈতে সংযোগ স্থাপন কৰিব খুজিছে। আৰু সেই কম্পিউটাৰটোত আপোনাৰ এটা বৈধ ব্যৱহাৰকাৰীৰ নাম (Valid User Name) থাকিব লাগিব।

গোফাৰ (Gopher) ঃ ই হ'ল এটা মেন্যু (Menu) আধাৰিত সুবিধা। ই ইণ্টাৰনে'ট সম্পর্কীয় তথ্য যোগান ধৰে। কেইবছৰমানৰ আগলৈকে ই এটা জনপ্রিয় সেৱা আছিল। কিন্তু ডব্লিউ ডব্লিউ ডব্লিউৰ (WWW) আবির্ভাৱৰ লগে লগে ইয়াৰ জনপ্রিয়তা আৰু ব্যৱহাৰ হ্রাস পালে।

এম-আই-টি (MIT) ঃ মাছাছুছেটছ্ ইনষ্টিটিউট অফ টেকন'ল'জি। ই হ'ল এখন ব্যক্তিগত ক্ষেত্রৰ গৱেষণা বিশ্ববিদ্যালয়। আমেৰিকা মাছাছুছেটছ্ৰ কেম্ব্রিজত এই বিশ্ববিদ্যালয়খন অৱস্থিত।

১০.৪ নব্য প্ৰচাৰ মাধ্যমৰ বৈশিষ্ট্য

নব্য প্ৰচাৰ মাধ্যমৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল—

- নব্য প্ৰচাৰ মাধ্যমৰ সবাতোকৈ উল্লেখযোগ্য বৈশিষ্ট্যটো হ'ল ইয়াৰ ডিজিটেলিটি (Digitality)। এই মাধ্যমটোক 'ডিজিটেল প্ৰচাৰ মাধ্যম' নাইবা 'ডিজিটেল নব্য প্ৰচাৰ মাধ্যম' বুলিও কোৱা হয়। ইয়াৰ সাধাৰণ অৰ্থ হ'ল 'কম্পিউটাৰ ব্যৱহাৰ কৰা প্ৰচাৰ মাধ্যম।'
- নব্য প্ৰচাৰ মাধ্যমৰ দ্বিতীয়টো উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াৰ আন্তঃক্ৰিয়াশীলতা (In-teractivity)। ই প্ৰেৰক আৰু গ্ৰাহকৰ মাজত দ্বিমুখী সংযোগ স্থাপন কৰে। এই মাধ্যমৰ সেৱা গ্ৰহণ কৰোতাসকল আৰু তথ্যৰ নিষ্ক্ৰিয় গ্ৰাহক হৈ নাথাকে। গ্ৰাহকে নতুন প্ৰচাৰ মাধ্যম প্ৰযুক্তিৰ মাধ্যমেৰে নিজৰ 'ইনপুট' (Input) আৰু মতামত ব্যক্ত কৰিব পাৰে।
- নব্য প্ৰচাৰ মাধ্যমত অন্তঃব্যক্তিক (Interpersonal) যোগাযোগ আৰু গণ মাধ্যম যোগাযোগ উভয়ৰে সুবিধা আছে। এই সুবিধাৰ বাবে আপুনি কোনো ব্যক্তিগতকৃত বাৰ্তা একে সময়তে অগণন ব্যক্তিলৈ প্ৰেৰণ কৰিব পাৰে। এই যোগাযোগ প্ৰক্ৰিয়াটোত জড়িত হোৱা প্ৰতিগৰাকী ব্যক্তিয়ে বাৰ্তাটোৰ প্ৰতি ব্যক্তিগতভাৱে সঁহাৰি জনাব পাৰে।
- নব্য প্ৰচাৰ মাধ্যম হ'ল স্থান আৰু সময় অতিক্ৰমকাৰী মাধ্যম। আপুনি মুহূৰ্ততে পৃথিৱীৰ যিকোনো প্ৰান্তৰ পৰা তথ্য সংগ্ৰহ কৰিব পাৰিব। তথ্য গোটোৱাৰ সময়, মূল্য আৰু বেগৰ দিশৰ পৰা চাবলৈ গ'লে দূৰত্বৰ প্ৰশ্নটো তেনেই গৌণ হৈ পৰে।
- নব্য প্ৰচাৰ মাধ্যমৰ বিষয়বস্তুবোৰ দীৰ্ঘদিন সাঁচি থ'ব পৰা নাযায়। কিতাপ এখন ওৰে জীৱনৰ বাবে সংৰক্ষণ কৰিব পাৰি। কিন্তু ফ্লপি ড্ৰাইভ অথবা চিডিত সুমুৱাই থোৱা তথ্যসমূহ কেইবছৰমানৰ পাছতেই নষ্ট হৈ যাব পাৰে।
- নব্য প্ৰচাৰ মাধ্যমৰ বিষয়বস্তুবোৰ গ্ৰাহকৰ ওপৰত বলপূৰ্বকভাৱে জাপি দিয়া নহয়। কিন্তু পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যম প্ৰতিষ্ঠানবোৰে বিষয়বস্তুবোৰ গ্ৰাহকলৈ বলেৰে ঠেলি পঠিয়াই। আপোনাক যেতিয়াই তথ্যৰ প্ৰয়োজন হয় তেতিয়াই নব্য প্ৰচাৰ মাধ্যমৰ অন্তৰ্ভুক্ত ইণ্টাৰনে'ট নাইবা অন্য কম্পিউটাৰকৃত প্ৰযুক্তিৰ সহায় ল'ব পাৰে।
- নব্য প্ৰচাৰ মাধ্যমৰ আন এটা বৈশিষ্ট্য হ'ল হাইপাৰটেক্সুৱেলিটি (Hypertextuality)। হাইপাৰটেক্ট্-এ ডকুমেণ্টৰ মাজৰ 'লিংক' অৰ্থাৎ সংযোগস্থাপন সহজসাধ্য কৰি তোলে। তথ্য সম্বলিত বিভিন্ন 'পেইজ'ৰ (Page) ইটো তথ্যৰ পৰা আনটো তথ্যলৈ গতি কৰাত হাইপাৰটেক্ষ্ট লিংকবোৰে সহায় কৰে।

১০.৫ নব্য প্ৰচাৰ মাধ্যমৰ সাধাৰণ বাহক

এতিয়া নব্য প্ৰচাৰ মাধ্যমৰ বাহকবোৰৰ বিষয়ে জানি থওঁ আহক—

- **ইণ্টাৰনে'ট আৰু ৱৰ্ল্ড ৱাইড ৱেব ঃ** ইণ্টাৰনে'ট হ'ল একাধিক নেটৱৰ্কৰ সম্মিলিত নে'টৱৰ্ক। ই কম্পিউটাৰবোৰক পৰস্পৰৰ সৈতে সংলগ্ন কৰে। ইণ্টাৰনে'ট হ'ল কম্পিউটাৰৰ এটা বিশ্বজনীন নে'টৱৰ্ক। আপোনাৰ কম্পিউটাৰে ইণ্টাৰনে'টৰ জৰিয়তে আন এটা কম্পিউটাৰত থকা যিকোনো তথ্য আহৰণ কৰিব পাৰে। ইণ্টাৰনে'টে ই-মেইল, ফাইল ট্ৰেন্সফাৰিং, টেলনে'ট, গোফাৰ আৰু ৱৰ্ল্ড ৱাইড ৱেব আদিৰ দৰে সেৱা আগবঢ়ায়। ৱৰ্ল্ড ৱাইড ৱেবক (World Wide Web) প্ৰায়েই ইণ্টাৰনে'টৰ অন্য নাম বুলি গণ্য কৰা হয়। দৰাচলতে এই ধাৰণাটো ভুল। পৰৱৰ্তী অধ্যায়ত আপুনি ইণ্টাৰনে'ট আৰু ৱৰ্ল্ড ৱাইড ৱেবৰ বিষয়ে বহলাই জানিবলৈ পাব।
- **কম্পিউটাৰ গেইমছ্ ঃ** কম্পিউটাৰ গেইমছ্ সাধাৰণতে ব্যক্তিগত কম্পিউটাৰত খেলা হয়। গেইমিং কনছ'ল (Gaming Console) অথবা আৰ্কেড মেছিনতকৈ (Arcade Machine) ব্যক্তিগত কম্পিউটাৰত খোলাটো সুবিধাজনক। 'স্পেছৱাৰ' (Spacewar) আছিল বিশ্বৰ সৰ্বপ্ৰথম কম্পিউটাৰ গেইম। মিট/এমআইটিৰ (MIT) শিকাৰুসকলে ১৯৬১ চনত এই খেলটো বিকশাই তুলিছিল। খেলটোৰ পৰিসাংখ্যিক গণনাৰ বাবে তেওঁলোকে এটা পিডিপি-ওৱান (PDP-1) কম্পিউটাৰ ব্যৱহাৰ কৰিছিল। প্ৰাৰম্ভিক অৱস্থাত এই গেইমবোৰ আছিল লিখিত ৰূপত থকা ৰোমাঞ্চকৰ ঘটনা (Text Adventures) অথবা আন্তঃক্ৰিয়াশীল কল্প-কাহিনী (Interactive Fiction)। খেলুৱৈসকলে কীব'ৰ্ডৰ (Keyboard) সহায়ত 'কমাণ্ড' অৰ্থাৎ কম্পিউটাৰ নিৰ্দেশ দিব লাগিছিল। আৰম্ভণিৰ সময়চোৱাত কম্পিউটাৰ কেৱল গৱেষণা নাইবা শৈক্ষিক উদ্দেশ্যতহে ব্যৱহৃত হৈছিল। কিন্তু কম্পিউটাৰ গেইমছৰ বিকাশ ঘটাৰ লগে লগে কম্পিউটাৰৰ প্ৰতি গ্ৰাহকৰ আকৰ্ষণো বৃদ্ধি পালে। এই জনপ্ৰিয়তাৰ ফলতেই সৰ্বসাধাৰণ ৰাইজে কম্পিউটাৰকৃত প্ৰযুক্তিৰ বৰ্দ্ধিত প্ৰয়োগৰ সুবিধা গ্ৰহণ কৰিবলৈ সক্ষম হ'ল।
- **ডিভিডি আৰু চিডি ৰোম ঃ** ডিভিডি (DVD) অৰ্থাৎ ডিজিটেল ভিডিঅ' ডিস্ক-এ ভিডিঅ' আৰু ডেটা সংৰক্ষণকাৰী সঁজুলি-ৰূপে কাম কৰে। চিডি (CD) অৰ্থাৎ কম্পেক্ট ডিস্ক এখনৰো সেয়াই কাম। কিন্তু দুয়োবিধ যতনৰে সংৰক্ষণ সামৰ্থ ভিন ভিন। এখন ডিৱিডি-এ চিডি এখনতকৈ ছগুণ অধিক ডেটা সংৰক্ষণ কৰিব পাৰে। 'ডিৱিডি' আৰু 'চিডি' হ'ল আজিৰ পৃথিৱীত ডেটা সংৰক্ষণ কৰাৰ সবাতোকৈ সাধাৰণ পদ্ধতি। চিডি আৰু ডিভিডিৰ উদ্ভাৱনৰ লগে লগে তথ্যৰ ভাগ-বটোৱাৰা আৰু প্ৰসাৰ যথেষ্ট সহজ হৈ পৰিল।

পিডিপি-ওৱান (PDP-1) ঃ বিশ্বৰ প্ৰথমটো ব্যৱসায়ভিত্তিক আন্তঃক্ৰিয়াশীল কম্পিউটাৰ (Interactive Computer)। 'পিডিপি'ৰ সম্পূৰ্ণ অৰ্থ হ'ল প্ৰ'গ্ৰামড্ ডেটা প্ৰ'ছেছৰ (Programmed Data Processor)। এই কম্পিউটাৰটোতেই ইতিহাস সৃষ্টিকাৰী বিশ্বৰ প্ৰথম ভিডিঅ' গেইম ষ্টীভ ৰাছেলৰ 'স্পেছৱাৰ' খোলা হৈছিল।

ইমেজ ছেন্সৰ (Image Sensor) ঃ অ'প্টিকেল ইমেজ এটাক বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰিত কৰিব পৰা সঁজুলি।

- **ডিজিটেল কেমেৰা ঃ** ডিজিটেল কেমেৰাই এখন বৈদ্যুতিক 'ইমেজ ছেন্সৰ'ৰ (Image Sensor) সহায়ত স্থিৰ আৰু ভিডিঅ' ছবি গ্ৰহণ কৰে। সৰ্বপ্ৰথম প্ৰকৃতাৰ্থত ডিজিটেল বুলিব পৰা কেমেৰাটো আছিল 'ফুজি ডিএছ-আইপি' (Fuji DS-IP)। কেমেৰাটোৰে ১৯২২ চনত কম্পিউটাৰকৃত ফাইলৰ ৰূপত প্ৰতিচ্ছবি গ্ৰহণ কৰা হৈছিল। ইয়াৰ দুবছৰ পাছতহে বিশ্বৰ প্ৰথমটো ব্যৱসায়িকভাৱে সুলভ ডিজিটেল কেমেৰাই বজাৰত ভুমুকি মাৰিছিল। ইয়াৰ নাম আছিল 'ডাইকেম মডেল ৱান' (Dycam Model-I)। ডিজিটেল কেমেৰা অথবা ডিজিকেমবোৰ (Digicam) হ'ল নব্য প্ৰচাৰ মাধ্যম প্ৰযুক্তিত ব্যৱহৃত এটা সাধাৰণ উপায়। এনে কেমেৰাৰে ফটো তোলাৰ লগতে ফটো সংৰক্ষণ তথা ইমেজ স্থানান্তৰিত কৰিব পৰা যায়। ইয়াৰ সহায়ত স্থিৰ ছবিৰ লগতে ভিডিঅ' ছবিও কোনো অসুবিধা নোহোৱাকৈ স্থানান্তৰিত কৰিব পৰা যায়। প্ৰাথমিক এনাল'গ কেমেৰাৰ দৰে এই কেমেৰাবোৰত নিগেটিভ ৰিল 'ডেভেলপ' কৰিবলৈ আৰু কোনো বিশেষ প্ৰতিচ্ছবি চাবলৈ দীৰ্ঘসময় অপেক্ষা কৰিব নালাগে। প্ৰতিচ্ছবিবোৰ পোনে পোনে কেমেৰাৰ পৰা কোনো এটা কম্পিউটাৰলৈ আৰু তাৰ পৰা অন্য কম্পিউটাৰলৈ প্ৰেৰণ কৰিব পৰা যায়।
- **ম'বাইল ফোন ঃ** আমি সকলোৱে জানো যে ম'বাইল ফোন হ'ল কথাৰে সংযোগ স্থাপন কৰিবলৈ ব্যৱহৃত এক দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰিবপৰা বৈদ্যুতিক সঁজুলি। ম'বাইল অথবা অনাতাঁৰ (Wireless) ফোনবোৰে কোনো এক নিৰ্দিষ্ট নে'টৱৰ্ক এলেকাৰ ভিতৰতহে কাম কৰে। সংযোগ স্থাপনত সহায় কৰিবলৈ এলেকাভিত্তিত বিশেষীকৃত আধাৰ ষ্টেশ্যন (Specialized Base Stations) কিছুমান থাকে। আমি ম'বাইল ফোন বুলি যিবিধ সঁজুলিৰ বিষয়ে জানো, সেই যতনটো সৃষ্টি কৰিবলৈ বহুতো বিজ্ঞানীয়ে যোৱা শতিকাটো জুৰি বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাই আছিল। কিন্তু বিশ্বৰ প্ৰথমটো ম'বাইল ফোন সৃষ্টি কৰাৰ কৃতিত্ব অৰ্জন কৰোঁতাগৰাকী হ'ল মার্টিন কুপাৰ নামৰ মোটোৰ'লা কোম্পানীৰ এগৰাকী গৱেষক। তেওঁ ১৯৭৩ চনৰ ৩ এপ্ৰিলত বেল গৱেষণাগাৰৰ পৰা এগৰাকী প্ৰতিদ্বন্দ্বীলৈ ম'বাইল ফোনেৰে প্ৰথমটো 'কল' কৰিছিল। প্ৰযুক্তিৰ অগ্ৰগতিয়ে ম'বাইল ফোনক নব্য প্ৰচাৰ মাধ্যমৰ সবাতোকৈ সাধাৰণ বাহকত পৰিণত কৰিছে। এনে ফোনে কথা-বতৰাৰে সংযোগ স্থাপন কৰাত, লিখিত আৰু ছবিযুক্ত বার্তা প্ৰেৰণ কৰাত, ফটো তোলাত, ইণ্টাৰনে'ট ব্ৰাউজিঙত, গীত শুনাত আৰু বিভিন্ন গেইম খেলাত সহায় কৰে। ম'বাইল ফোন এটা হ'ল নব্য প্ৰচাৰ মাধ্যমৰ সকলোবোৰ অত্যাধুনিক প্ৰযুক্তি সম্বলিত সঁজুলিৰ এটা উৎকৃষ্ট উদাহৰণ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলৰ বিষয়বোৰৰ চমুটোকা লিখক—

ক) হাইপাৰটেক্সট্ (Hypertext)

.....

.....

.....

খ) ডিজিটেল প্রচাৰ মাধ্যম (Digital Media)

.....

.....

.....

গ) দ্বিমুখী সংযোগ (Two Way Communication)

.....

.....

.....



ঘ) প্রচাৰ মাধ্যমৰ তথ্য ঠেলা আৰু গ্রাহকৰ তথ্য ওচৰ চপাই লোৱা কার্য (Media Mush and Consumer Pull)

.....

.....

.....

প্রশ্ন নং ৪ ঃ নব্য প্রচাৰ মাধ্যমৰ সুবিধাবোৰ কি কি?

.....

.....

.....

প্রশ্ন নং ৫ ঃ নব্য প্রচাৰ মাধ্যমৰ এটা প্রধান অসুবিধাৰ বিষয়ে লিখক।

.....

.....

.....

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নব্য প্রচাৰ মাধ্যম হ'ল সংযোগ স্থাপনৰ এটা নতুন পদ্ধতি, য'ত কম্পিউটাৰকৃত প্রযুক্তি ব্যৱহাৰ কৰি তথ্যৰ প্রসাৰ আৰু ভাগ-বটোৱাৰা কৰা হয়।
- ইয়াক নব্য প্রচাৰ মাধ্যম বোলাৰ কাৰণ হ'ল বাতৰিকাকত, ৰেডিঅ' আদিৰ দৰে পৰম্পৰাগত অথবা পুৰণি প্রচাৰ মাধ্যমতকৈ ই কিছু পৃথক।
- পুৰণি আৰু নব্য প্রচাৰ মাধ্যমৰ মাজত থকা মৌলিক পার্থক্যটো হ'ল নব্য প্রচাৰ মাধ্যমত অন্তঃক্রিয়াশীলতাৰ (Interactivity) সুযোগ আছে। নব্য প্রচাৰ মাধ্যমে গ্রাহকক প্রক্রিয়াটোত সক্রিয় অংশগ্রহণৰ সুযোগ দিয়ে। গ্রাহকে প্রেৰকক প্রত্যক্ষ সঁহাৰি জনাব পাৰে।
- নব্য প্রচাৰ মাধ্যমক পুৰণি প্রচাৰ মাধ্যমৰ পৰা পৃথক কৰা আন এটা পার্থক্য হ'ল— নব্য প্রচাৰ মাধ্যম অধিক সুগম অর্থাৎ অনায়াসে ওচৰ চাপিব পৰা বিধৰ। ইয়াৰ পৰিসৰো পুৰণি প্রচাৰ মাধ্যমতকৈ অধিক ব্যাপ্ত।
- পৰম্পৰাগত প্রচাৰ মাধ্যমবোৰে সম্প্রতি অধিক গ্রাহকৰ ওচৰ চাপিবলৈ নব্য প্রচাৰ মাধ্যম প্রযুক্তিসমূহৰ ব্যৱহাৰ আৰম্ভ কৰিছে।
- নব্য প্রচাৰ মাধ্যমত অন্তঃব্যক্তিক যোগাযোগ আৰু গণ প্রচাৰ মাধ্যম যোগাযোগ উভয়ৰে সুবিধা আছে। আপুনি ব্যক্তিগতকৃত বাতৰি সহায়ত জনগণৰ কায চাপিব পাৰে। নব্য প্রচাৰ মাধ্যমত ব্যৱহৃত প্রযুক্তিৰ সহায়ত সেই বার্তা গ্রহণ কৰা প্রতিজনে আপোনাৰ সৈতে ব্যক্তিগতভাৱে সংযোগ স্থাপন কৰি নিজ নিজ সঁহাৰি জনাব পাৰে।
- নব্য প্রচাৰ মাধ্যমে পৃথিৱীৰ প্রতিটো চুক-কোণৰ পৰা তথ্য আহৰণ কৰাত সহায় কৰে।
- নব্য প্রচাৰ মাধ্যমৰ এটা প্রধান অসুবিধা হ'ল সংগৃহিত 'ডেটা' অথবা তথ্য বহুদিন ধৰি সংৰক্ষণ কৰিব পৰা নাযায়। 'চিডি (CDs), ডিৱিডি (DVDs), হার্ড ড্রাইভ (Hard Drive) আদিৰ জীৱনকাল হ্রস্ব।
- নব্য প্রচাৰ মাধ্যম প্রযুক্তিয়ে আপোনাক তেতিয়াহে তথ্যৰ যোগান ধৰে যেতিয়া আপুনি নিজে কোনো তথ্য বিচাৰে। এই প্রযুক্তিত গ্রাহকে তথ্যক নিজৰ ওচৰলৈ টানি আনিব লাগিব। অন্য প্রচাৰ মাধ্যমৰ ক্ষেত্রত প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰে গ্রাহকৈ বলপূর্বকভাৱে নিজৰ তথ্য ঠেলি দিয়ে।
- নব্য প্রচাৰ মাধ্যমৰ সাধাৰণ বাহক কেইটামান হ'ল— ইণ্টাৰনেট, ছিডি, ডিৱিডি, ডিজিটেল কেমেৰা আৰু ম'বাইল ফোন।



১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ganesh, T. K. (2006), *Digital Media, Building the Global Audience*, Gnosis Publishers, New Delhi.
2) Lister, Martin; Dovey, Jon; Giddings, Seth; Grant, Iain; Kelly, Keran (2009). *New Media : A critical Introduction*, Routledge.

১০.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ যিটো সংযোগ স্থাপনৰ নতুন পদ্ধতিয়ে তথ্য প্ৰসাৰ কৰিবলৈ কম্পিউটাৰ অথবা ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰে তাকেই নব্য প্ৰচাৰ মাধ্যম বুলি ক'ব পৰা যায়। প্ৰচাৰ মাধ্যমৰ 'পু�ৰণি' ৰূপসমূহ, যেনে— বাতৰিকাকত, ৰেডিঅ' আদিৰ বিপৰীতে এই নতুন পদ্ধতিটোক 'নব্য প্ৰচাৰ মাধ্যম' নাম দিয়া হৈছে। নব্য প্ৰচাৰ মাধ্যম হ'ল অন্তঃক্ৰিয়াশীল। সেয়েহে ইয়াক দ্বিমুখী সংযোগ স্থাপনৰ সুবিধা আছে। ই এক ডিজিটেল প্ৰচাৰ মাধ্যম আৰু ইয়াৰ পৰিসৰো অতি ব্যাপক।

২নং প্ৰশ্নৰ উত্তৰ ঃ

ক) অন্তঃক্ৰিয়াশীলতা
খ) বাতৰিকাকত
গ) নব্য প্ৰচাৰ মাধ্যম
ঘ) অন্‌লাইন বাতৰিকাকত
ঙ) মেনোভিছৰ মতে

ঙ) হ'ল গ্ৰাহকৰ মতামত সংগ্ৰহত গুৰুত্বপূৰ্ণ ভূমিকা পালনকাৰী উপায়
ক) পুৰণি প্ৰচাৰ মাধ্যম
ঘ) হ'ল এক ডিজিটেল প্ৰচাৰ মাধ্যম
খ) ইণ্টাৰনেটৰ মাধ্যমেৰে ছাৰ্ফ কৰিব পাৰি
গ) নব্য প্ৰচাৰ মাধ্যম হ'ল এক নতুন সাংস্কৃতিক পদ্ধতি

৩নং প্ৰশ্নৰ উত্তৰ ঃ

ক) হাইপাৰটেক্সট (Hypertext) ঃ হাইপাৰটেক্সট্ হ'ল কম্পিউটাৰ এটাত থকা 'ডেটা'ৰ বিভিন্ন পৃষ্ঠাৰ মাজত থকা 'লিংক' অথবা সংযোগ। ৱৰ্ল্ড ৱাইড ৱেবৰ প্ৰচলন বৃদ্ধি পোৱাৰ লগে লগে হাইপাৰটেক্সট্‌ৰ ব্যৱহাৰেও জনপ্ৰিয়তা অৰ্জন কৰিছে। যেতিয়া বিপুল পৰিমাণৰ তথ্য কম্পিউটাৰৰ একেটা 'পেইজ' (Page) অথবা পৃষ্ঠাত সামৰি ল'ব পৰা নাযায়, তেতিয়া ইয়াক ভিন ভিন 'ৱেব পেইজ'ত (Web Page) বিভক্ত কৰা হয়। হাইপাৰটেক্সটৰ সহায়ত আপুনি 'মাউছ'ৰ ক্লিক জৰিয়তে এটা পৃষ্ঠাৰ পৰা আন এটা নাম পৃষ্ঠালৈ যাব পাৰে।

খ) **ডিজিটেল প্রচাৰ মাধ্যম (Digital Media) ঃ** ডিজিটেল প্রচাৰ মাধ্যম হ'ল ডিজিটেল সাংকেতিক ভাষাত কাম কৰা এটা বৈদ্যুতিক প্রচাৰ মাধ্যম। ডিজিটেল পদ্ধতিয়ে 'বাইনেৰী' (Binary) সংখ্যা '0' আৰু '1' চিনি পায়। কম্পিউটাৰে কোনো তথ্য ব্যাখ্যা কৰিবলৈ এই দুটা 'বাইনেৰী' সংখ্যাৰ ওপৰত নির্ভৰ কৰে। সংকেত উদ্ধাৰ কৰিৰ পাছতহে ই পর্দাত কোনো 'ডেটা' উপস্থাপন কৰে। নব্য প্রচাৰ মাধ্যম প্রযুক্তিসমূহক 'ডিজিটেল' বোলাৰ কাৰণ হ'ল এইবিলাক কম্পিউটাৰকৃত প্রযুক্তিৰ ওপৰত নির্ভৰশীল।

গ) **দ্বিমুখী সংযোগ (Two-way Communication) ঃ** যিটো সংযোগ প্রক্রিয়াত প্রেৰক আৰু গ্রাহক উভয়েই সক্রিয় অংশগ্রহণ কৰিব পাৰে তাকেই দ্বিমুখী সংযোগ স্থাপন ব্যৱস্থা বোলে। গ্রাহকে সক্রিয় ভূমিকা পালন কৰি প্রেৰকলৈ কোনো বিষয় সন্দর্ভত নিজৰ মতামত প্রেৰণ কৰে। ইয়াক 'টু এণ্ড ফ্রো' (To and Fro) সংযোগ স্থাপনকাৰী পন্থা বুলিও ক'ব পৰা যায়। অর্থাৎ ই হ'ল আপুনি কোনো বন্ধুৰ সৈতে কথোপকথনত লিপ্ত হোৱাৰ দৰে পদ্ধতি। নব্য প্রচাৰ মাধ্যমে এই দ্বিমুখী সংযোগ স্থাপনকাৰী ব্যৱস্থাটো মানি চলে বাবে ইয়াক অন্তঃক্রিয়াশীল মাধ্যম বুলিও জনা যায়।

ঘ) **প্রচাৰ মাধ্যমৰ তথ্য ঠেলা আৰু গ্রাহকৰ ওচৰ চপাই লোৱা কার্য (Media Push and Consumer Pull) ঃ** যেতিয়া গ্রাহকে নিবিচৰাকৈয়ে কোনো তথ্য পৰিৱেশন কৰা হয়, তেতিয়া তাক 'মিডিয়া পুশ্ব' অথবা প্রচাৰ মাধ্যমৰ তথ্য ঠেলি দিয়া কার্য বোলা হয়। কিন্তু যেতিয়া আমি, অর্থাৎ গ্রাহকে নিজে প্রচাৰ মাধ্যম বিপণীবোৰৰ জৰিয়তে তথ্য বিচাৰো, তেতিয়া তাক 'কনজ্যুমাৰ পুল' অর্থাৎ গ্রাহকৰ তথ্য ওচৰ চপাই লোৱা কার্য বোলা হয়। উদাহৰণস্বৰূপে, টেলিভিছনৰ বিজ্ঞাপনসমূহে বিভিন্ন সামগ্রীৰ তথ্য আমাক জনায়। এনে বহু সামগ্রীৰ তথ্য জনাৰ বাবে দর্শক আগ্রহী নহ'বও পাৰে। এনে কার্যকে 'মিডিয়া পুশ্ব' বুলি কোৱা হয়। কিন্তু যেতিয়া গ্রাহক এজনে কোনো এবিধ বিশেষ সামগ্রীৰ তথ্য বিচাৰি ইণ্টাৰনেট'ত ছার্ফ কৰে, তেতিয়া তেওঁ তথ্য নিজৰ কাষ চপাই অনাৰ প্রয়াস কৰে। ইয়াকেই 'কনজ্যুমাৰ পুল' বুলি কোৱা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ নব্য প্রচাৰ মাধ্যমৰ বহুকেইটা সুবিধা আছে। যিহেতু নব্য প্রচাৰ মাধ্যমত অন্তঃক্রিয়াশীলতাৰ সুবিধা আছে— সেয়েহে ব্যৱহাৰকাৰীয়ে আন্তঃব্যক্তিক সংযোগ স্থাপনৰ সুবিধা গ্রহণ কৰিব পাৰে। একে সময়তে, নব্য প্রচাৰ মাধ্যমৰ জনগণৰ মাজত প্রসাৰৰ পৰিধি অতি ব্যাপক হোৱা হেতুকে ইয়াৰ জৰিয়তে গণ প্রচাৰ মাধ্যম সংযোগ স্থাপনৰ সুবিধাও গ্রহণ কৰিব পৰা যায়। এইবোৰৰ উপৰি নব্য প্রচাৰ মাধ্যমে যোগাযোগ প্রক্রিয়া খৰতকীয়া কৰি তোলাত সহায় কৰে। ই আমাক বিশ্বৰ যিকোনো প্রান্তৰ পৰা তথ্য আহৰণ কৰাতো সহায় কৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ নব্য প্ৰচাৰ মাধ্যমৰ এটা প্ৰধান অসুবিধা হ'ল সৃষ্ট অথবা সংগৃহিত 'ডেটা' বেছিদিন সংৰক্ষণ কৰিব নোৱাৰি। এনে 'ডেটা' অৰ্থাৎ তথ্য বিভিন্ন মাধ্যমেৰে জমা কৰা হয়। কম্পিউটাৰ ফাইল, চিডি, ফ্লপি, ডিৱিডি আদি প্ৰদূষিত হয় (Corrupted) আৰু জৰুৰী 'ডেটা' চিৰিদিনৰ বাবে নাইকিয়া হয়।



১০.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ কিদৰে পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ পৰা নব্য প্ৰচাৰ মাধ্যমৰ বৈসাদৃশ্য চিনাক্ত কৰিব পাৰি?

প্ৰশ্ন ২ ঃ আন্তঃক্ৰিয়াশীলতা (Interactivity) নব্য প্ৰচাৰ মাধ্যমৰ প্ৰধান সুবিধা। — আলোচনা কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ নব্য প্ৰচাৰ মাধ্যম হৈছে গণ মাধ্যম সংযোগ আৰু অন্তৰ্ব্যক্তিক সংযোগৰ জোঁটক (Combination)। —ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ উভয় নব্য আৰু পুৰণি প্ৰচাৰ মাধ্যমৰ প্ৰসংগত বিষয়বস্তু আৰু পৰিবেশনৰ প্ৰাসংগিকতা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ নব্য প্ৰচাৰ মাধ্যমৰ আহিলাসমূহে এটা নতুন প্ৰচাৰ মাধ্যম সংস্কৃতিৰ জন্ম দিছে। বহলাই লিখক।

*** ***** ***



প্রসঙ্গ পুথি আৰু উৎস

* Roy, Alok Chandra, Photography for the Beginners, Alok Chandra , Apsara, Guwahati.
* Dilwali, Ashok, All About Photography, National Book Trust, New Delhi.
* Kenneth,Muse, Photo One, Prentice H.
* Bright, P S, Chemistry of Photography & Related Careers in Junior Science Refresher, July 2007
* Dutta, Ankuran (ed.), Mahurat, Cotton College
* http://www.bestfamilyvideotips.com;
* http://www.photography.about.com;
* http://en.wikipedia. org/wiki
* http://www.notrain-nogain.org
* http://wikieducator.org